
# সূত্ৰধাৰ

১-১৫ ফেব্ৰুৱাৰী, ১৯৯২ □ সাত টকা



গৰ্বাচিভৰ উত্থান আৰু পতন

শ্ৰীকিশোৰ কলিতা, পাঠশালা

# সূত্ৰধাৰ

চতুৰ্থ বছৰ, তৃতীয় সংখ্যা
১-১৫ ফেব্ৰুৱাৰী, ১৯৯২
Vol. IV, No. 3
1-15 February, 1992

সম্পাদক (অবৈতনিক)
হোমেন বৰগোহাঞি
সম্পাদনা সহকাৰী
মালবিকা পাঠক
মূখ্য প্ৰতিবেদক
হৰেন বুঢ়াগোহাঞি
কলা নিৰ্দেশক
চম্পক বৰবৰা
কাৰ্যাধ্যক্ষ
অনিল কুমাৰ গগৈ

পূৰবী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গগৈৰ দ্বাৰা ইষ্টাৰ্ণ প্ৰেছ এণ্ড পাব্লিকেশ্যনচ প্ৰাঃ লিঃ-ত মুদ্ৰিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী - ১-ৰ পৰা প্ৰকাশিতঃ □ ফোন- ২৪৮৫৪, ২৭৮২৩, ৩৩১১৮

**Bombay:-**
Mr. Subhajit Mitra
12, Shankar Jyoti 10th Road.
Chembur
Bombay-400071
Ph. 555, 4491

**Calcutta:-**
Mr. Gautam Sengupta.
7/1C Lindsay Street. (1st Floor)
Calcutta-700087
Ph. 241221, 248571

**Delhi:-**
Mr. Ranaji Sen.
B-51, Soami Nagar.
New Delhi-110017
Ph. 642, 8608

প্ৰচ্ছদ নিবন্ধ

## শান্তিৰ দূত গৰ্বাচভৰ উত্থান আৰু পতন □ ৫

বিশ্বৰ এখন অতি শক্তিশালী ৰাষ্ট্ৰ ছোভিয়েত ৰাছিয়াই বিভিন্ন স্বাধীন গণৰাজ্যলৈ খণ্ড-বিখণ্ড হোৱা কাৰ্য নীৰৱে প্ৰত্যক্ষ কৰিলে গৰ্বাচভে। কোনো তিক্ততাৰ সৃষ্টি নকৰাকৈ সৰ্বশক্তিমান গৰ্বাচভে ক্ষমতা হস্তান্তৰ কৰি নতুন ৰুচ কমনৱেলথৰ বাবে গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ আৰম্ভণি কৰিলে তেওঁৰ ৭ বছৰীয়া শাসনকালত। ছোভিয়েতৰ যুগান্তকাৰী ঘটনা সমূহক লৈ এইবাৰ প্ৰচ্ছদ নিবন্ধ আগবঢ়াইছে হিৰণ্য কুমাৰ ভট্টাচাৰ্যই। লগতে–

ৰাজেন থাউণ্ডৰ আলেখ্যঃ মিখাইল গৰ্বাচভঃ এটা যুগৰ প্ৰতিনিধি ১২

ৰাজনীতি

## আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ আলেখ-লেখ ২৫

সুদীৰ্ঘ ১৪ বছৰৰ মূৰত অসমত পঞ্চায়ত নিৰ্বাচন পতা হ'ব। হিতেন মহন্তই পঞ্চায়ত নিৰ্বাচনৰ আলেখ-লেখ আগবঢ়াইছে তেখেতৰ লেখা 'আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ আলেখ-লেখৰ' জৰিয়তে।

বিশেষ নিবন্ধ

## স্বাধীন অসমৰ দাবীৰ প্ৰসংগত – নয়া গণতান্ত্ৰিক বিপ্লৱৰ প্ৰশ্নটো ৪৪

অসমৰ সামাজিক-ৰাজনৈতিক-সাংস্কৃতিক পৰিবেশ আজি অশান্ত। বৰ্তমানৰ পৰিস্থিতিয়ে এক সঠিক পথহে দাবী কৰিছে। তীব্ৰ তাত্ত্বিক সংগ্ৰামেহে বিপ্লৱৰ সঠিক পথৰ সন্ধান দিব পাৰে। এনে এক নতুন গণতান্ত্ৰিক বিপ্লৱৰ বিষয়ে এক আলোচনা আগবঢ়াইছে ড০ প্ৰফুল্ল মহন্তই।

নেপথ্য দৰ্শন
আলফা, শইকীয়া আৰু বিৰোধী □ ছদ্মবেশী ১৪

সাময়িকী
কমিউনিজমৰ বিপৰ্যয়ৰ প্ৰেক্ষাপটত ভাৰতৰ কমিউনিষ্ট দল
□ সবিতা লহকৰ ১৮

ৰাজধানী সংবাদ
প্ৰস্তাবিত আই আই টি-খন কেনেকুৱা হ'ব? □ হৰেন বুঢ়াগোহাঞি ২১

বিশেষ নিবন্ধ
মানৱ সভ্যতা আৰু সংস্কৃতিঃ অতীত, বৰ্তমান, ভৱিষ্যত
□ ড০ পবিত্ৰ কুমাৰ শৰ্মা ২৯

মতামত
খু-দুৱনিৰ বুৰবুৰণি □ ঘনকান্ত লস্কৰ

মতামত
ধৰ্মীয় সংখ্যা লঘুৰ বাবে চাকৰি
□ নৰকান্ত বৰদলৈ ৫৪

ব্যক্তি আৰু ঘটনা
গ্ৰন্থমেলা '৯২ □ মনোৰমা বৰুৱা ৩৫

বিশ্ববিদ্যালয়ৰ বাতৰি
বিশ্ববিদ্যালয়ৰ টুকুৰা খবৰ
□ স্বপ্না বেজবৰুৱা ২৮

দৃষ্টিকোণ
বহিৰাগতৰ সমস্যা
□ হোমেন বৰগোহাঞি ৩১

প্ৰতিবেদন
বাতৰিৰ আঁৰৰ বাতৰি
□ গীতাৰ্থ পাঠক ২৬

নাৰীজগত
নাৰীৰ সংখ্যা হ্ৰাস, ধৰ্ষণ, যৌতুক মৃত্যু ইত্যাদি □ সবিতা লহকৰ ৩৭

চিন্তনীয়
মাতৃভাষা আৰু মানসিক বিচ্ছিন্নতাৰ যন্ত্ৰণা □ সমীন্দ্ৰ হুজুৰি ৫০

বিচিত্ৰা
ওলগৰ শৰাই নেওগলৈ (ব্যক্তিগত স্মৃতিচাৰণ) □ সুকুমাৰ বিশ্বাস ৪১

বিচিত্ৰা
আমাৰ ভাগৰ লাগে কিয়?
□ এলবাৰ্ট মাইছেল ৫৩

চিঠি ৪
সম্পাদকৰ টোকাবহী ১৬
কবিতা ৩৪
গল্প ৩৯
উপন্যাস ৫৬
খেল ধেমালি ৫৯
চিনেমা ৬০
এক পৃষ্ঠা ৬২

বেটুপাত □ চম্পক বৰবৰা

OKDISCO

## অসমৰ বৰ্তমান পৰিস্থিতিঃআমাৰ কৰ্তব্য

অসম ক্ৰমে গভীৰ সংকটৰ ফালে দ্ৰুত গতিৰে আগবাঢ়িছে। সমস্যাটো বৰ্তমানে এনে অৱস্থাত অৱতীৰ্ণ হৈছে যে গৰিষ্ঠসংখ্যক ৰাইজে ইয়াৰ পৰিণতি কিদৰে হব, তাঁৰ উত্তৰ নোপোৱা হ'ল। আমি একে স্বৰতে সন্ত্ৰাসবাদীৰ কাৰ্যকলাপ দমন কৰি শান্তি প্ৰতিষ্ঠা কৰাত চৰকাৰক গৰিহণা দিছিলো, ঠিক তেনেদৰেই আজি ৰাষ্ট্ৰসন্ত্ৰাস হৈছে বুলি চিঞৰ-বাখৰ কৰি আছো। এইটো কথা আজি পৰিষ্কাৰ যে পুলিচ-মিলিটাৰী দি দমন নীতিৰে সমস্যাৰ সমাধান নহয়। আমি এই কথাও নকওঁ যে নিৰপৰাধী লোকক হাৰাশাস্তি কৰা হোৱা নাই। হয়, ৰাইজক বিনাদোষে হাৰাশাস্তি কৰা হৈছে। কিন্তু তাৰ প্ৰতিকাৰৰ কাৰণে হাৰাশাস্তিৰ বৰ্ণনা দি থাকিলেই সমস্যাৰ সমাধান কেতিয়াও নহয়, মই প্ৰশ্ন কৰিম যদি মোক আজি অসমৰ মুখ্য মন্ত্ৰীৰ গাদীখন দিয়া হয়– মই সমস্যাৰ সমাধানৰ কাৰণে কি কি ব্যৱস্থা লম। পুলিচ-মিলিটাৰীক অসমৰ পৰা পঠিয়াই দিলেই যদি শান্তি প্ৰতিষ্ঠা হয়, আবেগ অনুভূতি আৰু ক্ষুদ্ৰ ৰাজনৈতিক লাভালাভ ত্যাগ কৰি অসম-ভূমিখণ্ডৰ সামগ্ৰীক উন্নতি-প্ৰগতিৰ সমুখত ৰাখি উপযুক্ত উপদেশ বা সূত্ৰ লৈ আগবাঢ়ি আহক– সঁচা অৰ্থত অসমত শান্তি বিচৰা বুদ্ধিজীৱী-ৰাজনৈতিক নেতাসকলে।

আল্‌ফা সমস্যাৰ উৎপত্তি নিবনুৱা সমস্যা, সামাজিক অসমতা, দুৰ্নীতি প্ৰমুখ্যে সামাজিক ৰোগ বিলাক নহয় জানো? আশী দশকৰ আৰম্ভণিৰ পৰা নিযুক্তিত দেখা দিলে নানা ধৰণৰ ৰাজনৈতিক হেচা। আজিৰ অসমৰ যুৱক-যুৱতীসকলে বুদ্ধিমত্তা বা প্ৰতিযোগিতাৰ ভিত্তিত নিযুক্তি পাই বুলি ক'লে কোৱাজনক পাগল বুলিয়েই ক'ব। ইয়াৰ কাৰণে দায়ী নিশ্চয় 'সন্ত্ৰাসবাদী'সকল নহয়। শান্তি প্ৰতিষ্ঠাৰ নামত নিতৌ কৌটি টকা ব্যয় কৰি থকা হৈছে; প্ৰশাসনিক কাম-কাজ স্তব্ধ হৈছে, বয়-বস্তুৰ মূল্য দ্ৰুতগতিত বাঢ়ি আছে ইত্যাদি ইত্যাদি। ৬৬জন বিধায়কৰ প্ৰায় ৫০ জনে মন্ত্ৰী-সভাপতিৰ আসন শুৱনি কৰিছে– দিনটোত ৰাষ্ট্ৰীয় পথেৰে ৩/৪ জন মন্ত্ৰীয়ে দ্ৰুতগতিত ৰাইজৰ সেৱা কৰি আছে– অসমৰ ইমূৰৰ পৰা সিমূৰলৈ। ৰাইজে ভাবিবলৈ বাধ্য আজিকালি গাড়ী বিলাক পানীৰেই চলে বুলি।

আহক, আমি সুস্থ চিন্তাৰে এখন অভিবৰ্তনত মিলিত হওঁহঁক।

**দীপ বৰা**
**জ্যোতিনগৰঃ নগাওঁ**

## বন্দুকৰ দ্বাৰা আল্‌ফা সমস্যাৰ সমাধান সম্ভৱনে?

আল্‌ফাক দমন কৰাৰ নামত অসমত দুবাৰো সেনা-বাহিনী নিয়োগ কৰা হ'ল। অপাৰেচন বজৰঙৰ পিছত অসমত সাধাৰণ নিৰ্বাচন আৰু কংগ্ৰেছৰ জয়লাভেৰে হিতেশ্বৰ শইকীয়াৰ ক্ষমতা দখল। অপাৰেচন বজৰঙে একো কাম নিদিলে। নিৰ্বাচনৰ গেপত আল্‌ফাই মনে মনে থাকি নিজৰ সাংগাঠনিক ক্ষেত্ৰত মন দিলে আৰু হিতেশ্বৰ শইকীয়াৰ দিনত ই ভয়ংকৰ ৰূপত আত্মপ্ৰকাশ কৰিলে। তাৰ ফলতে আহিল অপাৰেচন ৰাইনো।

এতিয়া অসমত ৰাইনোৰ ৰাজত্ব চলি আছে। সেনা বাহিনীয়ে আল্‌ফা বুলি সাধাৰণ মানুহকো অত্যাচাৰ কৰিছে। হয়তো চৰকাৰী পক্ষয়ো এটা কথা ভাবিছে যে কিছু উগ্ৰপন্থীক খতম কৰি দিলেই আল্‌ফা সমস্যাৰ সমাধান হৈ যাব বা আল্‌ফা দুৰ্বল হৈ সন্ধি কৰিবলৈ আগবাঢ়ি আহিব। কিন্তু বাস্তৱ ক্ষেত্ৰত সেইটো হবনে? অপাৰেচন বজৰঙে আল্‌ফাক কিবা কৰিব পাৰিলেনে? অসমত সৈন্য সদায় নাথাকে। এতিয়া ৰাইনোৰ সময়ত হয়তো আল্‌ফাই আত্মাৰক্ষাৰ বাবেই কিছুদিন মনে মনে থাকিব। কিন্তু সৈন্য অপসাৰিত হোৱাৰ লগে লগেই যে ই উক দিব তাক নিশ্চয়কৈ কৈ দিব পাৰি। তেতিয়া আকৌ আৰম্ভ হব অনিশ্চয়তা, ভয়, সংশয়।

কিছুমান ৰাজনৈতিক আৰু বুদ্ধিজীৱীয়ে কৈ আছে যে আল্‌ফাৰ সমস্যা এটা ৰাজনৈতিক সমস্যা আৰু ইয়াৰ ৰাজনৈতিক সমাধানাহে সমস্যাটো সমাধান কৰিব। কিন্তু ৰাজনৈতিক সমস্যাৰ লগত যে অৰ্থনৈতিক সমস্যাও জড়িত হৈ আছে তাক কোনেও নুই কৰিব নোৱাৰে। আল্‌ফাই অসমৰ সাৰ্বভৌমত্ব দাবী কৰিছে। সেয়ে প্ৰায় বিলাক ৰাজনৈতিক আৰু বুদ্ধিজীৱীয়ে ইয়াৰ ৰাজনৈতিক সমাধানৰ কথা কৈছে। কিন্তু তেওঁলোকে ইয়াৰ অৰ্থনৈতিক দিশটো উপেক্ষা কৰি গৈছে।

ধৰাহ'ল আল্‌ফাৰ লগত চৰকাৰৰ আলোচনা হ'ল। এখন চুক্তি স্বাক্ষৰিত হ'ল। অসমক কিছু ৰাজনৈতিক ক্ষমতা দিয়া হ'ল। কিন্তু সমস্যাৰ সমাধান হ'লনে? চুক্তিৰ পিছত বন্দুক হাতত তুলি লোৱা ল'ৰাবোৰে কি কৰিব? তেওঁলোকক ক'ত সংস্থান দিয়া হব? অসমত দিনে দিনে শিক্ষিত নিবনুৱাৰ হাৰ বাঢ়ি গৈছে। আজি বিশ্ববিদ্যালয়ৰ শিক্ষা লৈও জীৱিকাৰ কথা চিন্তা কৰিব লগা হৈছে। নাই ক'তো সংস্থানৰ ব্যৱস্থা। আল্‌ফাত যোগ দিয়া কিছুমান যুৱক উগ্ৰ অসমপ্ৰেমী আৰু কিছুমান হতাশ গ্ৰস্ত। সেয়ে আল্‌ফাত শিক্ষিত যুৱকো বহু পৰিমাণে সোমাই পৰিছে।

বিদেশী খেদা আন্দোলনত সৰহভাগ অসমীয়া হিন্দুৱে অংশ গ্ৰহণ কৰিছিল। আৰু তেওঁলোকে আশা কৰিছিল অন্ততঃ অগপ-ৰ দিনত নিবনুৱাবোৰে চাকৰি পাব। কিন্তু বিদেশী খেদা আন্দোলনৰ দৰেই অগপ চৰকাৰো মস্ত এটা ফ্লপ। মানুহবোৰ হতাশ হ'ল। আৰু এইটোৱে আল্‌ফাক শক্তিশালী হোৱাত সহায় কৰিলে। সেয়ে চৰকাৰে ৰাজনৈতিক সমাধানৰ কথা চিন্তা কৰাৰ লগে লগে অৰ্থনৈতিক দিশটোৰ কথাও সমানে চিন্তা কৰিব লাগিব।

অসমৰ মানুহে সদায়ে নিজকে অৱহেলিত আৰু শোষিত বুলি অনুভৱ কৰি আহিছে। এই অনুভৱটো হবলৈ পালে কিয়? অসমৰ তেলেৰে যদি বাৰাউনিত শোধনাগাৰ পাতিব পাৰি উত্তৰ প্ৰদেশ বা বিহাৰৰ কেঁচা মালেৰে অসমত উদ্যোগ স্থাপন কৰিব নোৱাৰি কিয়? অন্ততঃ অসমৰ কেঁচা সামগ্ৰীক ভিত্তি কৰিও ইয়াত উদ্যোগ স্থাপন কৰিব পাৰি। এতিয়া হয়তো পুলিচ-মিলিটাৰী লগাই কিছু ডেকা ল'ৰাক খতম কৰি আৰু কিছুমানক পঙ্গু কৰি পৰিস্থিতি কিছু শান্ত কৰিব পৰা হব। কিন্তু মানুহৰ যি ক্ষোভ তাক শান্ত কৰিব কোনে? ক্ষোভবোৰ উমি উমি তুঁহ জুই হৈ জ্বলি থাকিব আৰু এদিন ই ভালকৈয়ে জ্বলি উঠিব। তেতিয়া আৰু এই জুই নুমোৱা টান হৈ পৰিব। চৰকাৰে যদি আল্‌ফা সমস্যাৰ স্থায়ী সমাধান বিচাৰে তেতিয়া হ'লে অসমক কিছু ৰাজনৈতিক অধিকাৰ দিয়াৰ লগতে ইয়াত ব্যাপক হাৰত উদ্যোগীকৰণ কৰিব লাগিব। শিক্ষিত নিবনুৱাবোৰে কৰ্মসংস্থান পাব লাগিব আৰু মানুহৰ যি বঞ্চনাৰ ভাব সি দূৰ হব লাগিব। অন্যথাই আল্‌ফা সমস্যাৰ সমাধান হোৱা দূৰৈৰ কথা ই বাঢ়িবহে। তেতিয়া ৰাজ্যখনলৈ আহিব এক স্থায়ী অশান্তি।

হিতেশ্বৰ শইকীয়াই আল্‌ফাক সদায়ে মূল সুঁতিলৈ উভতি আহিবলৈ আহ্বান কৰি আছে। কিন্তু দুৰ্ভাগ্যবশতঃ অসমৰ মূল সুঁতিৰ মানুহে হিতেশ্বৰ শইকীয়াক বৰ বিশ্বাসত নলয়। আৰু এই মূল সুঁতিৰ মানুহখিনিয়ে বিক্ষোভ প্ৰদৰ্শন কৰি আছে। বৰ্তমান শইকীয়া চৰকাৰখনৰ মুৰব্বী। এটা বুবু-বাৰা ওলাইছে যে তেওঁ হেনো অসমৰ মূল সুঁতিৰ মানুহখিনিক চাকৰি বাকৰি নিদিব বা দিলেও কেৱল কংগ্ৰেছৰ মানুহকহে চাকৰি দিব। এইটো যদি হয় তেনেহ'লে অসমলৈ আৰু কোনো দিনেই শান্তি ঘূৰি নাহিব। আকৌ আল্‌ফাত শই শই ল'ৰা ভৰ্তি হব। আমি আশা কৰো হিতেশ্বৰ শইকীয়াই এই ভুল নকৰিব।

**ৰাজীৱ বৰমুদৈ**
**গুৱাহাটী বিশ্ববিদ্যালয়**








# শান্তিৰ দূত গৰ্বাচভৰ উত্থান আৰু পতন

হিৰণ্য কুমাৰ ভট্টাচাৰ্য্য



ছোভিয়েত ৰাছিয়াই মানৱ সভ্যতাৰ এখন অতি শক্তিশালী ৰাষ্ট্ৰ হিচাপে আত্মপ্ৰকাশ কৰিছিল; কিন্তু সেই ছোভিয়েট ৰাষ্ট্ৰ আজি নিশ্চিহ্ন হৈ গ'ল। ইয়াৰ মূল কাৰণবোৰ নিঃসন্দেহে মানুহৰ সহজাত চৰিত্ৰ, মাৰ্ক্সে নিজৰ অজানিতে অৰ্দ্ধসত্য এটাক চিৰন্তন সত্য বুলি প্ৰচলন কৰাৰ প্ৰয়াস আৰু তেখেতৰ অনুগামী সকলৰ মাৰ্ক্সবাদৰ ভুল প্ৰয়োগৰ মাজতেই নিহিত আছিল। মাৰ্ক্সবাদৰ প্ৰতি আবেগিক আৰু অনমনীয়, অন্ধ আনুগত্যৰ বশবৰ্ত্তী নহৈ নিৰপেক্ষ বিশ্লেষণ কৰিলে ইতিহাসৰ কিছুমান আমোদজনক তথ্য পোহৰলৈ আহিব যে নিশ্চিত। ১৮৪৮ চনত মাৰ্ক্সে 'কমিউনিষ্ট মেনিফেষ্টো'খন ৰাইজৰ আগত দাঙি ধৰাৰ সময়ত উক্ত ঘোষণা পত্ৰত তেখেতৰ ৰাজনৈতিক দৰ্শনৰ এটা মৌলিক চৰ্ত্ত এনেদৰে উত্থাপন কৰিছিল " The free development of each is the condition of the free development of all" ট্ৰটস্কীক ৰুছ ৰাজনীতিৰ পৰা চিৰদিনৰ বাবে অপসাৰণ কৰি ষ্টেলিনে মাৰ্ক্সৰ এই মৌলিক চৰ্ত্তটো ভৰিৰে মোহাৰি পেলালে। মাৰ্ক্সে প্ৰকৃততে ব্যক্তি বা কেইজনমান ব্যক্তিৰ একনায়কত্ববাদ স্থাপনৰ কথা সপোনতো ভৱা নাছিল। দ্বিতীয় মহাসমৰৰ অস্বাভাৱিক আৰু জৰুৰীকালীন চৰিত্ৰৰ পৰিস্থিতিয়ে আনি দিয়া সীমাহীন ক্ষমতাৰ গাদীৰ পৰা ষ্টেলিন কোনো দিনেই নামি নাহিল– বলি হ'ল ৩০ লাখ নিঃসহায় মানুহ, (বহুতে ইয়াতকৈও বেছি বুলি ক'ব খোজে)।

তাত্ত্বিক কথা আলোচনা কৰিবলৈ গ'লে বহুতো সমালোচনাৰ সম্মুখীন হব লাগিব বুলি জানো। তথাপিও নিজৰ মতামতখিনি প্ৰকাশ কৰাৰ সুবিধা ভাৰতবৰ্ষত আজিও আছে– যিটো ছোভিয়েত ৰাছিয়াত কোনো দিনেই নাছিল আৰু চীনত আজিও নাই। য'ত চিন্তা আৰু প্ৰকাশৰ স্বাধীনতা নাই- তাত মানুহৰ মৰ্যাদা তিকি থাকিব কিদৰে? - তাত মানুহৰ ভৱিষ্যতেইবা কি? আত্ম মৰ্যাদা আৰু ভৱিষ্যত নোহোৱা ব্যৱস্থা এটাক স্বইছাৰে কোনে সদায় স্বীকাৰ কৰিবলৈ প্ৰস্তুত হব বাৰু? ১৯ মাহৰ জৰুৰীকালীন অৱস্থাটোক ভাৰতবাসীয়ে স্বীকাৰ কৰি নল'লে; তেনে ক্ষেত্ৰত ৭৪ বছৰীয়া জৰুৰীকালীন অৱস্থা এটাক বিভিন্ন জাতি আৰু দেশে চিৰদিনৰ বাবে কিয় মানিব বাৰু? ছোভিয়েত ৰাছিয়া কাহানিও এখন দেশ নাছিল। ইয়াৰ অধিবাসীসকল কাহানিও এটা জাতি নাছিল। জাতিগত ৰাষ্ট্ৰ বা সংসদী গণতন্ত্ৰৰ ওকালতি কৰিবলৈ আমাক কোনেও নিযুক্তি দিয়া নাই আৰু একতন্ত্ৰী ষ্টেলিনীয় মাৰ্ক্সবাদৰ কুৎসা ৰটনা কৰিবলৈও আমাৰ ঘৰৰ সম্মুখত কোনেও ধৰ্ণা দিয়া নাই। আমাৰ অতি প্ৰিয় লেখক আৰু সুহৃদ সূত্ৰধাৰৰ সম্পাদক শ্ৰীহোমেন বৰগোহাঞিদেৱে ছোভিয়েত ৰাছিয়াৰ এই যুগান্তকাৰী ঘটনাৰাজিৰ ওপৰত আমাৰ মতামত বিচৰা বাবেহে

আমি আমাৰ দৃষ্টিত প্ৰতীয়মান ঘটনাৰাজিৰ এটা বিশ্লেষণ আগবঢ়াইছো– কাৰো বিৰুদ্ধে বিষোদ্গাৰ কৰাৰ উদ্দেশ্য নাই আৰু কোনো পদ্ধতিৰ বা কোনো দৰ্শনৰ সুপাৰিশ কৰাৰ উদ্দেশ্যও নাই। জানো, মাৰ্ক্সবাদৰ আপোচহীন পুৰোহিতসকলে বিপৰীতধৰ্মী বা নিৰপেক্ষধৰ্মী কোনোবাই মাৰ্ক্সবাদ সম্পৰ্কে আলোচনা কৰিবলৈ গ'লেই উচপ খাই উঠে– যেনিবা মাৰ্ক্সবাদৰ অধ্যয়ন তেখেত সকলৰহে একচেটিয়া অধিকাৰ ; অথচ মাৰ্ক্সে নিজে কোনো দিনেই এনে ধৰণৰ গোঁড়ামিৰ সূত্ৰ আগবঢ়োৱা নাছিল আৰু এই গোঁড়ামিয়েই হ'ল মাৰ্ক্সবাদ প্ৰয়োগৰ ক্ষেত্ৰত ডাঙৰ হেঙাৰ– কাৰণ এই গোঁড়ামিয়ে মুক্ত চিন্তা, পৰিবৰ্তনশীল জগতৰ লগত খাপ খুৱাব পৰা ব্যৱস্থা আৰু বিকাশৰ পৰিপন্থী– যাৰ বাবে লুকাচ এম-এন-ৰয়, টলোত্ত ব্ৰোভাৰ, ছাৰ্ত্ৰে, আলথুছাৰ আদিৰ দৰে চিন্তাবিদ মাৰ্ক্সবাদীও ষ্টেলিনীয় সাম্যবাদৰ দৰ্শনৰ পৃষ্ঠপোষক হবলৈ স্বীকৃত হোৱা নাছিল। প্ৰকৃততে পশ্চিম ইউৰোপৰ ফ্ৰান্স, ইটালী আদিৰ দৰে কেইবাখনো দেশত মাৰ্ক্সবাদৰ ওপৰত মুক্ত চিন্তা-চৰ্চা আজিও চলি আছে– যিটো সম্ভাৱনা পূব ইউৰোপৰ কমিউনিষ্ট ৰাষ্ট্ৰবোৰত, ঠিক ৰাছিয়াৰ দৰেই– আৰম্ভণিতেই মষিমূৰ কৰি পেলোৱা হৈছিল। অৱশ্যে ইতিহাসৰ কুটীল গতিও তাৰ বাবে কম দায়ী নহয়– কাৰণ মাৰ্ক্সে কোৱাৰ দৰে প্ৰলিটাৰিয়েতৰ সশস্ত্ৰ বিপ্লৱৰ জৰিয়তে এই দেশবোৰত সাম্যবাদী চৰকাৰ স্থাপিত হোৱা নাছিল ; তাত সাম্যবাদী চৰকাৰ বাহিৰৰ পৰাহে জাপি দিয়া হৈছিল– দ্বিতীয় মহাসমৰত হিটলাৰক পৰাস্ত কৰিবলৈ মিত্ৰশক্তিৰ অংশীদাৰ হিচাপে ষ্টেলিনে যি প্ৰাধান্য লাভ কৰিছিল- তাৰেই ফলশ্ৰুতি হ'ল পূব ইউৰোপৰ কেইবাখনো দেশত সাম্যবাদী চৰকাৰ স্থাপন ; কিন্তু পৰবৰ্তী কালৰ ইতিহাসে প্ৰমাণ কৰিলে যে শক্তি প্ৰয়োগ কৰি দেশসমূহক চামিলকৰণ বা একত্ৰিত কৰা বা দ্বিখণ্ডিত কৰা প্ৰক্ৰিয়াটো স্থায়ী হব নোৱাৰে। একত্ৰিত জাৰ্মানী আৰু গৃহযুদ্ধত চিৰাচিৰ হোৱা যুগোশ্লোভিয়াই এই কথাৰেই সাক্ষ্য বহণ কৰিছে। ছোভিয়েত ৰাছিয়া শেহতীয়া দৃষ্টান্ত। চাওঁতে চাওঁতে হিগেলৰ জাতিগত/জাতিভিত্তিক ৰাষ্ট্ৰৰহে (Nation-State) পুনৰ অভ্যুত্থান হ'ল বা বৰ্তি থাকিল– মাৰ্ক্সে চিত্ৰিত কৰা প্ৰলিটাৰীয় শাসন "কমিউনিষ্ট ইউটোপিয়া" হৈয়ে থাকিল। ট্ৰটস্কিয়ে সমগ্ৰ বিশ্বকে সমাজতন্ত্ৰৰ বাবে প্ৰস্তুত কৰিব খোজা আঁচনিৰ কথা নক'লোৱেবা। প্ৰায়োগিক আৰু তাত্ত্বিক দিশত মাৰ্ক্সীয় নীতি সানমিহলি হৈ পৰাৰ বাদেও মানুহৰ সহজাত প্ৰবৃত্তি বা চৰিত্ৰই এটা প্ৰধান হেঙাৰ হিচাপে দেখা দিলে মাৰ্ক্সৰ সপোন বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত।

সন্দেহ নাই মাৰ্ক্সীয় নীতিৰ ওপৰত প্ৰতিষ্ঠিত অৰ্থনৈতিক ব্যৱস্থাই তুলনামূলক ভাবে নিবনুৱা সমস্যা হ্ৰাস কৰাত যিদৰে বেছি সহায় কৰে– ঠিক একেদৰে অসমতাৰ সৃষ্টি কৰাৰ সুযোগো কম সৃষ্টি কৰে ; কিন্তু সমস্যা হ'ল ইয়াৰ বাবে দিবলগীয়া মূল্যৰ বাবেহে। গণতন্ত্ৰ আৰু ব্যক্তি স্বাধীনতাৰ বিনিময়তহে এই সাফল্য সম্ভৱ হয়- সিও সম্পূৰ্ণভাবে নহয়– কিয়নো সম্পূৰ্ণভাবে হ'লে ছোভিয়েত ৰাছিয়া বা পূব ইউৰোপীয় দেশসমূহৰ সংকটে দেখাই নিদিলেহেঁতেন। অৰ্থনীতিয়ে ৰাজনীতিক নিয়ন্ত্ৰণ কৰাৰ দিন উকলি গ'ল। পৰিবৰ্তিত পৰিস্থিতিত অৰ্থাৎ ৰাষ্ট্ৰযন্ত্ৰ সৰ্বশক্তিমান হৈ উঠাৰ পাছত আজি ৰাজনীতিয়েহে অৰ্থনৈতিক প্ৰক্ৰিয়া নিয়ন্ত্ৰণ কৰিছে। আধুনিক ৰাষ্ট্ৰ এখনৰ কাৰ্যক্ষেত্ৰ মাৰ্ক্সৰ দিনতকৈ বহুতো বেছি সম্প্ৰসাৰিত হৈছে– ফলত ইয়াৰ শক্তিও বৃদ্ধি পাইছে। গতিকে যিসকলৰ হাতত ৰাজনৈতিক ক্ষমতা কেন্দ্ৰীভূত হয় তেখেতসকলৰ হাততেই উৎপাদন আৰু বিতৰণ ব্যৱস্থা সামগ্ৰিক জাতীয়কৰণৰ দ্বাৰা কেন্দ্ৰীভূত কৰিলে ব্যক্তি স্বাধীনতা আৰু গণতান্ত্ৰিক প্ৰক্ৰিয়া ব্যাহত হয় যে তাক আজি দোহাৰিবৰ আৱশ্যক নাই। মানুহে পৰিবৰ্তন বিচাৰে– নহ'লে গুহাত বাস কৰা মানুহে চন্দ্ৰ বা মঙ্গল গ্ৰহত উপনিবেশ স্থাপনৰ চিন্তা কৰিব পৰা স্তৰ নাপালেহেঁতেন ; কিন্তু উক্ত পৰিবৰ্তনৰ বাবে কি মূল্য দিব লাগিব সেইটো সদায়ে প্ৰাসঙ্গিক প্ৰশ্ন হৈ থাকিব।

শ্ৰমিকৰ অসন্তুষ্টি আৰু ন্যায্য প্ৰাপ্তিত সৃষ্টি হোৱা বাধা সমূহকেই মাৰ্ক্সে ধনতান্ত্ৰিক ব্যৱস্থাৰ প্ৰধান চাৰিত্ৰিক দোষ বুলি কৈছে ; কিন্তু জাতীয়কৰণ কৰা উৎপাদন আৰু ব্যৱসায়িক ব্যৱস্থাৰ সেই দোষটো সম্পূৰ্ণভাবে নিৰ্মূল হ'ল জানো ? তেতিয়া হ'লে দেখোন ৰাজহুৱা খণ্ডৰ উৎপাদন ব্যৱস্থা আৰু শ্ৰমিকৰ স্থিতি ইমানদিনে আদৰ্শনীয় হব লাগিছিল। ৰাষ্ট্ৰীয়কৃত উদ্যোগ সমূহত উৎপাদিত সামগ্ৰীৰ মালিকানা কেইখন দেশত শ্ৰমিকৰ হাতলৈ গৈছে ? অৰ্থাৎ উৎপাদন আৰু বিতৰণ ব্যৱস্থাৰ লগত শ্ৰমিকৰ সম্বন্ধ মালিকৰ সম্বন্ধ হৈ নুঠিল– তেহেলৈ লাগে মিশ্ৰিত অৰ্থনীতিয়ে নহওক বা বিশুদ্ধ ৰাষ্ট্ৰীয়কৃত অৰ্থনীতিয়েই নহওক কিয়। আটাইতকৈ ডাঙৰ কথা হ'ল যে কৃষিৰ ক্ষেত্ৰত ৰাজহুৱা খণ্ডৰ অভিলেখ অতি দুখ লগা। কৃষিজাত সামগ্ৰীৰ উৎপাদন বৃদ্ধি কৰিবলৈ কমিউনিষ্ট দেশতো আনকি ৰাজহুৱা খণ্ডৰ পৰা ব্যক্তিগত খণ্ডলৈ মাটি হস্তান্তৰ কৰাৰ দৃষ্টান্ত আছে। ছোভিয়েত ৰাছিয়াটো ব্যক্তিগত ভাবে কৃষি-উৎপাদন বৃদ্ধি কৰিবলৈ যি উৎসাহ পৰিলক্ষিত হৈছিল– ৰাজহুৱা খণ্ডৰ উৎপাদনৰ হাৰে একে কথা নুসূচায়।

ছোভিয়েত ৰাছিয়াত- আন আন কমিউনিষ্ট দেশবোৰৰ দৰেই- শৈক্ষিক আৰু ন্যায়িক ব্যৱস্থাতো ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণ সম্পূৰ্ণ আছিল। স্কুল, কলেজ, বিশ্ববিদ্যালয় সমূহত ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণ আছিল বাবে শৈক্ষিক স্বাধীনতাও লোপ পাইছিল– যাৰ ফলত মুকলি চিন্তাৰ প্ৰক্ৰিয়া আৰু মানসিক বিকাশ জড়তাগ্ৰস্ত হোৱাৰ লগতে একপক্ষীয় হৈ পৰিল- সাৰ্বজনীন চিন্তা-চৰ্চা বাধাপ্ৰাপ্ত হ'ল। আনকি ৰাষ্ট্ৰীয়কৃত অৰ্থনীতিয়ে ন্যায়পালিকাৰ স্বাধীনতাৰ ওপৰতো হস্তক্ষেপ কৰিলে– আইন ব্যৱস্থা হৈ পৰিল একতন্ত্ৰী আৰু একপক্ষীয়। আইন ব্যৱস্থা যেতিয়া পক্ষপাতিত্ব দোষত দুষ্ট হয়, তেতিয়া আৰু মানুহৰ প্ৰাপ্য, মৰ্যাদা আদিৰ কথা-কল্পনা বহিৰ্ভূত হৈ পৰে।

প্ৰকাশৰ স্বাধীনতাই হ'ল গণতন্ত্ৰৰ লাইখুঁটা ; কিন্তু কমিউনিষ্ট ৰাছিয়াত প্ৰচাৰ মাধ্যমৰ ওপৰত ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণ ইমানেই কটকটীয়া আছিল যে নোবেল পুৰস্কাৰ পোৱা চিন্তাবিদকো মুকলিভাবে চিন্তা-চৰ্চা কৰা বাবে নিৰ্বাসিন দিয়া হৈছিল। জনসংযোগৰ আটাইবোৰ পদ্ধতিকে ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণলৈ অনাৰ পিছত প্ৰকাশৰ স্বাধীনতা লোপ পোৱাটো স্বাভাৱিক পৰিণতি আছিল। ৰাজহুৱা খণ্ডৰ উদ্যোগ সমূহৰ পৰিচালনাৰ ক্ষেত্ৰতো হেমাহি আৰু অকৰ্মণ্যতা প্ৰকট হৈ উঠিছিল– কাৰণ লাভ উপাৰ্জনৰ বাবে মানুহৰ যি সহজাত প্ৰবৃত্তি তাৰ অভাৱ আছিল। অৰ্থাৎ ব্যক্তিগত খণ্ডত পৰিলক্ষিত হোৱা উৎসাহ আৰু সচেতনতাৰ অভাৱে সমগ্ৰ ৰাজহুৱা খণ্ডটোকে - Everybody's business is nobody's business" অলৈ অবনমিত কৰিছিল। আৰু আনহাতে শ্ৰমিকসকলৰ বাবে মাথোন মালিকৰহে সলনি হৈছিল। ৰাজহুৱা খণ্ড সুস্থ আৰু লাভজনক ভাবে পৰিচালনা কৰিবলৈ যি সামাজিক দায়বদ্ধতাৰ আৱশ্যক- সেই দায়বদ্ধতা



সকলো ক্ষমতা নিজৰ হাতত কেন্দ্ৰীভূত কৰি লোৱা আমোলাতন্ত্ৰৰ পৰা বিচাৰিবলৈ যোৱাটো পৰ্বতত কাছ-কণী বিচৰাৰ সদৃশহে হৈ পৰিছিল। ৰুছ জনসাধাৰণে এই কথাবোৰ বুজি পাইছিল– বুজি পোৱা নাছিল সকলো ক্ষমতা নিজৰ হাতত কেন্দ্ৰীভূত কৰি বহি থকা এককেন্দ্ৰীকতাবাদী আমোলাতন্ত্ৰই আৰু অন্ধ গোঁড়ামিত নিচাগস্ত হৈ পৰা ষ্টেলিনীয় পৰম্পৰাৰ এমুঠি নেতাই। এই ব্যৰ্থতা, হতাশা আৰু উমি উমি জ্বলি থকা ক্ষোভৰ উমান খ্ৰুশ্চেভে পাইছিল যদিও শুদ্ধ পদ্ধতি গ্ৰহণ কৰাৰ সময় আৰু সুবিধা নাপালে। সেয়েহে গৰ্বাচভে আৰম্ভণিৰ পৰায়ে সুচিন্তিত পন্থা অবলম্বন কৰিছিল ; পৰিবৰ্তনৰ আহিলা হিচাপে উত্থাপন কৰিছিল 'পেৰেইষ্ট্ৰইকা' আৰু বিভিন্ন মতামত প্ৰকাশৰ স্বাধীনতাৰ বাবে প্ৰবৰ্তন কৰিছিল 'গ্লাছনস্ত'। শ্ৰমিকৰ প্ৰাধান্য আৰু নেতৃত্ব এক প্ৰহসনত পৰিণত কৰি কমিউনিষ্ট দলৰ একনায়কত্ববাদ স্থাপন কৰা হৈছিল যে সেই কথা জনসাধাৰণে বুজি পালেও ৰাষ্ট্ৰৰ নিষ্পেষণ আৰু নিৰ্যাতনৰ বাবে নীৰৱে থাকিবলৈ বাধ্য হৈছিল আৰু সেয়েহে গৰ্বাচভে সুচিন্তিত আৰু পৰিকল্পিত ভাবে ওপৰোক্ত দুটা পদ্ধতিৰ প্ৰবৰ্তন কৰি পৰিবৰ্তনৰ বাবে জনতাক প্ৰস্তুত কৰিছিল। গৰ্বাচভৰ এই আঁচনিৰ লগত ক্ষমতা হাতত ৰখা ৰাজনীতিক একাকীকৰণ কৰিলে প্ৰকৃত তথ্য পিছে অপসৃয়মান হৈ পৰিব। গৰ্বাচভৰ ভূমিকা আৰু অৱদান সম্পৰ্কে আলোচনা কৰাৰ আগতে ঐতিহাসিক পটভূমিখন ভালদৰে বিশ্লেষণ কৰাৰ প্ৰয়োজন– অন্যথায় 'বলছেভিজম'ৰ ব্যৰ্থতাক মাৰ্ক্সীয় দৰ্শনৰ ব্যৰ্থতা বুলি ভুল কৰাৰ সম্ভাৱনা পূৰামাত্ৰাই থাকি যাব।

মাৰ্ক্সে চিন্তা-চৰ্চা কৰিছিল ১৯ শতিকাৰ পৃথিৱীখনৰ পৰিবেশতহে। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ ইমান দ্ৰুত উত্তৰণ হয়তো কল্পনাও কৰিব পৰা নাছিল। ইলেক্ট্ৰোনিক প্ৰচাৰ মাধ্যম আৰু যোগাযোগৰ ব্যৱস্থাৰ দ্ৰুত উন্নয়ন সাধনে যে পৃথিৱীখন ইমান সঙ্কুচিত কৰি পেলাব মাৰ্ক্সে নিশ্চয় ভাবিব পৰা নাছিল। সেয়েহে মাৰ্ক্সীয় নীতি মিশ্ৰিত কৰা দোষৰ পৰা স্বয়ং মাও-জে-দঙ আৰু মাৰ্শ্বাল টিটোও সাৰি যাব পৰা নাই। সমগ্ৰ বিশ্বৰ শ্ৰমিক শ্ৰেণীৰ ঐক্যবদ্ধতাৰ কথাহে মাৰ্ক্সে চিন্তা কৰিছিল আৰু এই ক্ষেত্ৰতে হেগেলৰ পৰা বহু দূৰলৈ গুচি আহিছিল। ৰাজনৈতিক বিজ্ঞানৰ বিখ্যাত প্ৰবক্তা জৰ্জ ছেবাইনৰ ভাষাত ক'বলৈ গ'লে– "Marx removed from Hegel's theory the presumption that nations are the effective units of social history.......... and replaced the struggle of nations with the struggle of social classes," পিছে দৃশ্যপটৰ পৰা ট্ৰটস্কিৰ অপসাৰণে পৰবৰ্তী কালত টিটো, মাও-জে-দঙৰ দৰে সাম্যবাদী নেতাসকলক নিজ নিজ দেশৰ সুকীয়া পৰিস্থিতিৰ সন্দৰ্ভতহে মাৰ্ক্সীয় দৰ্শনক মিশ্ৰিত কৰাৰ সুযোগ উলিয়াই দিলে। ফলত ইতিহাসৰ ডাষ্টবিনৰ পৰা হেগেল উঠি অহাৰ উপক্ৰম হ'ল। তৎকালীন ছোভিয়েত ৰাছিয়াৰ ৩ /৪খন প্ৰজাতন্ত্ৰই স্বাধীনতা ঘোষণা কৰা আৰু নতুন কমনৱেলথ্‌খনত যোগ দিবলৈ ৰাজী নোহোৱা কথাটোৱেও হেগেলৰ জাতিগত/জাতিভিত্তিক (Nation State) ৰাষ্ট্ৰৰ স্মৃতি পুনৰ্জীৱিত কৰি তুলিলে।

প্ৰণিধানযোগ্য যে যিবোৰ দেশত সাম্যবাদ চৰকাৰ স্থাপন হৈছিল, সেইবোৰ দেশতে নিজৰ নিজৰ মাৰ্ক্সীবাদীয় সংস্কৰণ বাতিল কৰা হৈছে। এই কথাটো মাৰ্ক্সবাদ বাতিল কৰাৰ সমতুল্য হব নোৱাৰে। অৰ্থাৎ 'বলছেভিজম' আৰু মাৰ্ক্সবাদ একেটা দৰ্শন বা ব্যৱস্থা বুলি তাত্ত্বিক দিশৰ পৰা মানি লব নোৱাৰি ! গতিকে বলছেভিক ব্যৱস্থা ৰাছিয়াত আৰু ৰাছিয়াৰ অভিভাৱকত্বত সাম্যবাদী চৰকাৰ গঠন হোৱা দেশসমূহত ব্যৰ্থ হ'ল বাবে মাৰ্ক্সক দায়ী কৰা কথাটো ইতিহাস বিকৃত কৰাৰ তুল্যহে হব।

মাৰ্ক্সে বিশ্বাস কৰিছিল যে প্ৰলিটাৰিয়েট শ্ৰেণীৰ বিকাশ ঐতিহাসিক ভাবেই হব- নিৰ্দ্দিষ্ট দলৰ সদস্য সংখ্যা বৃদ্ধি কৰি এই শ্ৰেণী গঠন কৰাৰ কথা চিন্তা কৰা নাছিল আৰু এই স্বাভাৱিক বিকাশৰ প্ৰক্ৰিয়াৰ জৰিয়তে প্ৰলিটাৰিয়েটে নিজৰ উৎপাদিকা সম্বন্ধ (Production relation) নিৰ্দ্দিষ্ট কৰি লব বুলিহে বিশ্বাস কৰিছিল। পুঁজিবাদৰ অগ্ৰসৰতাৰ লগে লগে এটা সময়ত প্ৰলিটাৰিয়েটৰ শ্ৰেণী সংখ্যা গৰিষ্ঠ হৈ পৰিব বুলিহে মাৰ্ক্সে ভৱিষ্যদ্বাণী কৰিছিল আৰু এইদৰে এটা শক্তিশালী 'বস্তুবাদী শক্তি' (Material force) সৃষ্টি হোৱাৰ পিছতহে বিপ্লৱৰ পটভূমি প্ৰস্তুত হৈ উঠে। কাৰ্যক্ষেত্ৰত পিছে সেইটো সাম্যবাদী চৰকাৰ গঠন হোৱা কোনো দেশতেই হ'ব নাপালে। উক্ত সংখ্যা গৰিষ্ঠ প্ৰলিটাৰিয়েট শ্ৰেণীৰ সজাগতাইহে বিপ্লৱী চেতনাৰ জন্ম দি বিপ্লৱ সাধন কৰিব বুলি এই মনীষী গৰাকীয়ে বিশ্বাস কৰিছিল ; কিন্তু কাৰ্যক্ষেত্ৰত প্ৰায় আটায়ে বাকুনিনৰ দৰ্শনহে প্ৰয়োগ কৰিলে বুলি ক'লেও অত্যুক্তি কৰা নহব। শ্ৰেণীহীন সমাজ এখন গঠন কৰিবৰ বাবে এটা বিশেষ অৰ্থনৈতিক পৰিস্থিতিক পূৰ্বচৰ্ত হিচাপে মাৰ্ক্সে গণ্য কৰিছিল ; কিন্তু বাকুনিনে এই তাত্ত্বিক দিশ বা পূৰ্বচৰ্তৰ প্ৰয়োজনীয়তা উলাই কৰি সমাজৰ পুনৰ গঠনৰ দায়িত্ব এমুঠি গোঁড়া বিপ্লৱীৰ হাতত এৰি দিয়েই সন্তুষ্ট থাকিব খুজিছিল। বাকুনিনৰ বক্তব্য আছিল যে সংখ্যা লঘু গোঁড়া বিপ্লৱী এমুঠিয়ে সন্ত্ৰাসবাদী গেৰিলা যুদ্ধৰ জৰিয়তে এই সংখ্যা লঘু গোটটোৰ ৰাজনৈতিক ইচ্ছা বা আকাংক্ষা সমূহ জনসাধাৰণৰ সামূহিক ইচ্ছালৈ (Genreal will) ৰূপান্তৰিত কৰিব পাৰিব। বাকুনিনৰ এই সৰ্বনশীয়া অনুমোদনৰ মাজতে হয়তো লুকাই আছে আজি পৃথিৱীৰ বিভিন্ন কোণত মূৰ দাঙি উঠা আত্মধ্বংসকাৰী সন্ত্ৰাসবাদৰ বীজ। অসমতো উগ্ৰবাদীয়ে সৃষ্টি কৰা পৰিস্থিতিও এনেধৰণৰ বিশ্বাসৰ ওপৰতে প্ৰতিষ্ঠিত যেন লাগে– কাৰণ অসমৰ সংখ্যা গৰিষ্ঠ ৰাইজে ভাৰতবৰ্ষৰ পৰা বিচ্ছিন্ন হৈ স্বাধীন হোৱা কথা চিন্তা নকৰা সত্ত্বেও উগ্ৰবাদী সকলে নিজৰ বক্তব্যখিনি সমূহ অসমীয়া ৰাইজৰে বক্তব্য বুলি আনে বিশ্বাস কৰাটো বিচাৰিছিল। বলছেভিজিমো এই ক্ষেত্ৰত মাৰ্ক্সতকৈ বাকুনিনৰ বেছি ওচৰ চাপি গৈছিল বুলি কোৱাৰ থল আছে। সবাতোপৰি বাকুনিনৰ পন্থা গণতন্ত্ৰৰ বিকাশৰ পৰিপন্থী যে বহলাই কোৱাৰ আৱশ্যক নাই ; কিন্তু মাৰ্ক্সে সংখ্যা গৰিষ্ঠ প্ৰলিটাৰিয়েটক সংগঠিত কৰিহে ক্ষমতা দখল কৰাৰ কথা কৈছিল। চমুকৈ ক'বলৈ গ'লে ছোভিয়েত ৰাছিয়াত মাৰ্ক্সীয় পন্থাৰে সাম্যবাদ প্ৰবৰ্তন কৰা হোৱা নাছিল। তাত বৃত্তিধাৰী বিপ্লৱী কিছুমানে গোপনে গোপনেহে সংগঠনৰ কাম চলাইছিল আৰু মনছেভিক দলত আৰু সমাজবাদী বিপ্লৱী সংগঠনবোৰত বিস্তাৰ লাভ কৰিবলৈ ষড়যন্ত্ৰ কৰিবলৈও পিছ হোহোকা নাছিল। আনকি উদাৰপন্থী অথচ সাম্ৰাজ্যবাদী শক্তিৰ সমৰ্থক 'কাদেত' দলতো এই বৃত্তিধাৰী বিপ্লৱী সকলে অনুপ্ৰবেশ কৰিছিল। কাৰ্যক্ষেত্ৰত প্ৰকৃততে এটা অকৰ্মণ্য, অসাধু আৰু চৰিত্ৰহীন চৰকাৰক ক্ষমতাৰ পৰা ওফৰাই সংখ্যা লঘু বিপ্লৱীসকলে নিজৰ মতবাদ সংখ্যা গৰিষ্ঠ জনসাধাৰণৰ ওপৰত জাপি দিয়াৰ তুল্যহে হৈছিল। ইয়াৰ অৰ্থ এইটো নহয় যে শ্ৰমিক, কৃষক, সৈনিকসকল অতিষ্ঠ হৈ




*ক্ৰেমলিনত বিক্ষোভকাৰীয়ে গৰ্বাচভক ষ্টেলিন সজাই বিক্ষোভ প্ৰদৰ্শন কৰিছিল।*

পৰা নাছিল বা পৰিবৰ্তন বিচৰা নাছিল। বৰঞ্চ জন ৰীদৰ মতে– "শ্ৰমিক, সৈনিক আৰু খেতিয়ক সকলৰ স্থূল, সৰল আশা-আকাঙ্খাৰ ওপৰতে বলছেভিক সকলে নিজৰ কাৰ্যক্ৰমনিকা গঢ় দিছিল। (Ten days that shook the world)।

সংখ্যালঘুৱে সামৰিক শক্তিৰ সহায়ত অগণতান্ত্ৰিক ভাবে সংখ্যা গৰিষ্ঠৰ ওপৰত নিজৰ মতবাদ জাপি দিয়া প্ৰৱণতাই পৰৱৰ্তী কালত উগ্ৰ ৰুছ জাতীয়তাবাদ আৰু ৰুছ উপনিবেশিকতাবাদৰ ৰূপত আত্মপ্ৰকাশ কৰিছিল আৰু ইয়াৰ বাবে লেনিন আৰু ষ্টেলিনৰ মাজত মতদ্বৈধতাও হৈছিল। পূব ইউৰোপৰ কেইবাখনো দেশত দ্বিতীয় মহাযুদ্ধৰ সামৰণিয়ে আনি দিয়া সুযোগৰ আশ্ৰয় লৈ ষ্টেলিনে বলপূৰ্বক ভাবে অকল সাম্যবাদেই জাপি দি ক্ষান্ত থকা নাছিল। এই পূব ইউৰোপীয় কৃষি ভিত্তিক দেশসমূহৰ ৰণ বিধ্বস্ত অৰ্থনীতি কৃষিৰ ভিত্তিত পুনৰ্গঠন কৰাৰ পৰিবৰ্তে ষ্টেলিনে এই দেশবোৰক শক্তিশালী সামৰিক ভেটি গঢ়ি তুলিবলৈহে বাধ্য কৰিছিল; যুক্তি দৰ্শাইছিল সাম্যবাদক ৰক্ষা কৰিবলৈ শক্তিশালী সামৰিক ব্যৱস্থাৰ আৱশ্যক। আনহাতে নিয়মিত ভাবে নিৰ্বাচিত হোৱা জাৰ্জিয়াৰ চৰকাৰৰ বিৰুদ্ধে ষড়যন্ত্ৰৰ জৰিয়তে বিদ্ৰোহৰ সূত্ৰপাত কৰি বলছেভিকৰ্মি বিৰোধী জাৰ্জিয়ালৈ 'লালফৌজ' (Red Army) পঠোৱাৰ সুৰুঙা উলিয়াই লৈছিল। জাৰ্জিয়া বলি হৈছিল উগ্ৰ ৰুছ জাতীয়তাবাদৰ। ষ্টেলিনৰ এই উগ্ৰ জাতীয়তাবাদে ক্ষোভৰ সৃষ্টি কৰিব পাৰে বুলি লেনিনে তেতিয়াই ভয় কৰিছিল আৰু আজি সেইটোৱেই প্ৰমাণিত হোৱৰ উপক্ৰম হৈছে। সম্প্ৰসাৰণবাদৰ ইমানতে শেষ হোৱা নাছিল; ছদ্মবেশত আবিৰ্ভাৱ হৈছিল ষ্টেলিনৰ উপনিবেশিকতাবাদ। পূব ইউৰোপৰ ওপৰোক্ত সাম্যবাদী দেশ কেইখনৰে সৈতে ষ্টেলিনে এক উমৈহতীয়া অৰ্থনীতি সৃষ্টি কৰাৰ ছদ্মবেশী যুক্তি দেখুৱাই এছিয়া মহাদেশত অন্তৰ্ভূক্ত ছোভিয়েত ৰাছিয়াৰ বৃহৎ অংশটোক আৰু এই পূব ইউৰোপীয় দেশবোৰক ঔদ্যোগিক ভাবে বহু বেছি উন্নত ৰুছিয়াৰ স্বাৰ্থত কেঁচামাল যোগান ধৰাৰ (Hinterland) বাবে বাধ্য কৰিছিল। আৰম্ভ হৈছিল শোষণৰ আন এক কাহিনী। আজি বাল্টিক দেশ সমূহে স্বাধীনতা ঘোষণা কৰাৰ এই ঐতিহাসিক পটভূমিৰ বাবেই আচৰিত হবলগীয়া একো নাই। বিপ্লৱৰ আগতে সম্ৰাজ্যখন আছিল জাৰৰ আৰু বিপ্লৱৰ কিছু বছৰৰ ভিতৰতে একেখন সাম্ৰাজ্যৰ গৰাকী হ'লগৈ ষ্টেলিন। পাঁচ বছৰীয়া পৰিকল্পনাবোৰ ৰূপায়িত কৰাৰ ক্ষেত্ৰতো ষ্টেলিনৰ ৰাষ্ট্ৰযন্ত্ৰই কোনো বিৰোধধৰ্মী মতামতকে গ্ৰাহ্য কৰা নাছিল। খুব কম সময়ৰ ভিতৰতে উন্নয়নৰ কাম অবিশ্বাস্য গতিত আগবাঢ়িছিল যে সঁচা– কিন্তু নেতৃস্থানীয় লোক সমন্বিতে লাখ লাখ মানুহ হয় ছাইবেৰিয়ালৈ নিৰ্বাসিত হৈছিল নহয় মৃত্যুক আকোৱালি লব লগা হৈছিল। লেনিনৰ মৃত্যু আৰু দৃশ্যপটৰ পৰা ট্ৰটস্কিৰ অপসাৰণে ষ্টেলিনক সকলো ক্ষমতা নিজৰ হাতত কেন্দ্ৰীভূত কৰি মাৰ্ক্সীয় দৰ্শনৰ বহুতো মূল কথা উলাই কৰিবলৈ সুযোগ উলিয়াই দিছিল। প্ৰকৃততে ট্ৰটস্কিয়ে অকল এখন দেশত সমাজবাদ স্থাপনৰ কথা চিন্তাই কৰা নাছিল। এম এন ৰয়ৰ ভাষত ক'বলৈ গ'লে– "The issue was the possibility of building socialism in one country. Trotsky maintained that it could not be done and quoted at lenght form Marx and Lenin in support of his point of view. His thesis was that so long as the world remained capitalist, the Soviet economy was bound to degenerate into capitalism and he aecused Stalin's policy as heading towords that degeneration..........." (Men I Met)

মাৰ্ক্সীয় দৰ্শনৰ মূল ভেটীটো 'অৰ্থনৈতিক নিৰ্ণায়ক" (Economic determination) বা ইতিহাসৰ বস্তুবাদী ব্যাখ্যাৰ ওপৰত প্ৰতিষ্ঠিত। মানুহে নিজৰ অৰ্থনৈতিক স্বাৰ্থৰ খাতিৰতহে শ্ৰম কৰে আৰু তাৰ ফল স্বৰূপে মানৱ সভ্যতাৰ ইতিহাসেই হৈছে শ্ৰেণী সংগ্ৰামৰ ইতিহাস আৰু যেতিয়া প্ৰচলিত উৎপাদন পদ্ধতিয়ে বা মালিকানা স্বত্বই উৎপাদনৰ আহিলা বা উৎপাদিকা শক্তিক (Productive force) শৃংখলিত কৰে তেতিয়া ইতিহাসৰ প্ৰয়োজনতে বিপ্লৱ হয়। কিন্তু এই বস্তুবাদী ব্যাখ্যাই মানুহৰ চিন্তাধাৰাক যোগ্য ভূমিকা বা স্বীকৃতি দিবলৈ ৰাজী নহ'ল বাবেই মাৰ্ক্সৰ "অৰ্থনৈতিক নিৰ্ণায়কৰ" সূত্ৰই অৰ্দ্ধসত্যৰ ভূমিকাহে পালন কৰিব লগীয়া হ'ল। এম এন ৰয়ৰ শিষ্য তাৰকুণ্ডৰ ভাষাত ক'বলৈ গ'লে– "Materialism does not require that the rule of ideas in the course of history should be under- rated or that ideas should be regarded as a mere superstructure reared on the basic economic reality and having little independent force of their own. In fact, with the growth of language and literature and with the increase in cultural exchanges, the role of ideas in shaping of history is constantly on the increase" (Radical Hamanism) আৰু আনহাতে এম এন ৰয়ৰ নিজৰ ভাষাত ক'বলৈ গ'লে– "The founction of a revolutionary and liberating social philosophy is to lay emphasis on the basic fact of history that man is the maker of his world— man is a thiniking being and he can be so only as an individual. The brain is a means of production and produces the most revolutionary commodity .......... (Twenty two thesis of Radical Hamanism)। এক কথাত ক'বলৈ গ'লে কোনো ৰাষ্ট্ৰশক্তিয়েই মানুহক চিন্তা নকৰিবলৈ বাধ্য [illegible]ৰিব নোৱাৰে আৰু প্ৰতিটো [illegible]ৰাৰ একমাত্ৰ অৰ্থনৈতিক কাৰণতে [illegible] হয়। হো-চি-মিনে অকল অৰ্থনৈ[illegible] স্বাৰ্থৰ খাতিৰতে কবিতা লিখা নাছিল। অৰ্থাৎ কবিতা লিখা প্ৰেৰণাৰ উৎস অকল অৰ্থনৈতিক বুলি কোৱাৰ থল ক'ত? ফ্ৰয়দলৈও নিশ্চয় বহুতৰ মনত পৰিব যে সন্দেহ নাই। চিন্তা মানুহৰ মগজুৰ সৃষ্টি। প্ৰাকৃতিক আৰু সামাজিক পৰিবেশে মানুহৰ চিন্তাৰ ওপৰত প্ৰভাৱ পেলালেও মানুহৰ চিন্তাৰ নিজস্ব শক্তি আৰু গতিশীলতা আছে আৰু এই শক্তি আৰু গতিশীলতাক অৰ্থনৈতিক স্বাৰ্থই কিছু পৰিমাণেহে প্ৰভাৱান্বিত কৰে– সম্পূৰ্ণ ভাবে নহয়। সেয়েহে অৰ্দ্ধসত্য এটাৰ পৰা নিৰ্গত প্ৰলিটাৰীয় বিপ্লৱৰ সূত্ৰও আৰ্দ্ধসত্য হৈয়ে ৰ'ল আৰু বহুতো ক্ষেত্ৰত– শেহতীয়া ভাবে স্বয়ং ছোভিয়েত ৰুছিয়াত– অসত্য বুলিহে প্ৰমাণিত হোৱাৰ উপক্ৰম হৈছে। মানুহৰ গতিশীল চিন্তা কাৰ্যকৰী হোৱা বাবে মাৰ্ক্সে কৰা বহুতো ভৱিষ্যদ্বাণী নফলিয়ালে। মাৰ্ক্সে ধৰি লৈছিল যে শ্ৰমিকৰ মজুৰি সদায়ে ইমান কম হৈ থাকিব যে অকল জীয়াই থাকিবৰ বাবেহে উক্ত মজুৰি যথেষ্ট হব। কল্যাণমূলক ৰাষ্ট্ৰৰ (Welfare State) ভূমিকা মাৰ্ক্সে বিবেচনা নকৰিলে আৰু কাৰ্যতঃ দেখা গ'ল যে পশ্চিমৰ ঔদ্যোগিক ভাবে অগ্ৰসৰ গণতান্ত্ৰিক দেশবোৰত, লগতে জাপানতো, শ্ৰমৰ মূল্য মাথোন জীয়াই থাকিবলৈ আৱশ্যক হোৱা মূল্যতকৈ বহুতো বেছি হৈ যাব ধৰিছে। শ্ৰমৰ মৰ্যাদাই স্বীকৃতি পোৱাৰ লগে লগে ঘটনাচক্ৰই ওলোটা পিনেহে গতি সলনি কৰিলে। তদুপৰি স্বয়ংক্ৰিয় প্ৰযুক্তি বিদ্যাৰ দ্ৰুত বিকাশে এটা বিৰাট সংখ্যা গৰিষ্ঠ প্ৰলিটাৰিয়েট গোষ্ঠীৰ আবিৰ্ভাৱ হোৱা সম্ভাৱনাকো মষিমূৰ কৰি পেলালে। মুঠতে শ্ৰমিকৰ মজুৰিয়ে উৎপাদনৰ গতি বা পৰ্যায়ৰ লগত খোজ মিলাইহে আগবাঢ়ে। ফলত প্ৰলিটাৰীয় বিপ্লৱৰ অপৰিহাৰ্যতা স্বতঃসিদ্ধ সত্য হৈ নৰ'ল। আনকি ৰাছিয়া আৰু চীন দেশত হোৱা বিপ্লৱো প্ৰলিটাৰীয় বিপ্লৱ নাছিল। ৰাছিয়াত ঘাইকৈ কৃষক আৰু সৈনিকে আৰু চীন দেশত কৃষকেহে বিপ্লৱ সাধন কৰিছে। বেছি সূক্ষ্মভাবে চাব গ'লে প্ৰলিটাৰিয়েট শ্ৰেণীয়ে কোনো বিপ্লৱৰ নেতৃত্ব আজিলৈকে দিয়া নাই– কিয়নো সমগ্ৰ সাম্যবাদী আন্দোলনটোৰ নেতৃত্ব এতিয়ালৈকে দি আহিছে মধ্যবিত্ত শ্ৰেণীৰ কিছুমান চিন্তাশীল ব্যক্তিয়েহে।

দ্ৰুত গতিত সলনি হোৱা ৰাষ্ট্ৰৰ চৰিত্ৰই বহুতো মাৰ্ক্সীয় হিচাপ-নিকাচ ওলট-পালট কৰি দিলে। বহুতো গণতান্ত্ৰিক দেশত শ্ৰমিকৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ শক্তিশালী আইন প্ৰনয়ণ কৰা হ'ল আৰু মালিকপক্ষৰ ওপৰত নানা ধৰণৰ নিয়ন্ত্ৰণো আৰোপ কৰা হ'ল। জৰ্জ ছেবাইনে এই যুক্তিটো অতি চমুকৈ এনেদৰে উত্থাপন কৰিছে: "Nevertheless the assumptions that economic forces are not amenable to legislative control and that social history is a record merely of class struggle were in principle incompatible with the belief that politics can effect peaceable adjustments of antagonistic interests. This latent opposition became fully explicit in the communist version of revolutionary Marxism." (A History of Political Theory).। ৰাষ্ট্ৰৰ চৰিত্ৰ সসস্ত্ৰ বিপ্লৱ বিনে সলনি হব নোৱাৰা বিশ্বাসো অসত্য বুলি প্ৰমাণিত হ'ল আৰু শেহতীয়া ভাবে গৰ্বাচিভ-য়েল্টচিন যুটিয়েও তাকেই প্ৰমাণ কৰিলে। পূব ইউৰোপৰ আঠখন সাম্যবাদী দেশতো ইতিহাসে অনুৰূপ গতিকেই ল'লে। যুদ্ধোত্তৰ কালৰ সাম্যবাদী দেশসমূহৰ ইতিহসে লগতে প্ৰমাণ কৰিলে যে একনায়কত্ববাদে– তেহেলৈ লাগে প্ৰলিটাৰীয় একনায়কত্ববাদ বুলিয়ে কোৱা নহওক কিয়– মাথোন শাসক গোষ্ঠীৰ মুষ্টিমেয় ব্যক্তিৰ ন্যস্তস্বাৰ্থৰ উদ্দেশ্যহে সাধন কৰে, যাৰ ফলত সামাজিক দায়বদ্ধতাৰ দিগন্ত সঙ্কুচিত হৈ পৰে। তদুপৰি ভৱিষ্যতে হব পৰা পৰিবৰ্তন আৰু নতুন নতুন চিন্তা ধাৰাৰ সম্ভাৱনা নুই কৰি সংশোধন-বিৰোধী হৈ থকাটো অন্ধ গোড়ামিত বাদে আন একো নহয়– যিটো বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ, আইনষ্টাইনৰ আপেক্ষিকতাবাদৰ ঘোৰ পৰিপন্থী; এনে মানসিকতা বিজ্ঞানৰ চৰম উৎকৰ্ষ সাধনৰ পৰিপ্ৰেক্ষিতত অচল টকা।

ওপৰত দি অহা বিশ্লেষণৰ পটভূমিতহে গৰ্বাচভৰ উত্থান আৰু পতনৰ মূল্যায়ণ হব পাৰে বুলি আমাৰ দৃঢ় বিশ্বাস। আনকি স্বয়ং মাও-জে-দঙেও চীন দেশৰ বাস্তৱ পৰিস্থিতিৰ লগত সাম্যবাদী দৰ্শন খাপ খুৱাবলৈ পিছ হোহোকা নাছিল– টিটোৰ কথা নকলোৱেবা। মানুহৰ স্বাধীনতাৰ প্ৰতি থকা সহজাত তীব্ৰ স্পৃহা যোৱা কেইবাদশকো ধৰি ৰাছিয়াৰ সৃজনশীল শিল্পীসকলে বহুতো ত্যাগ আৰু নিৰ্যাতন সহ্য কৰি হ'লেও প্ৰকাশ কৰি আহিছে– পিছে অৰ্থনৈতিক স্বাৰ্থত নহয়, মানৱীয় মৰ্যাদাৰ স্বাৰ্থতহে। ডেভিদ্ থোৰোৱে কোৱা কথা এষাৰ প্ৰাসঙ্গিক হব যেন পাওঁ: "The law will never make men free; it is men who have got to make law free........"। গৰ্বাচভক উফৰাবলৈ মস্কোত যি ক্ষন্তেকীয়া উত্থানৰ পৰিপ্ৰেক্ষিতত গৰ্বাচভক ৩/৪ দিনমানৰ বাবে গৃহবন্দী কৰি ৰখা হৈছিল, সেই উত্থান ব্যৰ্থ হোৱাৰ সন্দৰ্ভত জন ৰাছেলে কৈছে– "The spectacular failure of the attempted coup in Mosow proved all over again that once people have learned to read, hear, listen and see, they connot be gagged for ever. আৰু ঠিক এনে ধৰণৰ পৰিস্থিতিতেই গৰ্বাচভে ৰাছিয়াখন

তথা সমগ্ৰ পৃথিৱীখনক মানুহে বাস কৰিবৰ বাবে এখন বেছি নিৰাপদ, বেছি শান্তিপূৰ্ণ পৃথিৱী কৰাৰ সপোন দেখি তেখেতৰ কাৰ্যসূচী নিৰূপন কৰিছিল। সেয়েহে গৰ্বাচভে সকলো কথাৰে ৰাজহুৱা আলোচনাৰ আৰু চিন্তাধাৰাৰ প্ৰকাশৰ স্বাধীনতা সুদীৰ্ঘ ৭৪ বছৰ পিছত ৰুছ জনসাধাৰণক ওভোটাই দি তেখেতৰ দীঘলীয়া কাৰ্যসূচীৰ আৰম্ভণি কৰিছিল আৰু জন ৰাছেলৰ মতেও–"Who can doubt that the newborn freedom of public discussion under Gorbachev played a cardinal role in the recent sensational events? We are spxaking, after all, of a people that after 74 years had learned to answer back."। আনহাতে গৰ্বাচভে স্পষ্টভাবে বুজি পাইছিল যে প্ৰতিযোগিতামূলক মুক্ত বাণিজ্য আৰু বজাৰ ভিত্তিক অৰ্থনীতিৰ অভাৱত ৰুছ অৰ্থনীতি বিপৰ্যস্ত হৈ পৰিছে, উৎপাদন কমি গৈছে আৰু বেছি উৎপাদনৰ বাবে প্ৰধান চালিকা শক্তি- ব্যক্তিৰ প্ৰতিযোগিতামূলক উৎসাহৰ মাত্ৰা নাইকিয়া হৈ পৰিছে। সেয়েহে গৰ্বাচভৰ ৰুছিয়াই ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ ক্ষেত্ৰত ব্যক্তিগত মালিকানাক স্বীকৃতি দিলে, বহুদলীয় ৰাজনীতিৰ প্ৰবৰ্তন কৰিলে আৰু ইয়াৰেই ফলশ্ৰুতি হিচাপে মুক্ত বাণিজ্য আৰু বজাৰ ভিত্তিক অৰ্থনীতিৰ প্ৰবৰ্তন হ'ল। আন্তৰ্জাতিক ক্ষেত্ৰতো পূব ইউৰোপৰ কমিউনিষ্ট দেশ সমূহক ৱাৰ্ছ চুক্তিৰ বাধ্যবাধকতাৰ পৰা মুক্তি দি আত্মঘাতী অস্ত্ৰ প্ৰতিযোগিতাৰে অকল শাম কটোৱা নহ'ল– লগতে শীতল যুদ্ধৰ সামৰণি পেলাই পৃথিৱীত স্থায়ী শান্তি স্থাপনৰ পথো সুচল কৰি তুলিলে। একমাত্ৰ নিৰস্ত্ৰীকৰণ আৰু পাৰমাণবিক অস্ত্ৰৰ সংখ্যা সীমিত কৰি পেলোৱা বাবেই সমগ্ৰ মানৱ জাতিয়ে ক্ষমতাৰ ৰাজনীতিত ব্যৰ্থ হোৱা গৰ্বাচভক শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰে চিৰদিন সুঁৱৰিব লাগিব। পাৰস্পৰিক সন্দেহৰ পৰিবেশে যুদ্ধোত্তৰ কালত পৃথিৱীৰ ৰাজনৈতিক পৰিস্থিতিৰ স্থিৰতা আৰু ভৱিষ্যতৰ নিৰাপত্তা নাইকিয়া কৰি আনিছিল ; কিন্তু দৃশ্যপটত গৰ্বাচভৰ প্ৰবেশে এই অস্থিৰতাৰ অন্ত পেলালে। মানৱীয় আৰু সাৰ্বজনীন দৃষ্টিভঙ্গীৰ পিনৰ পৰা তেখেতৰ আটাইতকৈ ডাঙৰ কৃতিত্ব হ'ল যে আনৰ মনত– বিশেষকৈ অকমিউনিষ্ট পশ্চিমীয়া দেশবোৰৰ মাজত তেখেতৰ নিজৰ, লগতে ৰুছিয়াৰ প্ৰতি বিশ্বাসযোগ্যতা জগাই তুলিব পাৰিছিল। আনহাতে, বাতৰি-কাকতৰ স্বাধীনতা পুনৰ প্ৰতিষ্ঠিত হোৱাৰ লগে লগে চৰকাৰৰ সপক্ষে-বিপক্ষে নানা ধৰণৰ প্ৰশ্ন উত্থাপন কৰা সম্ভৱ হৈ উঠিল– যাৰ ফলত ৰাজহুৱা স্বাৰ্থ জড়িত থকা সকলো বিষয়তে ৰাইজৰ মতামত জনাটো সুচল হৈ পৰিল। অৰ্থাৎ গৰ্বাচভে চিৰদিনৰ বাবে প্ৰমাণ কৰি গ'ল যে মাৰ্ক্সৰ অৰ্থনৈতিক আৰু সামাজিক আঁচনি বাস্তৱায়িত কৰিবলৈ গ্ৰহণ কৰা ছোভিয়েত পদ্ধতি ভুল আছিল– কাৰণ ব্যক্তিৰ প্ৰয়োজন আৰু আশা-আকাংক্ষাক অকণো বিবেচনা কৰা নহ'ল। ৰুছ জনসাধাৰণৰ প্ৰয়োজন আৰু আশা-আকাংক্ষা চৰিতাৰ্থ কৰিবৰ বাবে যে এক নতুন বা সুকীয়া ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক ব্যৱস্থাৰ আৱশ্যক হৈ পৰিছিল সেই কথাটো গৰ্বাচভে যে অকল হৃদয়ংগম কৰিছিল তেনে নহয় ; তেখেতে অকণো লুক-ঢাক নকৰাকৈ সেই কথা প্ৰকাশ্যে স্বীকাৰ কৰি এই যুগান্তকাৰী পৰিৱৰ্তনৰ বাট মোকোলাই দিছিল। তেখেতৰ "পেৰেষ্ট্ৰইকা, আমাৰ দেশৰ বাবে নতুন চিন্তাধাৰা আৰু পৃথিৱী" শীৰ্ষক কিতাপখনে বহুতকে নতুন পথৰ সন্ধান দিলে আৰু বহুতকে চিৰদিনৰ বাবে স্তব্ধ কৰি পেলালে– কিন্তু ষ্টেলিনীয় দমন পদ্ধতিৰ সহায় নোলোৱাকৈয়ে এইটো কৰিলে। অৰ্থনৈতিক বিকেন্দ্ৰীকৰণৰ লগতে যে ৰাজনৈতিক সংস্কাৰো অপৰিহাৰ্য হৈ পৰিব সেই উপলব্ধি গৰ্বাচভৰ আৰম্ভণিৰে পৰা আছিল আৰু সেইবাবে তেখেতে কমিউনিষ্ট পাৰ্টিৰ দলীয় নিৰ্বাচন মুক্তভাৱে পাতি গণতান্ত্ৰিক প্ৰক্ৰিয়া আৰম্ভ কৰাৰ কথা চিন্তা কৰিছিল। অৱশ্যে ৰাজনৈতিক সংস্কাৰে উন্মেষ কৰা ঢৌৰ লগত অৰ্থনৈতিক সংস্কাৰে খোজ মিলোৱাত ব্যৰ্থ হ'ল যে সন্দেহ নাই। চীন দেশত পিছে এই উপলব্ধি আজিও হোৱা নাই। তাত অৰ্থনৈতিক বিকেন্দ্ৰীকৰণৰ প্ৰক্ৰিয়া পৰিস্থিতিৰ বাধ্যবাধকতাত আৰম্ভ কৰা হৈছে যদিও ৰাজনৈতিক সংস্কাৰৰ আৱশ্যকতা পুৰণিচাম নেতাই আজিও মানি লোৱা নাই– যাৰ ফলত টিয়ানানমেন স্কোৱাৰৰ উত্থানৰ– লেখীয়া উত্থান ভৱিষ্যতেও চীন দেশত হোৱাৰ সম্ভাৱনা থাকি গৈছে। অৰ্থনৈতিক ক্ষেত্ৰত স্বাধীনতা প্ৰদান কৰি ৰাজনৈতিক স্বাধীনতা দিবলৈ স্বীকাৰ নকৰাটো বা ৰাজনৈতিক স্বাধীনাতা দি অৰ্থনৈতিক স্বাধীনতা নিদিয়া প্ৰচেষ্টা ইতিহাসে মানি নলয়– সময়ত তাৰ ব্যৱস্থা হবই। এই কথাটো শাসক গোষ্ঠীয়ে যিমান সোনকালে মানি লয়– তিমানেই মানুহৰ দুখ কষ্ট লাঘৱ হোৱাৰ স্বাভাৱিক গতি সঞ্জীৱ হৈ উঠে।

ৰুছ সমাজৰ পৰা ধৰ্মক নিৰ্বাসিন দি ৰুছ জাতিৰ নৈতিক মূল্যবোধ আৰু আবেগিক প্ৰকাশৰ অপমৃত্যু ঘটালে সেই কথাটোও গৰ্বাচভে মুক্ত কণ্ঠে প'পৰ আগত স্বীকাৰ কৰিছিল। এই নিৰ্বাসনে দয়া মমতাজাত সূক্ষ্ম অনুভূতিবোৰৰ ওপৰত প্ৰচণ্ড হেঁচাৰ সৃষ্টি কৰিছিল যে সন্দেহ নাই ; অথচ এই সূক্ষ্ম অনুভূতিসমূহৰ পূৰ্ণ প্ৰকাশে সমাজবাদ স্থাপনৰ সহায়কহে হ'লহেঁতেন। প্ৰথম সুযোগটো পোৱাৰ লগে লগে চেন্ট পিটাৰ্ছবাৰ্গ নাম জনতাই নিজে পুনৰ প্ৰবৰ্তন কৰা কথাটোৱে কি সূচায়– তাক ভাবি চোৱাৰ অৱকাশ নাই জানো ? ধৰ্মৰ সম্বন্ধে মাৰ্ক্সে কৰা বিখ্যাত উক্তিটোৰ ওপৰতো নতুন চিন্তা-চৰ্চা আৰম্ভ হৈছে আৰু ফলত নতুন নতুন ব্যাখ্যাও হয়তো ওলাব।

এটা অতি তীব্ৰ আপোচবিহীন বাধ্যতামূলক ব্যৱস্থাৰ পৰা কোটি কোটি মানুহক মুক্তি দিয়া বাবে গৰ্বাচভৰ স্থান ইতিহাসত সদায়ে নিৰ্দ্দিষ্ট হৈ থাকিব ; কিন্তু এই মুক্তিয়ে সৃষ্টি কৰা জনজাগৰণে সমগ্ৰ ৰাছিয়াতে বিভিন্ন স্তৰত প্ৰতিবাদৰ ঢৌ সৃষ্টি কৰিলে আৰু গোড়া সাম্যবাদী সকলে এটা খেলি-মেলিৰ সৃষ্টি কৰিবলৈ সুযোগ সন্ধানী হ'ল আৰু ফলত গুৰুতৰ সঙ্কটৰ লেলিহান অগ্নিয়ে সমগ্ৰ ৰুছিয়াক ছানি পেলালে। উৎপাদন আৰু যোগান ব্যৱস্থা ভাঙি পৰিল। অত্যাৱশ্যকীয় সামগ্ৰীৰ বাবে ৰাইজৰ মাজত হাহাকাৰ লাগিল। ৰুবলৰ মূল্য অভাৱনীয় হাৰত হ্ৰাস পালে। ফলত গৰ্বাচভৰ ভাবমূৰ্তি ম্লান হৈ পৰিল আৰু বৈ-বৈ যোৱা যশস্যাও নিম্নগামী হ'ল। বাল্টিক উপসাগৰৰ ৰাজ্য তিনিখনে স্বাধীনতা ঘোষণা কৰি বিচ্ছিন্ন হৈ গ'ল। আনকি কেইদিনমানৰ বাবে গৰ্বাচভ ক্ৰিমিয়াত গৃহবন্দী হব লগীয়াও হ'ল। ঠিক এই পটভূমিতে উত্থান হ'ল বৰিছ য়েল্টচিনৰ। অৱশিষ্ট ১২খন ৰাজ্যক লৈ এখন শক্তিশালী সঞ্জীৱ ৰাষ্ট্ৰ গঠন কৰাৰ যি সপোন গৰ্বাচভে দেখিছিল– য়েল্টচিনৰ অভ্যুদয়ে সেই সুযোগ তেখেতৰ হাতৰ পৰা কাঢ়ি নিলে। বাস্তৱ কল্পনাতকৈ বহুত বেছি সজীৱ আৰু ৰহস্যজনক বুলি আকৌ এবাৰ প্ৰমাণিত হল। ১৯১৭ চনৰ মাৰ্চ মাহত জাৰ দ্বিতীয় নিকোলাচে সিংহাসন পৰিত্যাগ কৰাৰ ফলত ছোভিয়েত ৰাছিয়াৰ জন্ম হৈছিল আৰু ১৯৯১ৰ, ২৫ মাৰ্চত গৰ্বাচভে পদত্যাগ কৰাৰ ফলত ১২খন ৰাজ্যৰ এখন নতুন সঞ্জীৱ ৰাষ্ট্ৰৰ জন্ম হ'ল। এই পট পৰিৱৰ্তনে ভাৰতৰ অৰ্থনীতি, প্ৰতিৰক্ষা ব্যৱস্থা আৰু বৈদেশিক নীতিৰ ওপৰত কেনে প্ৰভাৱ পেলাব। সেয়া অৱশ্যে আমাৰ আলোচনাৰ বিষয় নহয়। কিন্তু পশ্চিমীয়া দেশসমূহৰ লগত য়েল্টচিনৰ যি বুজাবুজি আছে তাৰ বাবে গৰ্বাচভে শুভাৰম্ভ কৰি যোৱা নিৰস্ত্ৰীকৰণ আৰু পাৰমানৱিক শক্তি আৰু সীমিতকৰণৰ প্ৰক্ৰিয়া ব্যাহত হব বুলি ধাৰণা নহয়। সেয়েহে গৰ্বাচভে সদায়ে শান্তিৰ দূত বুলি স্বীকৃত হব।

গৰ্বাচভে এটা বাধ্যতামূলক ব্যৱস্থাৰ পৰা মুক্তি দি মানুহৰ হৃত মৰ্যাদা আৰু স্বাধীনতা ঘূৰাই দিবলৈ বিচাৰিছিল যদিও সমাজতান্ত্ৰিক ব্যৱস্থা আৰু ছোভিয়েত ৰাছিয়াৰ অৱসান ঘটোৱাৰ উদ্দেশ্য তেখেতৰ নাছিল। সমাজতান্ত্ৰিক ব্যৱস্থা নিম্নগামী হ'ল প্ৰায়োগিক কৌশলৰ ব্যৰ্থতা আৰু বলছেভিকিজমৰ মাজত থকা স্ববিৰোধী অন্তৰ্দ্বন্দ্বৰ বাবেহে– যি বিষয়ে ওপৰত কৈ অহা হৈছে। অতিকেন্দ্ৰিকতাবাদী এমুঠি নেতাই সুদীৰ্ঘ ৭৪ বছৰ ধৰি ছোভিয়েত ৰাষ্ট্ৰযন্ত্ৰটো মেহনতী জনতাৰ নামত নিজৰ নিয়ন্ত্ৰণত ৰাখিছিল যদিও জন জীৱনৰ পৰা ৰাষ্ট্ৰৰ শাসন ব্যৱস্থা আৰু আৰ্থসামাজিক ব্যৱস্থা বিচ্ছিন্ন হৈ পৰিছিল। আৰু ইয়াৰ প্ৰতিকাৰ হিচাপে গৰ্বাচভে তেখেতৰ 'পেৰেষ্ট্ৰইকা' আৰু 'গ্লাছনষ্ট'ৰ সূত্ৰ প্ৰয়োগ কৰি এখন নতুন সমাজ- এটা নতুন অৰ্থনৈতিক ব্যৱস্থা স্থাপনৰ কথা চিন্তা কৰিছিল ; কিন্তু প্ৰচলিত ব্যৱস্থাটো নিঃশেষ কৰি দিবলৈহে হঠাতে মুক্তিৰ সোৱাদ পোৱা জনতা অধৈৰ্য হৈ পৰিল আৰু অতিকেন্দ্ৰিকতাবাদীৰ হেঁচাত ইমান দিনে উমি উমি জ্বলি থকা জুইকুৰা ভমক কৰি জ্বলি উঠি বিচ্ছিন্নতাবাদকো ইন্ধন যোগালে। এই পৰিস্থিতিৰ ব্যাখ্যা গৰ্বাচভে তেখেতৰ বিদায়ৰ মুহূৰ্তত নিজেই এনদৰে দিছে– "The society has acquired freedom. It has been freed politically and spiritually and this is the most important achievement that we have yet to fully come to grips with. And we have not, because we have not learnt to use freemom yet."– তথাপিও মনৰ উদ্বিগ্নতা স্বীকাৰ কৰি ললেও গৰ্বাচভ আজিও আশাবাদী।

য়েল্টচিনে বিৰোধী পক্ষৰ অভ্যুত্থান (coup) এটাৰ সঙ্কটৰ পৰা গৰ্বাচভক ৰক্ষা কৰি আন এটা অঘোষিত অভ্যুত্থানৰ জৰিয়তে গৰ্বাচভক পদত্যাগ কৰিবলৈ বাধ্য কৰিলে। ক্ষমতাৰ ৰাজনীতিত গৰ্বাচভ হাৰি গ'ল ; কিন্তু মন কৰিব লগীয়া কথা য়েল্টচিনৰ লগত মৌলিক বিষয়ত হোৱা কোনো মতভেদ বা মনান্তৰৰ বাবে গৰ্বাচভে পদত্যাগ কৰিব লগীয়া হোৱা নাছিল। গণতন্ত্ৰ আৰু মুক্ত অৰ্থনৈতিক ব্যৱস্থা প্ৰৱৰ্তনৰ দুয়ো পক্ষপাতী ; কিন্তু ছোভিয়েত ৰুছিয়াক গৰ্বাচভে এখন শিথিল চৰিত্ৰৰ সঞ্জীৱ ৰাষ্ট্ৰ হিচাপে বতাই ৰাখিবলৈ কৰা প্ৰয়াস অৱশেষত 'বুমাৰেঙ' হ'ল। য়েল্টচিন আৰু দহখন ৰাজ্যৰ ৰাষ্ট্ৰপতি সকলৰ লগত হোৱা বুজাপৰাৰ ফলতে 'আলমা-এটা' বিখ্যাত নাম হৈ পৰিল- জন্ম হ'ল এখন নতুন কমনৱেলথৰ ; নেতৃত্ব গুচি গ'ল য়েল্টচিনৰ হাতলৈ। পিছে ৭৪ বছৰীয়া দুঃস্বপ্নৰ অন্ত পেলাবলৈ য়েল্টচিনৰ ক্ষমতা দখলৰ কৌশলে কোনো অবিহণা যোগাব নোৱাৰিলেহেঁতেন যে নিশ্চিত– কাৰণ তাৰ বাবে সদায়ে আৱশ্যক হব গণতান্ত্ৰিক আদৰ্শৰে অনুপ্ৰাণিত মানৱ প্ৰেমী দূৰদৰ্শী গৰ্বাচভহঁতৰ দলটোকহে। সেয়েহে কৈছো গৰ্বাচভ শান্তিৰ দূত আৰু য়েল্টচিন এগৰাকী ৰাজনীতিক মাথোন। ইতিহাসৰ পৰিহাস হ'ল য়েল্টচিনে ৰাছিয়াৰ ৰাজনীতিত দোপতদোপে উঠি অহাৰ বাবে গৰ্বাচভ নিজেই দায়ী। য়েল্টচিনক পলিটবুৰ'ৰ সদস্য গৰ্বাচভেই কৰিছিল। নিজেই উন্মেষণ কৰা শক্তিৰ উৎস কিছুমানক নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে বাবে গৰ্বাচভৰ পতন হ'ল বুলি বহুতেই ক'ব খোজে ; কিন্তু এয়া ওপৰ চকুৰা উলুৱা মন্তব্য। প্ৰকৃততে ক্ষমতা দখল কৰাৰ পাশা-খেলত য়েল্টচিনে গৰ্বাচভক সম্পূৰ্ণভাৱে পৰাভূত কৰিলে। গৰ্বাচভ হ'ল এজন উদাৰ ৰাষ্ট্ৰবিদ আৰু য়েল্টচিন এজন ৰাজনীতিক। গৰ্বাচভে এটা সময়ত আনকি য়েল্টচিনৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থাও লব লগা হৈছিল। কিন্তু নিজৰ কৌশলগত অৰ্হতাৰ বাবে য়েল্টচিনে গৰ্বাচভৰ হাতৰ পৰা ক্ষমতা কাঢ়ি লবলৈ সফল হ'ল। পাহৰি গ'লে নহব যে গৰ্বাচভৰ সাফল্যৰ বাবেই য়েল্টচিন আজি ক্ষমতাশীল আৰু য়েল্টচিনে নিজেও সেইটো খুব ভালদৰে জানে। গৰ্বাচভ ক্ষমতাচ্যুত হ'ল– কিন্তু নিৰ্বাসিত নহ'ল, গ্ৰেপ্তাৰ নহ'ল বা 'ফায়াৰিং স্কোৱাদৰ' সমুখতো থিয় হব লগীয়া নহ'ল– কাৰণ গৰ্বাচভে সমগ্ৰ ৰাছিয়াৰ চিন্তাধাৰা সলনি কৰি দিলে। আজিৰ পৰা ৭/৮ বছৰ আগতেও হয়তো গৰ্বাচভে মৃত্যুদণ্ডৰ পৰা ৰক্ষা নাপালেহেঁতেন। গৰ্বাচভে কোনো প্ৰতিবাদ নকৰাকৈ দৃশ্যপটৰ পৰা আঁতৰি যোৱা কথাই আন এটা কথা প্ৰমাণ কৰিলেঃ কোনো ব্যক্তিয়ে অপৰিহাৰ্য নহয়– প্ৰতিজন ব্যক্তিৰ অবিহনে বিকল্প ব্যৱস্থা হব পাৰে। কোনো তিক্ততাৰ সৃষ্টি নকৰাকৈয়ে সৰ্বশক্তিমান গৰ্বাচভে ক্ষমতা হস্তান্তৰ কৰি নতুন ৰুছ কমনৱেলথৰ বাবে গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ শুভ আৰম্ভণি কৰিলে আৰু এই কৃতিত্বৰ পৰা তেখেতক ভৱিষ্যতে কেতিয়াও বঞ্চিত কৰিব নোৱাৰিব। গৰ্বাচভৰ নম্ৰতাও লেখত লব লগীয়া। বিদায়ৰ মুহূৰ্তত দ্বিধাহীন ভাবে স্বীকাৰ কৰি গ'ল যে তেখেতে কিছুমান ভুল কৰিলে। তাৰ দ্বাৰা তেখেতে হয়তো নিজে প্ৰবৰ্তন কৰা পৰিৱৰ্তন সমূহৰ গতি আৰু সময়ৰ কথাকে কৈছে। তথাপিও গৰ্বাচভ দুটা বিপ্লৱৰ জন্মদাতা বুলি চিহ্নিত হব যে ধুৰুপ– এটা ছোভিয়েত ৰুছিয়াৰ ভিতৰত আৰু আনটো বাহিৰত। ৰুছিয়াৰ বাহিৰত সাধন কৰা বিপ্লৱটোৱে নিৰস্ত্ৰীকৰণৰ গতি বৃদ্ধি কৰাত বাদেও সমগ্ৰ ইউৰোপক একীভূত অৰ্থনৈতিক ব্যৱস্থাৰ পিনে আগুৱাই যাবলৈ প্ৰভূত অবিহণা জগাই শান্তিৰ পথ প্ৰশস্ত কৰিব। গৰ্বাচভৰ বয়স মাত্ৰ ৬০ বছৰ। গতিকে য়েল্টচিনে যদি সঁচাকৈয়ে গণতান্ত্ৰিক পৰম্পৰা ৰুছ কমনৱেলথত দকৈ শিপাবলৈ দিয়ে– তেনেহ'লে গৰ্বাচভ আকৌ এদিন ৰুছ ৰাজনীতিৰ কেন্দ্ৰীয় দৃশ্যপটলৈ উভতি অহাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

মাৰ্ক্সবাদৰ মৃত্যু হ'ল বুলি কোৱাটো অবান্তৰ কথা হব। মাৰ্ক্সীয় চিন্তাধাৰাই ভৱিষ্যত প্ৰজন্মক সদায়ে প্ৰভাৱান্বিত কৰিব– কাৰণ বলছেভিকিজমৰ পতন মানে পুঁজিবাদৰ জয় হব নোৱাৰে। কিন্তু এটা কথা ইতিহাসে মানি লবলৈ বাধ্য হব যে মাৰ্ক্সে যি আৰ্থসামাজিক ব্যৱস্থাৰ বাবে আহ্বান জনাইছিল তাক ৰূপায়িত কৰিবলৈ গ্ৰহণ কৰা ছোভিয়েত পদ্ধতিটো ব্যক্তিৰ আশা-আকাংক্ষা আৰু প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ শুদ্ধ পথ নাছিল। সমাজবাদী দৰ্শনৰ মৃত্যু কল্পনাবহিৰ্ভূত কথা– কাৰণ ৰুছোৱে কোৱাৰ দৰে "Human nature never turns back" আৰু এজন মানুহে যিদিনাৰ পৰা আন এজন মানুহৰ দুখ-কষ্ট, প্ৰয়োজনীয়তাৰ বাবে চিন্তা কৰিবলৈ আৰম্ভ কৰিলে সিদিনাই সমাজবাদৰ জন্ম হৈছিল আৰু ই মানৱ চৰিত্ৰৰ সহজাত প্ৰবৃত্তি হৈ পৰিল। ইতিহাস আহি আজি চাৰিআলি এটাত উপস্থিত হৈছে। ইয়াৰ গতি নিৰূপণ কৰাৰ দায়িত্ব বহুলাংশে বহণ কৰিব লাগিব নতুন ৰুছ কমনৱেলথে। ■

# মিখাইল গৰ্বাচভ ঃ এটা যুগৰ প্ৰতিনিধি


ৰাজেন খাউণ্ড

নববৰ্ষৰ আৰম্ভৰ লগে লগে বিশ্বৰ দুই মহাশক্তিৰ অন্যতম ছোভিয়েত ইউনিয়ন ইতিহাসত পৰিণত হ'ল। ২৫ ডিচেম্বৰত মিখাইল গৰ্বাচভে পদত্যাগ কৰাত, ক্ৰেমলীনৰ পৰা নমাই অনা হ'ল সোণালী হাতুৰী আৰু কঁচিযুক্ত ৰক্তিম ছোভিয়েত পতাকা, ইয়াৰ সৈতে অন্ত পৰিল এটা যুগৰ। কিছুদিনৰ আগলৈকে বিশ্বৰ অন্যতম মহাশক্তি ৰূপে পৰিগণিত ছোভিয়েত ইউনিয়ন বিভিন্ন স্বাধীন গণৰাজ্যলৈ খণ্ড-বিখণ্ড হোৱা কাৰ্য প্ৰায় নীৰৱে আৰু অকলসৰে প্ৰত্যক্ষ কৰিলে বিদায়ী ৰাষ্ট্ৰপতি গৰ্বাচভে। ৰুচ নেতা বৰিচ য়াল্টচিন সৃষ্ট পূৰ্বৰ ছোভিয়েত গণৰাজ্য সমূহৰ স্বাধীন কমনৱেলথ বাস্তৱত পৰিণত হোৱাত তাত গৰ্বাচভৰ একো ভূমিকা নাথাকিল।

যোৱা আগষ্ট মাহত গৰ্বাচভৰ বিৰুদ্ধে হোৱা অভ্যুত্থানৰ সময় আছিল তেওঁৰ কৰ্ম জীৱনৰ মধুৰতম মুহূৰ্ত। কিন্তু এই ব্যৰ্থ অভ্যুত্থানতেই বাজি উঠিছিল তেওঁৰ উত্তাল শাসনৰ বিপদ সঙ্কেত। অভ্যুত্থান ব্যৰ্থ হোৱাটো আছিল গৰ্বাচভৰ বাবে নৈতিক বিজয়। ইয়াৰ দ্বাৰা প্ৰমাণিত হৈছিল ছোভিয়েত গণৰাজ্যত স্বাধীন চিন্তাধাৰাৰ শক্তিশালী স্থিতি আৰু জনগণৰ মনত আনি দিয়া মত প্ৰকাশৰ সাহস আৰু প্ৰত্যয়। কিন্তু নিয়তিৰ কি পৰিহাস গৰ্বাচভে মুক্ত কৰি দিয়া শক্তি সমূহেই এদিন তেওঁক ক্ষমতাৰ বাঘজৰিৰ পৰা আঁতৰাই লৈ গ'ল।

কেইবা দশক জুৰি কঠোৰ শাসন ব্যৱস্থাই আচ্ছন্ন কৰি থকা কমিউনিষ্ট ৰাজ্যখনৰ শাসন ক্ষমতালৈ মিখাইল গৰ্বাচভ আহে ১৯৮৫ চনত। ক্ষমতালৈ আহিয়ে কোনেও ভাবিব নোৱৰা ধৰণে সংস্কাৰমূলক কাৰ্য ব্যৱস্থা তেওঁ গ্ৰহণ কৰে। জনসাধাৰণক দিয়ে চিন্তা কৰা আৰু মত প্ৰকাশৰ স্বাধীনতা। তেওঁ আৰম্ভ কৰে পেৰষ্ট্ৰইকা বা পুনৰ গঠন– যাৰ মুখ্য উদ্দেশ্য আছিল কেন্দ্ৰীয় পৰিকল্পনাৰ বিপৰীতে উদ্যোগী সকলক অৰ্দ্ধ ব্যক্তিগত খণ্ডৰ সমবায় গঢ়ি তোলাত সহায় কৰা। তেওঁৰ অন্য সংস্কাৰমূলক কাৰ্য আছিল গ্লাছনষ্ট বা মুক্ত চিন্তাধাৰা– ই সামাজিক ব্যাধিবোৰৰ ওপৰত মুক্ত চিন্তাৰ বাট মুকলি কৰিছিল।

প্ৰথমে কমিউনিষ্ট দলৰ সাধাৰণ সম্পাদক ৰূপে আৰু পিছত ছোভিয়েত গণৰাজ্যৰ ৰাষ্ট্ৰপতি ৰূপে ৭ বছৰীয়া শাসনকালত গৰ্বাচভে বহু সংস্কাৰমূলক কাম হাতত লৈ বিশ্বৰ গতিধাৰাৰ পৰিবৰ্তন সাধিছিল। তেওঁ ৰাজনৈতিক বন্দীসকলক মুকলি কৰি দিছিল।



ছোভিয়েত নাগৰিক সকলে মুক্ত ভ্ৰমণ আৰু প্ৰব্ৰজনৰ স্বাধীনতা পাইছিল। ধৰ্মীয় অত্যাচাৰো বন্ধ কৰা হৈছিল। যি কোনো বিষয়ৰ ওপৰত নাগৰিক সকলে মুকলি বিতৰ্ক কৰিব পাৰিছিল। গৰ্বাচভে ছোভিয়েত নিউক্লীয়াৰ অস্ত্ৰ ভাণ্ডাৰ হ্ৰাস কৰি পশ্চিমৰ সৈতে বন্ধুত্ব স্থাপন কৰিছিল। তেওঁৰ প্ৰচেষ্টাতে আফগানিস্থানৰ পৰা ছোভিয়েত সৈন্যৰ অপসাৰণ সম্ভৱ হৈছিল। দুই মহাশক্তিৰ মাজত থকা শীতল যুদ্ধৰ অৱসানতো গৰ্বাচভৰ ভূমিকা আছিল উল্লেখযোগ্য। পূব ইউৰোপীয় দেশ সমূহত গণতান্ত্ৰিক শাসন ব্যৱস্থা স্থাপনতো তেওঁৰ লক্ষনীয় অৱদান আছিল। ছোভিয়েতত বহু প্ৰাৰ্থী থকা মুক্ত নিৰ্বাচনৰ প্ৰবৰ্তন কৰি কমিউনিষ্ট দলক একচেটীয়া ক্ষমতাৰ পৰা অপসাৰণ কৰিছিল। এখন শান্তিময় বিশ্ব স্থাপনত গৰ্বাচভৰ অৱদানৰ কাৰণে তেওঁলৈ আগবঢ়োৱা হৈছিল ১৯৯০ চনৰ শান্তিৰ নবেল বঁটা।

গোটেই বিশ্বজুৰি গৰ্বাচভ জনপ্ৰিয় হ'লেও বিভিন্ন কাৰণত নিজৰ দেশত তেওঁৰ জনপ্ৰিয়তা হ্ৰাস পাইছিল আৰু অৱশেষত নিজেই আৰম্ভ কৰা মুক্ত বাতাবৰণৰ ঢৌৱে তেওঁক ক্ষমতাৰ পৰা আঁতৰাই নিলে। বিশ্ব জনগণে ভাবিছিল যে কিবা এক কাৰ্যপন্থাৰ জৰিয়তে তেওঁ ক্ষমতাত বৰ্তি থাকিব, কিন্তু শেষলৈকে তেওঁ তেনে কোনো কাৰ্য ব্যৱস্থা হাতত নল'লে। ব্যৰ্থ অভ্যুত্থানৰ চাৰি মাহৰ ভিতৰতে গৰ্বাচভৰ ক্ষমতাৰ বিলুপ্তি ঘটিল। ক্ৰিমিয়াৰ প্ৰাসাদত ৭২ ঘন্টা বন্দী হৈ থাকি গৰ্বাচভ বিজয়ীৰ দৰে ঘুৰি আহিলেও পুনৰ আগৰ দৰে ক্ষমতাশালী হব নোৱাৰিলে। বন্দিত্বৰ পৰা মুক্ত হৈ তেওঁ জনগণৰ সৈতে টৈঙ্কৰ মুখামুখি হোৱা ৰুচ নেতা বৰিচ য়াল্টচিনৰ লগত বুজাপৰা কৰি এটা নতুন যুগৰ আৰম্ভ কৰিব পাৰিলে হয়। কিন্তু পিছদিনা প্ৰেছৰ সম্মুখীন হওঁতে গৰ্বাচভে নাম ল'লে পাহৰণিৰ গৰ্ভত যোৱা লেলিনৰ। গৰ্বাচভে এটা কথা বুজাত ব্যৰ্থ হ'ল যে জনগণ তেওঁৰ পক্ষত নাছিল, আছিল তেওঁ উন্মুক্ত কৰা পৰিবেশৰ পক্ষতহে। ছোভিয়েত সংসদৰ সম্মুখীন হওঁতে গৰ্বাচভৰ প্ৰতি থকা সহানুভূতি প্ৰায় অস্তমিত হয়। ক্ৰমান্বয়ে তেওঁৰ স্থিতি এজন আধুনিক নিৰ্মাতাৰ পৰা হয় গৈ প্ৰগতিৰ পথত প্ৰতিবন্ধক স্বৰূপ। অৱশেষত তেওঁ এসময়ৰ বন্ধু আৰু বৰ্তমানৰ প্ৰতিদ্বন্দ্বী বৰিচ য়াল্টচিনৰ সৈতে সংঘৰ্ষত অৱতীৰ্ণ হয়।

আগষ্টৰ অভ্যুত্থান ব্যৰ্থ হোৱাটোৱে ছোভিয়েত গণৰাজ্যত গণতান্ত্ৰিক শক্তি আৰু মুক্ত চিন্তাধাৰাৰ বিজয় ঘোষণা কৰিলেও ই কেন্দ্ৰত থকা ক্ষমতা হ্ৰাস কৰে। বলবান ৰাজ্য সমূহৰ স্বাধীনতাকে আদি কৰি বিভিন্ন বিষয়ৰ বুজাপৰা কৰিবলৈ ব্যৰ্থ হোৱাত কেন্দ্ৰত ক্ৰমান্বয়ে গৰ্বাচভৰ ক্ষমতা হ্ৰাস পাই আহে। তেওঁ দেশত মুক্ত কৰি দিয়া শক্তি সমূহক নিয়ন্ত্ৰণত আনিব পৰা নাছিল। অনৈক্যৰে ভৰা দেশখনত ঐক্য স্থাপন কৰিব খুজিলেও এজন কমিউনিষ্টে কৰাৰ দৰে পৰিবৰ্তনবোৰ তেওঁ ওপৰৰ পৰাহে আৰোপিত কৰিব বিচাৰিছিল। প্ৰথম অৱস্থাৰ বহু অনুগত নেতা আৰু কৰ্মীক দূৰলৈ আঁতৰাই পঠিয়াই গৰ্বাচভে সুবিধাবাদী কমিউনিষ্ট সকলৰ দ্বাৰা আবৃত্ত হৈছিল। এডৱাৰ্ড চেভদনাজ্‌কিৰ দৰে আস্থাভাজন নেতাই এই বিষয়ে সতৰ্ক কৰি দিয়া সত্ত্বেও তেওঁ একো ব্যৱস্থা লোৱা নাছিল। অৰ্থনৈতিক দিশত গৰ্বাচভে বহু ভুল সিদ্ধান্ত লৈছিল। দেশৰ খাদ্য উৎপাদন হ্ৰাস পাইছিল, দোকানবোৰত ৰুটিৰ কাৰণে দীঘলীয়া শাৰী হৈছিল। দেশ দ্বিতীয় মহাযুদ্ধৰ পিছত কোনো কালেও নোহোৱা ৰেচনিং ব্যৱস্থাৰ কবলত পৰিছিল। পেট্ৰ'লজাত সামগ্ৰীৰ উৎপাদনো হ্ৰাস হৈছিল। কয়লাখনিৰ শ্ৰমিকসকলে সঘনাই ধৰ্মঘট কৰিছিল। দেশৰ উদ্যোগীক উৎপাদনৰ পৰিমাণো নিম্নগামী হৈছিল। গণতান্ত্ৰিক ভাবধাৰাৰ সোৱাদ পোৱা ছোভিয়েতৰ ১৫খন গণৰাজ্যই আশী দশকৰ শেষৰ ফালে অধিক স্বায়ত্ত শাসন বিচাৰিছিল। জাতিগত সংঘৰ্ষত আজাৰবাইজান আৰু আৰ্মেনিয়াত বহু লোকৰ মৃত্যু হৈছিল।

আজি ক্ষমতাৰ পৰা অপসাৰিত হোৱাৰ সময়ত গৰ্বাচভক এক ট্ৰেজিক নায়কৰ দৰে দেখা গৈছে। তেওঁক মহান কৰি তোলা গুণবোৰৰ মাজতে অঙ্কুৰিত হৈছিল তেওঁৰ পতনৰ বীজ। আত্মবিশ্বাস, অবুজন, গৰ্বী গৰ্বাচভে কাৰ্যক্ষেত্ৰত লঘু লাঞ্ছনালৈ ভয় কৰা নাছিল যদিও তেওঁৰ প্ৰতি কৰা সমালোচনালৈও কৰ্ণপাত কৰা নাছিল। সাধুবাদ আৰু নৈতিকতাৰ কাৰণে জনসাধাৰণে তেওঁক বিশ্বাস কৰিলেও নিজে বিশ্বাস কৰা মাৰ্ক্সীয় মানৱতাবাদৰ পৰা আঁতৰি অহা নাছিল।

১৯৮৯ চনত ছোভিয়েট জনগণে প্ৰথমবাৰৰ বাবে বহু দলীয় মুক্ত নিৰ্বাচনত অংশ গ্ৰহণ কৰে। ১৯৯০ চনৰ ফেব্ৰুৱাৰী মাহত কমিউনিষ্ট দলে একচেটিয়া ক্ষমতা সমৰ্পণ কৰিব লগা হয়। ক্ষমতাত থকাৰ পাঁচ বছৰ পূৰ্ণ হোৱাৰ এনে সময়ত গৰ্বাচভে আত্মৰক্ষামূলক ব্যৱস্থা লব লগাত পৰে।

য়াল্টচিন আৰু অন্য সমালোচকসকলে গৰ্বাচভক ধীৰ আৰু কোমল মনৰ বুলি সমালোচনা কৰিবলৈ ধৰে। গৰ্বাচভে তেওঁলোকক আস্থাত লোৱাৰ পৰিবৰ্তে বৰ্খাস্তহে কৰে, এয়া আছিল এক ভুল সিদ্ধান্ত। ক্ষমতাৰ পৰম্পৰাগত উৎসৰ পৰা আঁতৰ হৈ গণতন্ত্ৰ আৰু মুক্ত ৰাজনীতিৰ নতুন পথেদি বৰিচ য়াল্টচিন এজন উল্লেখযোগ্য নেতা ৰূপে পৰিগণিত হয়। পৰিস্থিতিৰ অৱনতি হোৱাত গৰ্বাচভে পুনৰ তেওঁৰ পৰিবৰ্তনকামী সতীৰ্থসকলৰ ফালে ঘূৰি চালে। পুৰণি সতীৰ্থসকলৰ সহযোগত ছোভিয়েতৰ ৯খন গণৰাজ্যৰ নেতাসকলৰ সৈতে এখন নতুন 'ইউনিয়ন সন্ধি' (Union Treaty) কৰাৰ পৰিকল্পনা কৰিলে।

এই চুক্তি সম্পাদন কৰা আগমুহূৰ্তত ১৯ আগষ্টৰ দিনা ৰক্ষণশীল সকলে ক্ৰেমলিন দখল কৰি গৰ্বাচভক গৃহবন্দী কৰে আৰু সামৰিক শাসন প্ৰবৰ্তন কৰে। জনগণ ৰাজপথলৈ ওলাই অহাত অভ্যুত্থান ব্যৰ্থ হয় আৰু গৰ্বাচভে পুনৰ ক্ষমতালৈ প্ৰত্যাবৰ্তন কৰে। তেওঁ দ্বিতীয়বাৰ শাসন ভাৰ লৈ দলক নিষ্ক্ৰীয় কৰে, কেবিনেট বৰ্খাস্ত কৰে, কে বি জি-ক পৰিষ্কাৰ কৰে আৰু কেন্দ্ৰ, গণৰাজ্য সমূহৰ মাজত ক্ষমতাৰ ভাগ থকা ৰাজ্যিক পৰিষদ গঠনৰ প্ৰস্তাৱ কৰে। গৰ্বাচভে বাল্টিক গণৰাজ্য সমূহৰ স্বাধীনতাক স্বীকৃতি দিয়ে, এই ক্ষেত্ৰত অৱশ্যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভূমিকা আছিল উল্লেখযোগ্য।

নতুন কেন্দ্ৰৰ ধাৰণাৰ প্ৰতি বহু গণৰাজ্যই সন্দেহৰ ভাব পোষণ কৰে। ইউক্ৰেইনে মস্কো স্থিত কোনো ফেডাৰেচনৰ সৈতে বুজাপৰা কৰিবলৈ অসম্মত হোৱাত ইউনিয়ন ধাৰণাৰ পৰিসমাপ্তি ঘটে। ৰুচ নেতা বৰিচ য়াল্টচিনে ইউক্ৰেইন আৰু বাইল' ৰাচিয়াৰ নেতা সকলৰ সৈতে লগ হৈ স্বাধীন গণৰাজ্য সমূহৰ কমনৱেল্‌থ গঢ়ি তোলে। প্ৰথম অৱস্থাত অন্য গণৰাজ্য সমূহে এই 'স্লাভিক ইউনিয়ন'ক (Slavic Union) সন্দেহৰ চকুৰে চালেও জৰ্জিয়াক বাদ দি অন্য ১১খন গণৰাজ্যৰ নেতৃবৃন্দ আলমা আটাত মিলিত হৈ স্বাধীন ৰাষ্ট্ৰসমূহৰ কমনৱেল্‌থ বাস্তৱত পৰিণত কৰে। বিশ্বৰ প্ৰথম সাম্যবাদী দেশ ছোভিয়েত গণৰাজ্যৰ ধ্বংসস্তূপত জন্ম লোৱা এই 'কমনৱেল্‌থ'ত গৰ্বাচভৰ কোনো স্থান নাছিল। মিখাইল গৰ্বাচভেই আছিল ছোভিয়েত দেশৰ প্ৰথম আৰু শেষৰজন কাৰ্যবাহী ৰাষ্ট্ৰপতি। ২৫ ডিচেম্বৰত তেওঁৰ পদত্যাগৰ লগে লগে ছোভিয়েত ইউনিয়ন ইতিহাসত পৰিণত হ'ল। ছোভিয়েত দেশত সমাজবাদ প্ৰতিষ্ঠাৰ ১৪ বছৰ হওঁতে ১৯৩১ চনৰ ২ মাৰ্চ তাৰিখে দক্ষিণ ৰাচিয়াৰ শস্যভূমি ষ্টাভ্ৰপ'লৰ পৰা ২০০ কিঃ মিঃ দূৰত্বৰ প্ৰাইউলনয়ে নামৰ এখন গাঁৱত গৰ্বাচভৰ জন্ম হয়। ট্ৰেক্টৰ চালক দেউতাক চাগৈই আছিল দলৰ কৰ্মী মাক মাৰিয়াই বৰ্তমানেও প্ৰাইউলনয়েৰ ৰক্ষণশীল গীৰ্জাত সেৱা আগবঢ়ায় আছে।

কৈশোৰ অৱস্থাত স্কুলত পঢ়ি থাকোতে গৰ্বাচভ চালক হৈছিল। কৰ্ম ক্ষেত্ৰত পাৰদৰ্শিতাৰ কাৰণে ১৮ বছৰ বয়সত তেওঁ শ্ৰমিকৰ ৰঙা বেনাৰ পায়। ভাল নম্বৰ আৰু দেউতাক দলৰ সদস্য হোৱাৰ কাৰণে মস্কো বিশ্ববিদ্যালয়ত ভৰ্তি হৈ আইন অধ্যয়ন কৰে আৰু ২১ বছৰ বয়সত কমিউনিষ্ট দলত যোগ দিয়ে। স্কুলতে তেওঁ দৰ্শনৰ ছাত্ৰী ৰেইচাক লগ পায় আৰু ১৯৫৪ চনত দুয়ো বিবাহ-পাশত আবদ্ধ হয়। ১৯৫৫ চনত স্নাতক হৈ তেওঁ ষ্টাভ্ৰপ'ললৈ ঘূৰি যায় আৰু তাত কমিউনিষ্ট যুৱলীগ ক'মচ'মলৰ বিষয়ববীয়া হয়। নিজৰ কৰ্মৰাজি আৰু উচ্চ চিন্তাধাৰাৰ দ্বাৰা তেওঁ আনক আকৰ্ষণ কৰিবলৈ সক্ষম হয়। ১৯৭০ চনত ৩৯ বছৰ বয়সত গৰ্বাচভে ষ্টাভ্ৰপ'ল ৰাজ্যত দলৰ প্ৰথম সচিব ৰূপে নিযুক্তি পায়। এই পদত থাকি তেওঁ দলৰ উচ্চ পদস্থ বিষয়া বিশেষকৈ কে জি বি-ৰ প্ৰধান য়ুৰি এনড্ৰপ'ভৰ সংস্পৰ্শলৈ আহে। ১৯৭৮ চনত মস্কোলৈ গৈ তেওঁ কৃষি বিষয়ত দলৰ উচ্চ পদ লয়। দুবছৰৰ পিছত ৪৯ বছৰ বয়সতে গৰ্বাচভ পুলিটবু'ৰৰ পূৰ্ণকালীন সদস্য হয়।

ব্ৰেজনেভৰ মৃত্যুত ১৯৮২ চনত এনড্ৰপ'ভ দলৰ নেতা হয়। দুবছৰৰ পিছত তেওঁৰ মৃত্যু হোৱাত গৰ্বাচভেই দলৰ নেতা হব লাগিছিল যদিও দলৰ পুৰণি লোকসকলে ৭২ বছৰীয়া চাৰনেনক'ক দলৰ নেতৃত্বৰ ভাৰ দিয়ে। ১৩ মাহৰ পিছতে তেওঁৰ মৃত্যু হোৱাত ১১ মাৰ্চ, ১৯৮৫-ত মিখাইল গৰ্বাচভ ষ্টালিনৰ পিছত দেশৰ কনিষ্ঠতম নেতা ৰূপে নিৰ্বাচিত হয়। ১৯১৭ চনৰ বলচেভিক বিপ্লৱৰ পিছত গৰ্বাচভৰ নেতৃত্বতেই ছোভিয়েত গণৰাজ্যত বিনা ৰক্তপাতেৰেই বিপুল সংস্কাৰ সাধন হৈছিল। ১৯৮৮ চনত ছোভিয়েত কংগ্ৰেছে তেওঁক প্ৰথম কাৰ্যবাহী ৰাষ্ট্ৰপতি ৰূপে নিৰ্বাচিত কৰে। পিছৰ বছৰ কেইটাত কংগ্ৰেছে গৰ্বাচভক বহু ক্ষমতা প্ৰদান কৰিছিল।

ছোভিয়েত ৰাজনীতিত গৰ্বাচভে প্ৰবৰ্তন কৰা নতুন চিন্তাধাৰাই গোটেই বিশ্বতে তেওঁক জনপ্ৰিয় কৰিছিল। নিউক্লীয় অস্ত্ৰ হ্ৰাস কৰণ আৰু শীতল যুদ্ধৰ অৱসানৰ বাবে গৰ্বাচভে লোৱা ভূমিকাৰ বাবে ১৯৯০ চনত তেওঁক শান্তিৰ নবেল বঁটা প্ৰদান কৰা হয়। শান্তি স্থাপনৰ কাৰণে তেওঁ কৰা প্ৰচেষ্টা বিশ্বৰ ইতিহাসত স্মৰণীয় হৈ ৰব। সূ

# আল্‌ফা, শইকীয়া আৰু বিৰোধী ৰাজনীতি

১৯৯১ চনৰ ২৪ ছেপ্তেম্বৰ। নেপথ্য-দৰ্শন আল্‌ফা, শইকীয়া আৰু বিৰোধী ৰাজনীতি কেন্দ্ৰীয় বিত্ত মন্ত্ৰী ড° মনমোহন সিঙে ইয়াৰ আগদিনা অসমৰ পৰা খালি হোৱা ৰাজ্যসভাৰ আসনখনৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিছে। সেই দিনা মনোনয়ন পত্ৰ পৰীক্ষা হৈ যোৱাৰ পাছত দিছপুৰৰ জনতা ভৱনত আয়োজিত এখন জনাকীৰ্ণ সাংবাদিক মেলত ড° সিঙে ভাষণ দিছিল। মুখ্য মন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াও তাত উপস্থিত আছিল। কিন্তু খন্তেক পাছতেই ড° সিঙৰ সাংবাদিক মেল প্ৰকৃতাৰ্থত শ্ৰীশইকীয়াৰ সাংবাদিক মেললৈ ৰূপান্তৰিত হৈছিল। দেশৰ অৰ্থনীতি সম্পৰ্কীয় দুই এটা প্ৰশ্ন সোধাৰ পাছতেই সাংবাদিক সকলে স্বাভাৱিকতেই ৰাজ্যখনৰ জ্বলন্ত ৰাজনৈতিক সমস্যাবোৰলৈ গতি কৰিছিল। পণবন্দীৰ সমস্যাটো তেতিয়াও ৰাজ্যখনৰ প্ৰধান সমস্যা হৈয়েই আছিল। কিন্তু সেইদিনাৰ সাংবাদিক মেলত শ্ৰীশইকীয়াৰ অৱস্থানে সকলোকে স্তম্ভিত কৰি তুলিছিল। স্বল্পভাষী, বিনয়ী আৰু সহিষ্ণু বুলি জনাজাত শ্ৰীশইকীয়াই সেইদিনা প্ৰথমৰে পৰাই এক সম্পূৰ্ণ বিপৰীত অৱস্থান গ্ৰহণ কৰিছিল। তেওঁ সেইদিনা দুই-তিনিখনমান কাকতৰ প্ৰতিনিধিক প্ৰত্যক্ষভাৱে আক্ৰমণ কৰিছিল অথবা আক্ৰমণ কৰাৰ বাবে বাছি লৈছিল। ৰাজ্যখনৰ বাহিৰৰ এখন ইংৰাজী দৈনিকৰ প্ৰতিনিধিক তেওঁ উচ্চ স্বৰে কৈছিল– "মই আল্‌ফা সমস্যাৰ সমাধান কৰিম। হিতেশ্বৰ শইকীয়াই জীৱনত কেতিয়াও পৰাজয় বৰণ কৰা নাই। ভৱিষ্যতেও নকৰে। প্লীজ ৰাইট ইট। আপুনি লিখক।" অৱশ্যে ক্ৰোধান্বিত হোৱা বাবে তেওঁ পাছত দুঃখ প্ৰকাশো কৰিছিল।

হিতেশ্বৰ শইকীয়াৰ এই ঘোষণাত স্বাভাৱিকতে সাংবাদিক সকল কিছু আচৰিত হৈছিল। নাইবা কোনো কোনোৱে পেটে পেটে হাঁহি ৰগৰ কৰিছিল। কেৱে কেৱে কৈছিল যে সকলো সমস্যা সমাধান কৰিম বুলি ওফাইদাং মৰাটো ভাৰতীয় ৰাজনীতিকৰ চৰিত্ৰত পৰিণত হৈছে। কিন্তু, হিতেশ্বৰ শইকীয়াই যে এক গুৰুতৰ প্ৰত্যাহ্বানৰ সম্মুখীন হবলৈ মানসিক আৰু ৰাজনৈতিক প্ৰস্তুতি চলাইছিল, তাক তেওঁৰ সেই দিনাৰ কথাৰ পৰাই অনুমান কৰিব পৰা গৈছিল। পিছে কথাবোৰ বিশ্বাস কৰিবলৈ সকলোৱে টান পাইছিল। কিয়নো যোৱা এক দশকৰ ভিতৰত অসমৰ সামাজিক আৰু মানসিক জগতখনত কিছুমান অমূল পৰিবৰ্তন সাধিত হৈছিল। হত্যা, খুন, লুণ্ঠন, বলাৎকাৰ চাহ-ভাত খোৱাৰ দৰে নিত্য-নৈমিত্তিক ঘটনাত পৰিণত হৈছিল। অসমৰ ৰাইজ ৰাজনৈতিক ভাবে যিদৰে সজাগ হৈছিল প্ৰচুৰ। ঠিক সেইদৰে ইমানদিনে নিশকতীয়া হৈ থকা অসমীয়া মধ্যবিত্তৰ এচামৰ হাতলৈ প্ৰচুৰ অৰ্থও আহিছিল। হঠাতে কুবেৰ হোৱা এনে শ্ৰেণীটোৰ একাংশই আল্‌ফা নাইবা তেওঁলোকৰ দৰে শক্তিবোৰৰ মুখ্য পৃষ্ঠপোষক আছিল। তদুপৰি আল্‌ফাৰ পাছত কেইখনমান সংবাদ-পত্ৰ, একাংশ ৰাইজ, কেইজনমান বুদ্ধিজীৱী আৰু ৰাজনৈতিক নেতাৰ উপৰিও আন্তৰ্জাতিক চক্ৰ এটাৰো সমৰ্থন আছিল। ইমানবোৰ শক্তিশালী প্ৰতিপক্ষক একেলগে পৰাভূত কৰিব পৰা ক্ষমতা শইকীয়াৰ আছেনে? এয়ে আছিল সকলোৰে মনত উদয় হোৱা কোটি টকীয়া প্ৰশ্ন।

পাছে, ৰাজনীতিৰ ডবা খেলত সিদ্ধহস্ত শ্ৰীশইকীয়াই অতি সাৱধানে চাল দিয়া আৰম্ভ কৰি দিছিল। ডবা খেলৰ ক্ষেত্ৰ বদলি হব পাৰে, কিন্তু খেলৰ নিয়ম-কানুন একে আছে। এই সূত্ৰত বিশ্বাসী শইকীয়াই খেলাখন এক ক্লাইমেক্সলৈ গৈছিল। পণবন্দী সমস্যা আৰম্ভ হোৱাৰ প্ৰায় আঢ়ৈ মাহৰ পাছত তেওঁ ৰাজ্যখনলৈ পুনৰ সেনা বাহিনী মাতি আনিছিল। প্ৰতিপক্ষই ভাবিছিল, এই লৈ জনসাধাৰণ ক্ষোভ আৰু প্ৰতিবাদত ফাটি পৰিব। তাৰ বাবে তেওঁলোকে সকলো প্ৰচেষ্টাও চলাইছিল। পাছে একো কামত নাহিল। পণবন্দী সমস্যা আৰম্ভ হোৱাৰ পৰা শেষলৈকে শ্ৰীশইকীয়া আৰু প্ৰতিপক্ষৰ মাজত যিখন যুঁজ আৰম্ভ হৈছিল সেইখন যুঁজ দৰাচলতে যোৱা এক দশক জুৰি অসমৰ ৰাজনীতিৰ যুদ্ধ ক্ষেত্ৰত শ্ৰীশইকীয়া আৰু তেওঁৰ বিৰুদ্ধ শক্তিবোৰৰ মাজত চলি আহিছিল। অৱশ্যে এইবাৰ চি পি আই, কংগ্ৰেছ (এছ) প্ৰভৃতি কিছুমান দল আৰু ব্যক্তিয়ে প্ৰকাশ্যে নিজৰ অৱস্থান আৰু পক্ষ পৰিবৰ্তন কৰি লৈছিল। বিভিন্ন ৰাজনৈতিক দল, সংগঠন আৰু সাংবাদিক-বুদ্ধিজীৱীৰ মতামত গ্ৰাহ্য কৰি মুখ্য মন্ত্ৰী শ্ৰীশইকীয়াই প্ৰথম অৱস্থাত আল্‌ফাৰ প্ৰতি নৰম মনোভাব পোষণ কৰিছিল আৰু সেয়ে পণবন্দীৰ মুক্তিৰ বিনিময়ত তেওঁলোকৰ দাবী অনুসৰি কিছু 'টাডা' (TADA) বন্দীক মুকলি কৰি দিছিল।

যোৱা প্ৰায় দুই দশক জুৰি অসমৰ সামাজিক -ৰাজনৈতিক ঘটনাৱলীৰ পৰ্যবেক্ষক হিচাপে আমি এটা কথা সবিস্ময়ে লক্ষ্য কৰিছো যে শইকীয়া নিজে অসমৰ ৰাজনীতিত এহাতে ঘৃণা আৰু আনহাতে বিশ্বাস আৰু প্ৰত্যয়ৰ প্ৰতীকত পৰিণত হৈছে। তেওঁৰ নাম শুনিলে নাইবা তেওঁৰ লগত ৰাজনীতিৰ কথা আহিলে দল-মত নিৰ্বিশেষে সকলো এক হয়। তেওঁ ৰাজ্য সভাৰ সদস্য পদৰ বাবে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ সময়ত সকলো মত পাৰ্থক্য জলাঞ্জলি দি সকলো ৰাজনৈতিক দল এক হৈছিল। পণবন্দী সমস্যা সম্পৰ্কে আলোচনা কৰিবলৈ আহূত এখন সৰ্বদলীয় সভাত যোগদান কৰা নতুন অগপ দলৰ এজন সংসদ সদস্যই এই লেখকক কৈছিল যে হিতেশ্বৰ শইকীয়াই যদি আল্‌ফা সমস্যাৰ সমাধান কৰিব নোৱাৰে তেনেহলে অসমৰ আন কোনো ৰাজনীতিকে ইয়াৰ সমাধান কৰিব নোৱাৰে। অসম যাব। অগপ দলৰো কেইবাজনো নেতাই এনে মন্তব্য কৰিছিল। ৰাজ্যখনৰ বৃহৎ সংখ্যক জনসাধাৰণেও এনে ধৰণৰ মতামতকে পোষণ কৰিছিল। এয়ে আছিল তেওঁৰ প্ৰতি থকা ৰাজইৰ বিশ্বাস আৰু প্ৰত্যয়ৰ প্ৰকৃত প্ৰমাণ।

চৰকাৰে জনোৱা সদিচ্ছাৰ প্ৰতি আল্‌ফাই সঁহাৰি নজনোৱাৰ পাছত মুখ্যমন্ত্ৰী শ্ৰীশইকীয়াই তেওঁৰ নৰম মনোভাব ত্যাগ কৰি কঠোৰ পন্থা গ্ৰহণ কৰিলে। তেওঁ ঘোষণা কৰিলে যে কেইজনমান পণবন্দীৰ কাৰণে চৰকাৰে দুই কোটি বাইশ লাখ মানুহৰ ভৱিষ্যতৰ ক্ষেত্ৰত আপোচ কৰিব নোৱাৰে। তাৰ পাছত আৰম্ভ হৈছিল তেওঁৰ প্ৰতিপক্ষৰ ৰাজনীতিৰ নতুন নতুন কূট-কৌশল। সমগ্ৰ ৰাজ্যজুৰি, আনকি ৰাজ্যখনৰ বাহিৰতো ৰাষ্ট্ৰ সন্ত্ৰাসৰ আৰাও দিয়া হৈছিল। যোৱা এক দশক জুৰি ৰাজ্যখনৰ অশান্তি, অনিশ্চয়তা আৰু ধ্বংসৰ নেতৃত্ব কৰা সদৌ অসম ছাত্ৰ সংস্থাই নিজৰ নামত বিশেষ সুবিধা কৰিব নোৱাৰিব বুলি 'মানৱ অধিকাৰ সংগ্ৰাম সমিতি' নামৰ নতুন সংগঠন এটাৰ জন্ম দি নিজৰ আঁহ ফলা ৰাজনীতি প্ৰসাৰিত কৰাৰ চেষ্টা কৰিছিল। আনহাতেদি অদক্ষতা, সুবিধাবাদ আৰু দুৰ্নীতিৰ বাবে অসমৰ ৰাইজে পৰিত্যাগ কৰা ৰাজনৈতিক দলসমূহে গঠন কৰিছিল 'সন্মিলিত সংগ্ৰাম সমিতি' নামৰ এক নতুন মঞ্চৰ। এই ক্ষেত্ৰত সকলোতকৈ পুতৌ লগা অৱস্থা হৈছিল অসম শাখা জনতা দলৰ। যি দুলাল বৰুৱাই এদিন আল্‌ফাৰ নেতাসকলক 'লম্পট'ৰ লগত তুলনা কৰি বিবৃতি দিছিল, সেই দুলাল বৰুৱাই আল্‌ফাক শেহতীয়াকৈ সমৰ্থন দিয়াৰ কথা ঘোষণা কৰিছে। দলৰ এজন জ্যেষ্ঠ নেতাই এই সম্পৰ্কে মন্তব্য কৰি কৈছিল। "নাও উঠোতে বুৰে আৰু নামোতে বুৰে। কিন্তু, দুলাল বৰুৱাই দুইবাৰেই নাও বুৰালে। তেওঁ যিবোৰ কথা আগতে কৈছিল বা এতিয়া কৈ আছে, পাৰ্টিৰ লাইনৰ লগত তাৰ কোনো সম্পৰ্ক নাই। তেওঁ কোৱা কথাবোৰ পাৰ্টিৰ নীতি নহয়, মানে তেওঁৰ প্ৰলাপহে।"

শ্ৰীশইকীয়াৰ বাহিৰে, বোধহয় আন সকলোকে আচৰিত কৰি আল্‌ফাই এদিন বিনাচৰ্তে সকলো পণবন্দীকে মুক্তি দিলে। তাৰ পাছত আৰম্ভ হ'ল "ৰাজখোৱাৰ বিকৃতি নে শইকীয়াক স্বীকৃতি"ৰ আৰাও। অংক এটা যোগ-বিয়োগ কৰোতে প্ৰথমতে সামান্য ভুল হ'লেও তাৰ উত্তৰটো যিদৰে ভুল হবলৈ বাধ্য, ঠিক সেইদৰে শইকীয়াৰ প্ৰতিপক্ষৰ প্ৰথমৰ ভুলে শেষ উত্তৰো ভুল বুলি প্ৰমাণিত কৰিলে। এটা আঞ্চলিক ৰাজনৈতিক দলৰ সভাপতি তথা প্ৰাক্তন মন্ত্ৰী আৰু সন্মিলিত সংগ্ৰাম সমিতিৰ নেতা এজনৰ ঘৰত ৰাষ্ট্ৰ সন্ত্ৰাস আৰু এই সম্পৰ্কীয় আন্দোলনৰ কাৰ্যসূচী সম্পৰ্কে বাতৰি কাকতৰ বাবে প্ৰস্তুত কৰা বিবৃতি এটা টাইপ কৰি থাকোতেই হেনো দূৰদৰ্শনৰ অসমীয়া বাতৰিত কোৱা হ'ল– আল্‌ফাই চৰকাৰৰ সকলো চৰ্ত মানি লৈ চৰকাৰৰ লগত আলোচনাত বহিছে। সেই দিনাই কংগ্ৰেছ (এছ)-ৰ সহযোগী দলসমূহৰ এখন সভাত "ৰাষ্ট্ৰ সন্ত্ৰাস" সম্পৰ্কে কংগ্ৰেছ (এছ)-ৰ নেতা এগৰাকীয়ে অনা প্ৰস্তাৱটো C. P. M-এ গ্ৰহণ কৰা 'wait and see' নীতিৰ বাবে হেনো গ্ৰহণ নহ'ল।

কিন্তু এইবোৰ ঘটনাই কি সূচায়? এইবোৰ ঘটনাই ইয়াকেই সূচায় যে যোগ-বিয়োগ অংকৰ চিৰ স্বাশ্বত সত্যটোক যিদৰে নিজৰ সুবিধা অনুযায়ী পৰিবৰ্তন কৰিব নোৱাৰি ঠিক সেইদৰে সমাজ প্ৰগতিৰ স্বাভাৱিক প্ৰক্ৰিয়াটোক গাৰ বল প্ৰয়োগ কৰি পৰিবৰ্তন কৰিব নোৱাৰি। কিন্তু আমাৰ ৰাজনৈতিক দলবোৰে এই সাধাৰণ সত্যটোকে লুকুৱাই ৰাখি বাৰে বাৰে মানুহৰ জীৱনলৈ দুৰ্যোগ নমাই আনিছে। ৰাজনৈতিক দলবোৰে এনেবোৰ ঘটনাৰ পৰা শিক্ষা লবনে "?

–ছদ্মবেশী


## বহাগতে পাতি যাওঁ বিয়া

মাঘৰ ভোগালী বিহুটি পাৰহৈ যোৱাৰ লগে লগে বহাগৰ বিহুটিলৈ আমাৰ মনত পৰে। মাঘ, ফাগুন, চ'ত আৰু বহাগ এই চাৰি মাহেই অসম দেশত থকা আটাইকেইটা খিলঞ্জীয়া জনগোষ্ঠীৰ উৎসৱ, সবাহ, ঘূৰাফুৰা ভালকৈ খাৱন-পিন্ধন, প্ৰেম-প্ৰীতি আৰু বিয়া-বাৰুত সোমোৱা সময়। শীত আৰু বসন্তই অসমৰ আকাশ বতাহ আৰু সমাজত আনন্দ উলাহ আৰু প্ৰেম-মাদকতা তথা সুৱাসেৰে আমোল-মোলাই তোলে। যেতিয়া বহুতেই বিয়াৰ বাবে আনন্দত নাচি-বাগি ফুৰে তেতিয়াই আকৌ বহুতো ডেকা বা গাভৰুৱে কিহবা অজান ভয় আশংকাৰ আন্ধাৰত বাট বিচাৰি নেপাই খপজপাই ফুৰে আৰু বিয়াত সোনকালে সোমাবলৈ অমান্তি হয়। কিয় এনে হয় সেয়া বহুত কথা! মনত ৰাখিব এনে কোনো সমস্যা বা ৰোগ নাই যাৰ বাবে বিবাহৰ কোনোবা অযোগ্য হ'ব পাৰে! হেজাৰ হেজাৰ জনৰ যৌন সমস্যা আৰু ৰোগ সমূহ দূৰ কৰি আমি হেজাৰ জনলৈ আনি দিছো নৱ প্ৰেৰণা! আমি সকলো যৌন সমস্যা তথা ৰোগৰ ১00% স্থায়ী নিৰাময়ৰ গহীন অংগীকাৰ আগবঢ়াওঁ।

**ডাঃ এ, নেইছাৰ এম, ডি**
উত্তৰ ভাৰতৰ সৰ্বশ্ৰেষ্ঠ যৌন বিশেষজ্ঞ

**জেউতি ছেক্স ক্লিনিকছ**
কুমাৰপাৰা, গুৱাহাটী-৭৮১০০৯

# গান্ধীজী

As the architect of the most effective civil disobedience movement in history, Mahatma Gandhi could be called the forerunner of all our modern sit-down protests, whether by strikers or ban-the-bomb demonstrators.
-Andrew Ewart

যি সময়ত সমগ্ৰ সভ্য জগতত গান্ধীজীৰ প্ৰভাৱ ক্ৰমে ক্ৰমে বৃদ্ধি পাবলৈ ধৰিছে ঠিক সেই সময়তে গান্ধীজীৰ নিজৰ দেশৰ মানুহে তেওঁক সম্পূৰ্ণ ৰূপে পৰিত্যাগ কৰিছে। ভাৰতত গান্ধীজীৰ অহিংসাৰ বাণী আজি কেৱল বিদ্ৰূপৰ বিষয়। চৌদিশ মুখৰিত কৰি ৰাখিছে কেৱল সন্ত্ৰাসবাদীৰ পৈশাচিক উল্লাসে।

আনৰ কথা ক'ব নোৱাৰো, মই নিজে কিন্তু গান্ধীজীৰ একনিষ্ঠ ভক্ত। তেওঁৰ প্ৰতিটো কাম আৰু প্ৰতিটো কথাই সমালোচনাৰ উৰ্দ্ধত বুলি মই ক'ব নোখোজো। তেওঁৰ কিছুমান কথা শুনিতো খঙত মোৰ গা জ্বলি যায়। উদাহৰণ স্বৰূপে ১৯৩৫ চনৰ বিহাৰৰ ভূমিকম্প সম্পৰ্কে তেওঁ কৰা মন্তব্যৰ কথা উল্লেখ কৰিব পাৰি। কিন্তু গান্ধীজীৰ পৱিত্ৰ জীৱন আৰু আদৰ্শৰ যিখিনি নিৰ্য্যাস, সেইখিনিক মই মানুহৰ সভ্যতা আৰু সংস্কৃতিৰ সৰ্বোত্তম সম্পদ বুলি বিবেচনা কৰো। মই এই কথাও বিশ্বাস কৰো যে দিন যিমানেই যাব সিমানেই গান্ধীজীৰ প্ৰভাৱ আৰু প্ৰাসঙ্গিকতা বেছিকৈ অনুভূত হব।

গান্ধীজীৰ জীৱন আৰু আদৰ্শই কেনেকৈ মোক গোটেই জীৱন ধৰি প্ৰভাৱিত কৰি ৰাখিছে তাৰ প্ৰমাণ দিবৰ কাৰণে মই তেওঁৰ সম্পৰ্কে লেখা দুটা প্ৰবন্ধৰ কিয়দংশ তলত উদ্ধৃত কৰিব খোজো।

১৯৬৭ চনত প্ৰকাশিত এটা প্ৰবন্ধত (এখন গাঁৱৰ ছবি) মই লিখিছিলোঃ 'এই প্ৰবন্ধ আৰম্ভ কৰিছিলো এটা প্ৰশ্নেৰেঃ আমি ক'ৰবাত ভুল কৰিলো নেকি? যুগৰ সন্ধিক্ষণত পথৰ নিচান ভালকৈ লক্ষ্য নকৰি আমি ভুল বাটেৰে আহিলো নেকি? বৰ্তমানৰ অভিজ্ঞতাৰ পৰা ক'বলৈ মন যায় যে আমি বোধহয় ভুল কৰিলো। ভুল কৰিলো গান্ধীক সম্পূৰ্ণ পৰিত্যাগ কৰি, জৱাহৰলালক অন্ধভাবে অনুসৰণ কৰি। গান্ধীজীয়ে সম্পদতকৈ সুখক, যন্ত্ৰতকৈ মানুহক, উদৰতকৈ আত্মাক ওখ ঠাই দিছিল। তেওঁ বিচাৰিছিল কুটীৰ শিল্প, গ্ৰাম্য সমাজ ব্যৱস্থা আৰু কৃষি সভ্যতাৰ সংৰক্ষণ। কিন্তু জৱাহৰলাল অধৈৰ্য হৈ উঠিছিল ভাৰতৰ পাঁচ হাজাৰ বছৰীয়া সমাজ ব্যৱস্থাৰ আমূল পৰিবৰ্তন ঘটাই ইয়াৰ মাটিত উদ্যোগ, বিজ্ঞান আৰু যন্ত্ৰৰ যুগ প্ৰতিষ্ঠা কৰিবলৈ। জৱাহৰলালৰ উদ্দেশ্যৰ সাধুতা আৰু আন্তৰিকতাত কোনো সন্দেহ থাকিব নোৱাৰে। কিন্তু লগতে এই বিষয়েও কোনো সন্দেহ থাকিব নোৱাৰে যে গান্ধীজী আছিল সৰ্বকালৰ এজন মহত্তম জীৱন-শিল্পী– যিটো কথা জৱাহৰলালৰ বিষয়ে নিশ্চয় ক'ব নোৱাৰি। গান্ধীজীয়ে কেৱল ভাৰতৰ কাৰণে নহয়, সমগ্ৰ পৃথিৱীৰ কাৰণেও এক নতুন আৰু মহৎ জীৱনৰ সম্ভাৱনা উদঙাই দেখুৱাইছিল। …………… এই কথা ক'লে বোধহয় অকণো অত্যুক্তি কৰা নহব যে গান্ধীৰ প্ৰদৰ্শিত পথৰ পৰা ফালৰি কাটি অহাটোৱেই হ'ল ভৰতৰ বৰ্তমান বেছি ভাগ আধ্যাত্মিক আৰু বৈষয়িক দুখৰ মূল কাৰণ।'

এই প্ৰবন্ধ লেখাৰ দহ বছৰৰ পিছত ১৯৭৭ চনত মই আকৌ লিখিছিলো (মই গান্ধীজীক দেখিছিলো): '… … মোৰ বয়স তেতিয়া খুব বেছি হ'লে দহ বছৰমান হব। তুমি বোধহয় জানাই- মোৰ ঘাই ঘৰ এখন জকাইচুকীয়া গাঁৱত। এদিন আমাৰ ঘৰলৈ দুজন ভদ্ৰলোক আহিল। চাফ-চিকুণ সাজ-পোছাক দেখিয়েই বুজিলো যে তেওঁলোক চহৰৰ মানুহ। মূৰত গান্ধী টুপী দেখি বুজিলো যে তেওঁলোক কংগ্ৰেছী ভলণ্টিয়াৰ। দেউতাৰ লগত বহুত সময় কথা পাতি এসময়ত তেওঁলোক গ'লগৈ। তেওঁলোক যোৱাৰ পিছত মই দেউতাক সুধিলো- 'তেওঁলোক ক'ৰ মানুহ দেউতা? আমাৰ ঘৰলৈ কিয় আহিছিল?'

দেউতাই মোৰ সকলো প্ৰশ্নৰ উত্তৰ দিছিল, সকলো কৌতুহল নিবৃত্ত কৰিবলৈ চেষ্টা কৰিছিল। মোৰ প্ৰশ্নৰ উত্তৰত তেওঁ ক'লে– "তেওঁলোক যোৰহাটৰ পৰা আহিছে, কংগ্ৰেছৰ নেতা। আমাৰ ইয়াত তেওঁলোকে কংগ্ৰেছৰ সংগঠন কৰিব।" এই বুলি কৈ তেওঁ মোক কংগ্ৰেছৰ বিষয়ে নানা কথা বুজাবলৈ ধৰিলে।

পিছদিনাখনৰ কথা। ৰাতিপুৱাৰ পৰা বৰষুণ দিছিল। আবেলি পৰত বৰষুণ এৰাত দেউতাই কোৰ এখন লৈ পদূলিৰ ফালে ওলাই গ'ল। সুবিধা পালেই দেউতাৰ পিছে পিছে ঘূৰি ফুৰা মোৰ এটা অভ্যাস আছিল। অসময়ত কোৰ এখন লৈ পদূলিৰ ফালে ওলাই যোৱা দেখি দেউতাইনো কি কৰিব খুজিছে চাবলৈ বুলি মই দৌৰ মাৰি গৈ তেওঁৰ পিছ ল'লো। মই আচৰিত হৈ দেখিলো– দেউতাই আমাৰ পদূলি মূৰত নৰৈ আমাৰ ঘৰৰ কাষৰে মানুহ ঘৰৰ পদূলিৰ ফালে ফালে আগবাঢ়ি গ'ল আৰু খন্তেক পিছতে সিহঁতৰ পদূলিৰ সিপাৰৰ আলি খাৱৈৰ ময়লা চাফা কৰিবলৈ আৰম্ভ কৰিলে। দেউতা আজি পাগল হৈছে নেকি? মই মনে মনে ভাবিলো। তুমি বোধহয় জানাই- আমাৰ গাঁওভুঁইবোৰ ''ৰ লেতেৰা। গাঁৱৰ সৰু সৰু ল'ৰা-ছোৱালীবোৰে পদূলিটো প্ৰাৰ হৈয়েই আলিৰ কাষতে শৌচ কৰে, তিৰোতাবোৰে সকলো জাবৰ-জোঠৰ আলিৰ কাষতে দ'ম কৰে। খৰালি যহন-তহন, বাৰিষা সেইবোৰ পানীত গেলি-পচি নৰক-কুণ্ডৰ সৃষ্টি হয়। সি যি কি নহওক, দেউতাই কোৰখন লৈ কোনোবা ল'ৰাই অলপ আগতে আলিৰ কাষতে কৰি যোৱা শৌচখিনি চাফা কৰিবলৈ ধৰিছে, মই এই নাভূত-নাশ্ৰুত ঘটনা অবাক হৈ চাই আছো, এনেতে কোনোবাই খিলখিলকৈ হাঁহি মাৰি হঠাতে কৈ– "দেখিলো দেখিলো গোইহিদেউ, একেবাৰে হাতে হাতে ধৰা পৰিল। আমি দূৰৰ পৰাই লক্ষ্য কৰি আহিছো- আপুনি এইমাত্ৰ কাম আৰম্ভ কৰিছে– –।"

মাতটো অহাৰ ফালে চাই মই দেখিলো- কালি আমাৰ ঘৰলৈ অহা কংগ্ৰেছী ভদ্ৰলোক দুজন।

খন্তেক পাছতে এটা নাটকীয় কাণ্ড আৰম্ভ হ'ল। ভদ্ৰলোক দুজনেও কোৰ দুখন যোগাৰ কৰি লৈ আঁঠুৰ ওপৰলৈকে চুৰিয়া কোচাই দেউতাৰ লগত সমানে ময়লা চাফা কৰিবলৈ লাগি গ'ল। ময়লা মানে কি– বছৰৰ পিছত বছৰ ধৰি পুঞ্জীভূত হোৱা পুতিগন্ধ নৰক কুণ্ড। অলপ পাছতে গাঁওখনৰ প্ৰায় প্ৰত্যেকটো ঘৰৰ পৰা পিল্‌পিল্‌কৈ মানুহবোৰ ওলাই আহিল, হাতে হাতে একোখন কোৰ বা দা– সকলোৱেই নীৰৱে ময়লা চাফা কৰিবলৈ লাগি গ'ল।

"গোটেই দিনটো বৰষুণ দিয়াৰ পিছত আবেলি ৰ'দ ওলাইছিল। সোণালী ৰ'দত পৃথিৱীখন জ্বল-মল কৰিছিল। কল্পনা কৰিবলৈ চেষ্টা কৰকচোন– স্বৰ্গৰ আশীৰ্বাদৰ দৰে সেই পুণ্য প্ৰভাতত স্নান কৰি মানুহবোৰে দা-বোৰ লৈ ময়লাৰ পাহাৰ চাফা কৰিছে আৰু তেওঁলোকৰ মুখবোৰত কি এটা আনন্দৰ উজ্জ্বলতা, কি এটা পৱিত্ৰতাৰ দীপ্তি ফুটি উঠিছে! সেই দৃশ্যটো চিৰকালৰ কাৰণে মোৰ মনত খোদিত হৈ গ'ল, জীয়াই থকালৈকে তাক পাহৰিব নোৱাৰো।

গধূলি দেউতাৰ পৰা গোটেই কথাবোৰ বুজি পালো। যোৰহাটৰ পৰা যি দুজন কংগ্ৰেছ নেতা আমাৰ গাঁৱলৈ কংগ্ৰেছৰ সংগঠন কৰিবলৈ আহিছে, তেওঁলোকৰ সৰ্বপ্ৰথম কামেই হ'ল চাফাই কাম। কংগ্ৰেছৰ সংগঠন মানে এখন শাখা সভা গঠন কৰি সভাপতি-সম্পাদক নিৰ্বাচন কৰা আৰু বাতৰি কাকতত খবৰটো প্ৰকাশ কৰা নহয়, কংগ্ৰেছৰ সংগঠন মানে হ'ল পায়খানা চাফা কৰা।

মই গান্ধীজীক সোঁশৰীৰেৰে কেতিয়াও দেখা নাই; কিন্তু সেইদিনা মোৰ জীৱনৰ দহ বছৰ বয়সতে মই গান্ধীজীক নিচেই ওচৰৰ পৰা চকুৰ আগতে জীৱন্ত ৰূপত দেখা পালো। তেওঁক দেখা পালো মোৰ জকাইচুকীয়া গাঁৱৰ আলি-খাৱৈৰ পুতিগন্ধ নৰক চাফা কৰি থকা সেই অতি সৰু অতি নগণ্য মানুহবোৰৰ পূণ্য প্ৰভাদীপ্ত মুখবোৰত।

তেওঁতকৈ আৰু মানুহৰ ডাঙৰ নায়ক, ডাঙৰ শিক্ষক, ডাঙৰ পথ-প্ৰদৰ্শক কোন আছে– যিজনে কেৱল নিজৰ জীৱনৰ আদৰ্শেৰে নিজৰ অনুগামীসকলক আনৰ ঘৰৰ পায়খানা চাফা কৰিবলৈ অনুপ্ৰাণিত কৰিব পাৰে? এই কথা মনত পৰিলে মই শিহৰিত হৈ উঠো যে গান্ধীজীৰ ৰাজনীতি মানে আছিল কেৱল দেশ স্বাধীন কৰা বা চৰকাৰ চলোৱাৰ ৰাজনীতি নহয়- সি আছিল মানুহক স্বাধীন কৰাৰ ৰাজনীতি। দেশ মুক্ত হোৱাৰ আগতে মানুহ প্ৰথমতে মুক্ত হব লাগিব ভয়ৰ পৰা, লোভৰ পৰা, অসত্যৰ পৰা; মানুহ মুক্ত হব লাগিব অজ্ঞতাৰ পৰা, অপৰিচ্ছন্নতাৰ পৰা, ৰোগ-ব্যাধিৰ পৰা, কু-সংস্কাৰৰ পৰা, মুক্ত হব লাগিব তিৰোতা, মুক্ত হব লাগিব অস্পৃশ্য। গান্ধীজীৰ ৰাজনীতি আছিল জীৱনক সুন্দৰতৰ আৰু পৱিত্ৰতৰ কৰাৰ ৰাজনীতি। আৰু সেই সমস্ত সৌন্দৰ্য আৰু পৱিত্ৰতাৰ উৎস আছিল গান্ধীজী নিজে- যাৰ ফলত তেওঁক কোনো দিনে চকুৰে নেদেখা কাণেৰে নুশুনা মানুহেও বতাহতেই তেওঁৰ নিৰ্দ্দেশ শুনা পাই এই বিশাল দেশৰ প্ৰতিখন গাঁৱতে সূতা কাটিবলৈ লাগি গৈছিল, পায়খানা চাফা কৰিবলৈ লাগি গৈছিল, কানিয়াক কানি আৰু মদাহীক মদ এৰোৱাবলৈ লাগি গৈছিল, এক পৱিত্ৰ অদৰ্শৰ বেদীত নিজৰ নিজৰ জীৱন উছৰ্গা কৰিবলৈ উদ্‌বাউল হৈ উঠিছিল! …………গান্ধীজীক মই দেখা নাই, কিন্তু দেখিছিলো; তেওঁৰ পুত চৰিত্ৰৰ পৱিত্ৰ পোহৰ মই প্ৰতিফলিত হোৱা দেখিছিলো মোৰ গাঁৱৰ গু-মূতৰ দম চাফা কৰা কেইজনমান সাধাৰণ মানুহৰ মুখত। সেই পোহৰ চিৰকাললৈ অন্তৰ্হিত হৈছে। ৰোমা ৰোঁলাই ১৯৩০ চনত গান্ধীজীৰ জন্মদিন উপলক্ষেও লিখিছিলঃ

"মোৰ চকুত গান্ধী কেৱলমাত্ৰ তেওঁৰ বিশাল জাতিৰ সেই বীৰ নায়ক নহয়- যিজনে নিজৰ দেশৰ স্বাধীনতাৰ দাবী জনাইছে আৰু সেই স্বাধীনতা তেওঁ অৰ্জন কৰিবই। তেওঁ হ'ল আমাৰ যুগৰ অন্ধকাৰ আকাশত তিৰবিৰ কৰি থকা নিশ্চিততম আৰু পৱিত্ৰতম আলোক। ধুমুহাৰ মাজত যেতিয়া আমাৰ সভ্যতাৰ তৰণীখন তাৰ যথাসৰ্বস্ব লৈ ডুবিবলৈ উপক্ৰম কৰিছে সেই সময়ত তেওঁ আকাশৰ তৰাৰ দৰে আমাক পথ দেখুৱাইছে, দেখুৱাইছে সেই একমাত্ৰ পথ যি পথ পৰিত্ৰাণৰ অভিমুখে প্ৰসাৰিত। এই পথ আছে আমাৰ নিজৰ মাজতেই। এই পথেই হৈছে চৰমতম শক্তি। ই হৈছে বীৰোচিত অপৰিগ্ৰহৰ পথ। ই হৈছে অবিচাৰ আৰু হিংসাৰ বিৰুদ্ধে মূৰ তুলি থিয় হোৱা স্পৰ্দ্ধিত আত্মাৰ অস্বীকৃতি। ই হৈছে মনৰ বিপ্লৱ। এই বিপ্লৱে সম্প্ৰদায়, শ্ৰেণী, জাতি আৰু ধৰ্মৰ মাজত বিৰোধৰ সৃষ্টি নকৰে। ই সকলোকে এক কৰে। প্ৰতিটো মানুহৰ মাজত ই জগাই তোলে অনন্য- আত্মাৰ অন্তৰশায়ী অগ্নি। গান্ধীয়ে খৃষ্টানসকলক নতুনকৈ খৃষ্টান হবলৈ শিক্ষা দিছে, তেওঁ মুক্ত মনক মুক্ত হবলৈ নতুনকৈ শিক্ষা দিছে, তেওঁ প্ৰতিটি মানুহকে নতুনকৈ শিক্ষা দিছে সকলোৰে মাজত থকা সেই একে পিতাৰ সমতুল্য সন্তানক সন্মান কৰিবলৈ; সেই একে পিতা- সেই একে 'মহত্তম শ্ৰেষ্ঠতম ঈশ্বৰ' 'Dei Optimi Maximi,' আলোক আৰু প্ৰেমৰ আত্মা, যি সেই আদিম যুগত, 'গভীৰ গহ্বৰৰ অন্ধকাৰত আবৃত' থকাৰ সময়ত (আজিও যি অন্ধকাৰতে আবৃত আছে) জলৰাশিৰ উৰ্ধ্বত সঞ্চৰণ কৰিছিল'।

# কমিউনিজমৰ বিপৰ্যয়ৰ প্ৰেক্ষাপটত ভাৰতৰ কমিউনিষ্ট দল

সবিতা লহকৰ

পূব-ইউৰোপ আৰু ৰাছিয়াত কমিউনিজমৰ বিপৰ্যয়ৰ পিছত কমিউনিষ্ট আন্দোলনৰ ভৱিষ্যৎ বা প্ৰাসঙ্গিকতা আদি সম্পৰ্কে ভাৰতৰ কমিউনিষ্ট দলসমূহৰনো বক্তব্য কি বা তেওঁলোকে নিজস্ব পাৰ্টি প্ৰোগ্ৰাম আদি সলনি কৰা সম্পৰ্কত কিবা গুণাগঁথা কৰিছে নেকি আদি সম্পৰ্কত স্বাভাৱিকতে প্ৰশ্ন উঠিছে। ভাৰতৰ দুই বৃহৎ কমিউনিষ্ট দলৰ এই সম্পৰ্কীয় মতামত জানিবলৈ সচেতন ব্যক্তি মাত্ৰেই ইচ্ছা কৰিছে। আমিও এই ইচ্ছাকে লৈ অসমৰ কমিউনিষ্ট আন্দোলনৰ দুই অগ্ৰগণ্য ব্যক্তি শ্ৰীপ্ৰমোদ গগৈ আৰু শ্ৰীঅচিন্ত্য ভট্টাচাৰ্যৰ ওচৰ চাপিছিলো। চি পি আই-ৰ পক্ষৰ পৰা শ্ৰীপ্ৰমোদ গগৈদেৱৰ উত্তৰসমূহ যোৱা সংখ্যা (১৬-৩১ জানুৱাৰী '৯২) সূত্ৰধাৰত প্ৰকাশ হৈছিল। এইবাৰৰ সংখ্যাত চি পি আই (এম)ৰ তাত্ত্বিক আৰু সংগঠক শ্ৰীঅচিন্ত্য ভট্টাচাৰ্যৰ উত্তৰসমূহ প্ৰকাশ কৰা হ'ল।

শ্ৰীভট্টাচাৰ্যই কমিউনিজমৰ বিপৰ্যয় সম্পৰ্কত বহল ব্যাখ্যা দাঙি ধৰিছে। চি পি আই (এম)ৰ সদ্যসমাপ্ত চতুৰ্দশ কংগ্ৰেছত এক বিশেষ প্ৰশ্নত দলে নতুনকৈ চিন্তা-চৰ্চা আৰম্ভ কৰিছে। ১৯৫৭ আৰু ১৯৬০ চনত বিশ্বৰ কমিউনিষ্ট পাৰ্টি সমূহৰ দুই আন্তৰ্জাতিক সন্মিলনৰ ঐক্যবদ্ধ সিদ্ধান্তত যুদ্ধ পৰৱৰ্তী অৱস্থাত পুঁজিবাদৰ নিজ সংকট অতিক্ৰম কৰি পুনৰ সঞ্জীৱিত হোৱাৰ সম্ভাৱনা নাই – পুঁজিবাদ মৰণোন্মুখ এক শক্তি বুলি কোৱা হৈছিল। আনহাতে সমাজবাদক বৰ্ণনা কৰা হৈছিল নৱ-উত্থিত এক প্ৰধান শক্তি হিচাপে। জোছেফ ষ্টেলিনে এই ক্ষেত্ৰত ভিন্ন মত পোষণ কৰাৰ বাবে তেওঁক গোড়াপন্থী বুলি আখ্যা দিয়া হৈছিল আৰু ক্ৰুশ্চেভৰ নেতৃত্বত ষ্টেলিনৰ অবদানকে লঘু কৰাৰ চেষ্টা চলিছিল। কিন্তু সময়ে প্ৰমাণ কৰিছে যে এই ক্ষেত্ৰত ষ্টেলিনৰ সিদ্ধান্ত আছিল নিৰ্ভুল। ষ্টেলিনে কৈছিল যে হৃত শক্তি পুনৰুদ্ধাৰৰ বাবে সাম্ৰাজ্যবাদে তাৰ শেষ চেষ্টা চলাবই –সেয়ে শ্ৰেণী সংগ্ৰামৰ গতি লেহেম নকৰি তীব্ৰ কৰি তোলাহে প্ৰয়োজন। সঠিক সময়ত ষ্টেলিনৰ এই সাৱধান বাণী অনুধাৱন কৰা হলে আজিৰ এই বিপৰ্যয় হয়তো অনেকাংশে ৰোধ কৰিব পৰা গ'লহেঁতেন। সেয়ে এই বিশেষ প্ৰশ্নত চি পি আই (এম)য়ে ভৱিষ্যতে কি নতুন পন্থা গ্ৰহণ কৰে সি নিশ্চয় উৎসাহী আৰু সচেতন সকলৰ বাবে লক্ষ্যনীয় হ'ব।

**প্ৰশ্নসমূহ:**

*১। পূব-ইউৰোপ আৰু ৰাছিয়াত কমিউনিজমৰ বিপৰ্যয়ৰ পিছত ভাৰতত কমিউনিষ্ট আন্দোলনৰ ভৱিষ্যত কি হ'ব বুলি আপুনি ভাবে? অৰ্থাৎ আন কথাত কবলৈ গলে ভাৰতৰ কমিউনিষ্ট আন্দোলনৰ ওপৰত পূব-ইউৰোপ আৰু ৰাছিয়াৰ ঘটনাৱলীয়ে কেনে ধৰণৰ প্ৰভাব পেলাব বুলি আপুনি ভাবে?*

*২। সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আপোনাৰ দলে নিজৰ ৰাজনৈতিক দৰ্শন আৰু কৰ্মপন্থাৰ কিছু সালসলনি কৰাৰ কথা ভাবিছে নেকি?*

*৩। এতিয়ালৈকে দুয়োটা কমিউনিষ্ট দল ঐক্যবদ্ধ নোহোৱালৈ চাই দুয়োটা দলৰ মাজত বিশেষ মত-পাৰ্থক্য থকা যেন অনুভৱ হয়। পৰস্পৰৰ প্ৰতি আপোনালোকৰ প্ৰধান অভিযোগবোৰ কি কি?*

১। পূব-ইউৰোপ আৰু ৰাছিয়াত হোৱা কমিউনিজমৰ বিপৰ্যয়ে ভাৰত তথা সমগ্ৰ বিশ্বৰে কমিউনিষ্ট তথা জাতীয় মুক্তিৰ আন্দোলনক সাময়িকভাৱে হলেও গুৰুতৰ ক্ষতিগ্ৰস্ত কৰিছে; কিন্তু তাৰ দ্বাৰা ভাৰত নাইবা সমগ্ৰ বিশ্বত কমিউনিজমৰ ভৱিষ্যৎ অৰ্থাৎ শ্ৰমিক শ্ৰেণীৰ মতাদৰ্শ আৰু কমিউনিষ্ট আৰু সমাজতন্ত্ৰৰ আন্দোলন শেষ হৈ যোৱা নাই আৰু পুঁজিবাদ অজৰ-অমৰ হৈ প্ৰলয়কাললৈকে একমাত্ৰ সমাজ ব্যৱস্থা স্বৰূপে বৰ্তি থাকিব এই যুক্তিও প্ৰমাণিত হোৱা নাই; বৰ্তমান যুগ পুঁজিবাদৰ পৰা সমাজবাদলৈ উত্তৰণৰ যুগ এই তত্ত্বও অপ্ৰমাণিত হোৱা নাই। পুঁজিবাদৰ লগত সমাজবাদৰ দীৰ্ঘস্থায়ী মতাদৰ্শগত' আৰু ৰাজনৈতিক সংগ্ৰামৰ শেষফল অ'ত ত'ত এটা দুটা খণ্ড যুদ্ধৰ জয়-পৰাজয়ৰ দ্বাৰা নিৰ্ধাৰিত নহ'ব। যুগান্তকালৰ ঐতিহাসিক শ্ৰেণীসংগ্ৰাম এটি যুগৰ কথা।

কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী)ৰ চতুৰ্দশ কংগ্ৰেছত মাৰ্ক্সবাদ-লেনিনবাদৰ ভিত্তিত ভাৰতত জনগণতন্ত্ৰ আৰু সমাজতন্ত্ৰ গঠনৰ আন্দোলনক আগুৱাই লৈ যোৱাৰ যি সৰ্বসন্মত সিদ্ধান্ত গৃহীত হৈছে, সিয়ে আমাৰ ভৱিষ্যৎ।

ৰাছিয়াত ১৯১৭ চনত সমাজতান্ত্ৰিক বিপ্লৱ আৰু ১৯৪৯ চনত ভাৰতৰ ওচৰচুবুৰীয়া চীনত সমাধা হোৱা নয়া গণতান্ত্ৰিক বিপ্লৱৰ ফলস্বৰূপে এই বিশাল দেশ দুখনত সমাজতন্ত্ৰ প্ৰতিষ্ঠিত হোৱা সত্ত্বেও ১৯২০ চনত ভাৰতত প্ৰতিষ্ঠিত হোৱা কমিউনিষ্ট আন্দোলনে আজিলৈকে সমাজবাদ প্ৰতিষ্ঠাক ভাৰতৰ যুগমীয়া বিপ্লৱৰ আশু লক্ষ্য বুলি ঘোষণা কৰা নাই। ভাৰতৰ উৎপাদন ব্যৱস্থাৰ পৰা আজিলৈকে আধা সামন্তবাদী ব্যৱস্থা আৰু সাম্ৰাজ্যবাদী অৰ্থনৈতিক শোষণৰ অবসান হোৱা নাই! এই উভয়েই গণতন্ত্ৰবিৰোধী শক্তি। এই শক্তিবোৰক আজিৰ ভাৰতত পোহপাল দি জীয়াই ৰাখিছে ভাৰতৰ পুঁজিপতি শ্ৰেণীৰ নেতৃএকচেটিয়া পুঁজিপতি শ্ৰেণীয়ে। গতিকে এই শক্তিসমূহক বিলোপ নকৰি ভাৰতত গণতন্ত্ৰৰ পথ অবাৰিত কৰাৰ কৰ্তব্য আজিও সাধিত হোৱা নাই! সমাজ পৰিবৰ্তনৰ প্ৰয়াস আৰু সংগ্ৰামৰ বাটৰ এই হেঙাৰটোক আঁতৰ নকৰি, অৰ্থাৎ গণতান্ত্ৰিক বিপ্লৱৰ কৰ্তব্য সাধন নকৰি, ভাৰতৰ বিপ্লৱী শক্তিৰ পক্ষে পোনপটীয়াকৈ পৰৱৰ্তী সমাজতান্ত্ৰিক স্তৰলৈ যোৱা সম্ভৱ নহয়। সেয়ে আমি ওপৰোক্ত প্ৰতিক্ৰিয়াবাদী শক্তিবোৰক বিলোপ কৰি ভাৰতত জনগণতন্ত্ৰ প্ৰতিষ্ঠাৰ লক্ষ্যলৈ আগবাঢ়ি আছো আৰু এই বিপ্লৱৰ মাজেদি আমি যুগমীয়া বিপ্লৱেৰে সমাজতন্ত্ৰলৈ আগুৱাই যোৱাৰ দৃঢ়সংকল্পলৈ যুঁজি আছো।

যি বিপ্লৱৰ স্তৰ ভাৰতত বৰ্তমানেও উপস্থিত হোৱাই নাই, যাৰ জন্মই হোৱা নাই, সেই সমাজতান্ত্ৰিক বিপ্লৱ, ৰাছিয়াৰ সমাজতান্ত্ৰিক ব্যৱস্থাৰ সাময়িক পৰাজয়ৰ ফলত আগতীয়াকৈ পৰাজিত হোৱাৰ প্ৰশ্নই নুঠে।

দৰাচলতে, এখন দেশত সমাজতন্ত্ৰৰ প্ৰতিষ্ঠা হ'ল বুলি, অইন যিকোনো দেশে নিজৰ বাস্তৱ অৱস্থা আৰু ঐতিহাসিক পৰিস্থিতিলৈ লক্ষ্য নকৰি, সমাজতান্ত্ৰিক দেশৰ অন্ধ অনুকৰণেৰে নিজ দেশতো সমাজতান্ত্ৰিক বিপ্লৱৰ আহ্বান জনোৱাটো নিষ্ফল চিন্তাৰ বিলাসিতা মাথোন। প্ৰত্যেকখন দেশেই নিজ দেশৰ বাস্তৱ অৱস্থা, সামাজিক-অৰ্থনৈতিক পৰিস্থিতিত মাৰ্ক্সবাদ-লেনিনবাদৰ বৈজ্ঞানিক সূত্ৰবোৰ প্ৰয়োগ কৰাৰ দক্ষতা অৰ্জন কৰি আৰু নিজ দেশৰ ইতিহাস ঐতিহ্য আদিৰ লগত সামঞ্জস্য ৰাখিহে সমাজতন্ত্ৰ প্ৰতিষ্ঠাৰ নিজা পথ উলিয়াই লব লাগিব।

অৱশ্যে ৰাছিয়া আৰু পূব-ইউৰোপত সমাজবাদৰ বিপৰ্যয় ঘটাৰ ফলত অন্যান্য দেশৰ পক্ষে এই পথ উলিয়াই লোৱাৰ কামটো সাময়িকভাৱে যথেষ্ট জটিল যে হৈছে সি সঁচা। বুৰ্জোৱা শ্ৰেণী আৰু সিহঁতৰ বাতৰি কাকত আৰু বাতৰি দিওঁতা প্ৰতিষ্ঠান সমূহ, ৰেডিও, টিভি আদি অতি শক্তিশালী বৈদ্যুতিক মাধ্যম আদিয়ে জনসাধাৰণক, বিশেষকৈ শোষিত নিৰ্যাতিত শ্ৰমজীৱী মানুহক বিভ্ৰান্ত আৰু নিৰাশ কৰাৰ বাবে এটা অভাৱনীয় সুযোগ পাইছে। কিন্তু ইতিহাসৰ গতিপথ নিৰ্ধাৰিত হয় কোটি কোটি কৰ্মৰত মানুহৰ জীৱন সংগ্ৰামৰ দ্বাৰা; সম্ৰাট শ্বাহেনশ্বাহৰ দলে ফিউদেল বা সামন্তবাদকে টিকাই ৰাখিব পৰা নাই; এই যুগত বহুজাতিক কুবেৰসকলে অতি শক্তিশালী প্ৰচাৰ যন্ত্ৰ আদি হাতত থকা সত্ত্বেও ইতিহাসৰ স্ৰোতক বৈ যোৱাৰ পৰা বিৰত কৰিব নোৱাৰিব।


পূব ইউৰোপত সমাজতন্ত্ৰৰ পতনৰ বাবে মাৰ্ক্সবাদ-লেনিনবাদৰ মতাদৰ্শ দায়ী নহয়, দায়ী হ'ল নিজ দেশৰ বাস্তৱ পৰিস্থিতিত সমাজতন্ত্ৰৰ বৈজ্ঞানিক সূত্ৰবোৰ প্ৰয়োগ কৰাৰ অক্ষমতা নাইবা ব্যৰ্থতা। ৰাছিয়াৰ ক্ষেত্ৰত প্ৰয়োগৰ ক্ষেত্ৰত বিচ্যুতিয়েই দায়ী। এইবোৰ বিচ্যুতি আৰু ব্যৰ্থতাৰ কাৰণে সমাজতন্ত্ৰৰ তত্ত্বক দায়ী কৰা অযৌক্তিক।

লক্ষ্যনীয় যে ছোভিয়েত ইউনিয়নৰ পতনৰ পিছতো বুৰ্জোৱা শ্ৰেণীৰ প্ৰচাৰক, তাত্ত্বিক আৰু নেতৃবৰ্গই আশা কৰা মতে বিশ্বৰ কমিউনিষ্ট আন্দোলন মৰহি যোৱা নাই। বিশ্বৰ জনসংখ্যাৰ এক-চতুৰ্থাংশ, চীন, ভিয়েতনাম, উত্তৰ কোৰিয়া আৰু কিউবাই সমাজতান্ত্ৰিক ব্যৱস্থাক দৃঢ় হাতেৰে ধৰি ৰাখিছে। পূব-ইউৰোপৰ বাহিৰে বিশ্বৰ শতাধিক কমিউনিষ্ট পাৰ্টিয়ে, বিশেষকৈ তৃতীয় বিশ্বত মাৰ্ক্সবাদী সকলে ৰাছিয়াৰ অনুকৰণত পাৰ্টিৰ নাম পৰিবৰ্তন কৰা নাই, নীতিও এৰা নাই।

পুঁজিবাদ সমাজ বিকাশৰ শেষ কথা, তাৰ আৰু বিকল্প নাই, এই দাবী ইতিহাস বিৰুদ্ধ। পূব-ইউৰোপ আৰু প্ৰাক্তন ছোভিয়েত ইউনিয়নত সমাজতন্ত্ৰৰ পতনৰ দুটা বছৰ পাৰ নৌহওঁতে 'বিশ্বপুঁজিবাদী ব্যৱস্থা আকৌ গভীৰ অৰ্থনৈতিক সংকটত নিমজ্জিত হৈ পৰিছে। পুঁজিবাদৰ কেন্দ্ৰ সমূহত পুঁজিবাদী-সাম্ৰাজ্যবাদী ব্যৱস্থাৰ অন্তৰ্দ্বন্দ্ব আকৌ তীব্ৰ হৈ ওলাই আহিছে। পুঁজিবাদী বিশ্বত মূল্যবৃদ্ধি, মুদ্ৰাস্ফীতি বেকাৰী আৰু শিল্প সংকটৰ হেঁচাত অতিষ্ঠ শ্ৰমিক শ্ৰেণীৰ লগত পুঁজিবাদী সকলৰ সংঘাত অনিবাৰ্য হৈ পৰিছে। পুঁজিবাদী ভাৰতত ২৯ নৱেম্বৰৰ শিল্প ধৰ্মঘটত সমস্ত শ্ৰমিকৰ ঐক্য এই দ্বন্দ্বৰ লক্ষ্যনীয় দৃষ্টান্ত। লগতে, সংকটৰ বোজা বিশ্বৰ পশ্চাদপদ জাতি আৰু দেশৰ ওপৰত জাপিবলৈ ডাঙৰ পুঁজিবাদী দেশসমূহে বজাৰ আৰু বিনিয়োগৰ সুযোগ বিচাৰি নিজৰ মাজত প্ৰবল প্ৰতিদ্বন্দ্বিতাত বুৰখাই পৰিছে। জাপান, আমেৰিকা আৰু ঐক্যবদ্ধ পশ্চিম ইউৰোপৰ জোঁট, পুঁজিপতি বৰমূৰীয়া সকল এই তিনিটা শ্লকত আকৌ বিভক্ত হৈ লুন্ঠনৰ অধিকাৰৰ বাবে তীব্ৰ অৰিয়াঅৰিত লিপ্ত হৈ পৰিছে। এনে ধৰণৰ অৰিয়াঅৰিয়েই কুৰি শতিকাত দুখন বিশ্বযুদ্ধ মাতি আনিছিল। শতিকাৰ শেষ দশকত বিশ্ব পুঁজিবাদীয়ে আকৌ এবাৰ যুদ্ধ ঘটাব নেকি? জাপানৰ বিৰুদ্ধে চিংগাপুৰত বিশাল সামৰিক ঘাটি আমেৰিকাই এনেই পাতিছে বুলি ধাৰণা নহয়। আনফালে তৃতীয় বিশ্বৰ পিছপৰা দেশসমূহক নৱ-উপনিবেশীয় শোষণৰ তলত চিৰস্থায়ীভাৱে বান্ধি ৰখাৰ বাবে বিশ্ব বেংক, আই এম এফ, গ্যাট্ আদিৰ যোগেদি ধাৰ দি, অসম বাণিজ্য আদিৰ সংকটৰ বোজা জাপি দি তৃতীয় বিশ্বক পংগু কৰি পেলাব ধৰিছে। বিশ্বপুঁজিবাদে সমগ্ৰ মানৱ জাতিৰ কাৰণে এই দৰে সংঘাতৰ পিছত সংঘাতৰ ক্ষেত্ৰ সৃষ্টি কৰিব ধৰিছে।

ছোভিয়েতৰ জনগণে পুঁজিবাদ কি বস্তু জনা নাছিল, এইবেলি জানিব ধৰিছে। তাত পুঁজিবাদৰ 'জয়লাভ'ৰ পিছত, মাত্ৰ দুটা মাহ সময় পাৰ নৌহওঁতে তাৰ জনগণে মূল্যবৃদ্ধি বেকাৰী, চোৰাং বেপাৰ আদিৰ জাঁতকলৰ হেঁচনিত পৰি লেনিন-ষ্টেলিনৰ ছবি লৈ ৰাজ-আলিৰ বিক্ষোভত ওলাই আহিব ধৰিছে।

প'লেণ্ডত মাৰ্ক্সবাদী সকলে শেহতীয়া নিৰ্বাচনত মাৰ্কিনৰ নয়নৰ মণি ৱালেছাৰ দলক পৰাস্ত কৰিছে। সমাজতান্ত্ৰিক



*ৰাছিয়াৰ জনসাধাৰণে মাৰ্ক্সবাদৰ প্ৰতি আজিও আস্থা হেৰুওৱা নাই। মস্কোৰ ৰেড স্কোৱাৰত পৰম্পৰাগত সামৰিক কুচকাৱাজ বন্ধ কৰাৰ প্ৰতিবাদত আৰু সমাজতন্ত্ৰলৈ প্ৰত্যাবৰ্তনৰ দাবীত সংগঠিত হোৱা এক বিক্ষোভৰ দৃশ্য।*

দেশসমূহত জীৱিকা, শিক্ষা, স্বাস্থ্য আৰু বাসস্থানৰ সাংবিধানিক নিশ্চয়তা, ৩০ বছৰ ধৰি খাদ্য-বস্ত্ৰ আদিৰ মূল্যমানৰ স্থিৰতা আদিৰ লগত আজিৰ পুঁজিবাদী 'স্বৰ্গ'ৰ বাস্তৱ অৱস্থাৰ তুলনা কৰি তাৰ শ্ৰমিক আৰু সমগ্ৰ শ্ৰমজীৱী শ্ৰেণীয়ে অৱশ্যেই সঠিক সিদ্ধান্ত ল'ব। ইতিমধ্যে পুঁজিবাদী ব্যৱস্থালৈ প্ৰত্যাবৰ্তনৰ নায়ক আৰু তাত্ত্বিক গৰ্বাচিভ ইতিহাসৰ জঞ্জালস্তূপত নিক্ষিপ্ত হৈছে। ইয়েলিংশ্চিনৰ অৱস্থাও বেলেগ নহ'ব বুলি অনুমান কৰা অসংগত নহ'ব।

ছোভিয়েতৰ বাগৰ সলোৱাৰ ঘটনাৰ প্ৰভাৱে ভাৰতৰ কমিউনিষ্ট আন্দোলনক সমাজ পৰিবৰ্তনৰ মাৰ্ক্সবাদী পথৰ পৰা বিচ্যুত আৰু বিক্ষিপ্ত কৰিব নোৱাৰিব। কিন্তু এই অতি শোচনীয় বিপৰ্যয়ৰ পৰা আমি অৱশ্যেই শিক্ষা গ্ৰহণ কৰি, এইবোৰ ঘটনাৰ পোহৰত কমিউনিষ্ট আন্দোলনৰ ভুলভ্ৰান্তিবোৰ শুধৰাই লোৱাৰ বাবে অকপট প্ৰয়াস কৰিব লাগিব।

২। আমাৰ পাৰ্টিয়ে পূব-ইউৰোপ আৰু ৰাছিয়াৰ বিপৰ্যয়ৰ পটভূমিত ৰাজনৈতিক ভাবাদৰ্শ সাল-সলনি কৰাৰ কথা ভবা নাই। এই ধৰণৰ প্ৰশ্ন উঠা নাই। কিন্তু আমাৰ পাৰ্টিৰ কৰ্মসূচী (প্ৰোগ্ৰাম)ত বিশ্ব পৰিস্থিতি সম্পৰ্কত থকা বিশ্লেষণৰ কিছুমান কথা পাৰ্টিয়ে পৰিবৰ্তনৰ কথালৈ লক্ষ্য কৰি আলোচনা কৰি আছে। পাৰ্টিৰ কৰ্মসূচীত বৰ্তমান যুগৰ যি সংজ্ঞা নিৰ্ধাৰিত কৰা হৈছে, তাৰ ভিত্তি হ'ল ১৯৫৭ আৰু ১৯৬০ৰ কমিউনিষ্ট পাৰ্টি সমূহৰ দুটা আন্তৰ্জাতিক সন্মিলনৰ ঐক্যবদ্ধ সিদ্ধান্ত। এই সংজ্ঞাত, যুদ্ধপৰৱৰ্তী পুঁজিবাদৰ দুৰ্বলতা আৰু সমাজতন্ত্ৰৰ বিপুল অগ্ৰগতিৰ কালছোৱাত সংকটৰ হেঁচা সহ্য কৰি পুঁজিবাদে আকৌ নিজৰ শক্তিক সঞ্জীৱিত কৰি উৎপাদনৰ ক্ষেত্ৰত অগ্ৰগণ্য হোৱাৰ সম্ভাৱনাক লঘু কৰি চোৱা হৈছিল। ১৯৫৭-৬০ৰ সন্মিলনৰ সময়লৈকে সমাজতন্ত্ৰৰ উৎপাদন শক্তিৰ যি বিকাশ ঘটিছিল, তাৰ ফলত কমিউনিষ্ট শিবিৰত এই ধাৰণা জন্মিছিল যে অচিৰে সমাজতান্ত্ৰিক ব্যৱস্থাই উৎপাদনৰ মৌলিক ক্ষেত্ৰত পুঁজিবাদক চেৰাই যাব। পৰৱৰ্তী দুই দশকৰ ঘটনাই দেখুৱাই দিলে যে এই সিদ্ধান্ত সঠিক হোৱা নাছিল। পুঁজিবাদে বিপুল সংকটৰ মাজতো তৃতীয় বিশ্বক শোষণ কৰাৰ অবাধ সুযোগত আৰু অতি আধুনিক প্ৰযুক্তিৰ ক্ষেত্ৰত বিস্ময়কৰ আৱিস্কাৰ সমূহৰ প্ৰয়োগৰ দ্বাৰা উৎপাদনৰ ক্ষেত্ৰত আকৌ প্ৰাধান্য প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয়। এই সাফল্যই পুঁজিবাদক আকৌ সামাজিক ভাবাদৰ্শ আৰু ৰাজনৈতিক মতবাদৰ ক্ষেত্ৰত অগ্ৰগণ্য কৰি তুলিলে। পুঁজিবাদৰ নিজকে সঞ্জীৱিত কৰাৰ ক্ষমতাৰ বিলোপ হৈছে বুলি ধৰি লৈ কমিউনিষ্ট আন্দোলনে তীব্ৰ শ্ৰেণী সংগ্ৰামৰ প্ৰয়োজনীয়তা উপলব্ধি কৰাত ব্যৰ্থ হ'ল। ৰাছিয়াত এই ব্যৰ্থতাৰ পৰা ষ্টেলিনবাদ বিৰোধিতাৰ উৎপত্তি হৈছিল।

এই পৰিবৰ্তনৰ ফলত, সমগ্ৰ বিশ্বত পুঁজিবাদ আৰু সমাজবাদৰ শিবিৰ দুটাৰ মাজত থকা সম্পৰ্কৰ ভাৰসাম্য পুঁজিবাদৰ অনুকূলে গুচি গ'ল। সমাজতান্ত্ৰিক শিবিৰৰ পক্ষে এই পৰিবৰ্তনৰ ফল হ'ল মাৰাত্মক।

এই সিদ্ধান্ত ভুল হলেও, এই যুগ পুঁজিবাদৰ পতন আৰু সমাজতন্ত্ৰৰ উত্তৰণৰ যুগ, এই মাৰ্ক্সীয় তত্ত্ব ভুল নহয়। কিন্তু ইতিহাসৰ মৌলিক পৰিবৰ্তনৰ ক্ষেত্ৰত যুগ বুলিলে অদূৰ ভৱিষ্যতকে বুজিলে ভুল হ'ব। প্ৰধান সামাজিক ব্যৱস্থা হিচাপে সামন্তবাদ কেতিয়াবাই ইতিহাসৰ পৰা মচ্‌চা গৈছে। কিন্তু আজিলৈকে ভাৰতত তথা বহু পশ্চাদপদ দেশতে সামন্তবাদৰ সামাজিক-অৰ্থনৈতিক প্ৰভাৱ ব্যাপক হৈ ৰৈ আছে কেনেকৈ? গতিকে 'যুগ' বুলিলে এটা সম্পূৰ্ণ ঐতিহাসিক পৰ্বক বুজিব লাগিব।

পাৰ্টিয়ে আলোচনাৰ যোগেদি এই ভুলটো শুধৰাই লোৱাৰ সিদ্ধান্ত গহণ কৰিছে।

৩। চি পি আই (এম) আৰু চি পি আই-ৰ ভিতৰত গভীৰ মতপাৰ্থক্য আছে যদিও, সি এই দুই পাৰ্টিৰ ভিতৰত মতৈক্যৰ ভিত্তিত নিৰ্দিষ্ট ৰাজনৈতিক অৰ্থনৈতিক আন্দোলনত ঐক্যবদ্ধ হোৱাত প্ৰতিবন্ধকতা সৃষ্টি কৰা নাই। চি পি আইৰ লগত আমাৰ পাৰ্টিৰ পাৰ্থক্য মূলত পাৰ্টিৰ কৰ্মসূচী অৰ্থাৎ মূল ভেটিৰ লগত জড়িত। ভাৰতত জনগণতান্ত্ৰিক বিপ্লৱ শ্ৰমিক শ্ৰেণীৰ নেতৃত্বত হ'ব। শ্ৰমিক শ্ৰেণীয়ে কৃষক সমাজৰ লগত দৃঢ় মৈত্ৰী গঠন কৰি, জাতীয় বুৰ্জোৱাৰ যিবোৰ অংশই সাম্ৰাজ্যবাদ-সামন্তবাদ আৰু একচেতিয়া পুঁজিৰ বিৰোধিতা কৰে তেওঁলোককো ব্যাপক মৰ্চাত ঐক্যবদ্ধ কৰি, জনগণতান্তিক বিপ্লৱক সমাজতন্ত্ৰৰ লক্ষ্যলৈ আগুৱাই লৈ যাব। মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টিৰ এই মূল নীতিৰ লগত চি পি আই-ৰ প্ৰোগ্ৰামৰ পাৰ্থক্য গভীৰ। চি পি আই-ৰ মতে ভাৰতত জনগণতান্ত্ৰিক বিপ্লৱ জাতীয় বুৰ্জোৱা আৰু শ্ৰমিক শ্ৰেণীৰ যুটীয়া নেতৃত্বত সম্পন্ন হ'ব। গতিকে এই দূৰতিক্ৰম্য পাৰ্থক্যৰ বাবে, অদূৰ ভৱিষ্যতত এই দুই দলৰ মিলিত হোৱাৰ বাস্তৱতা আছে বুলি ধৰি লোৱা টান। ■

### ধৰ্ম

মই দিনত কমিউনিষ্ট। কিন্তু বেলি পৰাৰ পিছৰ পৰাই মই কেথলিক।

ব্ৰেন্দান বেহান

প্ৰত্যেক দিনেই মানুহে গীৰ্জাৰ পৰা আঁতৰি আহিছে আৰু ঈশ্বৰৰ ওচৰলৈ ঘূৰি গৈছে।

লেনি ব্ৰুচ

মোৰ ধৰ্মত কোনো এটা বিশেষ মতবাদৰ কাৰণে ঠাই নাই। মোৰ কাৰণে ধৰ্ম মানে কেৱল প্ৰেম, কবিতা আৰু সংশয়।

চিৰিল কনলি

ধৰ্ম বিহীন বিজ্ঞান পংগু; বিজ্ঞান বিহীন ধৰ্ম অন্ধ।

এলবাৰ্ট আইনষ্টাইন

নিঃসংগ অৱস্থাত মানুহে যি কৰে সিয়েই ধৰ্ম। যি মানুহ কেতিয়াও নিঃসংগ হৈ পোৱা নাই, তেওঁৰ কোনো ধৰ্ম থাকিব নোৱাৰে।

ডব্লিউ আৰ ইনজ্

চৰকাৰতকৈ ঈশ্বৰৰ প্ৰতি বেছি আসক্তিকেই ধৰ্ম বুলি ক'ব পাৰি। কমিউনিষ্ট দেশবোৰত এই প্ৰবণতা বেছিকৈ দেখা যায়।

মাইলছ কিংটন

মই মোৰ ধৰ্মক ইনচিওৰেঞ্চ পলিচি বুলি ভবাতকৈ জুৱাখেল বুলি ভাবিবলৈহে বেছি ভাল পাওঁ।

ষ্টিফেন ছেমুৱেল ওৱাইজ







# প্ৰস্তাৱিত আই, আই, টি, খন কেনেকুৱা হ'ব ? (১)

অসমত দেশৰ ৬ষ্ঠখন আই, আই, টি, অৰ্থাৎ ভাৰতীয় প্ৰযুক্তি বিজ্ঞান প্ৰতিষ্ঠান স্থাপনৰ কাম দ্ৰুত গতিত আগবাঢ়িছে। এই কথা দোহাৰাৰ নিষ্প্ৰয়োজন যে ১৯৮৫ চনৰ ১৪ আগষ্টৰ মাজৰাতি তেতিয়াৰ প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধী আৰু অসম আন্দোলনৰ নেতৃবৰ্গৰ মাজত স্বাক্ষৰিত হোৱা অসম চুক্তিৰ অধীনত অসমত এখন আই, আই, টি, স্থাপনৰ প্ৰস্তাৱ আছিল। কেন্দ্ৰীয় মানৱ সম্পদ উন্নয়ন মন্ত্ৰী দপ্তৰৰ শিক্ষা বিভাগটোৱে অসম চুক্তিৰ এই দফাটো কাৰ্যকৰী কৰাৰ দায়িত্ব পাইছিল।

এই প্ৰতিষ্ঠানটো স্থাপনৰ বাবে প্ৰধান প্ৰয়োজনীয় বিষয় আছিল ভূমিৰ আবন্টন। এই ক্ষেত্ৰত বিগত ৬টা বছৰ কাৰ্যতঃ এনেয়েই অতিবাহিত হৈ গ'ল। চৰকাৰী ৰঙা ফিটাৰ মেৰপাকত অনুষ্ঠানটিৰ প্ৰস্তাৱিত স্থানডোখৰক কেন্দ্ৰ কৰি হোৱা টনাটনিৰ মাজেদিয়েই অসম গণ পৰিষদ চৰকাৰৰ সময়ছোৱা অতিবাহিত হৈছিল। সম্প্ৰতি মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ উদ্যোগত এই বিষয়টোত এক চূড়ান্ত ৰূপ দিব পৰা হৈছে বুলি ক'ব পাৰি। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে অসমৰ ৰাজ্যপাল লোকনাথ মিশ্ৰৰ নেতৃত্বত প্ৰথিতযশা শিক্ষাবিদ, জ্যেষ্ঠ চৰকাৰী বিষয়া আৰু বিভিন্ন ক্ষেত্ৰত দক্ষতা থকা ব্যক্তিৰ সমষ্টিৰে এখন উচ্চ পৰ্যায়ৰ কমিটি গঠন কৰি দিছে। এই কমিটিয়ে যোৱা ১২ জানুৱাৰী তাৰিখে গুৱাহাটীত প্ৰতিষ্ঠানটোৰ সম্পৰ্কত ১৯৮৮ চনতে প্ৰস্তুত কৰা বিশদ প্ৰকল্প প্ৰতিবেদনটোৰ (Detailed Project Report) ভিত্তিত কিছুমান সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি জানিব পৰা হৈছে। উক্ত কমিটিখনৰ (Board of Governors) সদস্যসকল হ'ল :-


(১) শ্ৰীলোকনাথ মিশ্ৰ, ৰাজ্যপাল- চেয়াৰমেন।
(২) শ্ৰীপ্ৰফুল্ল চন্দ্ৰ শৰ্মা, আই, এ, এছ, শিক্ষা আয়ুক্ত, অসম চৰকাৰ- ৰাজ্য চৰকাৰৰ প্ৰতিনিধি।
(৩) শ্ৰীশৈলধৰ গগৈ, প্ৰাক্তন উপাচাৰ্য, ডিব্ৰুগড় বিশ্ববিদ্যালয়- কেন্দ্ৰীয় চৰকাৰৰ মনোনীত সদস্য।
(৪) যুটীয়া সচিব শিক্ষা দপ্তৰ, কেন্দ্ৰীয় চৰকাৰ- সদস্য।
(৫) সচিব, কেন্দ্ৰীয় চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তি দপ্তৰ- সদস্য।
(৬) শ্ৰীচি, এছ, ঝা, উপাচাৰ্য, বেনাৰস বিশ্ববিদ্যালয়- সদস্য।
(৭) অধ্যাপক জি, ৰামাৰেড্ডী, অধ্যক্ষ, বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগ- সদস্য।
(৮) অধ্যাপক এছ, কে, যোশী, সঞ্চালক প্ৰধান, কাউঞ্চিল অব চাইনটিফিক এণ্ড ইণ্ডাষ্ট্ৰিয়েল ৰিচাৰ্ছ- সদস্য।
(৯) অধ্যাপক এছ, কে, শ্ৰীবাস্তৱ, যুটীয়া শিক্ষা উপদেষ্টা (কাৰিকৰী), কেন্দ্ৰীয় চৰকাৰ- সদস্য।
(১০) ড০ পি, ৰামাৰাও, সচিব, কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি বিভাগ- সদস্য।
(১১) অধ্যাপক আৰ, চি, মালহোট্ৰা- সদস্য সচিব।

কমিটিয়ে ইতিমধ্যে আই, আই, টি, খনৰ ওপৰত প্ৰস্তুত কৰা প্ৰকল্প প্ৰতিবেদন গ্ৰহণ কৰিছে। এই প্ৰতিবেদন মতে আই, আই, টি, খন কেৱল শিক্ষা প্ৰদানৰ প্ৰতিষ্ঠানেই নহয়, ইয়াত গৱেষণামূলক আৰু উদ্ভাৱনী ক্ষেত্ৰ সূচনাৰ থলো থাকিব। তদুপৰি আঞ্চলিক আয় বৃদ্ধি কৰিব পৰাকৈ এক সম্প্ৰসাৰণ কেন্দ্ৰৰ দিহা থাকিব য'ত সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ বিশেষ বিশেষ প্ৰয়োজনীয় ক্ষেত্ৰ, ৰাষ্ট্ৰীয় প্ৰাসঙ্গিকতাৰ আধাৰত সামৰি লোৱা হব।

যোৱা ২৩ নবেম্বৰ তাৰিখে নতুন দিল্লীত মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াই সমগ্ৰ বিষয় সমূহলৈ প্ৰধান মন্ত্ৰী পি, ভি, নৰসিংহৰাওৰ সৈতে খৰচি মাৰি আলোচনা কৰে। প্ৰধান মন্ত্ৰীৰ সভাপতিত্বত এক বৈঠকো অনুষ্ঠিত হয়। বৈঠকত স্থানৰ বিষয়টোৰ চূড়ান্ত ৰূপ দিয়া হয়। ইয়াত মুখ্য মন্ত্ৰীৰ উপৰিও অসম মন্ত্ৰী সভাৰ ড° ভূমিধৰ বৰ্মণ, শিও শম্ভু ওজা, বিজিত শইকীয়া, গোবিন্দ চন্দ্ৰ লাংথাছা, হৰেন ভূমিজ, চৈয়দা আনোৱাৰা টাইমূৰ আৰু অসম চৰকাৰৰ জ্যেষ্ঠ বিষয়া বৰ্গ- মুখ্য সচিব, হৰেন্দ্ৰনাথ দাস, কৃষি উৎপাদন আয়ুক্ত, বাল্মিকী প্ৰসাদ সিং, উদ্যোগ আৰু শক্তি বিভাগৰ আয়ুক্ত, প্ৰবীৰ সেনগুপ্ত, শিক্ষা আয়ুক্ত প্ৰফুল্ল চন্দ্ৰ শৰ্মা, অসম চুক্তি ৰূপায়ণ বিভাগৰ তেতিয়াৰ আয়ুক্ত, প্ৰবীৰ কুমাৰ দত্ত, বান নিয়ন্ত্ৰণ বিভাগৰ সচিব এছ, কে, নাথ আৰু নতুন দিল্লীত থকা অসম চৰকাৰৰ আবাসিক আয়ুক্ত, বি, কে, মিশ্ৰই অংশ গ্ৰহণ কৰে। বৈঠকত মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াই কোৱা মতে ৰাজ্য চৰকাৰে আই, আই, টি,ৰ কাৰণে প্ৰয়োজনীয় ওপৰঞ্চি মাটি বিনামূলীয়াকৈ আবন্টন দিব।

উল্লেখযোগ্য যে উত্তৰ গুৱাহাটীত স্থাপন কৰিব খোজা আই, আই, টি, খনৰ বাবে কেন্দ্ৰীয় চৰকাৰে ভূমি অধিগ্ৰহণৰ বাবদ ইতিমধ্যে ৫ কোটি ১৯ লাখ ১৮ হাজাৰ ৪৯০ টকা মঞ্জুৰ কৰিছে। সৰ্বমুঠ ২১২৬ বিঘা ৪ কঠা ১২½ লেছা ভূমিও আবন্টিত হৈছে। ইয়াৰে হস্তান্তৰিত চৰকাৰী ভূমি হ'ল ৪৯২ বিঘা ৭ লেছা আৰু ক্ৰয় কৰা পট্টা মাটি হ'ল ১৬৩৪ বিঘা ৪ কঠা ৫½ লেছা। উল্লেখনীয় যে আই, আই, টি, খনৰ বাবে প্ৰয়োজনীয় সমুদায় মাটি ৰাজহ বিভাগে ইতিমধ্যে শিক্ষা বিভাগক চমজাই দিছে। অন্যহাতেদি ৰাজহ বিভাগে পট্টাদাৰ সকলৰ পৰা অধিগ্ৰহণ কৰা মাটিৰ বাবদ দিব লগা ক্ষতিপূৰণৰ যাবতীয় কামসমূহো নিষ্পত্তি কৰিছে বুলি জানিব পৰা হৈছে। ৰাজহ বিভাগৰ এক সূত্ৰৰ মতে ক্ষতিপূৰণৰ বাবদ একোজন পট্টাদাৰে প্ৰতি বিঘা মাটিত ৫৬ হাজাৰ ৮০০ টকাকৈ পাব। অন্যহাতেদি ক্ষতিগ্ৰস্ত হোৱা পট্টাদাৰ সকলক উত্তৰ গুৱাহাটীৰ সমীপৱৰ্তী অঞ্চলতে পুনৰ সংস্থাপিত কৰিবলৈ আঁচনি লোৱাৰ কথাও জনা গৈছে। এই দিশত মুখ্য মন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়া, ৰাজহ বিভাগ আৰু শিক্ষা বিভাগে লোৱা ভূমিকা বিশেষভাবে উল্লেখযোগ্য। ৰাজহ আৰু শিক্ষা বিভাগে ভূমিৰ বিষয়টোক অগ্ৰাধিকাৰ হিচাপে গণ্য কৰাৰ ফলস্বৰূপেই প্ৰস্তাৱিত আই, আই, টি,ৰ প্ৰকল্পৰ ভূমি আবন্টনৰ বিষয়টো অতি কম সময়ৰ ভিতৰতে সমাধা হৈ উঠিল বুলি জনা গৈছে। সম্প্ৰতি ৰাজহ বিভাগে ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা আই, আই, টি, প্ৰকল্পলৈ অহা-যোৱাৰ বাবে এটা প্ৰধান পথ নিৰ্মাণৰ বাবে ভূমি অধিগ্ৰহণ কৰিছে। দেখা যায় ভৱিষ্যতে

প্ৰশাসনীয় পৰিচালনাৰ বাবে প্ৰকল্পৰ প্ৰতিবেদনত প্ৰস্তাৱ কৰা ভাৰতীয় প্ৰযুক্তি বিজ্ঞান প্ৰতিষ্ঠানটোৰ গাঁথনিৰ এক আৰ্হি ।




আই, আই, টি, প্ৰকল্পৰ নিচেই কাষতে গঢ় লৈ উঠিব প্ৰখ্যাত এপল' হস্পিতাল। যাৰ ফলত গুৱাহাটীৰ উত্তৰ পাৰটোও হৈ পৰিব ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ দৰেই এক গুৰুত্বপূৰ্ণ চহৰ।

এইখিনিতে প্ৰস্তাৱিত আই, আই, টি, খনৰ আন কেতবোৰ দিশ আলোচনা কৰা উচিত হব। দেশৰ বিভিন্ন ঠাইত থকা আন ৫খন ভাৰতীয় প্ৰযুক্তি বিজ্ঞান প্ৰতিষ্ঠান হ'ল– কাণপুৰ, খড়গপুৰ, বম্বে, মাদ্ৰাজ আৰু দিল্লী। সন্তোষৰ কথা যে এই প্ৰতিষ্ঠান সমূহত থকা ত্ৰুটি-বিচ্যুতি সমূহ অসমৰ প্ৰস্তাৱিত আই, আই, টি, খনৰ পৰা আঁতৰাবলৈ সকলো প্ৰচেষ্টা হাতত লোৱা হৈছে বুলি জনা যায়। অসমত প্ৰস্তাৱিত আই, আই, টি, খনৰ প্ৰতিষ্ঠাৰ আনুমানিক ব্যয় হব ৫০০ কোটিৰো অধিক, কাৰণ ১৯৮৮ চনতে প্ৰস্তুত কৰা প্ৰকল্পৰ প্ৰতিবেদনত ব্যয় নিৰ্দ্ধাৰিণ কৰা হৈছিল ৪৫২ কোটি।

আমি ওপৰত উল্লেখ কৰিছো যে দেশৰ আন ৫খন ভাৰতীয় প্ৰযুক্তি বিজ্ঞান প্ৰতিষ্ঠানত থকা আঁসোৱাহ সমূহ অসমৰ এই প্ৰতিষ্ঠনটোত নাথাকে বুলি চৰকাৰে প্ৰতিশ্ৰুতি দিয়া দেখা গৈছে। অৰ্থাৎ অসমৰ এই প্ৰতিষ্ঠানটোৱে কেৱল উত্তৰ পূৰ্বাঞ্চলৰেই নহয়, দেশৰ প্ৰযুক্তি বিজ্ঞানৰ প্ৰতিভা সমূহকো এই প্ৰতিষ্ঠানটোলৈ আকৰ্ষিত কৰিব।





প্ৰতিষ্ঠানটোৰ প্ৰকল্প প্ৰতিবেদনত এই সম্পৰ্কীয় সচেতনতাৰ বিষয়ে স্পষ্ট ভাবধাৰা প্ৰকাশ পাইছে। প্ৰতিবেদন-খনত অসমৰ এই প্ৰতিষ্ঠানটোৰ সম্পৰ্কে বিভিন্ন বাতৰি কাকতত প্ৰকাশ পোৱা মতামত আৰু অসমৰ চৰকাৰী বিষয়াসকলৰ লগত হোৱা আলোচনাৰ পৰিপ্ৰেক্ষিতত কোৱা হৈছে যে অসমৰ উক্ত প্ৰতিষ্ঠানটোৰ লগত অসমীয়া জাতিৰ আশা-আকাংখ্যা ব্যাপক ভাবে জড়িত হৈ আছে আৰু প্ৰতিষ্ঠানটোৱে অসমৰ বৌদ্ধিক পৰিবেশ দৃঢ় কৰাত সহায় কৰিব লাগিব। অসমৰ পৰম্পৰাগত কৃষি আৰু ইয়াৰ আধুনিকীকৰণ, জল সম্পদ, বস্ত্ৰ উদ্যোগ, গ্ৰাম্য উন্নয়ন, তেল আৰু চাহ উদ্যোগ আদি সকলো দিশৰ বিকাশ প্ৰতিষ্ঠানটোৰ অঙ্গ স্বৰূপ হৈ পৰিব লাগিব।

উল্লেখযোগ্য যে অসমত প্ৰস্তাৱিত ভাৰতীয় প্ৰযুক্তি বিজ্ঞান প্ৰতিষ্ঠানটোৰ কাৰণে প্ৰতিবেদন যুগুত কৰোতে দেশৰ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা অভিযান্ত্ৰিক আৰু পৰিচালনা বিষয়ৰ ৬১ জন বিশেষজ্ঞ জড়িত হৈছিল। প্ৰকল্প প্ৰতিবেদনত কি দৰে শৈক্ষিক কাৰ্যসূচী (Academic Programmes) প্ৰস্তুত কৰিছে তাৰ এটি আভাস তলত দিয়া হ'ল।

## ACADEMIC PROGRAMMES

It is proposed that IIT may offer the following academic programmes at the undergraduate, postgraduate and research levels:

**(a) B.Tech.Programmes :**
Chemical Engineering
Civil Engineering
Computer Science & Engineering
Electronics & Communications Engineering
Mechanical Engineering
Manufacturing Engineering
Petroleum Engineering
Management Science

**(b) B. Des. Programmes :**
Industrial Design

**(c) Integrated M. Sc. Programmes :**
Applied Biological Sciences
Engineering Physics
Mathematics & Computer Applications

| Name of Programme | Duration | Student Strength |
|---|---|---|
| B. Tech. | 4 years | 1180 * |
| B. Des. | 4 years | 80 * |
| Integrated M.Sc. | 5 years | 120 * |
| M.Sc. | 2 years | 120 |
| M. Tech. | 3 Semesters | 800 ** |
| M.S/M.Des. | 2 years | 100 |
| Ph.D/D.Tech. | Minimum 2 years | 300 ** |
| Modular Programme | Flexible | Need Based |
| Continuing Education | Flexible | Need Based |

Note : * Foreign Students are in addition to numbers indicated
** Sponsored candidates, QIP/FIP Scholars, Institute/Project Staff and Foreign students are in addition to numbers indicated.

**(d) M. Sc. Programmes :**
Chemistry
Physics
Statistics & Operation Research

**(e) M. Tech. Programmes :**
Optoelectronics
Building Technology & Construction Management
Geotechnical Engineering
Water Resources Engineering
Chemical Engineering Science
Process Engineering
Polymer Engineering
Biochemical Engineering
Digital Hardware Design
Integrated Circuit Design
Satellite Communications & Remote Sensing
Fibre Optical Communication
Computer Science & Engineering
Machine Design
Manufacturing Engineering & Management
Computer Integrated Manufacture
Pipeline Engineering (for sponsored candidates)
Maintenance Engineering & Management
Management Science
Petroleum Engineering
Offshore Engineering
Energy Engineering
Instrumentation
Telematics
Food Engineering
Wood Science & Technology

**(f) M. Sc. and M. Des. :**
(by research equivalent to M. Tech.)
Chemical Engineering
Civil Engineering
Computer Science & Engineering
Electronics & Communications Engineering
Industrial Design
Mechanical Engineering
Petroleum Engineering
Electronics Design
Computer Aided Design

**(g) Ph. D./D. Tech. Programmes** in all Departments and Centres of the Institute.

**(h) Modular Programmes** through Tutored Video Instruction (TVI) : mode of distance education leading to postgraduate certificates or diplomas or degrees in areas such as Management Science, Industrial Engineering, Computer Science & Engineering, etc. on basis of a need analysis to be conducted at the Institute and possibly at other urban centres in the north-eastern region.

**(i) Continuing Education Programmes** — of varying duration for working professionals, academic faculty and institute support staff to be conducted at the Institute.

হৰেন বুঢ়াগোহাঞি





OKDISCD

# মাৰ্চ পাষ্টৰ বাণী



পুৰুষ, মহিলা আৰু ল'ৰা ছোৱালী, জেণ্ঠ নাগৰিক আৰু স্বাধীনতাৰ প্ৰহৰী সকলোৰে যেতিয়া একেলগে গনতন্ত্ৰ দিবসত গৌৰবেৰে আগুবাই যায় তেতিয়া তেওঁলোকৰ মনত কেবল এটাই ধাৰণা থাকে–ভাৰতবৰ্ষ, আমাৰ ভাৰতবৰ্ষ

আৰু যি সকলে এই পেৰেড দৰ্শন কৰে সেই সকলোৰে মনত কেবল একেই উৎসাহ সমন্বয়ৰ উৎসাহ। অৰ্থনৈতীক অথবা অইন প্ৰত্যাহবানৰ কাৰণে এই উৎসাহ আৰু শক্তিশালী হৈ উঠে।

আৰু আমাক দৰিদ্ৰতাৰ সৈতে যুজিবলৈ আৰু এক নতুন দিশত আগবঢ়িবলৈ অধিক দৃঢ় সংকল্পবদধ কৰে।

**প্ৰত্যাহবান জয় কৰিবলৈ এক সংকল্প**
**এইটোৱেই হ'ল পেৰেডৰ উৎসাহ।**

davp 91/600 Ass.




# আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ আলেখ-লেখ

হিতেন মহন্ত

সুদীৰ্ঘ ১৪ বছৰৰ মূৰত অহা ২১, ২৪ আৰু ২৮ ফেব্ৰুৱাৰীত অসমত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। গণতান্ত্ৰিক ব্যৱস্থাত পঞ্চায়তৰ ভূমিকা নিঃসন্দেহে গুৰুত্বপূৰ্ণ। অন্যকথাত ক'বলৈ গ'লে গণতন্ত্ৰৰ অন্যতম ঘাই উপাদান ক্ষমতা বিকেন্দ্ৰীকৰণৰ নীতি পঞ্চায়তৰ জৰিয়তেহে বাস্তৱায়িত হয়। গণ-তান্ত্ৰিকভাবে নিৰ্বাচিত পঞ্চায়তৰ অবিহনে ক্ষমতাত বিকেন্দ্ৰীকৰণৰ কথা কোৱাটো প্ৰহসনৰ বাহিৰে অন্য একো নহয়।

অসমত জনতা চৰকাৰ শাসন ক্ষমতাত থকাৰ সময়তে ১৯৭৮ চনত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰা হৈছিল। জনতা চৰকাৰৰ পতনৰ পিছত ১৯৮৩ চনত অসমত কংগ্ৰেছ (ই) চৰকাৰৰ শাসন ক্ষমতালৈ আহে যদিও সেই সময়ত অসম আন্দোলনৰ বাবে ৰাজ্যখনত উদ্ভৱ হোৱা ৰাজ্যখনৰ জটিল পৰিস্থিতিৰ বাবে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰা নাছিল। ইয়াৰ পিছত ১৯৮৫ চনত অসমত পোনপ্ৰথমবাৰৰ বাবে আঞ্চলিক দল অগপ শাসন ক্ষমতালৈ আহে যদিও সেই কালত অগপ দলৰ শাসনৰ শেষৰ ফালে অৰ্থাৎ ১৯৯০ চনৰ নবেম্বৰত পঞ্চায়ত নিৰ্বাচনত অনুষ্ঠিত কৰা হ'ব বুলি ঘোষণা কৰা হৈছিল।

১৯৯০ চনৰ ২৭ নবেম্বৰৰ মাজ নিশা ৰাজ্যখনত ৰাষ্ট্ৰপতিৰৰ শাসন জাৰি কৰাৰ লগে লগে পঞ্চায়ত নিৰ্বাচন ঘোষণাৰো মূদা মৰে।

অগপ-ৰ শাসনকালৰ প্ৰথম চাৰি বছৰত কেৱল ১৯৮৫ চনৰ ভোটাৰ তালিকাত বিদেশী লোকৰ নাম থকাৰ অজুহাত দেখুৱায়েই পঞ্চায়ত নিৰ্বাচন এৰাই চলা হৈছিল। এফালে অগপ দলে ক্ষমতা বিকেন্দ্ৰীকৰণৰ ধ্বনি দিছিল আৰু আনফালে পঞ্চায়ত নিৰ্বাচনৰ প্ৰতি পিঠি দি বহিছিল। এক কথাত ক'বলৈ গ'লে ভাৰতৰ অন্যান্য ৰাজ্যত কংগ্ৰেছ (ই) দলে ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ আদৰ্শক প্ৰহসনত পৰিণত কৰাৰ যি নীতি গ্ৰহণ কৰিছিল, অসমত অগপ দলে বিভিন্ন অজুহাত দেখুৱাই সেই একে নীতি অনুসৰণ কৰিছিল। ফলস্বৰূপে প্ৰশাসনত বিষয়া-আমোলাই প্ৰাধান্য লাভ কৰি জনগণৰ স্বাৰ্থক জলাঞ্জলি দিছিল। দুৰ্নীতিৰ শিপাডাল অধিক মজবুত হৈছিল। বিগত নিৰ্বাচনত অগপ দলৰ শোচনীয় পৰাজয়ৰ ই এটা অন্যতম কাৰণ আছিল।

গণতান্ত্ৰিক ব্যৱস্থা শক্তিশালী কৰাৰ ক্ষেত্ৰত পঞ্চায়তে মূল চালিকা শক্তিৰ দৰে কাম কৰে। পঞ্চায়তৰ কাম-কাজৰ জৰিয়তেই ভাৰতৰ দৰে দৰিদ্ৰ দেশ এখনৰ জনসাধাৰণৰ অভাৱ-অভিযোগৰ পঞ্চাশ শতাংশ পূৰণ কৰিব পাৰি। কিন্তু সেইটো নিৰ্ভৰ কৰে পঞ্চায়তৰ নিৰ্বাচিত প্ৰতিনিধিৰ কৰ্মদক্ষতা আৰু সততাৰ ওপৰত।

সি যি কি নহওক পঞ্চায়তৰ নিৰ্বাচন ঘোষণা কৰাৰ লগে লগে ৰাজ্যখনৰ ৰাজনৈতিক দলবোৰৰ মাজত তৎপৰতা বাঢ়িছে। সাধাৰণ নিৰ্বাচন আৰু পঞ্চায়ত নিৰ্বাচনৰ মাজত কিছু পাৰ্থক্য আছে। প্ৰধানতঃ সাধাৰণ নিৰ্বাচনত ঘাইকৈ ৰাজনৈতিক দল এটাৰ কৰ্মসূচী, আদৰ্শই ভোটাৰ ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰে। প্ৰাৰ্থীজনৰ যোগ্যতা ইয়াত গৌণ স্থান লাভ কৰে। অৰ্থাৎ ভোটাৰ ৰাইজে ৰাজনৈতিক দল এটাৰ প্ৰতি আকৃষ্ট হৈ ভোট দান কৰে। কিন্তু পঞ্চায়ত নিৰ্বাচনত দলতকৈ প্ৰাৰ্থীজনৰ যোগ্যতাইহে প্ৰাধান্য লাভ কৰে। অৰ্থাৎ ভোটাৰ ৰাইজে দলটোৰ পৰিবৰ্তে প্ৰাৰ্থী জনলৈ লক্ষ্য কৰিহে ভোট দান কৰে। সেই কাৰণেই হয়তো কেৱল চি পি এম দলৰ বাহিৰে অসমৰ প্ৰধান ৰাজনৈতিক দলকেইটাই পঞ্চায়ত নিৰ্বাচনত দলীয়ভাবে প্ৰতিদ্বন্দ্বিতা নকৰে বুলি ইতিমধ্যে ঘোষণা কৰিছে। অসম গণ পৰিষদে ঘোষণা কৰিছে যে আগন্তুক পঞ্চায়ত নিৰ্বাচনত দলীয় প্ৰাৰ্থী থিয় নকৰায়। ইয়াৰ পৰিবৰ্তে এই দলে উপযুক্ত নিৰ্দলীয় প্ৰাৰ্থীক সমৰ্থন দিব। নঅগপ দলেও পঞ্চায়ত নিৰ্বাচনত দলীয় পতাকাৰে অংশ গ্ৰহণ নকৰে বুলি ঘোষণা কৰিছে। কংগ্ৰেছ (ই)দলে পূৰ্বে ঘোষণা কৰা মতে পঞ্চায়ত নিৰ্বাচনত দলীয়ভাবে অংশ গ্ৰহণ নকৰে। কিন্তু দলবিলাকৰ এই ঘোষণা প্ৰহসনৰ বাহিৰে আন একো নহয়। কিয়নো নিৰ্দলীয় প্ৰাৰ্থীক সমৰ্থন দিয়াৰ নামত এই ৰাজনৈতিক দলবোৰে নিজ দলৰ সদস্যকে নিৰ্বাচনত প্ৰাৰ্থী হিচাপে থিয় কৰাব। কেৱল কাগজে-পত্ৰই সেইটো উহ্য ৰখা হ'ব। ভোটাৰ ৰাইজক ছলনা কৰাৰ বাবেহে এই ৰাজনৈতিক দলবোৰে এনে কৌশল অবলম্বন কৰিব। এই ছলনা কৰাৰ কাৰণ হ'ল এয়ে যে সংশ্লিষ্ট দলবোৰৰ প্ৰাৰ্থী সকলে নিৰ্বাচনত পৰাজয় বৰণ কৰিলেও ইয়াৰ দায়িত্ব ৰাজনৈতিক দলবোৰে আনুষ্ঠানিকভাবে স্বীকাৰ নকৰে। অন্ততঃ পঞ্চায়ত নিৰ্বাচনত সেই পৰম্পৰাই চলি আহিছে। পোনপ্ৰথমবাৰৰ পঞ্চায়ত নিৰ্বাচনত অংশগ্ৰহণ কৰিবলৈ লোৱা আঞ্চলিক দল অগপ আৰু নঅগপ-ই সেই পৰম্পৰা অনুসৰণ কৰাৰ বাবে সাজু হৈছে।

পঞ্চায়ত নিৰ্বাচনৰ খোলা-গোপন এইটোৱে যে আনুষ্ঠানিকভাবে দলবোৰে নিৰ্বাচনৰ ফলাফলৰ দায়িত্ব স্বীকাৰ কৰি নললেও কোনটো ৰাজনৈতিক দলে কিমান সংখ্যক আসন লাভ কৰিছে সেইটো কাৰো অবিদিত হৈ নাথাকিব।

আগন্তুক পঞ্চায়ক নিৰ্বাচন প্ৰত্যেকটো ৰাজনৈতিক দলৰ বাবেই অতি গুৰুত্বপূৰ্ণ। কিয়নো পঞ্চায়ত নিৰ্বাচনৰ ফলাফলৰ জৰিয়তে ৰাজনৈতিক দলবোৰৰ জনপ্ৰিয়তাৰ মাপকাঠি নিৰ্ণয় হ'ব। সামগ্ৰিকভাবে ইয়াকে ক'ব পাৰি যে পঞ্চায়ত নিৰ্বাচনৰ ঘোষণাই সৰ্বসাধাৰণ ৰাইজৰ মাজত আশাৰ-ৰেঙণি দেখা দিছে। ইমানদিনে পঞ্চায়তৰ কাম-কাজ তদৰ্থ ভিত্তিত চলোৱা হৈছিল। ফলস্বৰূপে গ্ৰামাঞ্চলৰ উন্নয়নৰ কাম-কাজত স্থবিৰতা আহি পৰিছিল। তদৰ্থ ভিত্তিত নিযুক্তি দিয়া প্ৰতিনিধি সকলে স্বজন তোষণৰ আশ্ৰয় লৈ খেয়াল-খুচি মতে পঞ্চায়তৰ কাম-কাজ পৰিচালনা কৰিছিল। তদৰ্থ প্ৰতিনিধি আৰু বিষয়া আমোলাৰ ভিতৰুৱা বুজাবুজিত এটা ন্যস্ত চক্ৰই গা কৰি উঠিছিল। ফলস্বৰূপে অনুমোদিত ধনৰ বৃহৎ অংশ হৰলুকি হৈছিল। নিৰ্বাচনৰ জৰিয়তে ৰাইজে মনে বিচৰা আৰু যোগ্য প্ৰাৰ্থী নিৰ্বাচিত কৰি অন্ততঃ অনুমোদিত ধনৰ হৰলুকি কিছু পৰিমাণে হ'লেও বাধা দিব পাৰিব। ■

# বাতৰিৰ আঁৰৰ বাতৰি

গীতাৰ্থ পাঠক

অসমত এতিয়া বাতৰি কাকত-আলোচনীৰ ৰমৰমা বজাৰ চলিছে। অকল দৈনিক বাতৰি কাকতৰ সংখ্যা কুৰি পাৰ হৈ গৈছে। শতাধিক সাপ্তাহিক, তিনিদিনীয়া, পযেকীয়া কাকত। অসম আন্দোলনৰ সময়তো চুবুৰীয়ে চুবুৰীয়ে কাকত-আলোচনী ওলাইছিল, কিন্তু সেইবোৰৰ আয়ুস অতি তাকৰীয়া আছিল। এতিয়া কিন্তু দেখা গৈছে যে আগৰ তুলনাত কাকত-আলোচনী সমূহৰ আয়ুস তাকৰীয়া নহৈ ভালেকেইখন সমান্তৰাল ভাবে জীয়াই আছে। জীয়াই থকাৰ কিটিপটো যিয়েই নহওক লাগে। আনকি আঠ-দহ পৃষ্ঠাৰ একো একোখন কাকত মাত্ৰ এটকাত পাঠকৰ হাতত তুলি দিও জীয়াই থকা বা জীয়াই থাকিব বিচৰা কাকত ওলাইছে। কাকত-পত্ৰ অধিক প্ৰকাশ হোৱাৰ লগে লগে ৰিপ'ৰ্টাৰ, সহঃ সম্পাদক ইত্যাদি বিভিন্ন পদৰ সাংবাদিক চাহিদা বাঢ়িছে। অলপ কলম ধৰিব পৰা সকলে কেৰাণী মহৰি চাকৰি কৰাতকৈ সাংবাদিকতা কৰিবলৈ আগবাঢ়ি আহিছে। সাংবাদিকতাৰ বৃত্তিটো নামী আৰু সন্মানজনক বৃত্তি। সেয়ে সাংবাদিকৰ চাহিদা বাঢ়িলেও যোগানো কম নহয়। অসমত যোৱা চাৰি-পাঁচ বছৰৰ ভিতৰত সাংবাদিকৰ সংখ্যা জ্যামিতিক হাৰত বৃদ্ধি পাইছে। তথ্য আৰু জনসংযোগ বিভাগৰ বহীতেই এতিয়া অকল গুৱাহাটীতেই চাৰি-পাঁচশ সাংবাদিক হব। আগেয়ে গুৱাহাটীত ৫০ জন সাংবাদিক একেলগে বিচাৰি পোৱাটো টান আছিল। সাংবাদিক বাঢ়িছে, ঠাই ভেদে সাংবাদিক দা-দৰমহাও বিভিন্ন অনুপাতত। কোনো কোনোৱে ৱাচাৱৎ দৰমহা আয়োগৰ অনুমোদন অনুযায়ী দৰমহা পাইছে, বা আজি নহ'লে কাইলৈ পাব। মুঠৰ ওপৰত সাংবাদিকৰ দৰমহা সৰহভাগ ক্ষেত্ৰতেই অইন বৃত্তিতকৈ ভালেই বুলি ক'ব লাগিব। অৱশ্যে কেতবোৰ ক্ষেত্ৰত কোনো কোনো সাংবাদিকে ন্যূনতম দৰমহাত কাম কৰি থাকিব লগীয়া হৈছে।

কিন্তু অসমৰ বুদ্ধিৰ বজাৰত কেবাদশকো ধৰি দাম বঢ়া নাই, বা বাঢ়িলেও অতি ধীৰ গতিত দাম বাঢ়িছে কেৱল লেখকৰ। অসমৰ আটাইতকৈ দামী লেখকজনেও সম্ভৱতঃ একোএকোটা লেখাৰ বাবে তিনিশতকৈ অধিক টকা নাপায়। তিনিশটো উচ্চতম দৰহে। নিম্নতম দৰ পোন্ধৰ টকালৈ আছে। আকৌ বহু লেখকে বাধ্য হৈ বিনামূল্যে লেখিব লগীয়া হয়। এনে লেখকৰ সংখ্যাই আটাইতকৈ বেছি। কিন্তু যিসকল পেছাদাৰী লেখক অসমত তেওঁলোকৰ দুৰৱস্থা আটাইতকৈ বেছি। এবাৰ এগৰাকী দিল্লীস্থ উচ্চ বিষয়াই অসমৰ এখন কাকতত দুটা সংখ্যাত প্ৰকাশ কৰিবলগীয় সুদীৰ্ঘ প্ৰবন্ধ এটা লিখিছিল। প্ৰবন্ধটো প্ৰকৃততে গৱেষণা পত্ৰৰ দৰেই আছিল। এই দুয়োটা লেখাৰ বাবে লেখকজনক যেতিয়া মাত্ৰ দুশ টকা মাননী যচা হ'ল তেতিয়া তেওঁ এজন বন্ধুক কৈছিল যে তেওঁৰ ল'ৰাটোৱে দিল্লীৰ কুইজ আলোচনী এখনত সামান্যতম লেখা এটা দি সাতশ টকা পাইছিল। এনে অৱস্থাত বিষয়া জনে যেতিয়া দিনৰ পিছত দিন অধ্যয়ন কৰি এই গৱেষণা পত্ৰখন উলিয়াইছিল তেতিয়া তেওঁ সেই গৱেষণা পত্ৰৰ মূল্য পাইছিল মাত্ৰ দুশ টকা। হয়তো প্ৰবন্ধটো টাইপ কৰি দিওঁতেই লেখক গৰাকীৰ দেৰশ দুশ টকা খৰচ হৈছে। ১৯৫০-৬০ চনত অসমত আঙুলিৰ মূৰত লেখিব পৰাকৈ মাত্ৰ কেইখনমানহে কাকত বা আলোচনী আছিল। তেতিয়া লেখকক মাননী দিয়া প্ৰথা নাছিলেই। স্থানীয় বাতৰি যোগনিয়াৰ সকলেও বিনা পইচাই বাতৰি যোগান ধৰিছিল। অসমত সাংবাদিকতাৰ বাটকটীয়া লক্ষ্মীনাথ ফুকনে 'ৰাধানাথ চাংকাকতী' প্ৰবন্ধত লিখিছে যে ৰাধানাথ চাংকাকতীয়ে প্ৰতিষ্ঠা কৰা 'টাইমচ্ অব্ আসাম'ৰ যেতিয়া তেওঁ সম্পাদক আছিল তেতিয়া কোনো সাংবাদদাতাকে মাননী বা বানচ দিবলগীয়া নহৈছিল। ফুকনে লিখিছে যে একমাত্ৰ ব্যতিক্ৰম আছিল শ্বিলঙৰ টিৰিভেট কাৰ্ণকি যাক তেওঁ মাহে পঞ্চাশ টকাকৈ মাননী দিছিল। সত্যনাথ বৰাৰ পৰা দুৰ্গানাথ চাংকাকতীলৈকে প্ৰায় সকলোৱে বিনা পইচাই লিখিছিল। কিন্তু স্বাধীনোত্তৰ কালত আনক নহ'লেও বৃত্তিধাৰী লেখকসকলক মাননী দিয়া আৰম্ভ হৈছিল। অসমৰ এজন প্ৰবীণ সাংবাদিক নৰেশ ৰাজখোৱাই এই প্ৰতিবেদকক স্মৃতিচাৰণ কৰি কয় যে ১৯৫০ চনত অসমৰ কাকত সমূহে একোএকোটা প্ৰবন্ধ বা প্ৰতিবেদনৰ বাবে প্ৰায় পঁচিশ টকাকৈ পাইছিল। অৱশ্যে সেই সময়ত অসমৰ বাহিৰৰ কাকত সমূহে একোএকোটা লেখাৰ বাবে দেৰশৰ পৰা দুশ টকাকৈ আগবঢ়াইছিল। ১৯৫০ চনৰ পৰা যোৱা বিয়াল্লিছটা বছৰে ভাৰতবৰ্ষত সকলো বয়-বস্তুৰ দাম এশ-দুশ গুণ বাঢ়িল। কিন্তু লেখকৰ দাম কথমপি তিনি-চৰি গুণ বাঢ়িছে। অৱশ্যে এইখিনিতেই ক'ব লাগিব যে অসমৰ কোনো কোনো কাকতে লেখক সকলৰ অৱস্থাটো উপলব্ধি কৰিব পাৰিছে আৰু মাননীও বৃদ্ধি কৰিছে। এইখিনিতেই উল্লেখযোগ্য যে ১৯৫০ চনৰ পৰা এতিয়ালৈকে কাকতৰ বিজ্ঞাপনৰ টাৰিফ কেবাশ গুণে বাঢ়িছে।

বহুতো ক্ষেত্ৰত দেখা যায় যে প্ৰকাশকে লোকচান ভৰি কম দামত কাকতখন পাঠকৰ হাতত তুলি দিছে। কিন্তু লেখকৰ ক্ষেত্ৰত বা তেওঁলোকৰ কাকত নিযুক্ত সাংবাদিকৰ ক্ষেত্ৰত ন্যূনতম দৰমহাখিনিও দিবলৈ টান পায়। অৱশ্যে অৱস্থাৰ দ্ৰুত পৰিবৰ্তন ঘটিছে। ৰাজ্যখনত কাকত-পত্ৰ যিমানেই বাঢ়িছে সাংবাদিক আৰু লেখকসকলৰ দাম বাঢ়ি আছে বা বাঢ়িব বুলি আশা কৰা হৈছে। তাৰেই লক্ষণ হিচাপে দেখা গৈছে যে এখন কাকতত কাম কৰি থকা সাংবাদিক সকলক নতুনকৈ ওলাব লগীয়া কাকত এখনে অধিক দৰমহা আৰু সা-সুবিধা দি নিশাটোৰ ভিতৰতেই নিযুক্তি দিছে। ইফালে তুলনামূলক ভাবে সাংবাদিকক কম দৰমহা দিয়া কাকতখনৰ কেবাজনো ষ্টাফ নিশাটোৰ ভিতৰতেই নোহোৱা হোৱাত পিছদিনাৰ কাকত উলিয়াবলৈ টনা-টনি লাগে। ফলত এনে কাকতেই সাংবাদিকক দৰমহা বঢ়াই দিব লগীয়া হৈছে।

যি কি নহওক, অসমত সাংবাদিকৰ সুদিন আহিছে– সেইটোৱেই শুভ লক্ষণ। মাৰ্ক টোৱেইনে লেখকসকলৰ প্ৰতি কৈছিল– "আপোনালোকে তেতিয়ালৈকে লিখি থাকক যেতিয়ালৈকে কোনোবাই আপোনালোকক মাননী নিদিয়ে। যদিহে এনেদৰে লিখি থকাৰ তিনিবছৰ পিছলৈকো কোনেও টকা-পইচা মাননী হিচাপে নাযাচে তেনেহলে লেখকসকলে নিশ্চিন্ত মনে ধৰি লব লাগে যে আচলতে কাঠ ফলাটোহে তেওঁলোকৰ কাম।"

অসমৰ কাঠ ফলা সাংবাদিক-সাহিত্যিক সকলৰ বাবে টোৱেইনৰ এই কথাষাৰ প্ৰণিধানযোগ্য।

> এবাৰ এগৰাকী দিল্লীস্থ উচ্চ বিষয়াই অসমৰ এখন কাকতত দুটা সংখ্যাত প্ৰকাশ কৰিব লগীয় সুদীৰ্ঘ প্ৰবন্ধ এটা লিখিছিল। প্ৰবন্ধটো প্ৰকৃততে গৱেষণা পত্ৰৰ দৰেই আছিল। এই দুয়োটা লেখাৰ বাবে লেখক-জনক যেতিয়া মাত্ৰ দুশ টকা মাননী যচা হ'ল তেতিয়া তেওঁ এজন বন্ধুক কৈছিল যে তেওঁৰ ল'ৰাটোৱে দিল্লীৰ কুইজ আলোচনী এখনত সামান্যতম লেখা এটা দি সাতশ টকা পাইছিল। এনে অৱস্থাত বিষয়া জনে যেতিয়া দিনৰ পিছত দিন অধ্যয়ন কৰি এই গৱেষণা পত্ৰ খন উলিয়াইছিল তেতিয়া তেওঁ সেই গৱেষণা পত্ৰৰ মূল্য পাইছিল মাত্ৰ দুশ টকা।

* * * * *

## প্ৰবীণ সাংবাদিকৰ আক্ষেপ

অসমৰ এক প্ৰবীণ সাংবাদিকে এই প্ৰতিবেদকৰ আগত অলপতে এইবুলি আক্ষেপ কৰে যে তেওঁৰ মুখ্য সম্পাদনাত প্ৰকাশ পোৱা কাকতখনৰ যি সম্পাদকীয় নীতি সেই নীতি কাকতখনত প্ৰকাশ পোৱা বাতৰি আৰু প্ৰতিবেদন সমূহত প্ৰকাশ পোৱা দূৰৰ কথা, বৰং ওলোটা নীতিহে প্ৰকাশ পায়। ফলস্বৰূপে কাকতখনৰ সম্পাদকীয়ত ওলাই এটা যুক্তি আৰু প্ৰতিবেদনত প্ৰকাশ পায় আন এটা যুক্তি। যি সময়ত অসমত মুক্ত সাংবাদিকতা, সংবাদ-পত্ৰৰ তথা সাংবাদিকৰ স্বাধীনতাৰ ওপৰত এচাম সাংবাদিকে ৰাজ্যখনত তোলপাৰ লগাই আছে। সেই সময়ত এই বয়োবৃদ্ধ সাংবাদিকজনে তেওঁৰ যি অসহায় অৱস্থাৰ কথা ক'লে সেইটো অসমৰ সাংবাদিকতাৰ স্বাধীনতাপ্ৰেমী সাংবাদিক সকলৰ বাবে পৰিহাসৰ কথা নহয়নে? অসমৰ স্বাধীনতাপ্ৰেমী সাংবাদিকসকলে এই বয়োবৃদ্ধ সাংবাদিকজনক বুঢ়া কালত পোৱা এই বৃত্তিগত যাতনাৰ পৰা মুক্তি দি মুক্ত সাংবাদিকতাৰ নিৰপেক্ষ ধ্বজা উৰুৱাব নোৱাৰেনে বাৰু?

* * * *

## বাতৰি কাকনো বোলে!

বাতৰি কাকনো বোলে সেইটো এটা বিশাল বিষয়। আমি কেৱল আমাৰ সাধাৰণ অভিজ্ঞতা এটাৰ কথা ক'বহে ওলাইছো। গুৱাহাটীৰ প্ৰায় দুহেজাৰ ছাত্ৰী পঢ়া-শুনা কৰা ইংৰাজী মাধ্যমৰ এখন স্কুল নতুন বছৰৰ বাবে যোৱা ২০ জানুৱাৰী তাৰিখে খোলাৰ কথা আছিল। কিন্তু স্কুলখনৰ চৌহদত নতুনকৈ গীৰ্জা এটি নিৰ্মাণ কৰি সেইটো উদ্বোধন কৰাৰ ফলত নিৰ্বাচিত তাৰিখৰ সলনি যোৱা ২৪ জানুৱাৰী তাৰিখে নতুন বছৰৰ পাঠ আৰম্ভ কৰাৰ সিদ্ধান্ত লোৱা হল। কিন্তু স্কুল বন্ধ থকা হেতুকে স্কুল খোলাৰ তাৰিখৰ পৰিবৰ্তনৰ সিদ্ধান্ত ছাত্ৰী তথা অভিভাৱকসকলৰ প্ৰত্যেককে গাইগুটীয়াকৈ জনোৱা সম্ভৱ নোহোৱাৰ বাবে স্কুলৰ প্ৰধান শিক্ষয়িত্ৰী গৰাকীয়ে কাকতত এই সম্পৰ্কে এটা খবৰ দিবলৈ ইংৰাজী কাকত এখনলৈ বাতৰিটো অনুৰোধ সহকাৰে দি মানুহ পঠিয়ালে। কিন্তু নতুনকৈ সম্পাদক হোৱা এই সম্পাদকজনে বাতৰিটো নুলিয়ালে। তেওঁ বাতৰিটো নুলিওৱাৰ যুক্তি এটাই যে এইটো চৰকাৰী স্কুল নহয়। তেখেতক বুজোৱা হ'ল যে চৰকাৰী স্কুল হলেতো কথাই নাছিল সকলো চৰকাৰী স্কুলৰ বন্ধ খোলাৰ তাৰিখ জনাবলৈ চৰকাৰে জাননী দিলেহেঁতেন। বেচৰকাৰী হোৱা বাবেই লেঠা। যিহেতু গুৱাহাটীৰ স্কুল সমূহৰ ভিতৰত এইখনো অন্যতম বৃহৎ স্কুল গতিকেই জনস্বাৰ্থৰ ফলতেই উলিয়াব লাগে। সম্পাদক গৰাকীয়ে বাতৰিটো বিবেচনা কৰিম বুলি ক'লে কিন্তু বাতৰিটো প্ৰকাশ নকৰিলে।

ফলত ২০ জানুৱাৰী তাৰিখে গুৱাহাটীৰ দুহেজাৰ পৰিয়াল ৰাতিপুৱাৰ পৰাই ব্যস্ত হ'ল তেওঁলোকৰ ছোৱালীক স্কুললৈ পঠাবলৈ। প্ৰত্যেকে আঠ-দহ টকা খৰচ কৰি ছোৱালীয়ে দুপৰীয়া খাবৰ বাবে টিফিন তৈয়াৰ কৰিলে। স্কুল বাছ আহিব বুলি ষ্টপেজত থিয় হৈ থাকিল। পিছত স্কুলৰ তৰফৰ পৰা বাছ সমূহ পঠিওৱা হ'ল এইটো খবৰ দিবলৈ যে সিদিনা স্কুল নোখোলে, খুলিব ২৪ জানুৱাৰী তাৰিখে। সম্পাদকজনে যদিহে সিদিনাৰ কাকতত কোনোবা এচুকত দুলাইন বাতৰি প্ৰকাশ কৰিলেহেঁতেন তেনেহলে দুহেজাৰ কণ কণ ছোৱালী আৰু লগতে দুহেজাৰ অভিভাৱক ৰাতিপুৱাই লটি-ঘটি হব লগীয়া নহ'লহেঁতেন। সম্পাদকজনে এইটো প্ৰকাশ কৰিব লগীয়া বাতৰি বুলি নাভাবিলেই। কাকতত কি প্ৰকাশ পাব বা নাপায় সেয়া সম্পাদকজনৰ নিজস্ব অধিকাৰৰ কথা। আমাৰ তাত মাত নাই। কিন্তু যদিহে হাজাৰ হাজাৰ ল'ৰা-ছোৱালীৰ বাবে আমাৰ কাকতত এধানো ঠাই দিব নোৱাৰো তেনেহলে কাকতসমূহ কেৱল মন্ত্ৰী-বিধায়ক আৰু সন্ত্ৰাসবাদীৰ বাবেই জানো!!

# বিশ্ববিদ্যালয়ৰ টুকুৰা খবৰ

স্বপ্না বেজবৰুৱা

অলপতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ ছাত্ৰ সংস্থাৰ সম্পাদকজনে এজন শিক্ষকক অপদস্থ কৰা কাৰ্যক লৈ এক অবাঞ্ছিত পৰিস্থিতিৰ সৃষ্টি হয়। জানিব পৰা মতে পৰিসংখ্যা বিজ্ঞান বিভাগৰ প্ৰবক্তা শৰৎ চন্দ্ৰ কাকতি এটা ছাত্ৰাবাসৰ অধীক্ষকৰ দায়িত্বত আছিল। এজন ছাত্ৰই সেই ছাত্ৰাবাস এৰি অন্য এটা ছাত্ৰাবাসলৈ অহাৰ সময়ত অধীক্ষকৰ লগত বিশেষ কাৰণত মত পাৰ্থক্যৰ সৃষ্টি হয়। বিষয়টো মীমাংসা কৰিবৰ বাবে ৮-১-৯২ তাৰিখে পঞ্জীয়কৰ কাৰ্যালয়ত আলোচনা মৰ্মে দুয়ো পক্ষৰ মাজত মিটমাট হয়। তাৰ পৰা ঘূৰি অহাৰ পথতে স্নাতকোত্তৰ ছাত্ৰ সংস্থাৰ সাধাৰণ সম্পাদক যোগেশ খনিকৰে প্ৰবক্তাজনক নানা কদৰ্য ভাষাৰে গালি গালাজ কৰাৰ উপৰিও শাৰীৰিক বাবে প্ৰহাৰ কৰাৰ প্ৰয়াস কৰে। (সম্পাদকজনে স্নাতকোত্তৰ ছাত্ৰ সংস্থাৰ কাৰ্যালয়ত শিক্ষকজনৰ বিষয়ে মন্তব্য কৰি কৰা শব্দবোৰ শালীনতাৰ খাতিৰত ইয়াত উল্লেখ কৰাৰ পৰা বিৰত থকা হ'ল।) এনে কাৰ্যৰ তীব্ৰ প্ৰতিবাদ জনাই শিক্ষকজনে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষলৈ বিহিত ব্যৱস্থাৰ বাবে জনোৱা আবেদনৰ প্ৰতিলিপি এনেধৰণৰ–

আনহাতে পৰিসংখ্যা বিজ্ঞান বিভাগৰ ছাত্ৰ-ছাত্ৰী সকলেও এনে কাৰ্যৰ তীব্ৰ প্ৰতিবাদ কৰি সাধাৰণ সম্পাদকজনক পদত্যাগৰ দাবীত ঘেৰাও কাৰ্যসূচী লোৱাৰ সিদ্ধান্ত কৰে। তেওঁলোকে এই কাৰ্যসূচীৰ সিদ্ধান্তৰ বিষয়ে স্নাতকোত্তৰ ছাত্ৰ সংস্থালৈ প্ৰেৰণ কৰা পত্ৰত উল্লেখ কৰে যে এজন সাধাৰণ সম্পাদক হৈ শিক্ষাগুৰুৰ প্ৰতি ছাত্ৰৰ আচৰণ কেনে হ'ব লাগে সেই কথা নজনাতো বৰ লজ্জাজনক বিষয়। ছাত্ৰ সকলৰ নিৰ্বাচিত প্ৰতিনিধি এজনে শিক্ষাগুৰুৰ প্ৰতি কৰা অপমানৰ দায়িত্ব সকলো ছাত্ৰ-ছাত্ৰীৰ ওপৰতেই পৰে। এনে অসৎ আৰু উদণ্ড স্বভাৱৰ ছাত্ৰ প্ৰতিনিধি ছাত্ৰ সমাজৰ বাবে কলংক।

এই একে সময়তে পৰিসংখ্যা বিজ্ঞান বিভাগৰ শিক্ষক সকলেও জৰুৰী বৈঠক আহ্বান কৰে আৰু এনে কাৰ্যৰ প্ৰতিবাদ কৰি বিহিত ব্যৱস্থাৰ বাবে কৰ্তৃপক্ষক আহ্বান জনায়। সেয়ে নহলে তেওঁলোকে অন্য কাৰ্যসূচীৰ আশ্ৰয় লোৱাৰ ভাবুকি দিয়ে। ইতিমধ্যে এই ঘটনাৰ কথা শিক্ষক সংস্থা আৰু শিক্ষক সংগঠনকো জনোৱা হয়।

অৱশ্যে পৰিস্থিতিয়ে অধিক জটিল ৰূপ ধাৰণ কৰাৰ আগতেই সাধাৰণ সম্পাদকজনে পঞ্জীয়কৰ কাৰ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সমুখত শিক্ষকজনৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰে। এনেকৈয়ে এই একাংক নাটখনৰ যৱনিকা পৰে।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বিভিন্ন অনিয়ম সম্পৰ্কে প্ৰতিবেদন প্ৰকাশ পোৱাৰ পাছত সম্প্ৰতি শিক্ষক নিযুক্তিৰ অন্য এক অনিয়মৰ খবৰ আমাৰ কাৰ্যালয় পাইছেহি। জানিব পৰা মতে শিক্ষা বিভাগত বি এড শ্ৰেণীৰ অসমীয়া বিষয়ৰ প্ৰবক্তাৰ এটা পদ কৰ্তৃপক্ষৰ অৱহেলা আৰু অমনোযোগিতাৰ বাবে বহু বছৰ ধৰি খালি হৈ আছিল। বি এড-ৰ ছাত্ৰ-ছাত্ৰী সকলে তেওঁলোকৰ প্ৰশিক্ষণৰ সময়ত নানান অসুবিধাৰ সমুখীন হৈ আহিছে। উল্লেখযোগ্য যে বাতৰি কাকতত বিজ্ঞাপন দি সাক্ষাৎকাৰ অনুষ্ঠিত কৰাৰ পাছতো কৰ্তৃপক্ষই নিজৰ স্বাৰ্থপূৰণৰ বাবে পদটোত কোনো লোকক মকৰল কৰা নাছিল। বিজ্ঞাপনত বিচৰা অৰ্হতাৰ ভিত্তিত সাক্ষাৎকাৰৰ যোগেদি যোগ্য প্ৰাৰ্থী বাছনি কৰা সত্ত্বেও তেওঁলোকক নিযুক্তি নিদি এতিয়া এনে এজন লোকক অস্থায়ী ভাবে শিক্ষকতা কৰিবলৈ অনুমতি দিয়া হৈছে যিজনৰ বিজ্ঞাপনত বিচৰা অৰ্হতাতো নায়েই, তেওঁ আনকি পদটোৰ বাবে আবেদনকাৰীও নহয়। কৰ্তৃপক্ষই মইমতীয়াভাবে নিয়োগ কৰা এইজন ব্যক্তিক শীঘ্ৰে বি এড পাঠ্যক্ৰম সম্পূৰ্ণ কৰিবৰ বাবে কোৱা হৈছে। সেইদৰে ইয়াৰ আগতেও এজন প্ৰবক্তাক নিয়োগ কৰি পাছত বি এড সম্পূৰ্ণ কৰোৱা হয়। উপযুক্ত অৰ্হতাসম্পন্ন লোক থকা সত্ত্বেও কাৰ স্বাৰ্থত এইদৰে অৰ্হতাবিহীন লোকক শিক্ষক হিচাপে নিযুক্তি দিয়া হয় সেই বিষয়ে তদন্ত হোৱা দৰকাৰ।

## গুৱাহাটী বিশ্ববিদ্যালয়

গুৱাহাটী বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ মহলাৰ ছাত্ৰ সংস্থাৰ নিৰ্বাচন সময় মতে অনুষ্ঠিত নোহোৱাত ছাত্ৰ-ছাত্ৰী সকলৰ মাজত গভীৰ অসন্তুষ্টিয়ে দেখা দিছে। যোৱা নিৰ্বাচন ১৯৯০ চনৰ ছেপ্টেম্বৰ মাহতে অনুষ্ঠিত হোৱালৈ চাই এইবাৰৰ নিৰ্বাচন ১৯৯১ চনৰ ছেপ্টেম্বৰতে অনুষ্ঠিত হ'ব লাগিছিল। কিন্তু সেই সময়ত চূড়ান্ত পৰীক্ষা সমূহ আৰম্ভ হোৱাত নিৰ্বাচন পাতিব পৰা নহ'ল। চাওঁতে চাওঁতে নৱেম্বৰ ডিচেম্বৰ পাৰ হৈ ১৯৯২ চনৰ জানুৱাৰী মাহো শেষ হ'ল; কিন্তু নিৰ্বাচন আজিকোপতি নহ'ল। এই কথাত সকলোৱে আশ্চৰ্য প্ৰকাশ কৰিছে। বৰ্তমান কাৰ্যনিৰ্বাহ কৰি থকা কমিটিখনৰ সকলো সদস্যই ইতিমধ্যে চূড়ান্ত পৰীক্ষা দি ওলাই গ'ল। আনহাতে বৰ্তমানৰ শেষান্ত বৰ্ষৰ শ্ৰেণী সমূহো শৈক্ষিক দিনপঞ্জীমতে মাৰ্চৰ ৩১ তাৰিখে অন্ত পৰিব। শৈক্ষিক দিনপঞ্জী মতে বিশ্ববিদ্যালয় সপ্তাহো অনুষ্ঠিত হ'ব লাগে ৩-৭ ফেব্ৰুৱাৰীত। তাৰো একো উম ঘাম নাই। নিয়মমতে নতুনকৈ নিৰ্বাচিত হোৱা স্নাতকোত্তৰ ছাত্ৰ সংস্থাই বিশ্ববিদ্যালয় সপ্তাহৰ আয়োজন কৰিব লাগিছিল। নতুন কমিটিতো নায়েই, পুৰণাখনৰো কোনো আয়োজন চলা নাই। আনহাতে পৰীক্ষাসমূহ সময়মতে অনুষ্ঠিত কৰিবৰ বাবে গুৰুত্ব আৰোপ কৰি অহা হৈছে। এই কথাত কাৰো দ্বিমত থাকিব নোৱাৰে। কিন্তু নিৰ্বাচন, বিশ্ববিদ্যালয় সপ্তাহ, যুৱ-মহোৎসৱ আদি যদি সময়মতে অনুষ্ঠিত কৰা নহয় তেন্তে পৰীক্ষাৰ তাৰিখ ঘোষণা কৰাৰ পাছত এচাম ছাত্ৰ-ছাত্ৰীৰ কাৰণে নিৰ্বাচনৰ বাবে পঢ়াৰ পৰিবেশ নষ্ট হ'ল, বি. বি. সপ্তাহৰ বাবে পঢ়া নহ'ল, যুৱ মহোৎসৱৰ বাবে পঢ়া নহ'ল বুলি স্মাৰকপত্ৰ একোখন লৈ উপাচাৰ্যক ঘেৰাও কৰি আকৌ হুলস্থূলৰ সৃষ্টি কৰিবলৈ সুবিধা হ'ল। অৱশ্যে তেওঁলোককো এক প্ৰকাৰে দুষিব নোৱাৰি। (যদিও আমি পৰীক্ষা পিছুওৱাৰ সমৰ্থক নহয়।) কাৰণ পৰীক্ষা যদি সময়মতে হ'ব লাগে, তেন্তে পৰীক্ষাৰ অনুকূল পৰিবেশ সৃষ্টি কৰিবৰ বাবে বাকী কামবোৰো সময়মতে সুকলমে হ'ব লাগে। তেতিয়া কাৰো স্বাৰ্থত আঘাত নপৰে। ■





# মানৱ সভ্যতা আৰু সংস্কৃতিঃ অতীত, বৰ্তমান, ভৱিষ্যত

ড০ পবিত্ৰ কুমাৰ শৰ্মা

বিংশ শতিকাৰ শেষ দশকত পৃথিৱীত মানৱ সভ্যতাই নতুন প্ৰত্যাহ্বানৰ সমুখীন হৈছে। পুঁজিবাদী গণতন্ত্ৰ আৰু মাৰ্ক্সবাদী সমাজবাদ দুয়োটাৰে বিসংগতি সমূহে সমগ্ৰ পৃথিৱীৰ ১৭৬খন দেশতে বিৰোধ আৰু সংঘাতৰ পথ প্ৰশস্ত কৰিছে। প্ৰতিখন ৰাষ্ট্ৰই ঘাইকৈ এছিয়া, আফ্ৰিকা, দক্ষিণ আমেৰিকা আৰু পূব ইউৰোপৰ ৰাষ্ট্ৰ সমূহত সামাজিক অস্থিৰতাই মানুহক নতুন পথৰ সন্ধানত আগবাঢ়িবলৈ সংঘবদ্ধ কৰি তুলিছে। বৰ্তমান পৃথিৱীৰ গণতান্ত্ৰিক ধাৰণা সমূহৰ মাজতেই মাৰ্ক্সে বিকল্প সাম্যবাদী সামাজিক গাঁথনিৰ সমল বিচাৰি পাইছিল। দহ হাজাৰ বছৰ আগতে কৃষি ভিত্তিক জীৱনলৈ বিবৰ্তন হোৱা মানৱ সমাজত প্ৰায় ৩৫০ বছৰ আগতে এক নতুন সভ্যতাৰ পত্তন হৈছিল ইউৰোপত। বাষ্প চালিত ইঞ্জিনৰ পৰা খনিজ ইন্ধন নিৰ্ভৰ ঔদ্যোগিক সভ্যতাৰ গতিশীলতাৰ চাবিকাঠি হ'লগৈ জীবাশ্ম ইন্ধন – পেট্ৰল, ডিজেল আদি। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ চৰম উৎকৰ্ষৰ ফলত কৃষি, উদ্যোগ আৰু মানৱ জীৱনৰ সকলো পৰ্যায়ত দ্ৰুতগতিত পৰিবৰ্তন আহিল। প্ৰকৃতি নিৰ্ভৰ মানৱ সমাজত প্ৰকৃতি বিজয়ৰ নতুন নতুন আহিলা আৰু প্ৰযুক্তি কৌশলৰ উদ্ভাৱন হ'ল।

আদিম মানুহে খাদ্য সংগ্ৰহতে বেছিখিনি সময় কটাব লগা হৈছিল। বনৰীয়া গছৰ ফলমূল আৰু চিকাৰ কৰি গোটোৱা জীৱজন্তু সাঁচি ৰখাৰ ধাৰণাৰ মাজে দিয়েই মানুহে ৰাহি উৎপাদনৰ জীৱন ধাৰালৈ পৰিবৰ্তন অনাৰ পথ দেখিছিল। চিকাৰী গোষ্ঠী সমূহৰ ৫০ জনৰ একোটা গোটক মাংসৰ প্ৰয়োজন হৈছিল প্ৰতিদিনত ১১ টন। মেমথেই আছিল মূল পশুখাদ্য। প্ৰতি ১০০ বৰ্গ কিলোমিটাৰত এনে মেমথ পোৱা গৈছিল ডেৰ টন। গতিকে ৫০ জন মানুহৰ খাদ্যৰ কাৰণে প্ৰয়োজন হৈছিল ৭০০ বৰ্গ কিলোমিটাৰ অঞ্চলৰ। প্ৰত্ন-প্ৰস্তৰ যুগত বনৰীয়া গাহৰি আৰু ভালুকৰ মাংসও গুহাবাসী মানুহৰ খাদ্য আছিল। মধ্য এছিয়াৰ্ত মানুহে খাইছিল পাহাৰীয়া ভেৰা। কোনো এটা অঞ্চলত খাদ্যৰ নাটনি হ'লেই মানুহে সেই ঠাই এৰি অন্য ঠাইলৈ গুচি গৈছিল। কৃষি ভিত্তিক জীৱন ধাৰাৰে স্থায়ী বসবাস আৰম্ভ কৰাৰ আগতে পৃথিৱীত মানুহৰ জনসংখ্যা আছিল ৫ লাখ। ১০ হাজাৰ বছৰ আগতে খেতি কৰা মানুহলৈ বিৱৰ্তন হওঁতে পৃথিৱীত মাথোন ৫০ লাখ মানুহহে আছিল। ১৬৩০ খৃষ্টাব্দত এই সংখ্যা বাঢ়ি ৫০ কোটি হয়গৈ। অষ্টাদশ শতিকাৰ মাজভাগত ঔদ্যোগিক বিপ্লৱৰ আৰম্ভণিতে জনসংখ্যা বাঢ়ি ১০০ কোটি হয়গৈ। এতিয়া পৃথিৱীৰ জনসংখ্যা ৫৭০ কোটি। প্ৰতি বছৰে জনসংখ্যাত যোগ হৈছে কোটি কোটি মানুহ। ২০০০ চনত পৃথিৱীৰ জনসংখ্যা ৭০০ কোটি হ'বগৈ।

পৃথিৱীত মানুহ বিস্তৃত হোৱাৰ লগে লগে প্ৰকৃতিৰ লগত বুজাপৰাৰেই মানৱ সভ্যতা আগ বাঢ়িছিল। বিশেষ এক প্ৰাকৃতিক ভৌগোলিক পৰিস্থিতিত মানুহৰ নিৰ্দিষ্ট সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক জীৱনে গঢ় লৈছিল। ভৌগোলিক পৰিবেশ আৰু অৰ্থনীতিয়েই জনবসতিৰ গৃহ নিৰ্মাণ, যাতায়াত ব্যৱস্থা, খাদ্য, খাদ্য সংৰক্ষণ আৰু ব্যৱহাৰৰ বাচনবৰ্তন, কাপোৰ কানি সকলোতে প্ৰভাৱ বিস্তাৰ কৰিছে। গ্ৰীণলেণ্ডত বসবাস কৰা এস্কিমো সকলে বৰফেৰেই থকা ঘৰ নিৰ্মাণ কৰে। বৰফেৰে সাজি উলিওৱা হয় অৰ্দ্ধ-বৃত্তাকাৰ গম্বুজ। ইয়াৰ ভিতৰত শিলৰ বাটিত থাকে চিল মাছৰ জ্বলন্ত চৰ্বি। চৰ্বিৰ উত্তাপত বৰফ গলি ভিতৰত বৰফ টুকুৰাবোৰ লগ লাগে। এনে ধৰণৰ বৰফৰ ঘৰবিলাকৰ নাম হ'ল 'ইগলু'। 'ইগলু'ত সোমোৱাৰ প্ৰবেশপথ আছিল তলফালৰ পৰা। তলফালি বৰফৰ মজিয়া খান্দি বৰফৰ দীঘল সুৰংগ তৈয়াৰ কৰা হৈছিল। তিনি চাৰি মিটাৰ ব্যাসৰ আৰু দুই মিটাৰ উচ্চতাৰ এনে একোটা ঘৰত দুটাকৈ পৰিয়ালে বাস কৰে। এস্কিমো পৰিয়ালৰ খাদ্য হ'ল তিমি, চিল মাছ, সিন্ধু ঘোঁৰা আৰু বগা ভালুক। তেওঁলোকৰ হাতিয়াৰ পাথৰ আৰু হাড়েৰে নিৰ্মিত।

মেৰু অঞ্চল, নাতিশীতোষ্ণ মণ্ডল, গ্ৰীষ্মমণ্ডল বা যি কোনো ঠাইতেই মানুহে বসবাস কৰে। প্ৰত্যেক অঞ্চলত খাদ্য আৰু চিকাৰ সংগ্ৰহৰ আহিলাৰ ধাৰাত পাৰ্থক্য আছে। যাযাবৰ চিকাৰী মানুহৰ মাজতে এনেদৰে ঘৰ সাজি থকাৰ পৰাই হাতিয়াৰ তৈয়াৰ কৰা, খাদ্য তৈয়াৰ কৰা আৰু সাঁচি ৰখাৰ ব্যৱস্থা হৈ যি অৰ্থনৈতিক পৰিবৰ্তন হ'ল তাৰ পৰাই নানা ধৰণৰ বৈষয়িক আৰু স্থানীয় সংস্কৃতিয়ে গঢ় ললে। কৃষি ভিত্তিক স্থায়ী জীৱনৰ আৰম্ভণি হ'ল ২০ আৰু ৪৫ অক্ষৰেখাৰ মাজৰ অঞ্চলত। পূব গোলাৰ্দ্ধত মানুহে পোহ মনোৱা সকলো প্ৰাণী পালেও পশ্চিম গোলাৰ্দ্ধত স্তন্যপায়ী পোহমনাব পৰা জন্তু আছিল কেৱল লামা। অনুকূল প্ৰাকৃতিক পৰিবেশত পূব গোলাৰ্দ্ধৰ ভিন ভিন অঞ্চলত কৃষি শস্যৰ প্ৰবৰ্তন হয়। ভূমধ্যসাগৰৰ পূৰ্বকোণৰ স্থলভাগত দুবিধ অতি প্ৰয়োজনীয় উদ্ভিদ গজিছিল বনৰীয়া



OKDISCD

ঘেঁহু আৰু বনৰীয়া বাৰ্লি। ইয়াৰ লগতে এই অঞ্চলত আছিল বনৰীয়া ছাগলী, বনৰীয়া গাহৰি, বনৰীয়া গৰু আৰু বনৰীয়া ভেৰা। প্ৰথমতে বাৰ্লি আৰু ঘেঁহু খেতি কৰি আৰু ক্ৰমে ছাগলী, ভেৰা, গৰু আৰু গাহৰি পোহ মনাই চিকাৰী মানুহে কৃষি সভ্যতাৰ পাতনি মেলিলে। এছিয়াত ধান আৰু আমেৰিকাত গোমধানৰ খেতি কৰা হ'ল। লগে লগেই সূচনা হ'ল কৃষি সংস্কৃতিৰ। ইয়াৰ বাহিৰেও অন্যান্য খাদ্যশস্য মটৰ, মচুৰ, কপাহ, গাজৰ আৰু নানান খাদ্যৰ নিৰ্বাচন কৰি মানুহে খেতি কৰিবলৈ ললে। মানুহৰ প্ৰব্ৰজনৰ লগে লগে খেতিবাতিও ই ঠাইৰ পৰা সিঠাইলৈ বিস্তৃত হ'ল। ভাৰত আৰু প্ৰশান্ত মহাসাগৰৰ উপকূলৰ পৰা ইটালি আৰু আইবেৰিয়ান উপদ্বীপলৈ ধান খেতিৰ প্ৰচলন হওঁতে সময় লাগিছিল ৮000 বছৰ। মধ্য এছিয়াৰ পৰা ঘেঁহু গোটেই পৃথিৱীতে বিয়পি পৰিল। আমেৰিকাত হোৱা গোমধান ৫00 বছৰৰ ভিতৰতে সকলো দেশতে খেতি কৰা হয়। তুৰ্কমেনিস্থান, ইৰাণ, ককেছাছ অঞ্চল, এছিয়া মাইনৰৰ পৰা আঙুৰ, নাছপতি, বেদানা, বাদাম, আখৰোট বিস্তৃত হৈছে পৃথিৱীৰ অন্যান্য অঞ্চললৈ। ইকোৱেডৰ, বলিভিয়া আৰু পেৰুত হোৱা আলুখেতিও এতিয়া পৃথিৱীৰ সকলো ঠাইতে হয়। এনেদৰে এঠাইৰ কৃষি পদ্ধতিয়ে অন্যান্য অঞ্চলত প্ৰচলিত কৃষি পদ্ধতিও সলনি কৰে। নিউজিলেন্ডৰ আদিবাসীৰ প্ৰধান খাদ্য আছিল মিঠা আলু। পিছলৈ আলু আৰু গোমধানে সেই খাদ্যাভাস সলনি কৰায়। মুঠতে দেখা যায় বিশেষ একোটা অঞ্চলৰ মানৱ গোষ্ঠীৰ খাদ্যত সেই অঞ্চলৰ জীৱন পৰিৱেশৰ প্ৰভাব পৰে।

আফ্ৰিকা, এছিয়াৰ স্তূপভূমি আৰু মেৰু অঞ্চলত গাখীৰ আৰু গাখীৰৰ উৎপাদিত বস্তুৰ প্ৰাধান্য বেছি। আনহাতে পৃথিৱীৰ বাকী সকলো অঞ্চলতে মাংস জাতীয় খাদ্যৰ ব্যৱহাৰ আছে। লাখ লাখ বছৰৰ আগতে আদিম মানুহে যিকোনো খাদ্যকে খাইছিল। জিভাৰ জুতিৰেই খাব পৰা আৰু অখাদ্য উদ্ভিদ বা প্ৰাণী বাছি উলিয়াইছিল। খাদ্য উৎপাদন কৰাৰ বহু আগেয়েই মানুহে জুইৰ ব্যৱহাৰ জানিছিল। সিজোৱা খাদ্য হজম হোৱাত সহজ বাবে সিজোৱা খাদ্য খোৱাৰ অভ্যাসৰ ফলত লাখ লাখ বছৰত মানুহৰ পাকস্হলী আৰু অন্ত্ৰৰ দৈৰ্ঘ্য কমি গ'ল। মানুহৰ বিবৰ্তনত খাদ্যাভ্যাসৰো অবদান কম নহয়। মাটিৰ বাচন ব্যৱহাৰ কৰি খাদ্য সিজোৱাৰ আগতেই পৰ্বতৰ গহ্বৰত পানী ঢালি জুইত তপতোৱা শিলৰ টুকুৰা দি পানী গৰম কৰা হৈছিল। এনে পানীত খাদ্য দি আধা সিজাকৈ খোৱাৰ অভ্যাস প্ৰথমতে হৈছিল। তাৰ পিছত বাঁহৰ চুঙাত সিজোৱা প্ৰথা প্ৰচলন হ'ল। চুঙা পিঠা কৰা আলামত এতিয়াও বাঁহৰ চুঙাতে চাউল সিজোৱা হয়। সেইদৰে খাদ্যৰ উপযোগী ধান নিৰ্বাচনত অসমীয়া কৃষক পাৰ্গত হৈছিল। কোমল ধান, অগ্নিশালি বৰা, আদি ধান অসমৰ মাটিত যথেষ্ট পৰিমাণে খেতি কৰা হৈছিল। মানুহৰ দৈহিক বিকাশ আৰু পুষ্টিত খাদ্যৰ ভূমিকা যথেষ্ট।

মানুহৰ শ্ৰমৰ প্ৰথম হাতিয়াৰ আছিল হাত দুখন। হাতৰ ব্যৱহাৰৰ উৎকৰ্ষ কৰিবৰ কাৰণে মানুহে উদ্ভাৱন কৰিলে শিলৰ দা, কটাৰি, অস্ত্ৰশস্ত্ৰ। প্ৰস্তৰ যুগৰ এনে অস্ত্ৰশস্ত্ৰ হাতিয়াৰ আৰু মাটিৰ পাত্ৰৰ লোহ আৰু তাম্ৰ যুগত লোহাৰ দা-কুঠাৰ, বল্লম, তামৰ পাত্ৰ আদিলৈ পৰিবৰ্তন হ'ল। হাজাৰ হাজাৰ বছৰৰ আগৰ কৃষি ভিত্তিক জীৱন ধাৰাত ব্যৱহৃত দা, কটাৰি, কোৰ, কুঠাৰ, পটা, জাত আদি নানান কৃষিকৰ্ম আৰু ৰন্ধন কাৰ্যত ব্যৱহৃত সামগ্ৰী এতিয়াও মানুহে ব্যৱহাৰ কৰি আছে। কবিৰাজি চিকিৎসাত ব্যৱহৃত হামানদিস্তাও ৰাসায়নিক পৰীক্ষাগাৰত ব্যৱহৃত হয়।

*(আগলৈ)*


সুন্দৰ, সুনিপুণ, প্ৰাণ চঞ্চল স্বাস্থ্য?

যৌন শক্তি আৰু যৌন নৈপুণ্যৰ ওপৰতেই শাৰীৰিক স্বাস্থ্য, সুখ আৰু সমৃদ্ধি সম্পূৰ্ণ নিৰ্ভৰশীল। সন্তানহীনতাকে ধৰি সকলো ধৰণৰ যৌন সমস্যা আৰু সোঁচৰা ৰোগৰ সৰ্বাধুনিক অতি সফল ব্যয়সাধ্য স্থায়ী আৰু দ্ৰুত নিৰাময়ৰ ১00% হাৰৰ গহীন অংগীকাৰ আমি আগবঢ়াওঁ।

ব্যক্তিগত বা ডাকযোগে যোগাযোগ কৰক।

সপ্তাহৰ আটাইবোৰ দিনতেই পৰামৰ্শ দান কৰা হয়।

সময় পুৱা ৮ বজাৰ পৰা নিশা ৮ বজালৈ।

উত্তৰ পূৰ্ব ভাৰতৰ সৰ্বশ্ৰেষ্ঠ যৌন বিশেষজ্ঞ

জেউতি ছেকস ক্লিনিক

এফ, এ, পথ; কুমাৰ পাৰা

গুৱাহাটী-৭৮১00৯

ৰেলগেট নং - ৬

ডাঃ এ, নেছাৰ

এম, বি, বি, এছ, এম ডি (গেট)

এম, আই, এছ, চি, এম, এন,

এছ, চি (যৌন) এম, জি, পি, এ (বম্বে)






# বহিৰাগতৰ সমস্যা

হোমেন বৰগোহাঞি

## উপসংহাৰ

### অসমীয়া ভাইসকললৈ এখন মুকলি চিঠি

'নাগৰিক'ৰ যোৱা ছটা সংখ্যা ধৰি বহিৰাগতৰ সমস্যা সম্পৰ্কে মই এটা দীঘল প্ৰবন্ধ লেখিও মোৰ আচল কথাটোৱেই ক'বলৈ বাকী থাকি গ'ল। সেই কাৰণেই নতুনকৈ এই মুকলি চিঠিৰ অৱতাৰণা।

বহিৰাগতৰ অবাধ প্ৰব্ৰজনে থলুৱা লোকসকলৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক ভবিষ্যত বিপদাপন্ন কৰি তুলিছে বুলি আজি তেওঁলোকৰ মনত ভীষণ ভয় সোমাইছে। সেই ভয় যে অমূলক নহয় সেই কথা সকলোৱে স্বীকাৰ কৰিছে। আনকি স্বয়ং প্ৰধান মন্ত্ৰী মোৰাৰজী দেশাইয়ো বোলে অসমৰ ভৱিষ্যত সম্পৰ্কে চিন্তিত হৈ উঠিছে।

কিন্তু বহিৰাগতৰ দলে যে কাকতী-ফৰিঙৰ দৰে অসম ছাটি ধৰিছে, তাৰ বাবে দায়ী কোন? কোনে তেওঁলোকক মাতি আনিছে? আপোনালোকে, অসমীয়া ভাইসকলে।

কেৱল গুৱাহাটীতে দহ হাজাৰমান ৰিক্সাৱালা আছে। তাৰে শতকৰা ৯০ জনেই বিহাৰ আৰু উত্তৰ প্ৰদেশৰ মানুহ, অৰ্থাৎ বহিৰাগত। ধৰি লওক, ৰাতিটোৰ ভিতৰতে এই দহ হাজাৰ ৰিক্সাৱালাই ভয় খাই গুৱাহাটী এৰি গুচি গ'ল, বা তেওঁলোকক খেদি পঠোৱা হ'ল; তেতিয়া গুৱাহাটীৰ কি অৱস্থা হব কল্পনা কৰকচোন। ৰিক্সাৱালাই এদিন ধৰ্মঘট কৰিলে গুৱাহাটীৰ মানুহৰ হাহাকাৰ লাগে; তেনেস্থলত বহিৰাগত এই দহ হাজাৰ ৰিক্সাৱালাই যদি চিৰকালৰ কাৰণে অসম এৰি গুচি যায়, তেন্তে দহ হাজাৰ থলুৱা অসমীয়া ডেকাই গুৱাহাটীত ৰাস্তাত ৰিক্সা চলাবলৈ ওলাই আহিব বুলি আপোনালোকে কথা দিব পাৰেনে?

গোটেই অসমত কেইহাজাৰ ৰিক্সাৱালা, মুটীয়া, ধোবা, নাপিত, মুচী, ঝাৰুদাৰ, ফেৰীৱালা, দাৰোৱান, মাটি-কটা নুনীয়া এক্কাৱালা, ঠেলা গাড়ীৱালা আৰু এনে ধৰণৰ হাজাৰটা বিচিত্ৰ কামত নিয়োজিত কেইহাজাৰ মানুহ আছে– হিচাপ কৰিবলৈ চেষ্টা কৰক। এনে মানুহৰ সংখ্যা নিশ্চয় লাখৰ ওপৰ হব। এওঁলোক সকলোৱে বহিৰাগত। এই একলাখ বহিৰাগতক আপোনালোকে অসমৰ পৰা খেদি বাহিৰ কৰি দিবলৈ ৰাজী আছে নে? তেতিয়া আপোনালোকৰ চিৰভ্যস্ত জীৱনধাৰা একে দিনাই সম্পূৰ্ণ অচল হৈ নাযাব নে? যদি সেয়েই হয়, তেন্তে আপুনি সত্যৰ খাতিৰত এই কথা স্বীকাৰ কৰি লব নালাগিব নে যে এই একলাখ বহিৰাগতৰ অবিহনে এক মুহূৰ্তৰ কাৰণেও আপোনাৰ জীৱন নচলে?

আপোনালোকে অসমীয়াসকলে অতীতৰ পৰাই এইবোৰ জীৱিকাত হাত নিদি এই একলাখ বহিৰাগতক নিজে অসমলৈ মাতি আনিছে। এনে বহিৰাগতৰ সংখ্যা একলাখতে সীমাবদ্ধ থকা হ'লে বোধহয় আপোনালোকৰ খুব বেছি আপত্তি নহ'লহেঁতেন। কিন্তু সেই সংখ্যা বাঢ়ি বাঢ়ি কেইবালাখো হোৱাৰ কাৰণে এতিয়া নিজৰ ঘৰতে সংখ্যালঘু হৈ পৰাৰ ভয়ত আপোনালোক আতঙ্কিত হৈ পৰিছে। কিন্তু নিজকে ফাকি দিবলৈ অপচেষ্টা নকৰি এই অপ্ৰিয় সত্যটো আপোনাসকলে স্বীকাৰ কৰি নলয় কিয় যে আপোনালোকৰ বাবুগিৰিৰ ভেম আৰু শ্ৰমবিমুখতাৰ সুযোগ লৈ আগতে যেনেকৈ একলাখ ৰিক্সাৱালা, মুটীয়া, মুচী, 'ফেৰীৱালা ঠেলাৱালা অসমলৈ আহিল, ঠিক তেনেকৈ এতিয়াও প্ৰতিদিনে শই শই হাজাৰে হাজাৰে মানুহ অসমলৈ আহিব ধৰিছে? অৰ্থাৎ পৰোক্ষভাৱে আপোনালোকেই তেওঁলোকক মাতি আনিছে? মনত ৰাখিব যে পৰিবহন ব্যৱস্থা আৰু শিল্প-বাণিজ্যৰ প্ৰসাৰৰ লগে লগে সমাজ সংগঠন জটিলতৰ হৈ গৈ থাকে আৰু তাৰ ফলত অজস্ৰ নতুন নতুন কৰ্ম-সংস্থাপনৰ সুযোগ সৃষ্টি হয়। সেই সুযোগবোৰ আপুনি লব নুখুজিলে আনে লবই। Nature abhors Vacuum. কিন্তু কেৱল প্ৰকৃতিয়ে নহয়, সামাজিক সংগঠনেও ভেকুৱাম সহ্য নকৰে। ধৰি লওক, যিমানবোৰ ন ন জীৱিকা বা কম-সংস্থাপনৰ সুযোগ ওলাইছে, সেইবোৰৰ প্ৰত্যেকটোৱেই একোখন চকী। আপোনালোকে থলুৱা মানুহবোৰে গজগজীয়া হৈ বহি সেই চকী দখল কৰি থাকে, তেন্তে নতুনকৈ অহা বহিৰাগতৰ সাধ্য আছে নে আপোনাক ঢকা মাৰি বগৰাই সেই চকী দখল কৰিবলৈ? চকীবোৰ খালী হৈ পৰি থকা দেখিয়েই বহিৰাগতসকল দলে দলে আহি তাত বহি পৰিছে। আপোনাসকলে নিজেও সেই চকীবোৰ দখল নকৰিব, আনে আহি দখল কৰিলেও আপোনালোকৰ চকু পুৰিব– এনে শিশু সুলভ আবদাৰি কঠিন সংসাৰে সহ্য নকৰে। মুঠতে লাখ লাখ বহিৰাগত অসমলৈ আহি পৰিছে এই কাৰণেই যে তেওঁলোকে কঠোৰ পৰিশ্ৰম কৰিব পাৰে, আপোনালোক অসমীয়াসকলে নোৱাৰে; পেটৰ ভাতমুঠি মোকোলাবলৈ যি কোনো কাম কৰিবলৈকে তেওঁলোকে লাজ নকৰে, আনহাতে বেছিভাগ কাম কৰিবলৈকে আপোনালোকে লাজ কৰে। ভাৰত উপমহাদেশৰ পৰা গৈ বিলাতত বসতি কৰা ক'লা ছালৰ লোকসকলৰ বিৰুদ্ধে বিলাতী চাহাবসকল সম্প্ৰতি ভীষণ খাপ্পা হৈ উঠিছে, তাকে দেখি উদাৰনৈতিক নিউ ষ্টেটচ্‌মেন কাকতে মন্তব্য কৰিছে: "এই ভাৰতীয় আৰু পাকিস্তানী লোকসকলৰ একমাত্ৰ অপৰাধ হ'ল এই যে তেওঁলোকে নিজৰ যোগ্যতা আৰু শ্ৰমৰ বলেৰে বিলাতৰ সমাজত নিজৰ কাৰণে ঠাই কৰি লৈছে। অসমৰ বহিৰাগতসকলৰ বিষয়েও ঠিক সেই একে কথাই ক'ব নোৱাৰিনে?

লাখ লাখ বহিৰাগতক অসমলৈ মাতি আনিছে আপোনাসকলেই– খিলঞ্জীয়া অসমীয়াসকলে। এতিয়া ন-অসমীয়া মুছলমান ৰূপে অভিহিত হৈ অসমীয়া সমাজৰ প্ৰধান অংগ হৈ পৰা লোকসকল ত্ৰিশৰ দশকত আছিল অবাঞ্ছিত বহিৰাগত। তেওঁলোকে অসমলৈ আহি দুৰ্গম অৰণ্য, চাপৰি আৰু জলাতক অঞ্চলবোৰ স্বৰ্ণপ্ৰসবিনী শস্য ক্ষেত্ৰত পৰিণত কৰিলে। সেই ত্ৰিশৰ দশকতো নামনি অসমৰ– বিশেষকৈ কামৰূপৰ– বেছিভাগ মানুহেই আছিল মাটিহীন অথবা অতি কম মাটিৰ গৰাকী। তেওঁলোকে সেই সময়ত অনাবাদী হৈ পৰি থকা সেই লাখ লাখ বিঘা মাটিৰ




OKDISCD

অন্ততঃ কিছু অংশও দখল কৰি লব নোৱাৰিলে কিয় ? আজিও বিদেশৰ পৰা নেপালী আহি মাটিহীন অসমীয়া খেতিয়কৰ চকুৰ আগতে অসমৰ হাবি-বননি টহিলং কৰি শেষ কৰিছে আৰু অসমীয়া খেতিয়কে সদ্য-বিধবাৰ দৰে বুকু চপৰিয়াই কেৱল কান্দিছে। সুদূৰ নেপাল আৰু পূৰ্ববঙ্গৰ পৰা এইসকল লোকে প্ৰতিকূল পৰিবেশ, প্ৰকৃতি আৰু মানুহৰ লগত যুঁজ কৰি নতুন বাসভূমি সৃষ্টি কৰিছে আৰু অসমীয়া খেতিয়কক চৰকাৰে জোঁৰাই আদৰাদি আদৰি মাজুলীৰ পৰা নি তিতাবৰত বহুৱাব খুজিলেও তেওঁলোক যাব নোখোজে ! যোগ্যা ভোগ্যা বসুন্ধৰা– এই কথা মিছা বুলি এতিয়াও প্ৰমাণিত হোৱা নাই। যিসকল লোকে নিজৰ ঘৰ এৰি বিদেশত গৈ উপনিবেশ পাতে, নতুন ৰাজ্য পাতে, তেওঁলোকৰ আটাইতকৈ ডাঙৰ মূলধন হ'ল দুৰ্জয় সাহস, কঠোৰ শ্ৰমশক্তি আৰু অন্তহীন কষ্টসহিষ্ণুতা। য়ুৰোপীয়সকলে আফ্ৰিকা, আমেৰিকা আৰু অষ্ট্ৰেলিয়া আদি দেশ জয় কৰিলে কেৱল তৰোৱাল আৰু বন্দুকেৰে নহয় ; তেওঁলোকৰ তাতোকৈ শক্তিশালী অস্ত্ৰ হ'ল Spirit of adventure, কল্পনাতীত কষ্টসহিষ্ণুতা আৰু দুৰ্জয় সাহস। অসমীয়া মানুহে ৰাজনীতি কৰিবলৈ শিকিছে, কথাই কথাই বিক্ষোভ আৰু আন্দোলন কৰিবলৈ শিকিছে, এশটা অসমীয়াই বেঢ়ি ধৰি পাঁচটা অসহায় অনা-অসমীয়াক মাৰপিট কৰিবলৈ শিকিছে, কিন্তু সাহস, সততা, শ্ৰমশক্তি আৰু কষ্টসহিষ্ণুতা আদি যিবোৰ গুণৰ বলত মানুহে পৃথিৱীত মানুহৰ নিচিনাকৈ জীয়াই থাকিব পাৰে, সেই গুণবোৰৰ সাধনা কৰিবলৈ তেওঁলোকে শিকা নাই।

বহিৰাগতক মাতি আনিছে আপোনাসকলেই, অসমীয়াসকলে। ৰাজনীতিৰ ব্যৱসায় কৰি পেট প্ৰবৰ্তোৱা অসমীয়া ভদ্ৰলোক সকলৰ বহুতেই ভোট পোৱাৰ আশাত কলমৰ এটা খোচতে কিমান বিদেশী অনুপ্ৰবেশকাৰীক ৰাতিটোৰ ভিতৰতে অসমৰ থলুৱা বাসিন্দাত পৰিণত কৰিছে তাৰ খবৰ আপোনাসকলে ৰাখেনে ? অসমীয়া মাটি হাকিম আৰু মণ্ডল-কাননগোৱে কিমান থলুৱা মাটিহীন লোকক বঞ্চিত কৰি ধনৰ লোভত হাজাৰ বিঘা মাটি বিদেশী অনুপ্ৰবেশকাৰীৰ কাৰণে মুকলি কৰি দিছে তাৰ খবৰ আপোনাসকলে ৰাখেনে ? মেল মোকাদ্দমা লাগি গণ্ডগোলীয়া হৈ থকা মাটি কি কায়দাৰে চাব-ৰেজিষ্ট্ৰাৰ অফিচত বিদেশী অনুপ্ৰবেশকাৰীৰ হাতলৈ যায়, তাৰ খবৰ আপোনাসকলে ৰাখেনে ? এইবোৰ খবৰ আপোনাসকলে ৰাখেনে ? এইবোৰ খবৰ আপোনাসকলে নাৰাখে। ৰাখিবৰ জোখাৰে ধৈৰ্য আৰু অনুসন্ধিৎসা আপোনাসকলৰ নাই। তদুপৰি এইবোৰ সৰুসুৰা লেকেটিয়া কথাত লাগি থাকি ৰাজনৈতিক নেতা হব নোৱাৰি, বাতৰিকাকতৰ হেডলাইন হীট কৰিব নোৱাৰি, জনসাধাৰণৰ চকুত হিৰ' হব নোৱাৰি হিৰ' হোৱাৰ সহজতম উপায় হ'ল বিক্ষোভ কৰা আৰু মাৰপিট কৰা ! বিক্ষোভ আৰু মাৰপিটতো বহুদিন কৰিলে, তাৰ পৰা অসমীয়া জাতিৰ কিবা লাভ হৈছে নে ? আপোনাৰ ৰণহুংকাৰত ভই খাই মাত্ৰ এজন বহিৰাগতও অসমলৈ কমকৈ অহা হৈছেনে বা ইয়াত চাকৰি নোপোৱাকৈ আছেনে ?

বহিৰাগতক তামোলপাণৰ শৰাই দি অসমলৈ মাতি আনিছে আপোনাসকলেই, অসমীয়া ডেকা-গাভৰুসকলে। সত্যৰ মুখামুখি হবলৈ ভয় নকৰিব। সত্য সদায় ভয়ঙ্কৰ। যি কাপুৰুষ, তেওঁহে কেতিয়াও সত্যৰ মুখামুখি হব নোৱাৰে। হে প্ৰিয় অসমীয়া ডেকা-গাভৰুসকল, আপোনাসকলে এই কথা জানেনে যে বেছিভাগ অসমীয়া নিয়োগকৰ্তাই পৰাপক্ষত কোনো অসমীয়া ডেকাক চাকৰি দিবলৈ ইচ্ছা নকৰে ? কিয় ? কাৰণ যি কঠোৰ শ্ৰমশক্তি, আন্তৰিকতা আৰু সততা শিল্প বাণিজ্যত কৃতকাৰ্যতাৰ প্ৰধান পূৰ্বচৰ্ত বেছিভাগ অসমীয়া ডেকাই এতিয়ালৈকে সেইখিনি আয়ত্ত কৰিব পৰা নাই। এজন অনা-অসমীয়া মানুহে এশ টকাত যিখিনি সেৱা

> বহিৰাগতক তামোলপাণৰ শৰাই দি অসমলৈ মাতি আনিছে আপোনাসকলেই অসমীয়া ডেকা-গাভৰুসকলে। সত্যৰ মুখামুখি হবলৈ ভয় নকৰিব। সত্য সদায় ভয়ঙ্কৰ। যি কাপুৰুষ, তেওঁহে কেতিয়াও সত্যৰ মুখামুখি হব নোৱাৰে। হে প্ৰিয় অসমীয়া ডেকা-গাভৰুসকল, আপোনাসকলে এই কথা জানেনে যে বেছিভাগ অসমীয়া নিয়োগকৰ্তাই পৰাপক্ষত কোনো অসমীয়া ডেকাক চাকৰি দিবলৈ ইচ্ছা নকৰে ? কিয় ?

আগবঢ়ায়, এজন থলুৱা অসমীয়া ডেকাৰ পৰা তিনিশ টকাতো সেইখিনি সেৱা আদায় কৰা টান। অথচ এই কথাই স্বাভাৱিক যে এজন ব্যৱসায়ী বা উদ্যোগপতিয়ে আটাতকৈ কম টকাৰ বিনিময়ত আটাইতকৈ বেছি সেৱা আদায় কৰিবলৈ বিচাৰিব। ঠিক এই ক্ষেত্ৰতে অনা-অসমীয়া কৰ্ম-প্ৰাৰ্থীসকলৰ লগত থলুৱা অসমীয়া ডেকাসকল প্ৰতিযোগিতাত বাৰে বাৰে হাৰি যায়। বহুতো অসমীয়া এমপ্লয়াৰৰ তিক্ত অভিজ্ঞতাৰ পৰা দেখা গৈছে যে অসমীয়া ডেকাসকল চৰকাৰী চাকৰিৰ বাহিৰে ব্যক্তিগত খণ্ডৰ চাকৰিৰ বাবে উপযুক্ত নহয়, কাৰণ ব্যক্তিগত খণ্ডৰ চাকৰিত চৰকাৰী চাকৰিৰ দৰে ফাকি দিয়াৰ বা এগছ কুটা দুগছ নকৰিও চাকৰি বজায় ৰখাৰ কোনো উপায় নাই। আপোনাসকলে অসমৰ আন ঠাইৰ কথা বাদ দি কেৱল গুৱাহাটীতে এটা জৰীপ চলাওক। দেখিব যে বেছিভাগ অসমীয়া ব্যৱসায়ী আৰু শিল্পপতিৰ প্ৰতিষ্ঠানতে শতকৰা পঞ্চাশজন বা তাতোকৈ বেছি অনা-অসমীয়া কৰ্মচাৰী। এই নিয়োগ-কৰ্তাসকলৰ বেছিভাগেই কিন্তু উগ্ৰ-জাতীয়তাবাদী, অৰ্থাৎ 'অসমীয়াৰ কাৰণে অসম' মতবাদৰ সমৰ্থক। অসমত শিক্ষিত নিবনুৱাৰ সংখ্যাই সম্প্ৰতি পাঁচ লাখৰ সীমা চেৰাই গৈছে। তেনেস্থলত এইসকল উগ্ৰ-জাতীয়তাবাদী অসমীয়া নিয়োগ-কৰ্তাই তেওঁলোকৰ নিজৰ নিজৰ প্ৰতিষ্ঠানত শতকৰা এশজন অসমীয়া ডেকা নিয়োগ নকৰে কিয় ? কিয় তেওঁলোকে নিজৰ বাতৰি কাকতত উগ অসমীয়া জাতীয়তাবাদ প্ৰচাৰ কৰি নিজৰেই ব্যৱসায় প্ৰতিষ্ঠানত শতকৰা ৬৫ জনকৈ অনা-অসমীয়া কৰ্মচাৰী ৰাখে ? দোষ সেইসকল নিয়োগকৰ্তাৰ নহয়। দোষ অসমীয়া ডেকাৰ। যি সততা আৰু কৰ্মদক্ষতা আধুনিক বাণিজ্যিক সভ্যতাৰ মূলমন্ত্ৰ, সেইটো তেওঁলোকে আয়ত্ত কৰা নাই। Exception নিশ্চয় আছে, but exception always proves the rule.



> প্ৰতিখন অসমীয়া স্কুলেও যদি অন্ততঃ একোখনকৈ অসমীয়া বাতৰি কাকত আৰু আলোচনী ল'লেহেঁতেন, তেনেহ'লে অসমীয়া ভাষাৰ কাৰণে হাজাৰবাৰ আন্দোলন কৰাতকৈ কেৱল এটা মাত্ৰ কাৰ্যৰ দ্বাৰাই অসমীয়া ভাষাৰ অধিক উন্নতি নহ'লহেঁতেন ? এতিয়া আহক কিতাপৰ কথালৈ। আপোনাক ভাষা কিয় লাগে– যদি সেই ভাষাত ভাল কিতাপ-পত্ৰ লেখা নহয়, যদি যি দুই চাৰিখন লেখা হয়, সিও কেৱল পঁইতাচোৰা আৰু নিগনিৰ আহাৰ হব লাগে ? আপোনাসকলে এই কথা জানেনে যে ভাৰতৰ আটাইকেইটা প্ৰধান ভাষাৰ ভিতৰত একমাত্ৰ অসমীয়া ভাষাতেই আটাইতকৈ কম কিতাপ প্ৰকাশ হয় ?

এতিয়া আহক অসমীয়া ভাষা-সাহিত্যৰ কথালৈ। আপোনাৰ অসমীয়া জাতীয়তাবাদৰ মূল অৱলম্বন হ'ল অসমীয়া ভাষা। 'চিৰ চেনেহী মোৰ ভাষা জননী' অসমীয়া ভাষাৰ কাৰণে আপোনাসকলে প্ৰাণ দিব পাৰে। ১৯৬০ চনৰ পৰা এতিয়ালৈকে কেইবাজনো অসমীয়া ছাত্ৰ ভাষা আন্দোলনত পুলিচৰ গুলিত নিহত হ'ল ; আপোনাসকলে তেওঁলোকক ছহিদ আখ্যা দি তেওঁলোকৰ স্মৃতি ফলক নিৰ্মাণ কৰিছে। আপোনালোকৰ মাতৃভাষাৰ প্ৰতি এই অনুৰাগ নিশ্চয় প্ৰশংসনীয়। কিন্তু কেৱল আন্দোলন কৰিলেই বা ছহিদৰ স্মৃতিস্তম্ভত বছৰি একোবাৰকৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিলেই এটা ভাষাৰ উন্নতি হোৱা সম্ভৱ নে ? ভাষা আমাক কিয় লাগে– যদি সেই ভাষাত মানুহৰ বৈষয়িক আৰু আধ্যাত্মিক উন্নতি সাধিব পৰা উচ্চমানৰ কিতাপ-পত্ৰ ৰচিত নহয় ? ভাষা আমাক কিয় লাগে– যদি তাৰ যোগেদি বিশ্বৰ শ্ৰেষ্ঠ ভাব সম্পদৰ লগত আমি যোগাযোগ স্থাপন কৰিব নোৱাৰো ? অসমীয়া সমাজত তথাকথিত শিক্ষিত মানুহৰ সংখ্যা এতিয়া বৰ কম নহয়। প্ৰতি বছৰে মাধ্যমিক শিক্ষান্ত পৰীক্ষা দিয়া ছাত্ৰ-ছাত্ৰীৰ সংখ্যাই একলাখৰ সীমা অতিক্ৰম কৰিছে। বিশ্ববিদ্যালয় নামৰ বিদ্যাৰ কাৰখানা কেইটাৰ পৰা প্ৰতি বছৰে গড়ে এহেজাৰজন স্নাতকোত্তৰ ডিগ্ৰীধাৰী আৰু আঠ হাজাৰ স্নাতক বাহিৰ হব ধৰিছে। ৰাজ্যখনত তিনিখন বিশ্ববিদ্যালয়, ১১৫খন সাধাৰণ শিক্ষাৰ কলেজ, ১৫৬৭খন মাধ্যমিক স্কুল ৩৩৯৭খন মজলীয়া স্কুল আৰু ১৯৭৪৫খন প্ৰাথমিক স্কুল আছে। অন্যান্য প্ৰফেশ্যনেল শিক্ষানুষ্ঠানৰ কথা বাদেই দিলো। ইমানবোৰ শিক্ষিত মানুহ আৰু শিক্ষানুষ্ঠান থকা সত্বেও অসমীয়া ভাষাত নিয়মিত ভাবে ওলাই থকা আলোচনী কেইখন আছে আৰু তাৰ গ্ৰাহকসংখ্যা কিমান জানেনে ? অসমৰ এজন বঙালী ভদ্ৰলোকে কলিকতাৰ পৰা 'আমাৰ প্ৰতিনিধি' নামৰ এখন আলোচনী উলিয়াই আছে, গ্ৰাহক বোধকৰো সাত হাজাৰমান হব। সেইখনেই এতিয়া অসমীয়া ভাষাৰ আটাইতকৈ দীৰ্ঘজীৱী আলোচনী ! অসম প্ৰকাশন পৰিষদে 'প্ৰকাশ' নামৰ এখন উচ্চ-মান বিশিষ্ট মাহেকীয়া আলোচনী প্ৰকাশ কৰে। চাৰি হাজাৰ ছপায়, তাৰে এহেজাৰ মানেই বিক্ৰী নোহোৱাকৈ থাকে। মাতৃভাষাৰ কাৰণে প্ৰাণ দিব পৰা অসমীয়া ডেকা-গাভৰুসকল, এতিয়া আপোনাসকলেই কওঁকচোন– আপোনাসকলে যদি নিজৰ ভাষাটোক সঁচাকৈয়ে অন্তৰৰ পৰা ভাল পালেহেঁতেন, তেন্তে এই আলোচনী দুখনৰ গ্ৰাহক কমপক্ষেও দহ হাজাৰজন হোৱা অসম্ভৱ হ'লহেঁতেননে ? প্ৰতিখন অসমীয়া স্কুলেও যদি অন্ততঃ একোখনকৈ অসমীয়া বাতৰি কাকত আৰু আলোচনী ল'লেহেঁতেন, তেনেহ'লে অসমীয়া ভাষাৰ কাৰণে হাজাৰবাৰ আন্দোলন কৰাতকৈ কেৱল এটা মাত্ৰ কাৰ্যৰ দ্বাৰাই অসমীয়া ভাষাৰ অধিক উন্নতি নহ'লহেঁতেন ? এতিয়া আহক কিতাপৰ কথালৈ। আপোনাক ভাষা কিয় লাগে– যদি সেই ভাষাত ভাল কিতাপ-পত্ৰ লেখা নহয়, যদি যি দুই চাৰিখন লেখা হয়, সিও কেৱল পঁইতাচোৰা আৰু নিগনিৰ আহাৰ হব লাগে ? আপোনাসকলে এই কথা জানেনে যে ভাৰতৰ আটাইকেইটা প্ৰধান ভাষাৰ ভিতৰত একমাত্ৰ অসমীয়া ভাষাতেই আটাইতকৈ কম কিতাপ প্ৰকাশ হয় ? আপোনাসকলে এই কথা জানেনে যে অসমীয়া ভাষাত প্ৰকাশ হোৱা কিতাপৰ সংখ্যা প্ৰতি বছৰে বাঢ়ি যোৱাৰ পৰিবৰ্তে সি কমিহে যাব ধৰিছে ? (১৯৭৩ চনত অসমীয়া কিতাপ প্ৰকাশ হৈছিল ২৫৯ খন ; ১৯৭৭ চনত প্ৰকাশ হৈছে মাত্ৰ ১৪৮ খন।) আপোনাসকলে এই কথা জানেনে যে অসমীয়া ভাষা শিক্ষাৰ মান দিনে দিনে ইমান অধোগতি হব ধৰিছে যে বৰ্তমানৰ শিক্ষিত অসমীয়া ডেকা-গাভৰুৰ ভিতৰত শতকৰা ৯০ জনেই শুদ্ধ অসমীয়া লেখিব নোৱাৰে ?

আন্দোলন কৰা সহজ। বাতৰি কাকতলৈ বিবৃতি দিয়া সহজ। কিন্তু নিৰলস সাধনা আৰু তপস্যাৰ দ্বাৰা এটা জাতিৰ চৰিত্ৰ-শক্তি গঢ়ি তোলা আৰু মহৎ ভাব সম্পদেৰে সমৃদ্ধ এটা উন্নত সাহিত্য সৃষ্টি কৰা মুখৰ কথা নহয়। শ্ল'গানৰ আয়ুস এটা মুহূৰ্ত মাত্ৰ ; সকলো আন্দোলন খেৰৰ জুইৰ দৰে দপদপাই জ্বলি পিছ মুহূৰ্ততে ছাই হৈ বতাহত উৰি যায় ; চিৰস্থায়ী হৈ থাকে কেৱল ভাবুকৰ মহৎ ভাব সম্পদ, লেখকে কঠোৰ সাধনাৰে নিৰ্মাণ কৰা ভাষা। *(শেষ)*

### শুধৰণি

যোৱা ১৬-৩১ জানুৱাৰী সূত্ৰধাৰত হোমেন বৰগোহাঞিৰ "বহিৰাগতৰ সমস্যা" শীৰ্ষক প্ৰবন্ধৰ প্ৰথম দফাৰ ১০ নম্বৰ শাৰীত 'মিল চাহাবে' বুলি ভুলকৈ ছপা হৈছে। তাৰ পৰিবৰ্তে হব লাগিছিল 'মোলান চাহাবে'। অনিচ্ছাকৃত ভুলৰ বাবে আমি দুঃখিত।

*সম্পাদক, সূত্ৰধাৰ*

## বিনম্ৰ পৰিতাপ

কাব্যশ্ৰী মহন্ত

মোৰ বিগত তাৰুণ্যৰ প্ৰিয়জনে ক'লেঃ
'সোণালী ধাননিক লৈ সদায়েই কবিতা হ'ব পাৰে।'
কেনেকৈ কওঁ? কেনেকৈ কওঁ তেওঁক?
বুকুত কৰাল মৰা প্ৰেমৰ চেকুৰা লৈ
কিদৰে বিচাৰিছো আধাৰ, একেটি আধাৰ
পাৰ্শ্বত তাৰুণ্য লৈ সান্নিধ্যৰ নিবিড় আশ্বাস।

এদিন অৰণ্য আছিল আধাগঢ়া,
আঙুলিৰে চুই চাব খুজিছিলো আলফুল নদীৰ কুণ্ডলী
কিয় বাৰু উম ল'ব খুজিলেই আঁতৰি যায়
দুবাহুৰ নিৰ্ভয় পতাকা?
ছাঁ ল'ব খুজিলেই আঁতৰি যায় সেউজ?

আজি সেই আধাগঢ়া অৰণ্যৰ সীমান্তত শুকুলা সৰল ৰেখা

কেনেকৈ কওঁ? কেনেকৈ কওঁ তেওঁক?
চকুৰ পতাত যে মোৰ বিনম্ৰ পৰিতাপ
হৃদয়ত নিৰ্মোহ উচ্ছ্বাস
মেলি চাব পৰা হ'লে, তুলি চাব পৰা হ'লে
অৰণ্যৰ আধাগঢ়াতেই এৰি অহা আধা অঁকা ছবি□

## স্বদেশৰ শব্দ

গৌতম বৰদলৈ

**প্ৰথম শব্দ**
গীৰ্জাঘৰৰ ঘন্টাৰ ধ্বনি যি পথেৰে হেৰাই যায়
সেই পথেৰেই পুনৰ আহে পুৱাৰ সূৰ্য্য–
মোৰ এই পূব প্ৰদেশ হাজাৰ আৱেগৰ বাসস্থান।
ইয়াত পৰ্বত নাই, সাগৰ নাই
আছে সৰু-বৰ বহুতো নদী, বহুত পাহাৰ

তোমালোকৰ গাভৰুহঁতৰ বক্ষসজোৱা
কাশ্মীৰি আপেলৰ গুলপীয়া ৰং ইয়াত নাই
ইয়াত প্ৰচুৰ সুমথিৰাৰ বাগান।

আমাৰ স্বকীয় কৃষ্টি আছে, নিজস্ব স্বাদ–
পূব প্ৰদেশৰ পাহাৰবোৰৰ পৰা বাগৰা
জলপ্ৰপাতৰ তীব্ৰতাতকৈও তীব্ৰ ইয়াৰ সৰল প্ৰেম।

ইয়াতো কবিতাই হাজাৰ যুৱতীক কন্দুৱাব জানে
মদিৰাতকৈও প্ৰবল ইয়াত কবিতাৰ নিচা।

**দ্বিতীয় শব্দঃ**
বহু জাতীয় আৰু জনজাতীয় যুৱতীৰ ডালিমগুটীয়া দাঁত,
ফিৰফিৰীয়া চুলি, বুকুভঙা হাঁহি–
এইবিলাক পূব প্ৰদেশৰ সুষমা।

উপত্যকা, পাহাৰ, নদী, জুৰি
হৃদয়খন নাচি নাচি প্ৰেমত জুৰুলা



অৱশেষত মোৰ অনভিজ্ঞ যৌৱন
পাটকাইৰ প্ৰতাপী স্তনত ঠেকা খাই থমকি ৰ'ল।

**আনুষংগিক শব্দঃ**
চিত্ৰলেখা। বোলো সখী চিত্ৰ লেখা!
উষাৰ খবৰ কি?
অনিৰুদ্ধ নিৰাপদ নে শোণিতপুৰত?
অশ্বক্লান্তত থমকি ৰ'ল কবিতাৰ ঘোঁৰা–
গৃহযুদ্ধত গৃহহীন নিৰস্ত্ৰ চিপাহী।

**শেষ শব্দঃ**
পূব প্ৰদেশ উগুল থুগুল–
কাৰ বিৰহ? কোন বিয়াকুল?
পাহাৰ চূড়াত শান্তি মিছিল–
উপত্যকাত সূৰ্য উঠিব
বিয়ুগুল?
বাজে বিয়ুগুল□

## শৱযাত্ৰা

পাৰ্থ প্ৰদীপ বৰা

মলিয়ন গান্ধী টুপি মূৰত পিন্ধি
পক্ষাঘাতত মোৰ দেউতা মৰিল।

সাত বছৰ সাত মাহ কাৰাগাৰত
স্বাধীনতাৰ দুৱাৰ ভঙা দেউতাৰ
যোৱা দুকুৰি বছৰে
প্ৰিয় খাদ্য আছিল – যন্ত্ৰণা,
প্ৰিয় পোছাক – দৰিদ্ৰতা।

গণতন্ত্ৰত সকলো সমান, মোৰ প্ৰিয় নেতাই কয়।
মানুহ অলপ প্ৰেক্টিকেল হ'ব লাগে,
সেয়ে, মনে মনে তুলনা কৰি চাওঁ
মোৰ শীৰ্ণ দেউতা আৰু গান্ধীবাদী প্ৰিয় নেতা
আঃ অসমতলীয় অসমীকৰণ!!

ডাচ কেপিটেল পঢ়ি কমৰেডে মোক মাতে
এইফালে আহা, এইফালে আহা,
যাব খুজিও ৰৈ যাওঁ, মোৰ দেহৰ সৰ্বত্ৰত
দেউতাৰ চিগা আঙুলি আৰু গান্ধী টুপি...

কেতিয়াবা ৰঙা পানীয়ৰ মাজৰ নিষিদ্ধ কোঠাত বহি
মোৰ প্ৰিয় বেশ্যাৰ শুকান বুকুত মুখ দিওঁ।
অলস ভাবে চুই চাওঁ তাইৰ দেহ,
তাইৰ দেহৰ সহস্ৰ যন্ত্ৰণাৰ অব্যক্ত ভাষা।

নিস্তেজ প্ৰতিটো ৰাতিপুৱা চমকি উঠো।
কুৰি টকীয়া দুচকুতো শাওণৰ অবিশ্ৰান্ত বৰ্ষা ঋতু!
........মোৰ দেউতাৰ পঁচা আঙুলি, আৰু
এই পঁচা গলিৰ সহজলভ্য দেহা......

এনেকৈয়ে আৰম্ভ হয়, গণতন্ত্ৰৰ মৃত সাঙীত
মোৰ দেউতাৰ শৱযাত্ৰা। □






# গ্ৰন্থমেলা '৯২

মনোৰমা বৰুৱা

"Books are a guide in youth
and an entertainment for age.
They support us under solitude
and keep us from becoming
a burden to ourselves."

যোৱা এক জানুৱাৰী তাৰিখৰ পৰা বাৰ জানুৱাৰী তাৰিখলৈ গুৱাহাটী চহৰ যেন হঠাতে প্ৰাণবন্ত হৈ উঠিল। অফিচৰ নিৰস ফাইল, বজাৰৰ বয়বস্তুৰ উৰ্দ্ধমুখী দাম-দৰ আৰু দূৰদৰ্শনৰ সাধাৰণ দৃশ্যশ্ৰাব্য ইত্যাদি দৈনন্দিন গতানুগতিকতাৰ মাজৰ পৰা ওলাই অকণমান সতেজ বতাহ লোৱাৰ অৱকাশ পালে গুৱাহাটীৰ ৰাইজে। আৰু দেখা গ'ল এই সুযোগটো ৰাইজে সম্পূৰ্ণৰূপে গ্ৰহণো কৰিলে।

উল্লেখযোগ্য যে বাৰ জানুৱাৰী অৰ্থাৎ গ্ৰন্থমেলাৰ শেষৰ দিনা ৰাতিপুৱাৰে পৰাই ফেৰফেৰীয়া বতাহ আৰু কিনকিনীয়া বৰষুণে নমাই অনা ঠেটুৱৈ ধৰা শীতকো উপেক্ষা কৰি যথেষ্ট ৰাইজৰ সমাগম জজখেলপথাৰত হৈছিল। সাধাৰণতে তেনেকুৱা এটা বতৰত মানুহে কাপোৰ কানি পিন্ধি সাজি কাঁচি বাটলৈ ওলাই অহাটোৱেই আশ্চৰ্যজনক কথা। অথচ গ্ৰন্থমেলা প্ৰাংগনত মানুহৰ ভিৰ আছিল যথেষ্ট।

সেয়েহে ৰাইজৰ উৎসাহ আৰু প্ৰাণচাঞ্চল্য দেখি স্বাভাৱিক ভাবেই মনলৈ প্ৰশ্ন এটা আহিছিল – 'অসমীয়া মানুহৰ এলেহুৱা চৰিত্ৰটো সলনি হৈ গ'ল নেকি? নে অসমীয়া মানুহে কিতাপ নপঢ়ে, এই অপবাদটোৰ হে কোনো সত্যতা নাই? নে মাত্ৰ 'মেলা' চোৱাৰ হেঁপাহ? (সাধাৰণতে যিটো হয়।) 'বাণিজ্যমেলা' 'বস্ত্ৰমেলা' 'আনন্দমেলা' 'সাহিত্যমেলা' (সভা); মুঠতে মেলা বুলিলে সাধাৰণ মানুহে ভাল পায়। আগ্ৰহ দেখুৱায়। ল'ৰা-ছোৱালীবোৰে আনন্দ লাভ কৰে। কিন্তু 'গ্ৰন্থমেলাত' ৰাইজৰ সমাগমৰো জানো সেইটোৱে কাৰণ? কাৰণ 'গ্ৰন্থমেলা শব্দটোৰ এটা অভিজাত চৰিত্ৰ আছে। আছে এটা সুকীয়া নিজস্ব গাম্ভীৰ্য। অথচ দেখা গৈছে যে গ্ৰন্থমেলাতো ৰাইজৰ সমাগম, সঁহাৰি ক্ৰমবৰ্দ্ধমান।

ৰাইজৰ উৎসাহ আৰু গ্ৰন্থমেলাৰ উদ্যোক্তা সকলৰ উদ্দেশ্য আৰু আদৰ্শৰ বিষয়ে জানিবলৈ গৈ যিখিনি দেখিলো আৰু জানিব পাৰিলো সেইখিনি এনেধৰণৰঃ – এইবাৰৰ এইখন গুৱাহাটীৰ ষষ্ঠ গ্ৰন্থমেলা। গ্ৰন্থৰ প্ৰচাৰ আৰু প্ৰসাৰৰ প্ৰতি লক্ষ্য ৰাখিয়েই অসম প্ৰকাশন পৰিষদে ১৯৮৪ চনত পৰিষদৰ 'ৰূপালী জয়ন্তী' বৰ্ষৰ উদ্‌যাপনৰ সৈতে সংগতি ৰাখি 'নেচনেল বুকট্ৰাষ্ট অব ইণ্ডিয়াৰ সহযোগত অসমত প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় গ্ৰন্থমেলাৰ'

> ‘অসমীয়া মানুহে কিতাপ বিচাৰে আৰু কিনে। দিল্লী, পাটনা (অলপতে পাটনাতও গ্ৰন্থমেলা অনুষ্ঠিত হৈ যায়।) আদি ঠাইত শতকৰা ৯০ জন গ্ৰন্থমেলাৰ দৰ্শক; মাত্ৰ ১০ জনহে ক্ৰেতা। আনহাতে অসমৰ ৭০ জনেই ক্ৰেতা; ৩০ জনহে দৰ্শক।’

আয়োজন কৰিছিল। তাৰ দু-বছৰৰ পিছত পুনৰ ১৯৮৭ চনত গুৱাহাটী গ্ৰন্থমেলা আয়োজন কৰা হয়। লগতে এটা শুভসিদ্ধান্ত গ্ৰহণ কৰা হয় যে প্ৰতিবছৰেই 'গ্ৰন্থমেলা' অনুষ্ঠিত হ'ব। আৰু সেই দৰেই গুৱাহাটীত ষষ্ঠ গ্ৰন্থমেলা অনুষ্ঠিত হ'ল।

প্ৰকাশক, বিক্ৰেতা, লেখক আৰু পাঠক ৰাইজৰ সমন্বয় থলী হৈ পৰিছে বৰ্তমানৰ গ্ৰন্থমেলা প্ৰাংগন। গ্ৰন্থমেলাৰ মহৎ উদ্দেশ্য আৰু অসমৰ ৰাইজৰ বাঢ়ি অহা আগ্ৰহলৈ লক্ষ্য ৰাখি এই গ্ৰন্থ উৎসৱৰ আয়োজন, ব্যৱস্থাপনা, পৰিকল্পনা, পৰিচালনা ইত্যাদিৰ বিষয়ে অলপ খৰছি মাৰি আলোচনা কৰাটো বোধকৰো অপ্ৰাসংগিক নহ'ব।

সংগৃহীত তথ্যানুযায়ী এইবাৰ অসমকে ধৰি মুঠ ১২৫টা প্ৰকাশন সংস্থাই গ্ৰন্থমেলাত যোগদান কৰিছে, নিতৌ গড়ে বাৰ হেজাৰ ৰাইজৰ সমাগম হৈছে আৰু তাৰে এদিন সৰ্বোচ্চ প্ৰায় সোতৰ হেজাৰ লোকৰ অভূতপূৰ্ব সমাগম হয়। টিকেট বিক্ৰী হয় প্ৰায় একলাখ সত্তৰ হেজাৰ টকাৰ। জানিব পৰা মতে সাধাৰণতে ইংৰাজী কিতাপৰ বিক্ৰী অধিক হয় যদিও অন্যান্য বছৰৰ তুলনাত অসমীয়া কিতাপৰ বিক্ৰী এইবাৰ অধিক হৈছে। আৰু ক্ৰেতা সকল হ'ল, বিশেষভাবে নতুন চাম অৰ্থাৎ যুৱসমাজ। যুৱসমাজ গ্ৰন্থমেলাৰ প্ৰতি আগ্ৰহী হোৱাৰ সাধাৰণ কাৰণ হ'ল, বিজ্ঞান, প্ৰযুক্তি, চিকিৎসা আৰু বিভিন্ন ইলেক্ট্ৰনিক মাধ্যমৰ বিষয়বস্তু সামৰি লোৱা কিতাপ অসমীয়াত প্ৰায় নাই বুলিবই পাৰি। গল্প উপন্যাসতকৈ তুলনা-মূলকভাবে এইবোৰ গ্ৰন্থ বা পাঠ্যপুথি সহায়িকা, সাধাৰণ জ্ঞান, গিনিচবুকত ঠাই পোৱা ঘটনাৰ সবিশেষ বিবৰণ থকা কিতাপৰ বিক্ৰী অধিক। গল্প, উপন্যাসৰ ক্ষেত্ৰত স্বনামধন্য প্ৰতিষ্ঠিত কিছু লেখকৰ কিতাপ লেখকৰ নাম আৰু পূৰ্বপৰিচিতিৰ ওপৰত ভিত্তি কৰি বিক্ৰী হৈছে আৰু সেই সমূহৰ ক্ৰেতা হ'ল বয়সস্থ প্ৰবীণ লোক সকল। নবীন চামে গল্প, উপন্যাসলৈ বিশেষ আগ্ৰহ (আঙুলি মূৰত লেখিব পৰা কেইখনমান কিতাপৰ বাহিৰে) নেদেখুৱাৰ কাৰণ বোধকৰো যিসকল প্ৰবীণ সাহিত্যিকে লেখামেলা কৰি আছে তেখেতসকলৰ অধিক সংখ্যকৰে চিন্তা-চৰ্চা প্ৰকাশভংগীৰ স্থবিৰতা। আনহাতে নবীন লেখকৰ সংখ্যাও তাকৰ। বিষয়বস্তুৰ বৈচিত্ৰ্য আৰু উন্নত প্ৰকাশভংগীৰ বাবেই হয়তো উঠি অহা চামে মনৰ তৃষ্ণা পূৰণ কৰিবলৈ ইংৰাজী বা আন ভাষাৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছে। তাৰ ফলত লাভবান হৈছে অসমৰ বাহিৰৰ বিক্ৰেতা আৰু প্ৰকাশক সকল।

দেখা গৈছে যে আগ্ৰহতেই হওক বা অভ্যাস বা প্ৰয়োজনতে হওক মানুহে কিতাপ কিনিছে, পঢ়িছে। গতিকে এইক্ষেত্ৰত আমাৰ প্ৰকাশক সকল যদি আৰু অধিক সজাগ আৰু সচেতন হ'লহেঁতেন তেতিয়া কিনোতাই স্থানীয় যিকোনো প্ৰকাশন প্ৰতিষ্ঠানতে বিচৰা কিতাপখন সহজে কিনিব পাৰিলেহেঁতেন। কাৰণ যিয়েই নেথাকক, দেখা গৈছে যে আমাৰ প্ৰকাশক সকলে এই বিষয়ে বিশেষ মনোনিবেশ কৰা নাই। ফলত আমাৰ পঢ়ুৱৈ, বাহিৰৰ প্ৰকাশকলৈ আশা পালি ৰৈ থাকিব লগা হৈছে।

আন এটা কথা হ'ল, গ্ৰন্থমেলাৰ এটা ব্যৱসায়িক দিশো আছে। বাহিৰৰ কিতাপ বিক্ৰেতা প্ৰতিষ্ঠানৰ যিটো ব্যৱসায়িক পাৰদৰ্শিতা বা ব্যৱসায়িক মনোবৃত্তি (Professional attitude) আছে, অসমীয়া বিক্ৰেতা সকলৰ সেইটোৰ অভাৱ। কিন্তু এইটো অনস্বীকাৰ্য যে চাকচিক্য বা চেলচ্‌মেনশ্বিপ (Salesmanship) এটা কলা আৰু ব্যৱসায়ৰ ক্ষেত্ৰত (যি ব্যৱসায়েই নহওক)ই অপৰিহাৰ্য। কিতাপ এখন কিনিবলৈ ক্ৰেতাৰ যিটো গৰজ, বিক্ৰেতাৰো বেচিবলৈ একেটা গৰজ হোৱা উচিত। কিন্তু অসমীয়া বিক্ৰেতাৰ মাজত সেইটো নাই। (কৰবাত ব্যতিক্ৰম হয়তো আছে)। অথচ বাহিৰৰ পৰা অহা একোজন বিক্ৰেতাৰ সেইটোৱেই মূলধন। তেওঁলোকে পুৱাৰ পৰা গধূলিলৈ মুখৰ হাঁহি অম্লান ৰাখি, যদি আপুনি বিচৰা বিশেষ কিতাপখন ঠাইতে পোৱাও নাই, আন এখন আপোনাৰ হাতত তুলি অনুৰোধ কৰিছে – 'এইখনো বেয়া নহয়। অনুগ্ৰহ কৰি এবাৰ চকু ফুৰাওকচোন। আপুনি বিচৰাখিনি ইয়াতো পাব পাৰে।' ইত্যাদি।

আন এটা কথা হ'ল, উদ্যোক্তা সকলে মন কৰিব লাগে বা জোৰ দিব লাগে যাতে প্ৰকৃত কিতাপ প্ৰকাশক সংস্থা (Original publishers) সমূহ – যেনে 'অক্সফোৰ্ড', 'পেঙগুইন', 'মেগ্ৰহিল' ইত্যাদি বিশ্ববিখ্যাত প্ৰতিষ্ঠানসমূহৰ এজেন্টসকল নাহি প্ৰকৃত সংস্থাসমূহ নিজেই আহে।

আকৌ, বাহিৰা প্ৰকাশক বা ব্যৱসায়ী সকলে যাতে নিজ নিজ ঠাইত বিক্ৰী নোহোৱা পুৰণা কিতাপ সমূহৰ পুৰণা নিৰিখৰ ওপৰত নতুন নিৰিখৰ লেবেল লগাই অসমীয়া মানুহৰ সৰলতাৰ সুযোগ লৈ অসাধু ব্যৱসায় কৰিব নোৱাৰে তাৰ প্ৰতিও সজাগ হ'ব লাগে। জানিব পৰা মতে, ভাৰতৰ গ্ৰন্থমেলা সমূহৰ ভিতৰত অসমৰ গ্ৰন্থমেলাই ৩য় স্থান পোৱাৰ যোগ্যতা ইতিমধ্যেই অৰ্জন কৰিছে। গতিকে ৰাইজ, প্ৰকাশন প্ৰতিষ্ঠান সমূহ আৰু লেখক সকলৰো এই ক্ষেত্ৰত দায়িত্ব আৰু সক্ৰিয় ভূমিকা আছে। সকলোৱে যদি আৰু অধিক সচেতন হয় তেন্তে প্ৰথম দ্বিতীয় স্থান লাভ কৰাটোও হয়তো বিশেষ কষ্টসাধ্য নহ'ব। আমাৰ প্ৰকাশক সকলে যদি অন্যান্য ভাষাৰ সাহিত্যৰ গ্ৰন্থসমূহৰ অসমীয়া অনুবাদ প্ৰকাশ কৰে তেনেহলে মানুহে পঢ়িব, কাৰণ 'ভস্তক' বা 'পেঙগুইন' প্ৰকাশনে যদি অসমীয়া কিতাপ প্ৰকাশ কৰে আৰু অসমীয়া মানুহে কিনি পঢ়ে, অসমীয়া প্ৰকাশকেই বা ভাল অসমীয়া কিতাপৰ বঙলা, হিন্দী, ইংৰাজী অনুবাদৰ কিতাপ প্ৰকাশ কৰিব নোৱাৰে কিয়?

ইউ বি এচ প্ৰকাশনৰ শ্ৰীঅনুপম গুলাটীৰ মতে – 'অসমীয়া মানুহে কিতাপ বিচাৰে আৰু কিনে। দিল্লী, পাটনা (অলপতে পাটনাতও গ্ৰন্থমেলা অনুষ্ঠিত হৈ যায়।) আদি ঠাইত শতকৰা ৯০ জন গ্ৰন্থমেলাৰ দৰ্শক; মাত্ৰ ১০ জনহে ক্ৰেতা। আনহাতে অসমৰ ৭০ জনেই ক্ৰেতা; ৩০ জনহে দৰ্শক।' আকৌ সাহিত্য একাদেমীৰ শ্ৰীঅৰুণ কাঞ্জিলালৰ মতে – 'অসমীয়া মানুহৰ ৰুচি অতি মাৰ্জিত; তেওঁলোক যথেষ্ট সহনশীল আৰু ধৈৰ্যশীল। অসমীয়া মানুহে ধৈৰ্যৰে বাছি বিচাৰি কিতাপ কিনে।' তেখেতৰ মতে 'কলিকতাৰ গ্ৰন্থমেলাত ১০ জন আহিলে ৬ জনে কিতাপ চায়, ৪ জনে কিনে। আনহাতে অসমত ১০ জনৰ ৭ জনে কিনে, ৩ জনে চায়।' একে অভিজ্ঞতা শ্ৰীকাঞ্জিলালৰ যোৰহাটত অনুষ্ঠিত গ্ৰন্থমেলাতো হয়। অৰ্থাৎ অসমীয়া মানুহে কিতাপ পঢ়ে। সাহিত্য একাদেমীৰ 'বিপনীত' ৰবী ঠাকুৰৰ 'সঞ্চয়িতাৰ' যথেষ্ট পৰিমাণে বিক্ৰী হোৱাৰ লগতে নৱকান্ত বৰুৱাৰ হুইটমেনৰ কবিতাৰ অনুবাদো বা চীনা কবিতাৰ ইংৰাজী অনুবাদো প্ৰচুৰ পৰিমাণে বিক্ৰী হৈছে। আৰু কবিতাৰ কিতাপৰ ক্ৰেতা নবীন প্ৰবীণ মিহলি। প্ৰসংগক্ৰমে উল্লেখ কৰি থওঁ যে, এইবাৰ কবিতাৰ কিতাপৰ বিক্ৰী তুলনামূলকভাবে ভাল। হীৰেন ভট্টাচাৰ্যৰ 'শইচৰ পথাৰৰ মানুহ' বা অজিৎ বৰুৱাৰ পুৰস্কাৰ প্ৰাপ্ত 'ব্ৰহ্মপুত্ৰ ইত্যাদি' বিক্ৰীও ভাল।

গতিকে ৰাইজৰ বাঢ়ি অহা গ্ৰন্থ প্ৰীতিলৈ লক্ষ্য ৰাখি অসম প্ৰকাশন পৰিষদে গ্ৰন্থমেলাৰ প্ৰতি আৰু অধিক গুৰুত্ব দিব লাগে। এইবাৰ গোট খোৱা অধিক সংখ্যক বিক্ৰেতা, প্ৰকাশকৰ মতে 'গ্ৰন্থমেলা প্ৰাঙগন'ৰ নিৰাপত্তা ব্যৱস্থাত অধিক গুৰুত্ব দিয়াটো উচিত। কাৰণ একেটা খৰচতে অসমৰ বাহিৰৰ অন্যান্য ঠাইত ষ্টল সমূহত 'কলাপচিবল গেট' বা 'প্লেটফৰ্ম' ইত্যাদি পায়। কিন্তু অসমত তেনে ব্যৱস্থা নাই। অথচ ভাড়া প্ৰায় একে সমানেই দিব লাগে। ইয়াৰ ষ্টল সমূহ অতি সাধাৰণ ভাবে তৈয়াৰী। দুখনমান কাঠৰ ৰেকৰ বাহিৰে একো নাই। ১২ জানুৱাৰীৰ বৰষুণৰ দিনা বহুত ষ্টলতে পানী পৰাৰ অভিযোগো শুনা গৈছিল। প্ৰকাশন পৰিষদৰ নিজস্ব বিপনীখনো এইবাৰ বৰ বেছি সাধাৰণভাবে ৰাখিছিল। সেইখনো সুদৃশ্য কৰি তোলাৰ থলো আছিল। প্ৰয়োজনো আছিল। মানুহৰ মন আকৰ্ষণ কৰিবলৈ Display বা প্ৰদৰ্শনীৰ এটা সহজাত আৰু অত্যাৱশ্যকীয় ভূমিকা আছে। আনহাতে মূত্ৰাগাৰ বা পানী যোগানৰ আৰু অধিক সু-ব্যৱস্থা হোৱাটো উচিত আছিল। চাহ-কফিৰ বিক্ৰেতা সকলে চাহ-কফি বা খোৱা বস্তুৰ ওপৰত যথেষ্ট বেছি দাম লৈছিল। সেই বিষয়টোও উদ্যোক্তা সকলে লক্ষ্য ৰাখি ৰাইজক সকাহ দিলে ভাল আছিল। গ্ৰন্থমেলাৰ সৈতে ৰজিতা খুৱাই 'লেখকৰ সভা' 'কবি সন্মিলন' বা 'প্ৰকাশকৰ সমস্যা' ইত্যাদি শীৰ্ষক যিবোৰ সভা অনুষ্ঠিত কৰিছিল সেইবোৰ সঁচাকৈয়ে বৰ প্ৰশংসনীয় প্ৰচেষ্টা আছিল। কিন্তু সেইবোৰে আৰু অধিক প্ৰচাৰ (Publicity) পাব লাগিছিল। বহা মেলাৰ সুবিধা অলপ বেছিকৈ কৰি দিব লাগিছিল।

এইখিনিতে আৰু এটা কথা উনুকিয়াই দিয়াটো বোধকৰো অপ্ৰাসঙ্গিক নহ'ব যে, 'গ্ৰন্থউৎসৱ' টো অকল গুৱাহাটীত সীমাবদ্ধ হৈ থাকিব নেলাগে।

অসম প্ৰকাশন পৰিষদ মূলতে প্ৰকাশন সংস্থা হে। এইদৰে বহলভিত্তিত গ্ৰন্থমেলাৰ আয়োজন কৰি পৰিষদে গুৰি ধৰি বাট দেখুৱাইছে। অসমৰ আন আন চহৰ বা গাঁৱে-ভূঞেও এনেধৰণৰ গ্ৰন্থমেলাৰ (সৰুকৈ হলেও) অনুষ্ঠিত কৰাৰ প্ৰয়োজন আছে। এইক্ষেত্ৰত অকল 'পৰিষদৰ' ওপৰতে সকলো দায়িত্ব জাপি নিদি প্ৰকাশক সকল একগোট হৈ স্থানীয় ৰাইজৰ সহযোগত আৰু স্বেচ্ছাসেৱী অনুষ্ঠান সমূহৰ উদ্যোগত গ্ৰন্থমেলাৰ আয়োজন কৰা উচিত। যিদৰে যোৱা বছৰত অসম প্ৰকাশন পৰিষদে যোৰহাটৰ 'অসম একাদেমীক চেন্টাৰৰ' সহযোগত যোৰহাটত পাতিলে আৰু পঢ়ুৱৈ ৰাইজৰ আশাতীত সঁহাৰি লাভ কৰিলে। সেইদৰে অন্যান্য চহৰ বা গাঁৱতো গ্ৰন্থমেলাৰ আয়োজন কৰিব লাগে। এনে কৰিলে সকলোৱে ভাল কিতাপ পঢ়িবলৈ আৰু কিনিবলৈ পোৱাৰ উপৰিও পঢ়ুৱৈ, প্ৰকাশক, লেখকৰ সংখ্যাও বৃদ্ধি পাব।

এইবাৰ গ্ৰন্থমেলাত শিশু-সাহিত্যৰ বিক্ৰীও খুব উৎসাহজনক। গতিকে শিশু-মনস্তত্বৰ উপযোগী গ্ৰন্থ উচ্চমানবিশিষ্ট ছপা আৰু শিশুৰ মনোগ্ৰাহী হোৱা বেটুপাতেৰে শিশু-সাহিত্য প্ৰকাশ কৰিব লাগে। এই দায়িত্ব নিষ্ঠাৰে লব লাগে শিশু সাহিত্য-ন্যাসে। দূৰদৰ্শন, ভি চি আৰ ইত্যাদি মাধ্যম সমূহ সাধাৰণতে কিতাপ পঢ়াৰ বাধা। কিন্তু ভাল মনোমোহা কিতাপ আৰু তাৰ অন্তৰ্নিহিত বিষয় বস্তুৱে এই মাধ্যম সমূহৰ পৰা শিশুৱেই হওক বা বৃদ্ধৰেই হওক মন কাঢ়িব পাৰে তাতকৈ সুখৰ কথা কি হ'ব পাৰে? আৰু দেখা গৈছে গ্ৰন্থমেলাই মানুহক কিতাপ পঢ়িবলৈ আগ্ৰহী কৰিছে।

চৰকাৰেও কিতাপ কিনাৰ ক্ষেত্ৰত স্কুল, কলেজ বা লাইব্ৰেৰী সমূহত অধিক বিত্তীয় অনুদানৰ মঞ্জুৰী দিব লাগে যাতে গ্ৰন্থমেলাত ওলোৱা প্ৰয়োজনীয় কিতাপ সমূহ ক্ৰয় কৰিব পাৰে।

বিক্ৰেতা সকলে কিতাপ অনুযায়ী ৰেহাইৰ হাৰ অন্ততঃ শতকৰা ২০%ৰ পৰা ২৫% ভাগ দিলে মধ্যবিত্ত শ্ৰেণীৰ পঢ়ুৱৈ ৰাইজ উপকৃত হ'ব।

অসম প্ৰকাশন পৰিষদে 'গ্ৰন্থমেলা'ৰ দৰে এটা অনুষ্ঠানৰ আয়োজন কৰি দেশৰ সাহিত্য সংস্কৃতিৰ প্ৰসাৰ আৰু প্ৰচাৰ বৃদ্ধি কৰাৰ লগতে এক শ্ৰেণীৰ সুষ্ঠ, সংস্কৃত পঢ়ুৱৈ ৰাইজ সৃষ্টি কৰাৰ বাবে প্ৰশংসা লাভ কৰাৰ লগতে সাম্প্ৰতিক কালৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক বাতাবৰণে সৃষ্টি কৰা অস্থিৰ সময়ছোৱাত দোদুল্যমান, দিশহাৰা হোৱা যুৱ সমাজৰ মাজত গ্ৰন্থ অধ্যয়নৰ অভ্যাস আৰু পৰম্পৰা গঢ়ি দিয়াৰ বাবেও ধন্যবাদৰ পাত্ৰ হ'ব পাৰে।

প্ৰকাশন পৰিষদৰ সহ সচিব শ্ৰীদিলীপ দত্তৰ কথাৰে সামৰণি মাৰিছো। 'প্ৰসাৰ আৰু প্ৰচাৰ যথেষ্ট হৈছে বা ৰাইজে 'গ্ৰন্থমেলা' আন্তৰিকভাবে আদৰি লৈছে বুলি আত্মসন্তুষ্টি লাভ কৰাৰ সময় এতিয়াও হোৱা নাই। কৰো বুলিলে বহুত কাম কৰিবলৈ এতিয়াও আছে।' ■





# নাৰীৰ সংখ্যা হ্ৰাস, ধৰ্ষণ, যৌতুক মৃত্যু ইত্যাদি

সবিতা লহকৰ

১৯৯১ চনৰ লোকপিয়লৰ ৰিপোৰ্টৰ পৰা ভাৰতীয় মহিলা তথা সামগ্ৰিক ভাবে সমগ্ৰ দেশবাসীৰ বাবেই উদ্বেগজনক এক তথ্য পোৱা গৈছে। প্ৰতি ১000 পুৰুষৰ অনুপাতে মহিলাৰ সংখ্যা কমি গৈ যোৱা বছৰটোত ই হৈছেগৈ ৯২৯ গৰাকী। ১৯৮১ চনত এই সংখ্যা আছিল ৯৩৪ গৰাকী। মাত্ৰ দহ বছৰতে 0.৫ শতাংশ হ্ৰাস হোৱা ঘটনাই সমাজ বিজ্ঞানী সকলক চিন্তিত কৰি তুলিছে। ক্ৰমহ্ৰাসমান পুৰুষ-মহিলা অনুপাতৰ বাহিৰেও আন দুটা ক্ষেত্ৰতো উদ্বেগজনক বৈশিষ্ট্য এই ৰিপোৰ্টতে ধৰা পৰিছে। ইয়াৰে এটা হ'ল মহিলাৰ নিৰক্ষৰতা আৰু জনসংখ্যা বৃদ্ধিৰ উচ্চহাৰ। এই পৰিস্থিতি নিঃসন্দেহে গভীৰ অনুসন্ধান আৰু বিশ্লেষণযোগ্য।

পুৰুষ-মহিলাৰ এই ক্ৰমহ্ৰাসমান অনুপাত ভাৰতীয় নাৰীৰ স্বাস্থ্যহীনতা আৰু নিম্ন সামাজিক মানদণ্ডৰে প্ৰতিফলন। ভাৰতীয় কন্যা শিশুসকলে প্ৰায় ক্ষেত্ৰতে জন্মিয়েই বৈষম্যৰ বলি হ'ব লগা হয়। শিশু-পুত্ৰৰ জন্মৰ হাৰ কন্যা সন্তানতকৈ বেছি আনহাতে শিশু-পুত্ৰৰ মৃত্যুহাৰ কন্যা শিশুতকৈ কম। সমীক্ষা আৰু অধ্যয়নৰ পৰা জনা গৈছে যে উপযুক্ত যত্ন আৰু পুষ্টিৰ অভাৱতে সৰহভাগ কন্যা শিশুই মৃত্যুবৰণ কৰিবলগীয়া হয়। আনহাতে জন্মৰ নিম্নহাৰৰ এটা কাৰণ হ'ল এই যে বৰ্তমানে আমাৰ দেশতো গৰ্ভস্থ সন্তানৰ লিংগ নিৰ্ধাৰণৰ পৰীক্ষা সহজ আৰু কম ব্যয় সাপেক্ষ হৈছে। গতিকে শিশু কন্যাৰ জন্মৰ পথেই অনেক ক্ষেত্ৰত ৰুদ্ধ হৈ গৈছে। অৱশ্যে আশাৰ কথা যে আজিকালি সচেতন আৰু শিক্ষিত মধ্যবিত্ত আৰু উচ্চমধ্যবিত্তৰ সমাজত কন্যা সন্তানৰ প্ৰতি এই অৱহেলাৰ ভাব ক্ৰমে হ্ৰাস পাই আহিছে। তথাপি সমগ্ৰ দেশৰ তুলনাত এনে পিতৃ-মাতৃৰ সংখ্যা আঙুলি মূৰত লিখিব পৰা। আমাৰ দেশৰ যি বৃহৎ জনগণে এতিয়াও উপযুক্ত শিক্ষাৰ পোহৰ পোৱা নাই, যি জনগণৰ মাজত আজিও আদিম সামন্তবাদী ধ্যান-ধাৰণা বৰ্তি আছে, তেওঁলোকৰ মানত আজিও নাৰী 'আঠুৱা তলৰ মহ'। সাবালকত্ব প্ৰাপ্ত হলেই, কেতিয়াবা নৌহওঁতেও, বিয়া দিয়াতেই যেন কন্যা সন্তানৰ প্ৰতি দায়িত্ব শেষ। তদুপৰি আমাৰ সমাজৰ সাধাৰণ ধাৰণা অনুসৰি বৃদ্ধ বয়সত পুত্ৰইহে মাক-দেউতাকক চোৱা-চিতা কৰে, ভৰণ-পোষণ দিয়ে। সেই বাবেও পুত্ৰ সন্তানৰ প্ৰতি মনোযোগ অধিক হয় বুলি ক'ব পাৰি। অৱশ্যে লোকপিয়ল ৰিপোৰ্টত দেখা গৈছে যে কেৰালা আৰু পশ্চিম ভাৰতৰ বহু অংশতে বিবাহিতা কন্যাইহে বৃদ্ধ মাক-দেউতাকক চোৱা-চিতা কৰিছে। এই অঞ্চলবিলাকত অৱশ্যে পুৰুষ-মহিলাৰ অনুপাতো সন্তোষজনক আৰু ভাৰতৰ গড় হাৰতকৈ সাক্ষৰতাৰ হাৰো বেছি।

সম্প্ৰতি জানিবলৈ পোৱা আন এটা তথ্যইও ভাৰতীয় সমাজত নাৰীৰ মান আৰু স্থান কি পৰিমাণে নিম্নগামী হৈছে তাক স্পষ্টকৈ দেখুৱাই দিছে। ভাৰতত যৌতুকৰ বাবে মৃত্যু হোৱাৰ ঘটনা নতুন নহলেও ক্ৰমবৰ্দ্ধমান এই সমস্যাই অতি জটিল ৰূপ ধাৰণ কৰিছে। কেন্দ্ৰীয় গৃহ-ৰাজ্য মন্ত্ৰী এম এম জেকবে অলপতে ৰাজ্যসভাত দিয়া এক তথ্য অনুসৰি ১৯৯১ চনৰ বছৰটোত সমগ্ৰ ভাৰততে এই মৃত্যুৰ সংখ্যা হৈছে ২৪৪৮টা। উল্লেখযোগ্য যে এই পৰিসংখ্যা হ'ল পঞ্জীয়নবদ্ধহে; পঞ্জীয়ন নোহোৱাকৈ এনে ঘটনা যে বহুত আছে সি সহজে অনুমেয়। আটাইতকৈ আশংকাৰ বিষয় হ'ল এইটোৱে যে কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুঠ ১০৯টা এনে ঘটনাৰ ১০৩টাই হ'ল খোদ ৰাজধানী দিল্লীৰ। ১০৩ গৰাকী মহিলাই দেশৰ ৰাজধানী, য'ত উচ্চ কাৰ্যবাহী, মন্ত্ৰী, প্ৰধান

মন্ত্ৰী, নানা সচেতন সামাজিক-ৰাজনৈতিক অনুষ্ঠান, আনকি স্বয়ং ৰাষ্ট্ৰপতিয়ে বাস কৰে – তাত যৌতুকৰ দৰে জঘন্য সামন্ত-প্ৰথাৰ বলি হৈ মৃত্যু বৰণ কৰিবলগীয়া হ'ল। ৰাজধানী দিল্লীৰ এই অৰাজক অৱস্থাই সমগ্ৰ দেশৰে অৱস্থা বুজাত আমাক সহায় কৰে। দেশৰ যৌতুক মৃত্যুৰ এই ঘটনাত সৰ্বোচ্চ স্থান লাভ কৰিছে উত্তৰ প্ৰদেশে। তাত ১১৫২ গৰাকী নাৰী যৌতুকৰ কুৎসিত লালসাৰ বলি হৈছে। প্ৰাচীন ভাৰতীয় ঐতিহ্যৰ ধ্বজাধাৰী, নাৰীক শক্তিৰূপে, মাতাৰূপে, দেৱীৰূপে বিশ্বাস কৰা বিজেপি শাসনাধীন ৰাজ্যত নাৰীৰ প্ৰতি এই অমানুষিক ব্যৱহাৰ দুৰ্জ্ঞেয়। অৱশ্যে সচেতন লোকে নজনা নহয় 'ভাৰতীয় সংস্কৃতি'ৰ নামত বিজেপি-য়ে প্ৰকৃততে কি সংস্কৃতিৰ পোষকতা কৰে। ভাৰতীয় পৰম্পৰা আৰু ঐতিহ্য ৰক্ষাকাৰী আন এক দল শিৱসেনা অধ্যুষিত আৰু কংগ্ৰেছ শাসিত মহাৰাষ্ট্ৰই যৌতুক মৃত্যুৰ ক্ষেত্ৰত দ্বিতীয় স্থান লাভ কৰিছে। শাসক কংগ্ৰেছ দলৰ ভুৱা নাৰী দৰদৰ স্বৰূপ বুজিবলৈ এতিয়া আৰু কাৰো বাকী নাই। এওঁলোকে আচলতে নাৰীক প্ৰচলিত ধ্যান-ধাৰণাতে বন্দী কৰি ৰাখিব খোজে। ই সত্য নহলে ৪৪ বছৰ অতিক্ৰান্ত স্বাধীনতাৰ প্ৰায় ৪০ বছৰেই কংগ্ৰেছ দল শাসনত থকা সত্ত্বেও নাৰীৰ প্ৰতি সামাজিক দৃষ্টিভংগী সলনি কৰাৰ বাবে একো দৃঢ় ব্যৱস্থা লোৱা নহ'ল কিয়? আনহাতে মহাৰাষ্ট্ৰৰ শক্তিশালী বিৰোধী দল শিবসেনাই পাকিস্তানী ক্ৰিকেট দলৰ ভাৰত ভ্ৰমণৰ দৰে বিষয়ক কেন্দ্ৰ কৰি হত্যাৰ দৰে পন্থা ল'বলৈকো পিছ নোহোহকে, অথচ নিজ বাই-ভনীক ৰক্ষা কৰিবলৈ এওঁলোক অক্ষম। যৌতুকৰ ঘৃণনীয় পৰম্পৰাৰ বিৰুদ্ধে এওঁলোকে আনকি মাত ঐষাৰো নেমাতে।

নাৰীৰ বিৰুদ্ধে সংঘটিত অন্যান্য অপৰাধমূলক ঘটনাৰ ক্ষেত্ৰতো ভাৰত পিছ পৰি থকা নাই। পঞ্জীয়নবদ্ধ এই ঘটনাসমূহৰ ভিতৰত ধৰ্ষণৰ ঘটনা ঘটিছে ৫৯১৬টা। ইয়াৰে সৰ্বাধিক ঘটনা ঘটিছে মধ্যপ্ৰদেশত, ১৫৩২টা। মধ্যপ্ৰদেশ কংগ্ৰেছ শাসিত ৰাজ্য। মধ্যপ্ৰদেশত ঘটা এই ধৰ্ষণৰ বলি হৈছে বিশেষকৈ আদিবাসী মহিলাসকল। সমাজৰ উচ্চবৰ্ণৰ মানুহৰ অত্যাচাৰৰ বলি হোৱা এই আদিবাসী মহিলা সকলে প্ৰায়েই তেওঁলোকৰ প্ৰাপ্য ন্যায় বিচাৰৰ পৰা বঞ্চিত হোৱাটো একেবাৰে সাধাৰণ ঘটনা। পুলিচ, প্ৰশাসন বা ৰাজনৈতিক দলৰ নেতা – কাৰো পৰা এওঁলোকে কোনো সহায় সাধাৰণতে লাভ নকৰে।

ধৰ্ষণৰ ঘটনাত উত্তৰপ্ৰদেশ আছে দ্বিতীয় স্থানত, তাত ৯২২ গৰাকী মহিলা ধৰ্ষিতা হৈছে। তৃতীয় স্থান বিহাৰৰ, ৪০৩ গৰাকী মহিলা এই পাশৱিকতাৰ বলি হৈছে। উল্লেখযোগ্য যে ধৰ্ষণৰ ঘটনাবোৰ লোক-লজ্জা আৰু অপবাদৰ ভয়ত সাধাৰণতে মানুহে প্ৰকাশ কৰিব নোখোজে। গতিকে প্ৰকৃত সংখ্যা যে ইয়াতকৈও অধিক হ'ব তাক অনুমান কৰি ল'ব পাৰি।

ইয়াৰ উপৰি আছে শ্লীলতাহানি আৰু অপহৰণৰ ঘটনা। সমগ্ৰ দেশতে শ্লীলতাহানিৰ ঘটনা ঘটিছে মুঠ ১২৯০২টা। ইয়াৰো সৰ্বাধিক ঘটনা হ'ল মধ্যপ্ৰদেশৰ। মহাৰাষ্ট্ৰ আৰু বিহাৰ আছে দ্বিতীয় আৰু তৃতীয় স্থানত। আনহাতে ১৯৯১ চনৰ বছৰটোত অপহৰণৰ মুঠ ঘটনা ঘটিছে ৭১১৬টা। অপহৰণৰ ঘটনা সৰ্বাধিক ঘটিছে উত্তৰ প্ৰদেশত।

নাৰীৰ প্ৰতি ক্ৰমবৰ্দ্ধমান এই আশংকাজনক পৰিস্থিতিত নাৰী সম্পৰ্কে সমাজৰ সামগ্ৰিক দৃষ্টিভংগীৰ পৰিবৰ্তন ঘটোৱাটো আৱশ্যক হৈ পৰিছে। নাৰীৰ ভূমিকাৰ সামগ্ৰিক পৰিবৰ্তন আৰু সম্প্ৰসাৰণৰ ওপৰতে ই নিৰ্ভৰ কৰিছে। নাৰীক কেৱল যৌন-তৃপ্তিৰ আহিলা বা সন্তান উৎপাদনৰ যন্ত্ৰ হিচাপে চোৱা আমাৰ সামন্ততান্ত্ৰিক ধ্যান-ধাৰণাৰ আশু পৰিবৰ্তন নঘটালে সমাজৰ প্ৰগতিও আধৰুৱা হ'বলৈ বাধ্য। কাৰণ সমাজৰ প্ৰগতি কেৱল পুৰুষক লৈ হ'ব নোৱাৰে। নাৰীও মানুহ আৰু এই স্বীকৃতি সমাজৰ পৰা আদায় কৰিব নোৱৰালৈকে এই আলাপ-আলোচনাও বাগাড়ম্বৰৰ বাহিৰে আন একো নহ'ব। এই স্বীকৃতি আদায়ৰ বাবে সৰ্বাধিক দায়িত্ব গ্ৰহণ কৰিব লাগিব নাৰীয়ে নিজেই। নিজৰ প্ৰতি থকা হীন মনোভাব আঁতৰাব নোৱাৰিলে, আত্ম-মৰ্যাদাবোধক তীব্ৰ কৰি তুলিব নোৱাৰিলে, শিক্ষিতা আৰু বুদ্ধিমতী নাৰীও পুৰুষৰ পুতৌ আৰু কৰুণাৰ পাত্ৰীহে হ'বগৈ। সেয়ে সৰ্বপ্ৰথম প্ৰয়োজন হ'ল নাৰীৰ আত্ম-জিজ্ঞাসা, আত্ম-বিশ্লেষণ আৰু আত্ম-সমালোচনাৰ। শিক্ষিতা, বুদ্ধিমতী নাৰীয়ে নিজক জানিলেহে গাওঁবাসী, বস্তিবাসী অগণন দৰিদ্ৰ, অশিক্ষিতা কিন্তু সংগ্ৰামী নাৰীকো পথৰ সন্ধান দিবলৈ সক্ষম হ'ব।

পূৰবী প্ৰকাশনৰ পৰা
নতুন আৰু বৰ্ণাঢ্য সাজেৰে অলপতে প্ৰকাশ পাব
জনক্ৰান্তি
প্ৰতি দেওবাৰে
সকলো ধৰণৰ প্ৰবন্ধ-পাতি পঠোৱাৰ ঠিকনা-
সম্পাদক,
জনক্ৰান্তি
মনজেৰা হাউচ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী- ১
(এজেন্সিৰ বাবে চাৰ্কুলেচন মেনেজাৰৰ লগত যোগাযোগ কৰক)





# লোহিত

অমৰজ্যোতি দাস




কিমান মানুহক যে সি লগ পায় তাৰ কোনো ঠিক নাই। বিভিন্ন বেশত বিভিন্ন মানুহ। সকলোকে মনত ৰখা তাৰ পক্ষে সম্ভৱ নহয়। তথাপিও তাৰ মাজতেই কিছুমানক তাৰ মনত থাকে। আলিবাটটোৰ কাষতে থকা ডাঙৰ আঁহতজোপাৰ কাউৰীবোৰকো তাৰ মনত থাকে। ওচৰৰ গুমটিটোৰ চাৰিচকাৰ তলত শুই থকা ভতুৱা কুকুৰটোও তাৰ মনৰ মাজত বিচৰণ কৰি ফুৰে। সকলোৰে লগত সি কথা পাতিব নোৱাৰে। তথাপি অন্ধ মানুহ এজনৰ দৰেই সি সকলোকে অনুভৱ কৰিব পাৰে। মনটো তাৰ বিশাল আকাশখনৰ দৰে। বিশাল আকাশখনৰ তলতেই সি সকলোকে উপলব্ধি কৰে। কোনোবাই হয়তো তাক মনত ৰাখে, কোনোবাই নেৰাখে।

তাৰ নাম লোহিত। তাৰ মাক-দেউতাক কোন আছিল সি ক'ব নোৱাৰে। কিছুমানে সি শুনাকৈয়ে তাৰ মাক-দেউতাকৰ বিষয়ে কথা পাতে। সি পিছে কোনো গুৰুত্ব নিদিয়ে এইবোৰ কথাত। তাৰ মাক-দেউতাকক তাৰ কিবা বহু পুৰণি অতীত এটা যেন লাগে। সি এই কথাটোকে মনত পেলাব নোৱাৰে যে তাৰ মাক-দেউতাক আছিল নে নাই! তাৰ বয়স বা কিমান হ'ল? ওহো, সি ক'ব নোৱাৰে। সি বাৰু বুঢ়া হৈছে নেকি? মানুহবোৰে তাক দেখোন বুঢ়া বুলি নকয়। কিছুমানে কয় অৱশ্যে। কলেও তাৰ কোনো আপত্তি নাই। তাক বুঢ়া বুলি কোৱা জনো এটা সময়ত নিজেই বৃদ্ধ হৈ পৰিব।

সেইদিনা মহাবীৰ উদ্যানত কেইজনমান মানুহে কথা পাতি আছিল। সি ওচৰতে থাকি কথাবোৰ শুনি আছিল। মানুহকেইজন হয়তো ট্ৰাকচালক। সিহঁতৰ কথা-বতৰাৰ বিষয়বস্তু আছিল সিহঁতৰ ওপৰত কৰা কিছুমান মন্তব্য। ট্ৰাকচালকক কোনোৱে ভাল মানুহৰ শাৰীত নেৰাখে। চিনেমাততো ট্ৰাক-চালক মানেই খলনায়কতকৈ এক খোপ ওপৰত। ছোৱালীক উপদ্ৰব, অত্যাচাৰ আদি কৰিবৰ বাবেই যেন ট্ৰাক ড্ৰাইভাৰবোৰ চিনেমাত আৱিৰ্ভাৱ হয়। বহু সময় কথা-বতৰা পতাৰ পিছত ট্ৰাকচালক কেইজনে সিদ্ধান্ত ললে যে সিহঁতে হিন্দী চিনেমা আৰু কেতিয়াও নেচায়। সিহঁতৰ সিদ্ধান্তটো লোহিতৰ ভাল লাগিল। পিছে সিহঁতে চিনেমা নোচোৱাকৈ থাকিব পাৰিবনে! ট্ৰাকচালক কেইজন অসমীয়া আছিল হ'ব পায়! অসমীয়াতেই সিহঁতে কথা পাতিছিল। এটা সময়ত সিহঁত মহাবীৰ উদ্যানৰ পৰা উঠি গুচি গ'ল।

কেতিয়াবা কেতিয়াবা কালিপুৰৰ উমাচল আশ্ৰমৰ পথটোৰ তললৈকে থকা প্ৰকাণ্ড শিলচটাৰ ওপৰত দুজন মানুহ আহি বহে। বহি বহি নিৰ্জনতাখিনি উপভোগ কৰে। ঘন্টাৰ পিছত ঘন্টা ধৰি মানুহ দুজন বহি থাকে। কোনেও কাৰো সৈতে কথা নেপাতে। লোহিতেও আহি কেতিয়াবা এই প্ৰকাণ্ড শিলচটাৰ কাষতে বয়। মানুহ দুজনৰ লগত তাৰ সাক্ষাৎ হয়। তাৰ লগত অৱশ্যে সিহঁতে কথা নেপাতে। নিৰ্জনতাখিনি সিও উপভোগ কৰিবলৈ আৰম্ভ কৰে। কিছুদিন আগতে সি মানুহ দুজনক এই শিলচটাৰ ওপৰতে বহি থকা অৱস্থাত দেখা পাইছিল। সিহঁতৰ মাজৰ কথোপকথন সেইদিনা সি প্ৰথমবাৰৰ বাবে শুনা পালে। মানুহ দুজনে বাতৰি কাকতবোৰৰ বিষয়ে কথা কৈছিল হ'বলা! বাতৰি কাকতবোৰৰ সম্পাদক, ৰিপৰ্টাৰ ইত্যাদিক একেলগে গোটাই মেলি এখন

চৰকাৰ গঠন কৰিব লাগে বুলি এজনে আনজনক প্ৰস্তাৱ দিছিল। যদি সেইখন চৰকাৰে ভালদৰে ৰাইজক চলাই লৈ যাব নোৱাৰে তেনেহলে সেইবোৰক শাস্তি দিব লাগে বুলি কৈছিল। নহলে হেনো ইহঁতবোৰে নে চৰকাৰ নে আন্দোলনকাৰী নে ৰাইজ কাকো শান্তিৰে থাকিব নিদিয়ে। 'সমালোচকৰ সূত্ৰ কি জানানে?'

'নাজানো।'

'মইও ভালদৰে নাজানো। তথাপি এটা কথা কৈ থওঁ, তেওঁলোকে গাড়ী এখন কেনেকৈ চলাব লাগে জানে কিন্তু নিজে ড্ৰাইভাৰৰ চিটত বহি গাড়ীখন চলাব নোৱাৰে।'

মানুহ দুজনৰ কথা-বতৰাবোৰ লোহিতে ভালদৰে বুজি নাপালে। সি মানুহ দুজনক তাতেই এৰি গুচি আহিল।

পাণবজাৰত সি বহুদিন প্ৰেমত বিয়াকুল হোৱা ল'ৰা-ছোৱালীক যোৰা পাতি গৈ থকা দেখিছে। সিহঁতৰ সৰু সৰু কথাৰ টুকুৰাবোৰ সি কাণ পাতি শুনিবলৈ যত্ন কৰিছে। সিহঁতেও তাৰ ওচৰত লাজ নকৰি মুকলি ভাবেৰে কথাবোৰ কৈ গৈছে। অৱশ্যে তাক উদ্দেশ্য কৰি কথাবোৰ কোৱা নাই সিহঁতে। ল'ৰা-ছোৱালী হালে কথা পাতি গৈ থাকোতে সি কথাবোৰ শুনিছে। বয়সৰ প্ৰশ্নটোৱে তাৰ মনৰ মাজত আকৌ এবাৰৰ বাবে উক দিছে। তাৰ বয়স বা কিমান? সি নিজেই নাজানে।

সেইদিনা আকৌ অবাক কান্ড এটা হ'ল। হঠাতে ক'ৰবাৰ পৰা ডেকা ল'ৰা এটা দৌৰি আহি তালৈ বুলি কিবা গধুৰ বস্তু এটা দলিয়াই দিলে। সি সেই সময়ত কেঁকুৰীটোৰ ওচৰত থিয় হৈ আছিল। বস্তুটো দলিয়াই দিয়েই ল'ৰাজন ঠাইখিনিৰ পৰা নোহোৱা হ'ল। সি গধুৰ বস্তুটো দুয়ো হাতেৰে ধৰি পেলালে। বস্তুটো সি দুয়োহাতেৰে বুকুৰ মাজত গুজি লৈ থিয় হৈ থাকিল। কিছু সময় পিছত পুলিচ কেইজনমান আহি তাৰ হাতৰ পৰা বস্তুটো কাঢ়ি লৈ গুচি গ'ল। গধুৰ বস্তুটো হেনো এটা বন্দুক আছিল। সি তেনেহলে ইমান সময় বন্দুক এটা দুয়োহাতেৰে ধৰি থিয় হৈ আছিল! সি যেন বহুদিন আগতেও এনেদৰে দলিয়াই দিয়া বন্দুক, বৰতোপ দুয়োহাতেৰে ধৰিছিল, এনে এটা ভাব তাৰ হ'ল। কিমান দিন আগৰ বা কথা সেইবোৰ! সি ক'ব নোৱাৰে। সেইদিনাৰ পুলিচৰ ওপৰৱালাজন অৱশ্যে ভাল মানুহ আছিল। দলিয়াই দিয়া বন্দুকটোৱে তাক আঘাত কৰিলে নেকি বুজিবৰ চেষ্টা কৰিছিল। তাৰ আঘাত অৱশ্যে পুলিচৰ ওপৰৱালাই ধৰিব নোৱাৰিলে।

কেতিয়াবা কেতিয়াবা নাটকীয় মুহূৰ্ত কিছুমানো লোহিতে দেখা পায়। দেখা পায় মানে চকুৰ আগত নিজেই আহি ধৰা দিয়ে। তাপস বোলা ল'ৰাজনৰ কথা তাৰ মনত পৰে। তাপসৰ ঘৰ কলিকতাৰ ওচৰৰ ভবানীপুৰত। ঘৰত মাক-দেউতাক আছে, ককায়েক আৰু বায়েক আছে। সি ঘৰৰ সৰু ল'ৰা। ককায়েক ডাক্তৰ আৰু বায়েকৰ অফিচাৰ এজনৰ সৈতে বিয়া হৈ গৈছে। পিছে বিপদটো সেইখিনিতেই। ককায়েক, বায়েকৰ দৰে সি ভালদৰে পঢ়াশুনা কৰিব নোৱাৰিলে। ভালদৰে মানে কি, মেট্ৰিকৰ ডেওনাই সি পাৰ হ'ব নোৱাৰিলে। দেউতাকৰ হোটেলত থাকিয়েই খাই বৈ সি নিজঞ্জাল জীৱন যাপন কৰিছিল। দেউতাকেও অৱশ্যে তাক একো নকয়, গালিও নাপাৰে। মাকো দেউতাকৰ নিচিনাই। দেউতাকে হয়তো ভাবিছিল তাপসে একো নকৰিলেও ভাড়া ঘৰৰ আয়েৰেই চলিব পাৰিব। তাপসৰ যেতিয়া বয়স তেইশ বছৰমান হ'ল, হঠাতে তাৰ মনলৈ বিভিন্ন চিন্তা আহিবলৈ ধৰিলে। ঘৰত এনেয়ে খাই বৈ থকা কথাটোৱে তাক বিচলিত কৰি তুলিলে। ঘৰত থকাটো তাৰ বাবে অসম্ভৱ হৈ উঠিল। অথচ ঘৰৰ কাৰোৱেই সি এনেয়ে বহি থকা বাবে আক্ষেপ নাই, কোনো সমস্যাৰো সৃষ্টি হোৱা নাই। সি নিজেই নীচাত্মিকা ভাবত ভুগিবলৈ ধৰিলে। নিৰুপায় হৈ সি ঘৰ এৰাৰ সিদ্ধান্ত ল'লে, আৰু এদিন ৰাতিপুৱা ঘৰৰ পৰা ওলাই আহিল। লগত অৱশ্যেই ঘৰৰ পৰা অলপ পইছা লৈ আহিছিল। আহি আহি সি গুৱাহাটী পালে। গুৱাহাটীত সি কৰিব পৰা কামো বিচাৰি পালে। কামটো অৱশ্যে আইন মতে ঠিক কাম নহয়। সি তাতেই সন্তুষ্ট হ'ল। তাৰ নিচিনা ল'ৰাৰ চৰকাৰী কাম কৰিবলৈ চাৰ্টিফিকেট নাই। চাৰ্টিফিকেট থকা বহু ল'ৰাকো সি কাম নেপাই ঘূৰি ফুৰা দেখিছে। গুৱাহাটীৰ পৰা সি শিবলঙলৈ গ'ল। মেঘালয়ৰ পৰা কয়লা অসমৰ মাজেৰে লৈ গৈ কলিকতাত চাপ্লাই দিব লাগে। প্ৰথমতে সি গুৱাহাটীলৈ কয়লা অনা কাম কৰিছিল। কলিকতালৈ যাবলৈ তাৰ মনে নামানে। কলিকতালৈ যাবলৈ হয়তো অলপ ভয়, অলপ অভিমান, অলপ লাজে তাৰ মনত ভুমুকি মাৰে। তথাপি পিছলৈ সকলো কথা তাৰ বাবে সহজ হৈ আহিল। সি কলিকতালৈ যাব পৰা হ'ল। ঘৰলৈ যাবলৈও সি সংকোচ নকৰা হ'ল। সি অৱশ্যে কিং কৰে, তাৰ জীৱিকা কি, এইবিলাক কথা ঘৰৰ পৰা গোপনে ৰাখিলে। মাক-দেউতাক আগৰ দৰেই নিৰুদ্বেগ, যেন একো হোৱা নাই। ককায়েকে ইতিমধ্যে বিয়া-বাৰু কৰাই চৰকাৰী বাসগৃহত থাকিবলৈ লৈছে। সি এনেদৰে কেইবাবাৰো কলিকতালৈ গ'ল। প্ৰথম অৱস্থাত সি কলিকতালৈ গলে ঘৰতো এপাক মাৰি আহিছিল। লাহে লাহে ঘৰলৈ যোৱাটো সি অপ্ৰয়োজনীয় বুলি ভাবিবলৈ ধৰিলে। তাতে আকৌ তাৰ ব্যৱসায়ৰ সতে জড়িত আনুষঙ্গিক অভ্যাসবোৰে তাৰ লগ ললে। সি মদ খাবলৈ আৰম্ভ কৰিলে। তাৰ কামৰ লগৰীয়া হ'ল, মানুহ এজনক হত্যা কৰি সাত বছৰ জেলত থাকি অহা নিৰঞ্জন নামৰ মানুহটো। বয়সত সি তাপসতকৈ দহবছৰ মানৰ ডাঙৰ হ'ব। মুঠতে ভবানীপুৰৰ সুকান্ত ভট্টাচাৰ্যৰ ল'ৰা তাপসে এক অন্ধকাৰ জগতৰ ভিতৰলৈ সোমাই গৈ থাকিল।

সময়ৰ সোঁতত ভাহি আহি সেইদিনা তাপস লোহিতৰ ওচৰলৈ আহিছিল। তাৰ পিছে পিছে সেই নিৰঞ্জন বোলা মানুহটো। দুয়ো অতিপাত মদ সেৱন কৰি আহিছিল। সেইদিনা তাপস মৰিবলৈ আহিছিল। 'মই আজি মৰিম, মই আজি মৰিম', বুলি তাপসে চিঞৰিছিল। 'তই মৰিলে মই কাৰ লগত থাকিম', বুলি নিৰঞ্জন বোলাটোৱে কান্দিছিল। তাপসৰ চিঞৰত লোহিতৰো ভয় লাগিছিল। অৱশ্যে তাপসে মৰিবৰ কোনো চেষ্টাই নকৰিলে। কিছু সময় সিহঁত লোহিতৰ ওচৰতে থিয় হৈ চিঞৰ-বাখৰ কৰি আন এফালে গুচি গ'ল।

এনেকুৱা ভিন ভিন ধৰণৰ মানুহ লোহিতৰ ওচৰলৈ সদায় আহে। বিভিন্ন ধৰণৰ মানুহবোৰ দেখি দেখি লোহিতৰ আৰু ভাল নলগা হৈছে। সকলো মানুহেই যেন উন্মত্ত। শান্তভাবে কোনেও যেন থাকিব নোৱাৰে। মানুহবোৰক আৰু নাচাওঁ বুলি মুখখন ঘূৰাই লওঁতেই সেইদিনা লোহিতে ভৰলুজনীক দেখা পালে। শুকাই খীণাই ভৰলুজনী যেন কেটেঙা পৰিছে। কিমান দিন যে ভৰলুজনীক দেখা নাছিলো এনেকুৱা এটা ভাব লোহিতৰ মনলৈ আহিল। 'তাৰ বয়স বা কিমান?' – প্ৰশ্নটোৱে লোহিতৰ মনত লুকাভাকু খেলিবলৈ ধৰিলে। ■







# ওলগৰ শৰাই – নেওগলৈ

## ব্যক্তিগত স্মৃতিচাৰণ

সুকুমাৰ বিশ্বাস

ৰাজনীতিবিদ, সমাজ - সংস্কাৰক নাইবা কৰ্মবীৰ এজন মানুহৰ জীৱন প্ৰবাহ আৰু কৰ্মক্ষেত্ৰ বেলেগ ধৰণৰ। তেওঁলোকৰ ব্যক্তিত্ব আৰু জীৱনৰ সন্দৰ্ভত দু-আষাৰ কবলৈ হ'লে এটি ডাঠ তুলিকাৰে এখন ৰেখাচিত্ৰ দাঙি ধৰা তেনে আয়াসসাধ্য নহয়। কিয়নো এওঁবিলাকৰ কৰ্মবহুল জীৱন আৰু পৰিপাৰ্শ্বৰ লগত যুঁজিবলৈ গাত লোৱা বিৰোধ-বিসম্বাদৰ মাজেদি এনেহেন ব্যক্তি সকলৰ মনোবল, চৰিত্ৰ প্ৰকৃতি আৰু আদৰ্শৰ প্ৰতিফলন দেখিবলৈ পোৱা যায়। কিন্তু যিজন জ্ঞান নাইবা ভক্তি মাৰ্গৰ পথিক, জীৱনৰ বহিৰ্জগতত কৰ্মব্যস্ততাতহে যিজনৰ মন এনে মানুহৰ পাণ্ডিত্য আৰু ব্যক্তিত্বৰ বিষয়ে কোৱা টান। যত ব্যক্তিত্বৰ প্ৰকাশ গভীৰতাৰ পিনে ত'ত খেতি-পথাৰৰ দৰে জৰীপ কৰি বিস্তৃতিৰ পৰিমাণ নিৰূপণ কৰাটো নিৰৰ্থক প্ৰয়াস মাথোন।


আজিকালি বুদ্ধদেৱ, তলস্তয়, মহাত্মা গান্ধী, ৰবীন্দ্ৰনাথ আদি আন্তৰ্জাতিক খ্যাতি সম্পন্ন মনীষী সকলৰ প্ৰসংগ আৰু নাম যতে ততে শুনিবলৈ পোৱা যায়। বিশেষকৈ মানুহলৈ উপদেশ দিয়াৰ বিধিগত অধিকাৰ লই ওপজা বুলি যিবোৰ মানুহে আত্মপ্ৰসাদ লাভ কৰে তেওঁলোকে প্ৰায়বোৰ ক্ষেত্ৰত এহেন মহাপুৰুষ সকলৰ নাম উল্লেখ কৰে, কিন্তু সঁচাকৈ মনীষী পুৰুষৰ অন্তৰংগ আচল পৰিচয় তেওঁলোকে নেজানে। জনশ্ৰুতি আছে, মহা মুনি বাল্মীকিয়ে ৰামৰ নাম উচ্চাৰণ কৰাৰ আগতে দ্বিধা আৰু নিজৰ দীনতাকে চিন্তা কৰি মৰা-মৰা কবলৈ ধৰিছিল।

ডাঙৰ মানুহৰ নাম উচ্চাৰণ কৰিবলৈ আৰু তেওঁৰ প্ৰসংগত দু-আষাৰ কবলৈ অধিকাৰভেদৰ প্ৰশ্ন আছে। অধ্যাপক মহেশ্বৰ নেওগ ডাঙৰীয়াৰ পাণ্ডিত্য আৰু ব্যক্তিত্বৰ সন্দৰ্ভত কিবা কবলৈ মোৰ অধিকাৰ আৰু যোগ্যতা আছে নে নাই তাকেই চিন্তা কৰি দিৱস ফুকনৰ জৰিয়তে আমন্ত্ৰণ পোৱাত প্ৰথমতে মই চক খাইছিলো। মৰা-মৰা মাতৰ যোগেদি ৰামৰ গুণকীৰ্তন কৰাৰ দৰে নেওগদেৱৰ এটি থূলমূল চিত্ৰ দাঙি ধৰিবলৈ আগবাঢ়ি আহিছো; চিত্ৰখন যিমানেই বেয়া নহওক ইয়াত পুৰণি দিনৰ বৰ্নানি আৰু ফুলনিৰ ৰূপ-ৰস আৰু গোন্ধ থকাত অন্তত চিত্ৰকৰৰ ভাল পোৱাৰ এটা প্ৰয়াস আছে সিটোহে এই চমু আলেখ্যৰ মূল্য।

১৯৫৭ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যাপনা কৰিবলৈ অহাৰ প্ৰথমদিনা অধ্যাপক ড০ বিৰিঞ্চি কুমাৰ বৰুৱাদেৱৰ লগত প্ৰাথমিক কথা-বতৰাৰ পাছত অধ্যাপক প্ৰকোষ্ঠলৈ আগবাঢ়িলো। মোৰ নিচিনা চাপৰ মানুহৰ লগতে অধ্যাপক নেওগৰ নিচিনা ওখ দীৰ্ঘকায় মানুহৰ পোন-পটিয়া সাক্ষাৎকাৰ। অভ্যৰ্থনাৰ প্ৰথম বৰঙণি 'ভালেই হ'ল, বঙলা সাহিত্য ভাষা-সংস্কৃতিৰ ওপৰত ইমানবোৰ নতুন পুৰণি কিতাপ আছে, এতিয়া আমাৰ পুথিভঁড়ালত এইবোৰ সংগ্ৰহ কৰিবলৈ আপুনি গুৰি ধৰিব লাগে।' গ্ৰন্থ, গ্ৰন্থাগাৰ আৰু সাহিত্য-সংস্কৃতিলৈ এনে আমন্ত্ৰণৰ মাজেদি সেই মুহূৰ্তত এজন আগ্ৰহশীল আৰু নিষ্ঠাবান মানুহৰ মৰমিয়াল স্পৰ্শ পালো। সিদিনাৰ পৰা দিহা-পৰামৰ্শ, ভাষা-সাহিত্য-চৰ্চাৰ উদ্‌গনি পুথি-প্ৰবন্ধাদি লিখিবলৈ উৎসাহৰ ভেটিত তেখেতৰ লগতে পৰিচয় আৰু আলোচনা-বিলোচনা দীঘলীয়া দিনৰ মাজেদি বেছিকৈ অন্তৰংগ আৰু গধুৰ হৈছেহি।

আচাৰ্য সুনীতি কুমাৰ আৰু অধ্যাপক সুকুমাৰ সেনৰ ছাত্ৰ হোৱা বাবে, চাবলৈ হলে ময়ো অধ্যাপক নেওগৰ সতীৰ্থ, কিন্তু বয়সৰ ব্যৱধান থকাত মোৰ অন্তৰত যি কুণ্ঠা আছিল সেই আৱৰনখনি আঁতৰাই দি তেখেতে নিজা গুণগত বৈশিষ্ট্যৰে আৰু স্বভাৱসুলভ আন্তৰিকতাৰে পৰম বান্ধৱৰ দৰে মোৰ ঘৰত বহুতোবাৰ আহিছে – কেতিয়াবা ভাষা-সাহিত্য-সংস্কৃতিমূলক আলাপ-আলোচনাৰ মাজেদি, কেতিয়াবা পৰিয়ালৰ সৰু-ডাঙৰ আটাইকেইজনৰ লগতে লঘু পৰিহাস, হাঁহি-ধেমালিৰ মাজেদি আমাৰ গতানুগতিক বহুতো মুহূৰ্তক জীৱনৰ উত্তাপেৰে ভৰাই তুলিছে। বয়সিয়াল মানুহৰ গাম্ভীৰ্য, জ্যেষ্ঠত্বৰ আত্মশ্লাঘা আৰু শিক্ষিত মানুহৰ পাণ্ডিত্যাভিমান নথকাত তেখেতক লগ পোৱাটো সদায় মাধুৰ্যময় আৰু ঐশ্বৰ্যময় আছিল। ঐশ্বৰ্য শব্দটোৰ এটা ভিতৰুৱা সদৰ্থক তাৎপৰ্য আছে। যি নহওক, নিজা ঘৰত, অধ্যাপক প্ৰবৰৰ বাসভৱনত, বিভাগীয় অধ্যক্ষতাৰ নানাবিধ ভূমিকাত যেতিয়াই তেখেতক লগ পাইছো – কুলছী-হাজো-বশিষ্ঠৰ হাবি-পথাৰৰ বনভোজত নাইবা বিশ্ববিদ্যালয়ৰ কাৰ্য নিৰ্বাহিক সমিতিৰ সভা কক্ষত – সদায় একে মানুহৰ সদাহাস্য মধুৰ আৱিৰ্ভাৱ দেখিবলৈ পাইছো। কাম-কাজৰ ওজৰ তুলি নাইবা ৰুচি-শিক্ষাৰ অন্তৰাল স্থাপন কৰি তেখেত কেতিয়াও আজিৰ বস্তুবাদী পৃথিৱীৰ 'ডাঙৰ' মানুহৰ দৰে নিজকে স্বয়ম্ভু-প্ৰাজ্ঞ আৰু বিশিষ্ট কৰি দেখুৱাব বিচৰা নাছিল।

বিশ্ববিদ্যালয়ৰ শিক্ষক-সংস্থাৰ সভা-পতি হিচাপে, সাহিত্য সংস্কৃতিমূলক



*দুই জীয়াৰী স্নিগ্ধমালতী আৰু নৱমালতীৰ সৈতে ড° নেওগ*

অনুষ্ঠানৰ লগত ওচৰাওচৰিকৈ সংশ্লিষ্ট নাইবা অসম আৰু আন্তঃপ্ৰাদেশিক বেলেগ বেলেগ ঠাইত সাহিত্য-সংস্কৃতিৰ ভাষ্যকাৰ হিচাপে আমন্ত্ৰিত অধ্যাপক নেওগদেৱৰ কিমানবোৰ মুহূৰ্তত ব্যস্ত হৈ থকা দেখিবলৈ পাইছো, কিন্তু এইবোৰৰ তালিকা যুগুত কৰি এনেহেন মানুহৰ অন্তৰংগ পৰিচয় আৰু আচল স্বৰূপ কেনেকৈ দাঙি ধৰিম। গৱেষণা, গ্ৰন্থ-প্ৰকাশনা আৰু সম্পাদনা, পত্ৰ-পত্ৰিকাৰ সম্পাদনা কৰোতা কৰ্মব্যস্ত মানুহৰ গহীন মনত এটা স্হিতধী আৰু গম্ভীৰ সত্তাৰ আভাষ মই বাৰে বাৰে অনুভৱ কৰি আহিছো। পুথি-পত্ৰৰ নিষ্ঠাবান পাঠক আৰু আজীৱন শিক্ষাব্ৰতী অধ্যাপক নেওগদেৱে গৱেষণা – নিবন্ধৰ সূত্ৰ বিচাৰি নাই বা কিবা এটা তত্ত্ব – এগোট তথ্যৰ আঁতিগুৰি জানিবলৈ যেতিয়া সুনীতি চেটাৰ্জি – নীহাৰ ৰায়, দীনেশ চৰকাৰ – দণ্ডেকৰ কাত্ৰে আদি পণ্ডিত বিলাকৰ লগত অনুসন্ধিৎসু ছাত্ৰৰ দৰে যোগসূত্ৰ স্হাপন কৰি আছে তেতিয়া মই হেন অৰ্বাচীনকো তেখেতে লগৰীয়াৰ দৰে আমন্ত্ৰণ জনাইছে। বিদ্যাভিমানী নোহোৱা বাবেহে মোৰ নিচিনা অকিঞ্চনৰ ভঁড়ালৰ পৰা 'কিবা যদি পোৱা যায়' এনে ভাব লৈ অহাত বাৰে বাৰে মোৰ সীমাবন্ধতা আৰু দীনতা মোৰ চকুৰ আগত স্পষ্ট হৈছে, তথাপি তেখেতৰ গুণগত প্ৰভাৱ আৰু জ্ঞানৰ দীপ্তিৰে নিজৰ এন্ধাৰ কুঠুৰীত অকণমান জিলিকনী দেখিবলৈ পাই ভাল পাইছো। পশ্চিমবংগৰ কোনো ঠাইত বৰ্তমান যুগত, বংকিমচন্দ্ৰই আঙুলিয়াই দিয়াৰ দৰে কাপালিক সাধনাৰ চিন আছে নে নাই, পালি ধৰ্মপদৰ বিশেষ এফাকি শ্লোকৰ তাৎপৰ্য, নাইবা জাৰ্মানি ভাষাত লিখা কিবা এটা মন্তব্যৰ ইংৰাজীলৈ ভাঙনি –এনেধৰণৰ ভাষা-সংস্কৃতি-সাহিত্যৰ সৰু-ডাঙৰ জিজ্ঞাসাৰ আজন্ম ছাত্ৰ বৰ্ষীয়ান অধ্যাপক ডাঙৰীয়াই মোলৈ স্বীকৃতিৰ মাজেদি নিজা গৰিমাহে প্ৰকাশ কৰিছে।

অধ্যাপক বিৰিঞ্চি কুমাৰ বৰুৱাদেৱ অপ্ৰত্যাশিত ভাবে স্বৰ্গী হোৱাত অ'ৰিয়েন্টল কনফাৰেঞ্চৰ গুৱাহাটী অধিবেশনৰ সামূহিক দায়িত্বভাৰ অধ্যাপক নেওগলৈ আহি পৰে। তেখেতে এইখন অনুষ্ঠানৰ প্ৰমুখ আৰু পুৰোধা মানুহ হিচাপে কিনো কাম কৰিছিল তাৰ অনুপুংক্ষ বিৱৰণ দিয়া টান। ইপিনে ভাৰতৰ ভিন ভিন ঠাইত অধ্যাপক-গৱেষকৰ লগত সংযোগ স্হাপন, কনফাৰেঞ্চৰ কেন্দ্ৰীয় সন্হাৰ পৰা আগঢ়োৱা নিৰ্দেশ অনুসৰি থলুৱা কমিটিৰ সভ্যসকলৰ লগত মন্ত্ৰণা, সিপিনে অধিবেশনত অংশগ্ৰহণ কৰিবলগীয়া সভ্যসকলৰ থকা-খোৱাৰ সুচাৰু ব্যৱস্হাপনা তাৰ উপৰি ভালদৰে এখন স্মাৰকগ্ৰন্হ উলিয়াবলৈ ৰাতিয়ে-দিনে কৰা অক্লান্ত প্ৰযত্ন নিজ চকুৰে দেখি আচৰিত হৈছো। সঁচা কথা কবলৈ হলে গুৱাহাটী অধিবেশনৰ ধুনীয়া সমাৰোহ আৰু সাৰ্থক সামৰণিৰ বাবে সংস্কৃতি-পূজাৰী নেওগলৈ শ্ৰদ্ধা আৰু ওলগৰ শৰাই আগবঢ়াবলৈ দ্বিমত থাকিব নোৱাৰে।

এই সন্দৰ্ভত ব্যক্তিগত টোকা – অধিবেশনৰ প্ৰস্তুতি পৰ্বত এদিনাখন সন্ধিয়া অধ্যাপক নেওগে মোৰ ইয়ালৈ আহি কলে – আপুনি অসমীয়া বিহুৰ ঐতিহাসিক আৰু দাৰ্শনিক পৰিপ্ৰেক্ষিত দেখুৱাই অলপতে কিতাপ এখন লিখিছে নে? কৰবাত কিবা তথ্য নাইবা তত্ত্বগত বিসংগতি থাকি যোৱাৰ সম্ভাব্য অপৰাধবোধেৰে মই মূৰ নমাই থিয় হৈ আছো, এনে অৱসৰত বিৰূপ প্ৰতিক্ৰিয়াৰ সলনি অনুজলৈ অগ্ৰজৰ চেনেহী মাত শুনিবলৈ পালো। সেয়ে আমাৰ চুবেনিৰত উলিয়াব পৰাকৈ আঞ্চলিক সংস্কৃতিৰ আধাৰত প্ৰবন্ধপাতি লাগে। অনতিপলমে এটি প্ৰবন্ধ (Aspects of society as reflected in the Bihu songs of Assam) যুগুত কৰাত তেখেতে কৈছিল – এই দৰে ভাষা-সাহিত্য-সংস্কৃতিলৈ আন্তঃপ্ৰাদেশিক বুজাবুজি আৰু সমদৃষ্টিৰ অবিহনে আমি কেনেকৈ সংহতিৰ ভাব গঢ়ি তুলিম। গৱেষণা পত্ৰিকাৰ সম্পাদক হিচাপে এইদৰে উৎসাহ-উদ্‌গনি দি তেখেতে মোৰ এলেহুৱা স্বভাৱ আৰু নিশ্চেষ্টতা দূৰ কৰিবলৈ সহায় কৰিছে।





মই সদায় লক্ষ্য কৰি আহিছো যে অধ্যাপক নেওগে ছাত্ৰ-ছাত্ৰী আৰু সহকৰ্মীলৈ কেতিয়াও বেয়া আচৰণ নাইবা খঙাল মনোভাব প্ৰকাশ কৰা নাছিল। বিৰক্ত হোৱাৰ, খঙ পোষণ কৰাৰ যথেষ্ট কাৰণ সত্ত্বেও বহিঃপ্ৰকাশৰ ক্ষেত্ৰত উত্তেজনাৰ ভাব দেখিবলৈ পোৱা নাই। ল'ৰা-ছোৱালীৰ আদৰণি সভাত কেতিয়াবা লঘু পৰিহাসৰ ভংগীৰে আৰু মিঠা মাতেৰে সোঁৱৰাই দিছিল যে বিভাগৰ প্ৰকোষ্ঠ কেইটা আৰু জিৰণিঘৰ কেন্টিনৰ ওপৰিও বিশ্ববিদ্যালয় চৌহদত আৰু এখন অনুষ্ঠান আছে – সি হ'ল পুথি ভঁড়াল, ল'ৰা-ছোৱালীবিলাকে যেন পাহৰি নেযায়। বিভাগীয় প্ৰধান হলেও প্ৰমুখ ব্যক্তিসুলভ মনোভাব তেখেতৰ নাছিল, আচলতে তেখেতৰ আচৰণ আছিল সমনীয়া সকলৰ মাজত থকা এজনৰ দৰে। ৰবীন্দ্ৰনাথ ঠাকুৰ মহোদয়ে কিবা এটা প্ৰসংগত কৈছিল – আমাৰ মাজত দুই-এজন এনে প্ৰকৃতিৰ মানুহ দেখিবলৈ পোৱা যায় যিজন অকলেই এটা সংহতিৰ প্ৰতীক, এটা গোট নাইবা এটি অনুষ্ঠান। কথাখিনিকে অলপ ঘূৰাই কলে অতিশয়োক্তি নহ'ব যে ড০ নেওগৰ ব্যক্তি ৰূপৰ আধাৰত তেনে এটা সমষ্টিগত সত্তা বিৰাজমান।

নেওগ ডাঙৰীয়াৰ কিতাপপত্ৰ আৰু গৱেষণাৰ এটা থূলমূল চানেকি প্ৰস্তুত কৰিবলৈ মই উদ্যোগ লোৱা নাই, কিয়নো মই ভাবো যে এই কামখিনি ভালদৰে বহলাই সম্পন্ন কৰিবলৈ যোগ্যতৰ মানুহৰ অভাৱ নাইকিয়া। সাহিত্যৰ ৰূপৰেখা, শংকৰদেৱ আৰু মধ্যযুগীয় সমাজদৰ্শন আদি গ্ৰন্হৰ প্ৰণেতা, কীৰ্তন, বভ্ৰুবাহন আদি কাব্য-কবিতা আৰু বহুবিধ পুৰণি গ্ৰন্হৰ সংকলয়িতা, অসমীয়া – ইংৰাজী ভাষাত লিখা সহস্ৰাধিক মূল্যবান প্ৰবন্ধৰ লেখক অধ্যাপক নেওগদেৱৰ বিদ্যাসত্তা, পাণ্ডিত্য আৰু গৱেষণা-মনস্ক বৈদগ্ধ্য আৰু নিষ্ঠাৰ জাননী দিবলৈ নতুনকৈ কবলগীয়া একো নাই। সুধী সমাজহে ইবিলাকৰ ভোক্তা আৰু প্ৰমেতা। শংকৰদেৱ সম্পৰ্কীয় বিশাল গৱেষণা গ্ৰন্হৰ ওপৰত জাৰ্মান ভাষাত লিখা এটি প্ৰশংসাসূচক সমালোচনা পঢ়িবলৈ পাই মই বৰ সন্তোষ অনুভৱ কৰিলো। বৈষ্ণৱীয় দৰ্শনৰ চিন্তা-চৰ্চা, ভক্তিগীতিৰ মূল্যায়ন, সৰ্প-পূজাৰ বুৰঞ্জী, নৃত্য-বাদ্যৰ ৰীতি-প্ৰকৃতি আদি বিষয়-বৈচিত্ৰ্যৰ আধাৰত তেখেতৰ ধ্যান-ধাৰণা আৰু মানসিকতাৰ সামূহিক প্ৰতিফলন দেখিবলৈ পোৱা যায়। আঞ্চলিক সংস্কৃতি-সাহিত্যৰো এখনি বৃহত্তৰ প্ৰেক্ষাপট আৰু সাৰ্বভৌম মানৱিক আবেদন আছে, এনেবোধ আৰু অন্বিষ্টা যদি বিয়পাই নেথাকে তেন্তে সাহিত্যৰ মহত্ত্বৰ আৰু সততাৰ মূল্যায়ন হ'ব নোৱাৰে। "It is the image of life expressed in eternal truth." (Shelley).

ছেক্সপীয়েৰৰ প্ৰতিভাৰ বিশ্লেষণ প্ৰসংগত এমাৰ্ছনে এঠাইত কৈছিল Greatness of a man is distinguished more by range and extent than by orginality. মৌলিকতাহে মহত্ব, ব্যক্তিত্ব আৰু প্ৰতিভাৰ একমাত্ৰ মূলীভূত চৰিত্ৰৰ লক্ষণ নহয়। আৰু পৃথিৱীত আটায়ে ছেক্সপীয়েৰ, ৰবীন্দ্ৰনাথ, গ্যেটেৰ প্ৰতিভা লৈ জন্মগ্ৰহণ নকৰে। প্ৰাণী আৰু প্ৰকৃতিকে আদি কৰি এই পৃথিৱীখন বিশ্ববিধাতাৰ মৌলিক সৃষ্টি আৰু আমাৰ মাজত ওপজা জ্ঞানী-গুণী, দাৰ্শনিক-সাহিত্যিক সকলে এনে হেন মৌলিক সৃষ্টিৰ নতুন নতুন ব্যাখ্যা কৰোতা আৰু প্ৰণেতা।

এতিয়া কেইটামান ঘৰুৱা কথা – ঘৰুৱা হলেও আত্মকথন নহয়, সংস্কৃতিবান মানুহৰ মানস-প্ৰকৃতিৰ স্বৰূপ কেতিয়াবা সৰু কথাৰে নগণ্য ঘটনাৰে অভিব্যক্তি লাভ কৰে। আনন্দৰাম বৰুৱা স্মৃতিসৌধৰ উন্মোচন উপলক্ষ কৰি অধ্যাপক আচাৰ্য সুকুমাৰ সেনলৈ আমন্ত্ৰণ জনোৱা হৈছিল। পিছদিনা ড০ নেওগে পঠোৱা এখন চিঠি পালো – আজি সন্ধিয়া শ্ৰীমতী বিশ্বাসৰ সৈতে মোৰ বিশ্ববিদ্যালয়ৰ বাসভৱনত এখন্তেক আহিব, ড০ সেনদেৱে পুৰণি ছাত্ৰ-ছাত্ৰীক লগ পাবলৈ বাঞ্ছা কৰিছে। সিদিনা সন্ধিয়া অধ্যাপক নেওগৰ ঘৰত বহুতকেইজন জ্ঞানীগুণী মানুহ গোট খোৱা দেখিলো, বুজিলো এটা কিবা উৎসৱ উপলক্ষ কেন্দ কৰি গতানুগতিক জীৱনৰ মুহূ .বাৰক আনন্দ মধুৰ কৰি তুলিবলৈ তেখেতে ভাল পায়। এনে ঘৰুৱা পৰিবেশত অধ্যাপক নেওগৰ ঘৰত আমি একাধিকবাৰ গোট খাইছো, অধ্যাপক বীৰেন দত্তই গোৱা বৰগীত, নেওগদেৱে পঢ়া স্বৰচিত কবিতা, শেষত মিঠাই তামোল চাহৰ সহযোগত 'মধুৰেণ সমাপয়েৎ' কৰি প্ৰীতি মধুৰ আনন্দ-উছল আবেগিক মুহূৰ্তবোৰ ভৰাই তুলিছো। প্ৰাণ শক্তিৰ এনে হেন আন্তৰিকতা আৰু মুহূৰ্তবোৰৰ এনে হেন অপচয়, ৰবীন্দ্ৰনাথে কোৱাৰ দৰে মানুহৰ প্ৰাণন্‌ক্ৰিয়াৰ লীলা ('Surplus personality') আৰু ইবিলাকৰ মধ্যমণি ড০ নেওগ ডাঙৰীয়াহে।

সীমান্ত ৰেলওৱেৰ জেনেৰেল মেনেজাৰৰ লগত কিবা এটা বাটৰ গুৰুত্ব আৰু ৰেলপথৰ কাষত চেকিং গেট্ বহুৱাবলৈ কথা পাতিবলৈ ঘৰৰ পৰা মোক মাতি নিয়াৰ কিবা যুক্তি আছে নে? এজনৰ কামখিনিকে বহুত কেইজন মানহৰ সামূহিক কৰ্তব্যৰ মৰ্যাদা দিয়াটো ঔদাৰ্যগুণৰ পৰিচায়ক। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা প্ৰকাশ কৰিবলগীয়া অধ্যাপক এম এম কাত্ৰেৰ বক্তৃতাৰ পাণ্ডুলিপিখন চকু ফুৰাই চাবলৈ দায়িত্ব দিয়াত কিনো প্ৰয়োজন আছিল? এটা কিবা ভাল বস্তু একেলগে ভগাই খোৱাত যি আনন্দ, স্বাৰ্থবুদ্ধি সম্পন্ন, বস্তুবাদী মানুহে তাৰ সাৰ্থকতা বুজি নাপায়। মই ভাবো এনে সমদৰ্শিতা আৰু প্ৰশান্ত মানসিকতা থকাত অধ্যাপক নেওগ ডাঙৰীয়াই অধ্যাপক-কৰ্মচাৰী সকলৰ ওপৰত প্ৰাধান্য প্ৰতিপত্তিৰ ভূমিকা আৰু প্ৰশাসনীয় জটিলতাৰ পৰা আঁতৰি থাকিবলৈ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হোৱাৰ প্ৰস্তাবিত আমন্ত্ৰণ.অস্বীকাৰ কৰিছিল।

বিশ শতিকাৰ শেষ ঘন্টা বাজিবলৈ এতিয়া বেছি বাকী নাই। আমি স্বাধীনতা-পূৰ্ব ভাৰতবৰ্ষত জন্ম গ্ৰহণ কৰিছিলো, আমাৰ শিক্ষা-দীক্ষা পৰিবেশ আৰু জীৱনাদৰ্শৰ প্ৰকৃতি আছিল বেলেগ ধৰণৰ। বুদ্ধ-শংকৰ-চৈতন্য-বিবেকানন্দৰ যুগ আৰু তেখেত সকলৰ আদৰ্শৰ পৰা বহুতখিনি আঁতৰি আহিছো। প্ৰাচীন, প্ৰবীণ আৰু নবীনৰ মাজত ভাবগত, বস্তুগত বিচ্ছেদ যেন বৰ বেছিকৈ স্পষ্ট হৈ উঠিছে। আজি আমাৰ দেশত ভূগৰ্ভত মেট্ৰো ৰেল চলাইছো, ভূ-পৃষ্ঠত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ জিলিকনী লগাইছো, কিন্তু ভূভাগৰ ওপৰৰ আকাশখন বৰ ডাৱৰীয়া। অসীম শূন্যতাৰ মাজেদি আমাৰ পটাৰিটি এতিয়া কোন স্বৰ্গলৈ যাব বিচাৰিছে সেইটোৱে স্পষ্ট নহয়। এনে অৱস্হাত পুৰণিৰ লগতে নতুনৰ সংযোগ ঘটাই যিবিলাক মানুহে দলং সাজিছে আৰু সাজি আছে, তেওঁবিলাকলৈ মোৰ ওলগৰ শৰাইখন আগবঢ়াই দিলো। য'ত বহুতৰ লগতে অধ্যাপক মহেশ্বৰ নেওগৰ নামো উপেক্ষিত নহয়।

# স্বাধীন অসমৰ দাবীৰ প্ৰসংগত – নয়া-গণতান্ত্ৰিক বিপ্লৱৰ প্ৰশ্নটো

ড০ প্ৰফুল্ল মহন্ত

অসমৰ সামাজিক - ৰাজনৈতিক - সাংস্কৃতিক পৰিবেশ আজি অশান্ত। ইয়াৰ মূলতে বৰ্তমানৰ আমাৰ ৰাষ্ট্ৰ ব্যৱস্থাটোৱেই যদিও, অসমত এই অস্থিৰতাৰ প্ৰধান কাৰণ এফালে আল্‌ফাৰ ব্যক্তিগত সন্ত্ৰাসবাদ আৰু আনফালে তাক দমন কৰাৰ নামত চলা ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদ –এই সত্য অস্বীকাৰ কৰি লাভ নাই। তাৰ মাজতে দুই এখন কাকতে আল্‌ফাৰ প্ৰতি সমৰ্থন জনাই অসমৰ ওপৰত চলি থকা শোষণ-বঞ্চনাৰ স্বৰূপ উদঙাই দিয়াত সৰব হৈ উঠাটোও নিশ্চয় সকলোৱে লক্ষ্য কৰিছে। একে সময়তে এচাম বুদ্ধিজীৱীয়েও একেখিনি কথাকে দোহাৰি পৰোক্ষ বা প্ৰত্যক্ষভাবে আল্‌ফাৰ প্ৰতি সমৰ্থন জনোৱাটোও নিশ্চয় সকলোৰে চকুত পৰিছে। স্বাধীনতা-উত্তৰ কালছোৱাত বিভিন্ন শ্ৰেণীভিত্তিক আন্দোলনে, ভাৰতৰ জনসাধাৰণৰ ওপৰত চলি থকা শোষণ-নিপীড়নৰ স্বৰূপ উদঙাই দি আহিছে। তদুপৰি ব্যক্তিগত ভাবেও বহু ব্যক্তিয়ে সিবোৰৰ প্ৰণালীবদ্ধ আলোচনা কৰি আহিছে। কিন্তু বৰ্তমানৰ দৰে জনসাধাৰণৰ দুখ-নিৰ্যাতনে সাংবাদিক বুদ্ধিজীৱীৰ মাজত বিশেষ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পৰা নাছিল। এই পৰিবৰ্তনৰ নেপথ্যত আল্‌ফাৰ ব্যক্তিগত সন্ত্ৰাসবাদেই যে ক্ৰিয়াশীল সেইটো সহজেই অনুমেয়।

আল্‌ফাৰ আত্মত্যাগৰ ইতিবাচক দিশ হ'ল – প্ৰথমবাৰৰ কাৰণে বৃজন সংখ্যক বুদ্ধিজীৱী আৰু এচাম সাংবাদিকক সামাজিক-ৰাজনৈতিকভাবে সচেতন কৰি তুলিলে (অন্তিম বিচাৰত সেই সচেতনতাও ব্যৱহাৰিক স্বাৰ্থ প্ৰণোদিত।) তদুপৰি কেন্দ্ৰক অসমৰ সমস্যাৰ প্ৰতি অধিক সচেতন কৰি তুলিলে। প্ৰশ্ন হ'ল সাংবাদিক-বুদ্ধিজীৱীৰ সচেতনতাই বৰ্তমান পৰিস্থিতিত কি ভূমিকা লৈছে? কিহত খোপনি ধৰি তেওঁলোকে সমাজখনক আগুৱাই নিব খুজিছে? আল্‌ফাৰ সচেতন কৰ্মী সকলে, নিশ্চয় লক্ষ্য নকৰাকৈ থকা নাই যে, তেওঁলোকেই হ'ল সেই চাম বুদ্ধিজীৱীৰ আদৰ্শগত ভিত্তি তথা খোপনি। খোপনিত হেঁচা দি তেওঁলোকে সমাজখনক আগুৱাব খুজিছে নে, নিজে, তাতো সন্দেহৰ থল আছে। এনে অৱস্থাৰ পৰিবৰ্তন বিহনে সমাজ বিপ্লৱ আকাশ-কুসুম।

কথাবোৰ মুকলিভাবে আলোচনা হোৱা ভাল। বৰ্তমানৰ পৰিস্থিতিয়ে এটা সঠিক পথহে দাবী কৰিছে। তীব্ৰ তাত্ত্বিক সংগ্ৰামেহে বিপ্লৱৰ সঠিক পথৰ সন্ধান দিব পাৰে। তুলনামূলক ভাবে অসম অবহেলিত, এই সত্য অৱশেষত কেন্দ্ৰয়ো স্বীকাৰ কৰিবলৈ বাধ্য হৈছে। দুকুৰি বছৰে কোনোটো মৌলিক সমস্যাৰে সমাধান নহ'ল। তাৰ কাৰণে অসমৰ মানুহে আন্দোলন নকৰাকৈ থকা নাছিল। কিন্তু অৱস্থাৰ পৰিবৰ্তন সাধিব নোৱাৰিলে। অৱশ্যে তাৰ মাজতে এমুঠি মধ্যশ্ৰেণীয়ে ক্ষমতা দখল কৰি আৰু আমোলাগিৰি কৰি মুখে সন্তোষে কাল কটাইছে। ক্ষমতা লাভ কৰিব নোৱৰা সকলেও বিভিন্ন ব্যৱসায়-বাণিজ্য উদ্যোগ আদিৰ যোগে নিজৰ সামাজিক-আৰ্থিক প্ৰতিপত্তি অটুট ৰাখিলেও ক্ষমতা দখলৰ প্ৰতি সদা জাগ্ৰত।

অসমৰ এই পৰিস্থিতিয়েই এচাম শিক্ষিত সংগ্ৰামী যুৱকক হাতত বন্দুক তুলি লবলৈ উদ্‌গনি দিছিল। সামৰিক বাহিনীয়ে এদিন হয়তো সেই চাম যুৱকক দমন কৰিব। সেই ক্ষমতা ৰাষ্ট্ৰৰ আছে। ৰাষ্ট্ৰৰ ধৰ্মই হৈছে শোষিত শ্ৰেণীক দমন কৰাটো। ৰাষ্ট্ৰ শ্ৰেণীগত আধিপত্য প্ৰতিষ্ঠাৰ যন্ত্ৰ। ৰাষ্ট্ৰৰ চৰিত্ৰ বুজি নোপোৱা বা বুজিবলৈ চেষ্টা নকৰাৰ ফলতেই আমাৰ জাতীয় আন্দোলনবোৰে সফলতা অৰ্জন কৰিব পৰা নাই। কিন্তু জনসাধাৰণৰ আকাংক্ষা আৰু তাক পূৰণ কৰাৰ সংগ্ৰামক ৰোধ কৰিব পাৰিব জানো? ইয়াৰ অৰ্থ এইটো নহয় যে, আল্‌ফাৰ ব্যক্তিগত সন্ত্ৰাসবাদ বিহনে মুক্তি অসম্ভৱ। তেন্তে মুক্তিৰ পথ কি? অসম স্বাধীন হলেই কোনোবা অসমীয়া ক্ষুদ্ৰ পুঁজিপতিয়ে সপোন দেখাৰ দৰে অসমীয়া মানুহে সন্মানেৰে বাচি থাকিব পাৰিব নে? মধ্যশ্ৰেণী পুঁজিপতিয়ে সন্মানেৰে বাচি থকাত কি আহুকাল পাইছে? গুৱাহাটীত আটক ধুনীয়া ঘৰ, লগতে দুটামান ভাড়া ঘৰ, মাৰুতী কাৰ, বিদেশত ল'ৰা-ছোৱালীক পঢ়ুউৱা এইবোৰত কিবা অসুবিধা পাইছে নে কি? তথাপি ভাৰতীয় অন্যান্য পুঁজিপতিৰ তুলনাত তেওঁলোক দুৰ্বল। তাৰ কাৰণেই প্ৰয়োজন ৰাজনৈতিক ক্ষমতা। শতকৰা পঁচাশী ভাগ কৃষক, খাটি খোৱা মানুহৰ শ্ৰম (উপাৰ্জন) আৰু মানৱীয় মৰ্যাদাৰ বিনিময়ত সুখে-সন্তোষে কাল কটোৱা অসমীয়া মধ্যবিত্ত পুঁজিপতিয়ে অসম স্বাধীন হলে সেই দুখকাৰী মানুহক মানৱীয় মৰ্যাদা ঘূৰাই দিব পাৰিবনে? একালত 'বৰ অসম'ৰ সপোন দেখা অসমত অসমীয়া পুঁজিপতিয়ে আজি ক্ষুদ্ৰ অসমৰ সপোন দেখিছে (আমেৰিকায়ো দেখিছে ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাষ্ট্ৰৰ সপোন।) একে সময়তে আমাৰ মধ্যবিত্ত পুঁজিপতিয়ে সভ্য অসম, নিকা অসম, সেউজীয়া অসমৰো সপোন দেখিছে। দৃষ্টিশক্তি থাকক নাথাকক মানুহে সপোন দেখিবই তাত আচৰিত হ'ব লগা একো নাই। আচৰিত হওঁ তেতিয়া, যেতিয়া সেই সপোন সাৰ্থক কৰাৰ নামত কেৱল সজোৰে স্বাধীন অসমৰ দাবীটো তুলি ধৰে, অসমীয়া মানুহক পৰিশ্ৰমী হবলৈ কয়। একে সময়তে আল্‌ফাৰ ব্যক্তিগত সন্ত্ৰাসবাদক সমৰ্থন জনায়। মুক্তিৰ পথ বিচৰা এদল সংগ্ৰামী যুৱকৰ পিছে পিছে গৈ তাকেই মুক্তিৰ পথ বুলি পৰোক্ষভাবে প্ৰতিপন্ন কৰিবলৈ প্ৰয়াস কৰা সাংবাদিক আৰু মধ্যবিত্ত বুদ্ধিজীৱীৰ দৃষ্টিভংগীক আল্‌ফাই আদৰ্শগত আৰু শ্ৰেণীগত দৃষ্টিভংগীৰ পৰা বিচাৰ কৰা নাই যেন অনুমান হয়।

আল্‌ফাৰ সন্ত্ৰাসবাদক চৰকাৰে নিজ শ্ৰেণী দৃষ্টিভংগীৰ পৰাই বিচাৰ কৰিছে। বুৰ্জোৱাৰ স্বাৰ্থ বিপন্ন হোৱাৰ আশংকা কৰি তাক দমন কৰিছে। আনহাতে এচাম সাংবাদিক, মধ্যবিত্তই ব্যক্তিগত সন্ত্ৰাসবাদক সশস্ত্ৰ সংগ্ৰাম আখ্যা দি তাৰ প্ৰতি সমৰ্থন দিছে। কাৰ স্বাৰ্থত? জনগণৰ? সেয়ে যদি হয় তেন্তে, তেওঁলোকে আল্‌ফাৰ সন্মুখত মুক্তি সংগ্ৰামৰ এটা সঠিক পথ তুলি ধৰিবলৈ প্ৰয়াস কৰা নাই কিয়? অন্তিম বিচাৰত তেওঁলোকেও শ্ৰেণী স্বাৰ্থৰ গৰজতে আল্‌ফাৰ প্ৰতি সমৰ্থন জনাইছে। গতিকে ৰাষ্ট্ৰযন্ত্ৰ আৰু এইসকল সাংবাদিক মধ্যবিত্তৰ শ্ৰেণী স্বাৰ্থৰ মাজত পাৰ্থক্য ক'ত? এখন হাতত বন্দুক আৰু আনখন হাতৰ মুঠিত নিজৰ জীৱটোক লৈ হাবিয়ে-বননিয়ে ঘূৰি ফুৰা, আল্‌ফাৰ, হাতত কলমলৈ, ৰাইজক সচেতন কৰা আৰু ৰাইজৰ পৰামৰ্শ লোৱাৰ নিশ্চয় অৱসৰ, সুবিধা এটাও নাই। সেই সুযোগ এচাম সাংবাদিক আৰু মধ্যবিত্তই গ্ৰহণ কৰি আল্‌ফাৰ আনুগত্য আদায় কৰিবলৈ কিছু পৰিমাণে সক্ষম হোৱাটো নিশ্চয় সকলোৱে লক্ষ্য কৰিছে। বিনিময়ত তেওঁলোকে আল্‌ফা তথা ৰাইজক কি দিছে? আল্‌ফাৰ দেশৰ প্ৰতি থকা আনুগত্যত সন্দেহ নাই। তেওঁলোকৰ ত্যাগে যাতে এক বিপ্লৱী ঐতিহ্য সৃষ্টি কৰিব পাৰে তাৰ কাৰণেই এনেবোৰ গুৰুত্বপূৰ্ণ প্ৰশ্ন বিবেচনা কৰি চোৱাটো বাঞ্ছনীয়।

ব্যক্তিগত সন্ত্ৰাসবাদ আৰু সশস্ত্ৰ সংগ্ৰাম দুটা সম্পূৰ্ণ সুকীয়া ধাৰা, – তত্ত্বগত ভাবে দুটা সুকীয়া প্ৰত্যয়ো বুলি কব পৰা যায়। স্বাধীনতাৰ দাবীৰ প্ৰতি সমৰ্থন জনোৱা সকলে দুয়োটাকে একাকাৰ কৰি, নিজৰ মতৰ সমৰ্থনত যিবোৰ ব্যাখ্যা দাঙি ধৰিছে, সিবোৰৰ আদৰ্শগত অথবা তত্ত্বগত কোনো ভিত্তি নাই। শেষ বিচাৰত চৰকাৰ আৰু সেইসকলৰ স্বাৰ্থৰ মাজৰ সীমাৰেখাডাল নাইকিয়া হৈ পৰে। অথচ জনগণ আৰু ৰাষ্ট্ৰৰ মাজৰ বিৰোধেই ব্যক্তিগত সন্ত্ৰাসবাদৰো উৎস ভূমি। সশস্ত্ৰ সংগ্ৰামত থাকে সুশিক্ষিত এটা বাহিনী, তেওঁলোকৰ পিছত থাকে অভিপ্সিত সমাজখনৰ আদৰ্শত সংগঠিত জনসাধাৰণ আৰু দুয়োটাকে নিয়ন্ত্ৰণ কৰে শক্তিশালী এটা ৰাজনৈতিক কেন্দ্ৰই অৰ্থাৎ পাৰ্টিয়ে। একে সময়তে সংগঠিত জনসাধাৰণে পৰিস্থিতি সাপেক্ষে হাতত অস্ত্ৰ তুলি লয়। (যিটো ঘটিছিল চল্লিশৰ দশকৰ তেলেংগানা বিদ্ৰোহত।)। আল্‌ফাৰ সন্ত্ৰাসবাদ এই পৰ্যায়লৈ উঠিছেনে? শত্ৰু-মিত্ৰৰ স্পষ্ট বিভাজন নকৰাকৈ চলোৱা সন্ত্ৰাসবাদে জন উদ্যোগ সৃষ্টি কৰিব পৰাটো সম্ভৱ নহয়। আনহাতে সন্ত্ৰাসবাদেৰে জন উদ্যোগ সৃষ্টিৰ কৌশল অমাৰ্ক্সীয়। গণৰোষ সৃষ্টিতহে ই সহায় কৰে। এনে এক ঐতিহাসিক অৱস্থাত পৰিবৰ্তনৰ পথ কি হ'ব?

ভাৰতৰ অংগৰাজ্য সমূহৰ সাধাৰণ ৰাইজৰ জীয়াই থকাৰ মানৱীয় অধিকাৰ কণো আজি ৰাষ্ট্ৰ যন্ত্ৰই কাঢ়ি নিছে। ৰাষ্ট্ৰ যন্ত্ৰ বুলি আমি তিনিটা দৈত্যকেই বুজাব খুজিছো – সাম্ৰাজ্যবাদ, সামন্তবাদ আৰু বৃহৎ পুঁজিপতি। এতিয়া শোষণ-নিপীড়নৰ টীকা-টিপ্পনী লিখি থাকিলেই মুক্তিৰ পথ বিচাৰি পাম নে? যোৱা দুটা বছৰত এচাম সাংবাদিকে আৰু বুদ্ধিজীৱীয়ে তাকেই কৰি আছে। যি কেইজন ব্যক্তিয়ে তাৰ মাজতে সঠিক পথ এটা উলিয়াবলৈ নিৰলস প্ৰচেষ্টা চলাই আছে, তেওঁলোককো এঘৰীয়া কৰাৰ প্ৰয়াসহে দেখা গৈছে। পৰিস্থিতিৰ নিৰ্মোহ অধ্যয়ন, বিজ্ঞানসন্মত বিচাৰ বিশ্লেষণেহে এটা সঠিক পথৰ সন্ধান দিব পাৰে। সেই কষ্টসাধ্য কাম সচেতন ভাবে পৰিত্যাগ কৰি স্বাধীন অসমৰ দাবীটোৰ যোগ্যতা, যথাৰ্থতা প্ৰতিপন্ন কৰাত ব্যস্ত থকা সাংৱাদিক বুদ্ধিজীৱী সকলক আমি শ্ৰদ্ধাৰে সোঁৱৰাই দিব খোজো যে, এতিয়া প্ৰয়োজন সমাজখন পৰিবৰ্তন কৰাৰ আৰু তাৰ কাৰণে বিপ্লৱৰ এটা সঠিক পথৰ সন্ধান কৰাৰ। কোনোবা এটা ধুনীয়া পুৱাত কোনো এজনে আহি সেই পথ দেখুৱাই নিদিয়ে। জনগণৰ মাজত নিয়ত চলি থকা বিভিন্ন সংগ্ৰামৰ মাজতেই সেই পথ বিচাৰিব লাগিব।

## (২)

প্ৰসংগ সলনি কৰিছো। সংযুক্ত মুক্তি বাহিনীৰ মাতৃ, সমাজত চলি থকা শ্ৰেণী সংঘাত। তিনিটা দৈত্যৰ দলনত নিষ্পিষ্ট অসমৰ জনসাধাৰণৰ মুক্তিৰ পথ বিচাৰিয়েই নিশ্চয় আল্‌ফাই ব্যক্তিগত সন্ত্ৰাসবাদৰ আশ্ৰয় লৈছে। এনে পৰিস্থিতিত প্ৰয়োজন আছিল এটা সঠিক পথ (গণ লাইন) তুলি ধৰাটো; কিন্তু সেই কামৰ প্ৰতি কাৰো লক্ষ্য নাই। সমাজবাদৰ পথেই যে শোষণ মুক্তিৰ একমাত্ৰ পথ, সেই কথা আল্‌ফাৰ বক্তব্যতো প্ৰকাশ পাইছে। প্ৰকৃততে আমি যদি সমাজতন্ত্ৰকেই বিচাৰো, তেন্তে প্ৰথমেই বিচাৰ কৰা ভাল, তাৰ কাৰণে বৰ্তমান বিপ্লৱৰ স্তৰ কি হ'ব? একে জাঁপেই আমি সমাজতন্ত্ৰলৈ যাব নোৱাৰো। – এই ক্ষেত্ৰত ভাৰতীয় সমাজ তথা ৰাষ্ট্ৰৰ শ্ৰেণী চৰিত্ৰ বিচাৰ অনিবাৰ্য ভাবে আহি পৰে। তাৰ লগে লগে আমাৰ সমাজখনত থকা বিভিন্ন শ্ৰেণী সমূহৰ সামাজিক আৰ্থিক অৱস্থান কি, তাক নিৰ্ণয় কৰাটোও অপৰিহাৰ্য। ৰাষ্ট্ৰ তথা সমাজৰ চৰিত্ৰায়ণ কৰি, শত্ৰু কোন মিত্ৰ কোন তাক নিৰ্ণয় কৰাৰ পিছতহে বিপ্লৱৰ পথৰ প্ৰশ্নটো আহিব।

ভাৰতীয় বৃহৎ বুৰ্জোৱাই জাতীয় বুৰ্জোৱাৰ সহযোগত ক্ষমতা দখল কৰিলেও সাম্ৰাজ্যবাদৰ নিয়ন্ত্ৰণ অব্যাহত আছে। গতিকে ভাৰতীয় বৃহৎ বুৰ্জোৱাৰ দ্বাৰা পৰিচালিত হলেও ভাৰত এখন সম্পূৰ্ণ স্বাধীন ৰাষ্ট্ৰ নহয়। বৃহৎ বুৰ্জোৱাৰ আত্মসমৰ্পণকাৰী চৰিত্ৰয়ো তাকেই প্ৰমাণ কৰে। ব্ৰিটিছ পুঁজিবাদে ভাৰতত সামন্তবাদৰ মূলোচ্ছেদ কৰি জাতীয় পুঁজিৰ বিকাশ ঘটিবলৈ দিয়া নাছিল। এটা নিৰ্দিষ্ট সীমালৈকে সামন্তবাদক ধ্বংস কৰি পিছত আপোচ কৰিছিল। গতিকে ইউৰোপৰ দৰে ভাৰতত পুঁজিবাদে বিকাশ লাভ কৰা নাছিল। সামাজিক সম্পৰ্কৰ ক্ষেত্ৰতো কোনো মৌলিক পুঁজিবাদী ৰূপান্তৰ লক্ষ্য কৰা নাযায়। গতিকে পুঁজিবাদ আৰু সামন্তবাদ দুয়োবিধ উপাদানেই আমাৰ সমাজত ক্ৰিয়াশীল। সেই ধৰণে আছে গণতন্ত্ৰ আৰু গণতন্ত্ৰ বিৰোধী উপাদান। এই পৰস্পৰ বিৰোধী উপাদানবোৰ আছে দ্বন্দ্বৰত অৱস্থাত। এতিয়া নিশ্চয় আমি এই সিদ্ধান্তলৈ আহিব পাৰো যে আমাৰ সমাজ তথা ৰাষ্ট্ৰৰ চৰিত্ৰ হ'ল আধা-উপনিবেশিক আৰু আধা-সামন্তবাদী। ইয়াৰ দ্বাৰা আমি ইয়াকে প্ৰতিপন্ন কৰিব খুজিছো যে ভাৰত এতিয়া এখন উপনিবেশ নহয়। অথচ ঔপনিবেশিক অধীনতা পৰিমাণগত ভাবে কম বা গৌণ হলেও, তাৰ কবলৰ পৰা সম্পূৰ্ণ মুক্ত নহয়। সেইদৰে ভাৰতীয় পুঁজিবাদৰ পঁয়ালগা বিকাশে সামন্তবাদৰ মূলোচ্ছেদ কৰি সামাজিক সম্পৰ্কৰ পৰিপূৰ্ণ পুঁজিবাদী ৰূপান্তৰ ঘটাব নোৱাৰিলে।

OKDISCD

ভাৰতত পুঁজিবাদৰ বিকাশক পংগু কৰা সাম্ৰাজ্যবাদ আৰু আনফালে ভাৰতীয় বৃহৎ বুৰ্জোৱা, এই দুয়োটাই প্ৰধান শত্ৰু হলেও সামন্ত অৱশেষ এতিয়াও বিদ্যমান কাৰণে জনগণৰ মূল দ্বন্দ্বখন চলি আছে ক্ষীয়মান সেই সামন্ত অৱশেষৰ লগত (অৱশ্যে সামন্ত অৱশেষে একে সময়তে স্থায়িত্বও লাভ কৰি আছে।)। লাহে লাহে মৃত্যুৰ মুখলৈ আগবাঢ়ি যোৱাটোৱে মৃত্যু হোৱা নুবুজায়। তেনেকৈ সামন্ত অৱশেষ ক্ষয় হৈ থকাটোৱেও একেবাৰে বিলুপ্ত হোৱাটো নুবুজায়। ভাৰতত পুঁজিবাদৰ বিকাশে সামন্ত অৱশেষৰ পৰিপূৰ্ণ অৱলুপ্তি ঘটাব পৰা নাই। ব্ৰিটিছ আমোলত ভাৰতীয় পুঁজিবাদৰ যি বিকাশ হৈছিল, সেইখিনিও সম্ভৱ হৈছিল ঔপনিবেশিক স্বাৰ্থতহে। ভাৰতীয় সমাজৰ আধুনিকীকৰণ সম্পৰ্কত প্ৰসিদ্ধ ঐতিহাসিক শ্ৰদ্ধেয় বিপান চন্দ্ৰই লিখিছে (যদিও তেখেতৰ সকলো সিদ্ধান্তৰ লগত আমি এক মত নহওঁ।) — "From the mid 18th century and in particular, from the begining of the 19th century India had been gradually integrated into the world of modern capitalism though in subordinate or colonial position." ('Nationalism and Colonialism in Modern India' p. 3) এই প্ৰসংগতে তেখেঁতে আকৌ লিখিছে– "I may reiterate here that the British Rule did shalter the old pre-capitalist mode of production, but a new capitalist system did not follow instead a new colonial mode of production came into being." (p. 26-27) বিদেশী পুঁজিবাদৰ বিকাশে ভাৰতৰ পুৰণি সমাজ ব্যৱস্থা থান্‌বান কৰিলেও মূল গঠনবিন্যাসৰ বিশেষ পৰিবৰ্তন সাধিব নোৱাৰিলে। ভাৰতীয় বৃহৎ শিল্প সমূহে সামাজিক সম্পৰ্কৰ ৰূপান্তৰত কোনো গুৰুত্বপূৰ্ণ ভূমিকা লব পৰা নাই। শিল্প-উদ্যোগও, সমাজৰ আভ্যন্তৰীণ বিকাশৰ ফল নহয়। সেই বুলি সমাজ জীৱনলৈ যে ৰূপান্তৰ অহা নাই তেনে নহয়। মূল্যবোধ, চিন্তা-চেতনা, সাহিত্য-সংস্কৃতি সকলোলৈকে কম-বেছি পৰিমাণে ৰূপান্তৰ আহিছে কিন্তু সেইখিনি সমাজখনৰ সামগ্ৰিক পৰিপূৰ্ণ পুঁজিবাদী ৰূপান্তৰৰ ফল নহয়। বিভিন্ন স্তৰ অতিক্ৰম কৰাৰ পিছতহে ইউৰোপৰ দেশ সমূহৰ পুঁজিবাদলৈ উত্তৰণ ঘটিছিল। ভাৰত কৃষি প্ৰধান দেশ। ব্ৰিটিছ আমোলৰ ভাৰতৰ ভূমি ব্যৱস্থাক শ্ৰদ্ধেয় বিপান চন্দ্ৰয়ো 'Semi-feudal' বুলিয়েই কৈছে। ভূমি আৰু কৃষি ব্যৱস্থাৰ পুঁজিবাদী ৰূপান্তৰ বিহনে ভাৰতক এখন সম্পূৰ্ণ পুঁজিবাদী সমাজলৈ ৰূপান্তৰ কৰাটো অসম্ভৱ। "The Development of Capitalism in Russia" গ্ৰন্থত লেনিনে লিখিছে – "Thus one cannot conceive of capitalism without an increase in the Commercial and industrial population at the expense of the agricultural population, and every body knows that this phenomenon is revealed in the most clean-cut fashion in all capitalist countries." [V. I. Lenin - p. 40] ভাৰতত সামন্ত অৱশেষ পুঁজিবাদৰ বিকাশৰ অন্তৰায় হৈ আছে। সেয়ে হলেও পুঁজিবাদী পথেৰে সামন্ত অৱশেষৰ অৱলুপ্তি ঘটোৱাৰ বাস্তৱ অৱস্থা নাই। গতিকে ভাৰতত সামন্ত দ্বন্দ্বই মূল দ্বন্দ্ব। এনে সমাজৰ বিপ্লৱ স্তৰ, নীতি-কৌশল কি হ'ব, সেই সম্পৰ্কে ১৯২৬ চনতেই মাও জে দঙে বাট পোনাই থৈ গৈছে (নয়া-গণতান্ত্ৰিক বিপ্লৱ)।

ভাৰতৰ দৰে আধা-সামন্তবাদী আধা-উপনিবেশিক সমাজত জনগণৰ সচেতন প্ৰয়াসৰ দ্বাৰা সামন্ত অৱশেষৰ অৱলুপ্তি ঘটোৱাৰ বাহিৰে আন পথ নাই। পুঁজিবাদৰ বিকাশে সেই কাম সমাধা কৰাৰ পৰিস্থিতি নাই। সকলো দিশ ফঁহিয়াই চালে দেখা যায়, ভাৰতীয় সমাজৰ মূল দ্বন্দ্বই চীনৰ নয়া-গণতান্ত্ৰিক বিপ্লৱৰ পথকেই দাবী কৰে। ভাৰতত গণতন্ত্ৰৰ নামত বুৰ্জোৱা একনায়কত্বই চলি আছে। ইয়াত বুৰ্জোৱা গণতান্ত্ৰিক বিপ্লৱে সমাজৰ পুঁজিবাদী ৰূপান্তৰ সাধিব নোৱাৰে। জনগণৰ নেতৃত্বত, তেওঁলোকৰ আদৰ্শ আৰু স্বাৰ্থত গ্ৰহণ কৰা নয়া-গণতান্ত্ৰিক বিপ্লৱৰ কাৰ্যসূচীয়েহে সামন্ত অৱশেষৰ অৱলুপ্তি ঘটাই সমাজখনক সমাজতন্ত্ৰৰ পথত আগবঢ়াই লৈ যাব পাৰিব বুলি আমাৰ বিশ্বাস। নয়া-গণতান্ত্ৰিক বিপ্লৱ, শেষ বিচাৰত বিশ্ব সমাজতান্ত্ৰিক বিপ্লৱৰ লগত যুক্ত। মাও জে দঙৰ উক্তি উদ্ধৃত কৰি দিলে আমাৰ বক্তব্য স্পষ্ট হ'ব বুলি বিবেচনা কৰো। New Democracyত লিখিছে – "Although such a revolution in a colonial and semi-colonial country is still fundamentally bourgeois — democratic in its social character during its first stage or first step and although its objective mission is to clear the path for the development of capitalism, it is no longer a revolution of the old type led by the bourgeoisic with the aim of establishing a capitalist society and a state under bourgeois dictatorship. It belongs to the new type of revolution led by the proletariat with the aim in the first stage of establishing a new democratic society and a state under the joint dictatorship of all the revolutionary classes. Thus this revolution actually serves the purpose of clearing a still wider path for the development of Socialism." [Selected works — Mao-Tse-Tung —Vol II, p. 344] নয়া-গণতান্ত্ৰিক ৰাষ্ট্ৰৰ অৰ্থনৈতিক কাৰ্যসূচী সম্পৰ্কত লিখিছে – "In the new democratic republic under the leadership of the proletariat, the state enterprises will be of a socialist character and will constitute the leading force in the whole national economy, but the republic will neither confiscate capitalist private property in general nor forbid the development of such capitalist production as does not 'dominate livelihood of the people', for China's economy is still very backward." (Selected works vol. II p. 353)

সংযুক্ত মুক্তি বাহিনীয়ে শোষণ মুক্ত এখন স্বাধীন অসম বিচাৰিয়েই হাতত বন্দুক তুলি লৈছিল। ইয়াৰ অৰ্থ নিশ্চয় এইটো নহয় যে, ব্যক্তিগত সন্ত্ৰাসবাদকেই মুক্তিৰ পথ হিচাপে গ্ৰহণ কৰিছে। জনগণৰ সচেতন প্ৰয়াস বিহনে যে সমাজ ৰূপান্তৰ অসম্ভৱ সেই কথা নিশ্চয় এতিয়া তেওঁলোকৰ অবিদিত নহয়। তাৰ কাৰণেই নিৰ্দিষ্ট আদৰ্শ আৰু কাৰ্যসূচীৰ ভিত্তিত জনগণক সচেতন কৰি তুলিব লাগিব। পাহৰিলে ভুল হ'ব, বিপ্লৱী তত্ত্ব বিহনে বিপ্লৱ হ'ব নোৱাৰে। যি সকল সাংবাদিক আৰু বুদ্ধিজীৱীয়ে স্বাধীনতাৰ দাবীটোক সজোৰে তুলি ধৰি বক্তব্য জনাইছে, তেওঁলোকে যেন সেই বক্তব্যক এটা তাত্ত্বিক ভিত্তিৰ ওপৰত প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰে। তাৰ আগতে প্ৰয়োজন ঘটি থকা ঘটনাৰ সঠিক বিবৰণ। কাৰণ সিবোৰেই হ'ব আমাৰ কাৰণে মূল্যবান তথ্য। এটা কথা আমি দুখেৰে লক্ষ্য কৰিছো যে, সংবাদ, সম্পাদকীয়, প্ৰতিবেদনৰ নামত মহাকাব্য উপন্যাসৰ লেখীয়া ৰচনাই ৰাইজক সচেতন কৰাৰ বিপৰীতে বিভ্ৰান্তহে কৰিছে। সমুদ্ৰৰ তলত মাণিক কোনে বিচাৰিব? প্ৰকৃত অৰ্থত সংবাদসেৱা অসমত বজাৰৰ পণ্যত পৰিণত হৈছে। সাংবাদিক নামৰ প্ৰাণীটো পুঁজিপতি মালিকৰ পণ্য উৎপাদনকাৰী এজন শ্ৰমিক। এনে এক পৰিবেশত শুদ্ধ তথ্যৰ আধাৰত তত্ত্ব গঢ়ি তোলাটো অত্যন্ত কঠিন। তাৰ ভিতৰতে অৱশ্যে দুই এক উজ্জ্বল ব্যতিক্ৰম আছে। এটা যুগৰ ঘটনাৱলীৰ তাত্ত্বিক ভেটি আন এটা যুগৰ কাৰণে অমূল্য তথ্য হ'ব পাৰে। তত্ত্বৰ আলোকত তথ্য বিচাৰ কৰা হয়। শুদ্ধ তথ্যৰ প্ৰণালীবদ্ধ ৰূপেই তত্ত্বৰ সৃষ্টি কৰিব পাৰে। কিন্তু তত্ত্ব আৰু আদৰ্শৰ প্ৰতি এচাম ব্যক্তিৰ অনীহা প্ৰকট হৈ পৰাটো নিশ্চয় বহুতেই লক্ষ্য কৰিছে। অথচ আল্‌ফাৰ কৰ্মী সকল সততে তেওঁলোকৰেই ওচৰ চাপে। দুই এজন আল্‌ফাৰ সমৰ্থক যুৱ-ছাত্ৰৰ লগত কথা পাতোতে তেওঁলোকে তত্ত্ব আদৰ্শৰ প্ৰতি যি অনীহা প্ৰকাশ কৰিলে শুনি আচৰিত হলো। বহু যুৱ-ছাত্ৰৰ হেনো আদৰ্শৰ প্ৰতি আস্থা নাই। সকলো কৰ্মী তথা নেতৃত্বৰ বক্তব্য যে সেইটো নহয় তাত আমাৰ সন্দেহ নাই। কিন্তু বুজন সংখ্যক যুৱ ছাত্ৰ সেই অৱস্থা প্ৰাপ্ত হোৱাটোৱে কি সূচায়?

সময় এতিয়াও উকলি যোৱা নাই। ওপৰত আমি সংক্ষেপে চীনৰ নয়া-গণতান্ত্ৰিক বিপ্লৱৰ কথা উল্লেখ কৰিছো। বৰ্তমান অসম তথা ভাৰতৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক পটভূমিৰ লগত খাপ খুৱাই জনগণৰ নেতৃত্বত আৰু বিপ্লৱী অন্যান্য শ্ৰেণীৰ সহযোগত ভাৰতত গণতন্ত্ৰ প্ৰতিষ্ঠাৰ সংগ্ৰাম সংগঠিত কৰাৰহে উপযুক্ত পৰিস্থিতি আছে বুলি আমাৰ ধাৰণা. অসমেই সেই কাম আৰম্ভ কৰক। – আমি এই আশা নিশ্চয় কৰিব পাৰো যে, সংযুক্ত মুক্তি বাহিনীৰ ত্যাগৰ বিনিময়ত এটা বিপ্লৱী দল গঠন হওক। যিটো দলে, ভাৰতৰ বিভিন্ন বাওঁপন্থী দল, সংগঠন আৰু ব্যক্তিক নয়া-গণতান্ত্ৰিক বিপ্লৱ কাৰ্যসূচীৰ ভিত্তিত একেখন মঞ্চতে সমবেত কৰি (ঐক্যৰ ওপৰতহে গুৰুত্ব দিয়া হৈছে) জনগণক বিপ্লৱৰ কাৰণে সংগঠিত কৰক।



# খু-দুৱনিৰ বুৰবুৰণি

সূত্ৰধাৰৰ ১৬-৩১ ডিচেম্বৰ ১৯৯১ সংখ্যাত হোমেন বৰগোহাঞিৰ পুনৰ্মুদ্ৰিত 'বহিৰাগতৰ সমস্যা' শিতানত লেখা ধাৰাবাহিক (৩নং) পঢ়িলো। পঢ়ি মোৰ কেইটামান খু-দুৱনি লাগিল। তাকে কব খুজিছো।

বঙালী মুছলমানৰ প্ৰব্ৰজনৰ (অসমলৈ) কথা এনেকৈ কৈছে – 'বাংলাদেশত বঙালী মুছলমানৰ কাৰণেই ঠাই নাই। সেই কাৰণে সিহঁতে প্ৰাণ ৰক্ষাৰ কাৰণে প্ৰাণৰ মায়া ত্যাগ কৰি দুৰ্গম অৰণ্য পথেদি, নদী পথেদি, অসমলৈ পলাই আহে....... এইবোৰ কথাৰ পৰা এটাই সত্য প্ৰমাণিত হয় যে ক্ষুধাৰ কোনো সীমান্ত নাই।'

এই সংক্ৰান্তত ১-১৫ জুলাই ১৯৮৯ সংখ্যাত (সূত্ৰধাৰ) 'মাতৃভক্ত কুন্দুচখান' এই শিতানত লেখা প্ৰবন্ধটোৰ সংশ্লিষ্ট অংশ উল্লেখ কৰিব খুজিছো – কুন্দুচ খান তেতিয়াৰ পূব বঙ্গৰ মৈমনসিং জিলাৰ টাঙাইল মহকুমাৰ মানুহ। তেওঁ অন্য প্ৰব্ৰজনকাৰীৰ লগতে কেনেকৈ অসমলৈ আহিছিল তাৰ চমু বিবৰণ এটা লিপিবদ্ধ কৰা হৈছিল। প্ৰাসঙ্গিকতাৰ খাতিৰত একাংশৰ পুনৰ উদ্ধৃতি কৰিলো, –'পিয়াহত আতুৰ মানুহে যেনেকৈ পানীৰ সন্ধানত জীৱন পাত কৰে, টাঙাইনৰ মাটি খকুৱা মানুহে মাটিৰ সন্ধানত তেনেকৈয়ে জীৱন পাত কৰে। আৰু মাটিৰ সন্ধান পালেই প্ৰাণটাকি দৌৰ মাৰে। নিজৰ পিতৃ-ভূমি এৰি দূৰ-দূৰণিলৈ যোৱাটো বৰ বেদনা দায়ক। আমি অভাৱৰ তাৰণাতেই অসমলৈ আহিছিলো।'

প্ৰব্ৰজনৰ পৰিবেশ আৰু মূল কাৰণ সম্বন্ধে এই দুই বৰ্ণনাত মত-পাৰ্থক্য নাই। ক্ষুধাৰ সীমান্ত নাই এইটো বেলিৰ পোহৰৰ দৰে সত্য। ইয়াৰ বিপৰীতে 'বহিৰাগতৰ সমস্যা'ত উল্লেখ কৰা বক্তব্যটোলৈ আঙুলিয়াওঁ যেনে – 'শতাব্দীৰ অসমলৈ বহিৰাগতৰ বৃহত্তৰ প্ৰব্ৰজন হৈছিল ত্ৰিশ দশকত যেতিয়া ছাৰ ছাদুল্লাৰ মুছলিম লীগ চৰকাৰৰ আমোলত অসমৰ দুৱাৰ পূৰ্ববংগৰ লাখ লাখ মুছলমানৰ কাৰণে মুকলি কৰি দিয়া হৈছিল। অসমক মুছলমান প্ৰধান প্ৰদেশত পৰিণত কৰাই আছিল ছাৰ ছাদুল্লাৰ উদ্দেশ্য।'

অসমৰ দুৱাৰ মুকলি কৰি দিয়া বুলি কওঁতে দুটা কথা সোমাই আছে। প্ৰথম – এখন দুৱাৰৰ অস্তিত্ব মানি লোৱা হৈছে। দ্বিতীয়তে – এই দুৱাৰ আগতে বন্ধ আছিল ছাদুল্লাই মুকলি কৰি দিলে। অৰ্থাৎ অসমত আগতে পূৰ্ব-বংগৰ মুছলমান নাছিল ছাদুল্লাই দুৱাৰ খুলি পূৰ্ববংগৰ মুছলমান আনিলে। যদি ছাদুল্লাই দুৱাৰ মুকলি কৰি দিলে তেওঁৰ পিছত বন্ধ কৰি দিবলৈ কোনো অসমহিতৈষী লোক নাছিল নেকি? মোৰ মনত খু-দুৱনি সোমালে ইয়াৰ পৰাই।

বৃটিছ ভাৰতৰ ভিতৰত অবাধ প্ৰব্ৰজন আছিল। দুখন প্ৰদেশৰ চাৰিওফাল উদং আছিল – দুৱাৰ বা তেনেকুৱা কোনো ভৌগোলিক বা আইনগত প্ৰতিবন্ধক নাছিল। পতিয়ন নেযাব পাৰে –স্বাধীনতাৰ পাছতো 'ৰেড ক্লিফ খ্যাত' অসম-পাকিস্তান তথা অসম-বাংলাদেশৰ মাজত আন্তৰ্জাতিক সীমা কোটিকলীয়া ছয় ইঞ্চি বহলৰ পথাৰৰ আলিটো। ভাৰতবৰ্ষ পাকিস্তান এই আলিটোৰ ইফাল আৰু সিফাল। এজন মানুহে ভাৰতবৰ্ষৰ মাটিত এখন আৰু পাকিস্তান তথা বাংলাদেশৰ মাটিত আনখন ভৰি দি থিয় হ'ব পাৰে। একেজন মানুহ বাংলাদেশী আৰু ভাৰতীয় হ'ব পাৰে কেৱল দুখত ভৰিৰ মেজিক। পাকিস্তান কমনৱেলথ দেশ বিদেশী বিধেয়ক (Foreign Act) প্ৰযোজ্য নহয়। কমনৱেলথ দেশ হলেও ৰাষ্ট্ৰপতিয়ে পাকিস্তানৰ ক্ষেত্ৰত এইখন আইন প্ৰযোজ্য বুলি অধ্যাদেশ জাৰি কৰিলে। ১৯৫০ চনৰ আগতে ভাৰতত ৰাষ্ট্ৰপতি নাছিল। ১৯৫৭ চনতহে এইখন আইন বলবৎ হয়। অৰ্থাৎ তেতিয়াহে পাকিস্তান অনুপ্ৰৱেশকাৰীক চিনাক্ত আৰু বহিষ্কাৰ কৰিব পৰা আইনৰ ব্যৱস্থা হৈছিল। এইটো কৈ থোৱা ভাল হ'ব যে বৃটিছ বংগদেশ অসমৰ সীমা, অসম বাংলাদেশৰ সীমা একেই।

অসমলৈ বঙ্গদেশৰ পৰা (বাংলাদেশৰ

কথা কোৱা নাই) মুছলমানৰ প্ৰব্ৰজন কেতিয়া আৰম্ভ হৈছিল। নকলেও হ'ব এই প্ৰসংগত এই প্ৰশ্নটোৰ উত্তৰ গুৰুত্বপূৰ্ণ। মই দুটা চনৰ কথা অবগত। ডঃ ৰাজেন্দ্ৰ প্ৰসাদৰ ম'তে ১৯১১ চন (India Divided)। বৰপেটা মহকুমাৰ পিতৃ-পুৰুষ/ প্ৰবাদ পুৰুষ স্বৰ্গীয় ধনীৰাম তালুকদাৰৰ মতে ১৯১০ চন। এবছৰৰ হেৰফেৰ। কেইবাদশক বৰপেটা মহকুমাৰ লোকেল ব'ৰ্ডৰ চেয়াৰমেন তালুকদাৰে কৈছিল – এই মানুহবোৰ পহিলাই ব্ৰহ্মপুত্ৰ নদীয়েদি আহি চৰবোৰত বহিছিল। সেই কাৰণে বৰপেটাৰ মানুহে সিহঁতক চওৰা/চৰুৱা কয়। লাহে লাহে সিহঁত পাৰলৈ আহি বিয়পি পৰিল।

প্ৰব্ৰজন মানৱ সমাজৰ এটা ঐতিহাসিক প্ৰক্ৰিয়া। অপৰাধ বিজ্ঞান মতে (Criminology) প্ৰব্ৰজনে বিদেশী আৰু স্থানীয় দুটা পৃথক সমাজ ব্যৱস্থাৰ সংঘাত ঘটায়। ফলস্বৰূপে প্ৰথম পৰ্যায়ত অপৰাধ বৃদ্ধি হয় – বিশেষকৈ স্ত্ৰী কেন্দ্ৰিক আৰু মাটি-জমি কেন্দ্ৰিক অপৰাধ। লগে লগে এটা মিলনৰ ফল্গুধাৰাত প্ৰবাহিত হয়। এই প্ৰক্ৰিয়াটো সম্পূৰ্ণ হবলৈ প্ৰায় অৰ্দ্ধ শতাব্দী লাগে।

অসমীয়া সমাজত পুৰণি মৌজাদাৰৰ পৰিয়ালেই অভিজাত পৰিয়াল। মই তেনেকুৱা পৰিয়ালত থকা বহুত গ্ৰুপ ফটো দেখিছো। তাত সততে চকুত পৰা দৃশ্য হ'ল মহিলা সকল শাৰী পৰিহিতা। তেতিয়া বোধহয় সেইটো আভিজাত্যৰ পৰিচায়ক। ন-পমুৱা মুছলমান বসতিপূৰ্ণ অঞ্চলত তেনেকুৱা এটা বিশেষ দৃশ্য চকুত পৰে। যি ঘৰৰ ছোৱালীয়ে ৰিহা-মেখেলা পিন্ধে, সেই পৰিয়াল সাধাৰণ মানুহে শিক্ষা-দীক্ষাত আগবঢ়া বা অভিজাত পৰিয়াল বুলি ভাবে।

১৯১০/১১ চনত প্ৰব্ৰজন হলে অপৰাধ বিজ্ঞানৰ সূত্ৰমতে ১৯৬০/৬১ চন মানত প্ৰব্ৰজনকাৰী সকল মূলসুঁতিত মিলি যাব লাগে। যদি হোৱা নাই, কি শক্তিৰ দ্বাৰা বাধাগ্ৰস্ত হৈছে – তেওঁলোকেই নিলগত থাকিব খোজে, নে অন্য কোনো শক্তিয়ে নিলগত ৰাখিব খোজে এইটো বিচাৰ্য বিষয়। প্ৰব্ৰজন অব্যাহত আছে সেই কাৰণেই মিলন প্ৰক্ৰিয়াটোৰ গতি লেহেম হৈছে সেইটোও হ'ব পাৰেনে কি।

মঃ ছাদুল্লাৰ প্ৰথম চৰকাৰ গঠন হয় অসমত ১৯৩৭ চনত। চৰকাৰৰ পতন হয় ১৯৩৮ চনত অনাস্থা প্ৰস্তাবত পৰাজয় বৰণ কৰি। গোপীনাথ বৰদলৈৰ নেতৃত্বত চৰকাৰ গঠন হয় (১৯৩৮ ৪০)। দেখা যায় ত্ৰিশ দশকত ছাদুল্লা চৰকাৰ কথমপি এবছৰ কাল জীয়াই আছিল। স্বাধীনতাৰ পাছত কংগ্ৰেছী চৰকাৰেই চলিছিল। এইটো অনস্বীকাৰ্য যে ১৯১০/১১ চনতে আৰম্ভ হোৱা (যদি তাৰ আগতেই অহা নাই) প্ৰব্ৰজন লানি নিছিগাকৈ চলিয়েই আছিল। এতিয়াও চলি আছে বুলি কোৱা হয়। অৰ্থাৎ ছাদুল্লাৰ আগতে আৰু পাছতো প্ৰব্ৰজন হৈ আছিল। তেতিয়া হলে অকল মঃ ছাদুল্লাকে স্কেপ গোট (Scape goat) বলিৰ পঠা সজোৱা হৈছে কিয়। খু-দুৱনিৰ মাত্ৰা আৰু বাঢ়ে।

গোপীনাথ বৰদলৈয়ে কাৰ্যভাৰ লওঁতে মঃ ছাদুল্লাই কৈছিল – 'আজি মোৰ জীৱনৰ এটা বৰ সুখৰ দিন। মই মোৰ কান্ধৰ গধুৰ ভাৰখন মোৰ প্ৰিয় ছাত্ৰ শ্ৰীমান গোপীক দিবলৈ পাই বৰ গৌৰৱ অনুভৱ কৰিছো।' সেই দিনৰ পৰা কিন্তু তেওঁলোকৰ সম্বন্ধই বাগৰ সলালে। গৱৰ্ণমেন্ট কৰ্ণধাৰ আৰু বিৰোধী নেতাৰ যিটো সম্বন্ধ সদায় হয়। আক্ৰমণ প্ৰতি আক্ৰমণ চলিল। এদিনৰ কথা। ৰাজহ মন্ত্ৰী বৈদ্যনাথ মুখাৰ্জীয়ে বিৰোধী নেতাক উদ্দেশ্যি কলে, 'আপুনিয়েই এদিন এই সভাৰ মজিয়াত বৰদলৈৰ গুণ-গৰিমা গোৱাত পঞ্চমুখ হৈছিল আৰু তেওঁক লৈ গৌৰৱ কৰিছিল। আজি যদি আপোনাৰ প্ৰিয় ছাত্ৰ বেয়া হ'ল, তেওঁৰ শিক্ষক হিচাপে আপুনিয়েই দায়ী নহয় জানো।' মঃ ছাদুল্লাই তপৰাই উত্তৰ দিলে – মোৰ ছাত্ৰ খুবেই ভাল আছিল; এতিয়া বেয়া সংগত পৰিহে বেয়া হৈছে। এতিয়া তেওঁৰ ভুল-ত্ৰুটিৰ বাবে তেওঁৰ সংগী সকলেহে দায়ী – মই নহওঁ। হাঁহিৰ খলকনি উঠিল। অপ্ৰাসঙ্গিক হলেও এই আমোদজনক ঘটনাটো উল্লেখ কৰাৰ লোভ সামৰিব নোৱাৰিলো।

আকৌ মাতৃ ভক্ত কুদ্দুচ খানলৈ আঙুলিয়াওঁ। খানৰ সংঘৰ্ষপূৰ্ণ জীৱনৰ কাহিনীয়ে প্ৰব্ৰজনৰ ওপৰত যথেষ্ট আলোকপাত কৰিছে। তেওঁক মুকুটহীন ৰজা আখ্যা দিয়া হৈছে। তেওঁৰ ৰাজ্য ১৯৩৭ চনৰ আগতেই প্ৰতিষ্ঠা হৈছিল। তেওঁ নিজেই কোৱা মতে বহুত জমি সংক্ৰান্ত মোকৰ্দমাত জড়িত হৈছিল। শেহান্তৰত তেনেকুৱা এটা মোকৰ্দমাত তেওঁৰ ফাঁচিৰ হুকুম হৈছিল। অৱশেষে আপিলত খালাচ পাইছিল। ১৯৩৭ চনৰ আগতে হোৱা এই ঘটনাৱলীয়ে প্ৰব্ৰজনকাৰী সকলৰ আত্ম সংস্থাপন আৰু প্ৰতিপত্তিৰ বাবে কৰা তুমুল সংগ্ৰামৰ সম্ভেদ দিয়ে। আৰু ১৯১০/১১ চনৰ প্ৰব্ৰজনৰ সূত্ৰপাত সূচায়। বৰপেটা অঞ্চলৰ বহু সংখ্যক চৰুৱা গাওঁ ১৯৩৭ চনৰ বহু আগতেই সংগঠন হৈছিল স্থানীয় কোনোবাই এইটো অস্বীকাৰ কৰিব পাৰিব জানো।

১৯১০/১১ চনতে প্ৰব্ৰজন আৰম্ভ হৈছিল। ইয়াৰ আগতে যদি হৈছিল মই নেজানো। ত্ৰিশ দশকৰ ছাদুল্লাক দহ দশকলৈ কিয় টানি নিয়া হৈছে। নে দহ দশকক টানি ত্ৰিশ দশকলৈ অনা হৈছে পাকিস্তানৰ লগত সাঙুৰিবৰ কাৰণে। এইটো মোৰ আঁকোৱালি নোৱৰা খু-দুৱনি। ১৯১০/১১ চনত পাকিস্তানৰ নাম গোন্ধেই নাছিল হ'বলা।

লাখ লাখ পূৰ্ববংগৰ মুছলমান অহা সত্য। লাখ লাখ তেনেকুৱা মুছলমান ১৯৩৭ চনৰ আগতে আহি গাওঁ-ভূই পাতি খেতিবাটি কৰি জমিৰ কাৰণে মামলা মোকৰ্দমা কৰি জীৱন পাত কৰি স্থায়ী বাসিন্দা হিচাপে বসতি কৰিছিল সেইটোও সত্য। তেওঁলোকক অনা হৈছিল নে তেওঁলোক আহিছিল কোনটো সত্য। ক্ষুধাৰ সীমান্ত নাই এইটোও সত্য। দুৰ্বাৰ স্ৰোতে আৱাহন নিবিচাৰে নিষেধো নেমানে এইটোও সত্য।

কুৰি শতিকাৰ ত্ৰিশ দশকত স্বাধীন ভাৰতেই কল্পনাতীত আছিল। ছাদুল্লাই অসমক পাকিস্তান কৰাৰ প্ৰস্তুতিৰ সম্ভাৱনা কিমান বাস্তৱসন্মত এইটোৱে খু-দুৱনি জন্মায়। যদি কোৱা হয় – ৰাম নৌহওঁতেই ৰাম ৰচনা একা – খু-দুৱনি আৰু বাঢ়ে।

বংগদেশৰ মুছলমান প্ৰব্ৰজনে অসমৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক জীৱনত কি প্ৰভাব পেলালে, ইদানীং মোৰ বিষয়-বস্তু নহয়। এই নাটকখনৰ সূত্ৰধাৰৰ চিহ্নিতকৰণ সম্বন্ধে মোৰ খু-দুৱনি ৰাখিছে আৰু মোৰ মনৰ দুৱাৰ মুকলি কৰি দি সেইখিনিকে বহলাই মেলি দিবলৈ প্ৰয়াস কৰিছো। এইবোৰ মোৰ খু-দুৱনি বা উকমুকনি। সিদ্ধান্ত নহয়। বিজ্ঞ সকলে ইয়াৰ সিদ্ধান্ত ল'ব। প্ৰব্ৰজনে অসম বুৰঞ্জীৰ এটা গুৰুত্বপূৰ্ণ অধ্যায় অধিকাৰ কৰিব। ইয়াত আবেগ অনুৰাগৰ স্থান হ'ব নেলাগে। কিম্বদন্তি, গল্প-গুজববোৰৰ পৰা ঐতিহাসিক তথ্য বাছি-বিচাৰি উলিয়াই নিৰ্ভেজাল বুৰঞ্জী ৰচনা হোৱা উচিত বুলি ভাবো।

**ঘনকান্ত লস্কৰ**







# অনুৰাধা? লক্ষ্মী নে.......

গৰিমা হাজৰিকা

ঘৰ সাজিবলৈ ইটা বালি পেলাবলৈ আৰম্ভ কৰোতেই আমাৰ সৰু টাউনখনৰ চুবুৰিটোৰ মানুহখিনিয়ে গম পাই যায় – কাৰ ঘৰ, কি কাম কৰে, পৰিয়াল ডাঙৰ নে সৰু, দৰমহাৰ পইছাৰে কেনেকৈ ইমান ডাঙৰ ঘৰ সাজিলে ইত্যাদি ইত্যাদি। ঠিক তেনেকৈয়ে মই জানিলো, বগা ৰঙৰ প্ৰাসাদৰ প্ৰাসাদ লগা তিনিমহলীয়া ঘৰটো হেনো বিমান চৌধুৰীৰ। স্কলাৰ মানুহ, দান দক্ষিণা কৰিব পৰা শক্তি আছে কাৰণেই তেওঁৰ মন থাকক বা নেথাকক, খেলা-ধূলা, কলা-সংস্কৃতিৰ ক্ষেত্ৰত তেওঁৰ নাম আগত! চুবুৰিটোলৈ আহিয়েই চেঙেলীয়া ল'ৰাবোৰে কৰা ক্লাবটোৰ তেওঁ পেট্ৰন হ'ল। চৌধুৰীৰ দুটা ল'ৰা; ডাঙৰ ল'ৰাই অনা অসমীয়া বিয়া কৰাইছে। থাকে বিলাতত। সৰুজনে নতুনকৈ বিজনেছ আৰম্ভ কৰিছে। চৌধুৰীৰ পৰিবাৰ দেখাই শুনাই, খোজে-কাটলে, কামে-কাজে সাইলাখ শাস্ত্ৰসন্মত লক্ষ্মীদেৱী। মুখৰ হাঁহি নুগুচেই। তেওঁৰ নাম অনুৰাধা। চৌধুৰীয়ে কিন্তু তেওঁক লক্ষ্মী বুলি মাতে। চৌধুৰীৰ বিশ্বাস অনুৰাধাক বিয়া কৰোৱাৰ পাছৰ পৰাই তেওঁৰ পদোন্নতি, ধনোন্নতি হৈছে। চৌধুৰী নেলাগে – চুবুৰিটোৰ আন মানুহেও অনুৰাধাক লক্ষ্মী চৌধুৰী, লক্ষ্মী বাইদেউ বুলি মাতে।

মই ভাবিলো, মোকোতো শাহু আয়ে ঢুকুৱাৰ আগলৈকে লক্ষ্মী আই বুলিয়েই মাতি গ'ল। কিন্তু কিয়নো মোক লক্ষ্মী আই বুলি মাতিছিল মই এতিয়াও ধৰিব পৰা নাই। মোৰ হাততো একো ধনেই নাই যে আনক কিবা এটা দি সহায় কৰিম। নিজৰ চাহিদা পূৰণ কৰিবলৈকো চিন্তা কৰিব লাগে। গৃহস্থক ঘৰ চলোৱা পইছাৰ বাহিৰে আন খৰচৰ কথা ক'লে প্ৰশ্নবাণেৰে জৰ্জৰিত কৰে। তেতিয়া নিজৰ ওপৰত ধিক্কাৰ জন্মে – অপমান পাওঁ। বজাৰৰ খৰচৰ পৰা দুই চাৰি টকা বাচিলেও ল'ৰা-ছোৱালীৰ আবদাৰ মাৰোতে শেষ। গতিকে উপায়? অপমান আৰু প্ৰশ্নবাণৰ পৰা সাৰিবলৈ মাজে সময়ে গৃহস্থৰ বেগৰ পৰা গম নোপোৱাকৈ পইছা সৰকোৱা। গৃহলক্ষ্মীৰ এই দুৰ্গতি! ভাবিলে বৰ দুখ লাগে। পঢ়া-শুনাও বৰ এটা নকৰিলো। ভাবিলো, কিনো কথা, বিয়া যেতিয়া হবই –থাকিম আৰামত। কিন্তু মিছা সকলো মিছা মোৰ মন বুজোতা কোনো নাই। লক্ষ্মী বাইদেউ নিশ্চয় মোৰ নিচিনা নহয়। কাৰণ লক্ষ্মী বাইদেউ চৌধুৰীৰ মৰমৰ স্ত্ৰী। বিমান চৌধুৰীৰ মতে লক্ষ্মী গৃহিণীৰ উদাহৰণ হ'ল তেওঁৰ স্ত্ৰী অনুৰাধা। ধুনীয়া, মাৰ্জিত, সকলোৰে লগত মিলিব পৰা, প্ৰয়োজন অনুযায়ী বিবিধ ব্যঞ্জন ৰান্ধি সুন্দৰকৈ পৰিবেশন কৰা। পৰিয়ালৰ মন বুজি হাঁহিমুখে সংসাৰ চলাই যাব পৰা, ইত্যাদি ইত্যাদি। পত্নীৰ গুণানুকীৰ্ত্তন চৌধুৰীৰ মুখে আমাৰ গৃহস্থই নিজে শুনিছে। চুবুৰিৰ সকলো মানুহেই কয় তেওঁলোকৰ যোৰা হেনো ৰাম সীতা, হৰ-গৌৰীৰ যোৰা। লক্ষ্মী অবিহনে বিমান চৌধুৰীৰ জীৱন বৃথা। এনে হেন সুখৰ অধিকাৰিণী লক্ষ্মী চৌধুৰীক মোৰ লগ পোৱাৰ অদম্য হেঁপাহ হোৱাটো স্বাভাৱিক।

আমাৰ ওচৰৰে অনিতা বাইদেউ লক্ষ্মী চৌধুৰীৰ লগত একেলগে স্কুলত পঢ়া। এদিন তিনিগৰাকী মহিলাৰে সৈতে অনিতা বাইদেউ চৌধুৰীৰ ঘৰ বুলি ওলাইছে। লক্ষ্মী বাইদেউক মহিলা সমিতিৰ অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সদস্যা কৰিবলৈ। মই এই সুযোগ নেৰিলো, লগতে ওলালো। মোকো অনিতা বাইদেৱে সমিতিৰ সভ্যা হ'বলৈ কৈছে। মই হ'ম বুলিয়েই কৈছো – কিন্তু লগতে ভাবিছো, পঞ্চাশ টকা সভ্যা হোৱাৰ মাছুল গৃহস্থৰ পৰা উলিয়াম কেনেকৈ? পইছা অৱশ্যে খুজিলে নিদিয়াকৈ নেথাকে তথাপিও.....।

লক্ষ্মী চৌধুৰীক আমি ফুলনি বাগিচাতে পালো। অনিতা বাইদেউক বহুতদিনৰ মূৰত লগ পাইছে – বৰ আলহ দুলহ কৰি আমাক লৈ গৈ, প্ৰকাণ্ড ড্ৰইং ৰুমটোত বহুৱাই একে উশাহে বহুতো কথা কলে। তাৰ মাজতে আমাক তেওঁ নিজে কৰা কেক, লালমোহন, আনাৰসৰ চৰবত খুৱালে। মই ভাবিলো এনে মানুহক লক্ষ্মী নকৈ কাক ক'ব? দেখাই-শুনাই কামে-কাজে গোটেই জনী লক্ষ্মী প্ৰতিমা। অনিতা বাইদেৱে এবাৰ সুযোগ পাই আমাৰ অহাৰ উদ্দেশ্য ক'লে। লক্ষ্মী বাইদেৱে হাঁহি এটা মাৰি ক'লে – 'সভ্যাতো হ'মেই তাৰ উপৰিও যদি তহঁতৰ স্মৰণিকাখনৰ কাৰণে দুই এটা বিজ্ঞাপন লাগে চৌধুৰীক কৈ ঠিক কৰি দিব পাৰিম। আজি ভালেই হৈছে দে, তেওঁ ঘৰতে আছে। তই ৰচিদ ঠিক কৰ, মই পইছা লৈ আহিছো! এওঁকো মাতি দিওঁ ৰহ।'

লক্ষ্মী বাইদেউ ভিতৰলৈ যাওঁতে আমি আটাই গৰাকীয়ে লক্ষ্মী চৌধুৰীৰ স্বামীৰ কথাকে পাতি আছো! আমাৰ মাজৰ মন্দিৰা আকৌ বৰ খোলা তাই মাত লগালে– 'আমাৰ জনে সভ্যা হবলৈ পঞ্চাশ টকা খুজিলে কি কলেহেঁতেন জানে – পঞ্চাশ টকাৰ সভ্যা হোৱাতকৈ মাছকে আনা খাওঁ!" – অনিতা বাইদেউৱে হাঁহি হাঁহি চৰচৰণি খাই গ'ল। মই কলো – 'আমাক বাৰু গৃহস্থবোৰে কিয় অবাবত পইছা খৰচ কৰো বুলি ভাবে? দুই চাৰি টকা যেনিবা অবাবতে খৰচ কৰিলো তাতে কি হ'ল। আমাৰ জানো স্ত্ৰী হিচাপে নিজৰ এটা অধিকাৰ নাই?' 'তেওঁলোকে যে আৰ্জন কৰে।' 'আৰ্জন কৰে কাৰণেই যে তেওঁৰ মনোৰঞ্জনৰ কামবোৰ কৰিব আৰু আমি নোৱাৰিম, তাৰ কোনো যুক্তি নাই।'

আমাৰ মাজত এনেদৰে বাক-বিতণ্ডা হৈ থাকোতেই, ভিতৰৰ পৰা লক্ষ্মী বাইদেউ

অৰ্থাৎ অনুৰাধা চৌধুৰী আহি থিয় হ'ল। আমি লক্ষ্মী বাইদেউৰ মুখখন দেখিয়েই ধৰিব পাৰিলো যে তেওঁ চৌধুৰীৰ লগত কিবা লাগিছে। মুখখন খং আৰু অপমানত ৰঙা পৰি আছে। কিন্তু লক্ষ্মী বাইদেৱে মুখত এটা কৃত্ৰিম হাঁহি লৈ কলে – 'অনিতা মই ভাবিছো – মোৰ সভ্যা হ'বলৈ অলপ অসুবিধা হ'ব। ঘৰখনুটো মই এৰিব নোৱাৰিম। এনেয়েতো সভ্যা হৈ লাভ নাই, কাম কৰিব নোৱাৰিলে। তাত কৈ মই তহঁতৰ মিটিংৰ বাবে ফুলৰ 'ব'কে' কৰি দিম বুজিছ। তহঁতে ফুল কিনিব নেলাগে। এখেত শুই আছে যোৱা কালি টোপনি ক্ষতি। জগাবলৈ বেয়া লাগিছে। বেয়া নেপাবি দেই।' মোৰ লক্ষ্মী বাইদেউলৈ বৰ দুখ লাগিল। বেচেৰীয়ে গিৰীয়েকৰ সন্মান ৰাখিবলৈ গৈ মিছা কথা কিছুমান সাজি আমাক কব লগীয়া হৈছে। আমি বেছি সময় নবহিলো, গুচি আহিলো।

ঘৰলৈ আহি মই ভাবিলো। লক্ষ্মী বাইদেৱে বাৰু সঁচা কথা কবলৈ কিয় সাহস নকৰিলে? 'এওঁ মোক সভ্যা হবলৈ মানা কৰিছে।' এই কথাখিনি কবলৈ জিভা কিয় কোঁচ খালে? বান্ধৱীৰ আগত স্বামীৰ সন্মান হানি হয় বুলিয়েই মিছাৰ আশ্ৰয় লৈছে নিশ্চয়। কিন্তু তেওঁৰ স্বামীয়ে কি কৰিলে? নিজৰ পত্নীয়ে বান্ধৱীৰ আগত অপমান পোৱাৰ কথাত কোনো গুৰুত্বই নিদিলে। আজি যদি আমাৰ সলনি বিমান চৌধুৰীৰ কোনোবা দুই-তিনিজন বন্ধু আহি একেধৰণৰ উদ্দেশ্যৰে লগ ধৰিলেহেঁতেন –তেতিয়া জানো বিমান চৌধুৰীয়ে এনে ব্যৱহাৰ কৰিলেহেঁতেন? নিজৰ মান মৰ্যদা ৰাখিবলৈ পঞ্চাশ টকা নেলাগে পাঁচশ টকা দিবলৈকো কুন্ঠাবোধ নকৰিলেহেঁতেন। কাৰণ তেওঁ নিজে অৰ্জন কৰে। গতিকে তেওঁৰ কামৰ ওপৰত কথা কোৱাৰ কাৰো অধিকাৰ নাই! লক্ষ্মী বাইদেৱে বোধহয় আজি প্ৰথম এই আঘাত পালে। নহলে তেওঁ ইমান আত্মবিশ্বাসত আমাক পইছা দিম বুলি নকলেহেঁতেন। স্বামীয়ে মৰমতে মতা 'লক্ষ্মী' সম্বোধনটোৱে অনুৰাধাৰ আত্মবিশ্বাসত প্ৰথম কুঠাৰাঘাত কৰিলে। লক্ষ্মী বাইদেৱে হয়তো আজি ভাবিছে তেওঁ কি? অনুৰাধা চৌধুৰী নে লক্ষ্মী চৌধুৰী? নে কেৱল বিমান চৌধুৰীৰ স্ত্ৰী? আৰু হয়তো তেওঁ নিজে ভাবিবলৈ বেয়া পাইছে বা ভাবিব নোখোজে যে তেওঁ আচলতে বিশ্বাসী মৰ্যাদা সম্পন্ন মৰমৰ বান্দী। সূ

চিন্তনীয়

# মাতৃভাষা আৰু মানসিক বিচ্ছিন্নতাৰ যন্ত্ৰণা

## সমীন্দ্ৰ হুজুৰি

আজি দুবছৰ ধৰি ছোৱালীজনী মাকৰ লগত আমাৰ ঘৰলৈ আহে। বয়স পোন্ধৰ-ষোল্ল। সদায় হাঁহো হাঁহো কৰি থকা দেখিলেই মৰম লগা মুখখন মাজে মাজে লাজত ৰঙাচিঙা পৰে। ভাল নাচিব পাৰে তাই। বিহু, খেৰাই সমানেই।

তাইৰ দুবছৰ বয়সতে বাপেক ঢুকাইছিল। ৰেলৱেত চতুৰ্থ শ্ৰেণীত কাম কৰা বাপেকৰ মৃত্যুৰ পিছত মাকে চাকৰিটো পাইছিল। সম্বোধন বাচক শব্দৰ ভিতৰত আত্মীয়তম কেৱল তই শব্দটো শিকা বাস্কাৰ ভিতৰুৱা গাঁৱৰ পৰা অহা তাইৰ মাকে ইতিমধ্যে আন সম্বোধন বাচক শব্দবোৰতো শিকিলেই, আনকি বৃটিছে পাতি যোৱা বাবু সকলকো উপাধিৰ পিছত সংযোগ কৰি বৰ্মন বাবু, ঘোষ বাবু, নাথ বাবু, শৰ্মা বাবু দস্তুৰমত টিপিকেল ৰেল-কৰ্মী হৈ পৰিল। অসমীয়া পৰিবেশত আজি দহটা বছৰ অতিক্ৰম নকৰোতেই অসমীয়া বাতৰি আলোচনী, পুথি, সভা-সমিতিৰ লগত জড়িত হৈ অতি কষ্ট কৰিহে তাই বড়ো পঢ়িব পাৰে। অসমীয়া মাধ্যমত দুই শ্ৰেণীমান পঢ়ি মানুহজনীয়ে তাইৰ কেঁচুৱা কালত মাকৰ পিয়াহ খোজা ভাষাটোৰ লিখিত ৰূপত আজিও অভ্যস্ত হব পৰা নাই।

খুব বেছি দহটা বছৰৰ ব্যৱধান। এই দশক এটাৰ ব্যৱধানত তাই যেনেকৈ বড়ো পাহৰিছে তেনেকৈ তাইৰ জীয়েকে তাৰ দহ গুণ পাহৰিছে অসমীয়া। আনকি অসমীয়া ভাষাত কথা পতাতো দূৰৈত থাওক এটা সম্বোধনবাচক শব্দও তাই শিকা, নাই। তাতোকৈ ডাঙৰ কথা অসমীয়া ক'বলৈ বোলে তাইৰ ভয় আৰু লাজ লাগে। তাই যোৱা বেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাত বহাৰ আগলৈকে কেৱল অসমীয়া ভাষাৰে সকলো কাম চলাব লগীয়া কোনো ঠাইত এনিশাও কটাব লগীয়া হোৱা নাই। তেনে ঠাইত বজাৰ সমাৰ কৰা নাই এদিনো।

মই নিজেও বড়ো ভাষা নাজানো। অথচ মোৰ বড়ো শিক্ষা আৰম্ভ হৈছিল আজিৰ পৰা দুই দশকৰো পূৰ্বে। গাঁৱত গৰুৰ পাল চৰোৱাটো মোৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ খবৰ নোলোৱা পৰ্যন্ত (তাৰ পিছত নগৰৰ কলেজলৈ অহাত) এটা নৈমিত্তিক কাৰ্যসূচী আছিল। কথাটো এইবাবেই উল্লেখ কৰিছো যে গৰু চৰাওঁতেই মোৰ বড়ো শিক্ষাৰ দুষ্ট বা অশুভাৰম্ভ হৈছিল। আমাৰ গাঁওখনৰ মাজেদি এখন সৰু নৈ বৈ গৈছে– বৰলীয়া (বৈল্যা)। নৈখনৰ পূব-দক্ষিণ পাৰত এটা দহ-পোন্ধৰ ঘৰ বড়ো মানুহৰ চুবুৰি। আনটো পাৰত কেইঘৰমান পাম ধৰা (পাম খোৱা) মানুহ। তাৰে প্ৰতিঘৰৰ লগত বড়ো চুবুৰিৰ মানুহৰ ঘনিষ্ঠ সম্বন্ধ। তাৰে এঘৰৰ এজনে এদিন আমাক বড়ো সম্বোধন বাচক শব্দ কেইটামান আৰু শুভেচ্ছা জ্ঞাপক বাক্য দুটামান শিকালে। আমি বড়ো চৰ্চা আৰম্ভ কৰিবলৈ ক্ষণ গণি ৰলো।

এদিন বিয়লি পৰত দলবান্ধি ৰেচনৰ মাল নিবলৈ (আজিও তেওঁলোকে বজাৰ সমাৰলৈ লগ লাগিয়ে আহে) আহক বড়ো মহিলা-গাভৰু সকল। আমি এদিন পোনতে শুভেচ্ছা বিনিময়ৰ বাবে– পমুৱাজনে শিকোৱা বাক্যটো উচ্চাৰণ কৰিলো। লগে লগে আমাক তেওঁলোকে এনেকৈ খেদা দিলে যে আমাৰ দুজনমান গৈ বিলত পৰিল। গৰু-গাই এৰি আমি আত্ৰানি হেৰুৱাই দৌৰিব লগা হ'ল। তাৰ বাকী অংশ বিচাৰ পৰ্ব।

নক'লেও হব যে আমি ব্যৱহাৰ কৰা শব্দ কেইটা আছিল চূড়ান্ত অশ্লীল। বড়ো মহিলা সকলক অশ্লীল ব্যৱহাৰ কৰিবলৈ পমুৱাজনে আমাক সেই নিষিদ্ধ শব্দ কেইটা শিকাইছিল নে নাই মই নাজানো। কিন্তু এটা সম্প্ৰদায়ৰ প্ৰতি থকা অবজ্ঞাৰ কথা যে তাত সোমাই আছিল সি ধ্ৰুৱপ। সেই অৱজ্ঞাৰ ভাবৰ বাবেই হয়তো আজি প্ৰায় এক শতিকা একেলগে থাকিও আমাৰ গাঁৱৰ মানুহে বড়ো ভাষা শিকিব পৰা নাই। অথচ বড়ো সকলে খোৱা 'লাওপানী' খোৱাটো আজি আমাৰ গাঁৱত আৰু বিচাৰৰ বিষয় হব নোৱাৰে।

সামান্য ঘূৰা ফুৰাৰ মাজেদি দেখিছো যে আজি যিসকলৰ বয়স কুৰি বছৰৰ তলত তেওঁলোকে মিশ্ৰিত বসতি নথকা অঞ্চলত অসমীয়া ভাষাৰ চৰ্চা কৰিবলৈ এৰিছে। তাৰ অৰ্থ এইটো নহয় যে তেওঁলোকে আন কোনো অন্য বড়ো ভাষাত বুৎপত্তি লাভ কৰিছে।

ভাষাৰ ক্ষেত্ৰত হমবৰা বা খবৰদাৰী আৰু অবজ্ঞা এই দুয়োভাবে ওচৰা-ওচৰিকৈ থকা ভাষা-ভাষী সকলৰ মাজত বিৰাট মানসিক প্ৰাচীৰৰ সৃষ্টি কৰিছে। ফলস্বৰূপে আমাৰ মানসিক দূৰত্ব বাঢ়ি যোৱাত ভাষা যে ভাব প্ৰকাশৰ মাধ্যম বা বাহন আৰু তাক আয়ত্ত কৰিব নোৱাৰিলে আমি পৰস্পৰে যে নিঃস্ব হৈ মনৰ ভাব প্ৰকাশ কৰিব নোৱৰাত পৰি পৰস্পৰক বুজিবলৈ অক্ষম হৈ পৰিম, সেই কথা উদ্দেশ্য প্ৰণোদিত ৰাজনৈতিক ষড়যন্ত্ৰত পৰি আমি পাহৰি পেলাইছো। এদিন হয়তো মোৰ ওচৰৰে মানুহজনক নিচিনি ভৰিব পৰা মূৰলৈ নিৰীক্ষণ কৰিব লগীয়া হব এওঁ কোন মুলুকৰ মানুহ? আজি কুৰি বছৰৰ তলৰ কিশোৰ-কিশোৰীহঁতে নিৰ্মম ভাবে বঞ্চিত হৈছে তেওঁলোকৰ মাতৃভাষা শিকাৰ পৰা। এনে বঞ্চনাৰ ফলত যে তেওঁলোকে আন কোনো সংযোগী ভাষাৰ দ্বাৰা সমৃদ্ধ হৈছে, তেনে নহয়। বজাৰ সমাৰ কৰাৰ বাবে আংশিক ভাবে হিন্দী বা ইংৰাজী চলিলেও উত্তৰ পূৰ্বাঞ্চলৰ ভাষা-সাহিত্যৰ চৰ্চাৰ পৰিসীমা অধুনাও মাতৃ ভাষাৰেই চলি আছে। জনজাতীয় ভাষা-ভাষী কেইবাজনো বিশিষ্ট অসমীয়া সাহিত্যিক লেখক অসমতে আছে। কিন্তু সেই সকলে বৰ্তমান পৰিস্থিতিত চলা ভাষাৰ ঠেলা-ঠেলিত বলিষ্ঠ বক্তব্য দাঙি ধৰা নাই। সীতানাথ ব্ৰহ্ম চৌধুৰীক অসম সাহিত্য সভাৰ আসন অলংকৃত কৰিবলৈ দিলেও বড়ো আৰু অন্যান্য জনজাতীয় ভাষা সমূহক আগবঢ়াই অনাত আমাৰ অবজ্ঞা প্ৰকাশ পাইছে। সেই অবজ্ঞা পূৰ্বাঞ্চলৰ সবাতোকৈ সুদৃঢ় ভাষাটোৰ বিৰুদ্ধে বিদ্বেষ বিয়পোৱাত সহায়ক হৈছে। কাছাৰত সাহিত্য সভাৰ অধিবেশন পাতিলেই মাজৰ গেপ্ কমি নাযায়। আমাৰ আন্তৰিকতাৰ আন্তৰিক পৰিচয় দাঙি ধৰিব পাৰিব লাগিব। তাক ভাষাৰ চাৰ্কুলাৰৰ মাজেদি নিশ্চয় কৰিব পৰা নাযাব।

অসমীয়া এসময়ৰ পূৰ্বাঞ্চলৰ সকলো লোকে গ্ৰহণ কৰা ভাষা (এই অঞ্চলৰ বেছিভাগ বয়সস্থ মানুহেই আজিও অসমীয়া বুজি পায়) আছিল। যেতিয়াৰ পৰা জাপি দিয়াৰ নীতি চলিবলৈ ধৰিলে তেতিয়াৰ পৰাই ইয়াৰ নিৰ্বিবাদ পৰিসীমাও ঠেকি আহিল। এনে নীতি চলি থাকিলে ইয়ে এদিন এই ভাষাটোকে বিপদাপন্ন কৰিব।

এটা ঐতিহ্যমন্ডিত ভাষাৰ বৰ্তমানৰ সমৃদ্ধিৰ সময়তো যদি তাৰ স্থায়িত্ব লৈ আমাৰ মধ্যশ্ৰেণীয়ে ৰাউচি জুৰি মানুহক উতলা কৰিব পাৰে; তেনেহ'লে অসমৰ ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীৰ সেই ভাষাবোৰ সম্বন্ধে তেওঁলোক সন্ত্ৰস্ত নহব কিয়?

মনলৈ অনা দৰকাৰ যে বড়ো-ভাষাৰ চৰ্চাৰ ক্ষেত্ৰতো অসমীয়া-ভাষী পন্ডিতৰ বৰঙণি কম নহয়। সেইটোৱে ভাষাৰ বিকাশৰ ক্ষেত্ৰত ঐতিহাসিক সত্য। কোনো ভাষিক গোষ্ঠীৰ মাজত জন্মিলেই সেই ভাষাৰো গৱেষক, পন্ডিত, বিশেষজ্ঞ হব তেনে নহয়। অসমৰ জ্যোতি প্ৰসাদেই তাৰ প্ৰমাণ। ঢাকাত জন্মা বিষ্ণুৰাভা একা? বাগানীয়া পৰিবেশত জন্মা সমীৰ, সনন্ত। বংগ ভাষী পৰিয়ালত জন্মা হেমাংগ বিশ্বাস, ৰবীন্দ্ৰ সৰকাৰ, অমলেন্দু গুহ।


মনৰ কথা প্ৰকাশ কৰিবলৈ যাওঁতেই ভাষাৰ জন্ম। মনৰ কথা প্ৰকাশ কৰিবলৈ যি পৰিবেশে বাধা গ্ৰস্ত কৰে সেই পৰিবেশ অমানৱীয়। সেই অমানৱিক পৰিবেশৰ অন্ত পেলাব নোৱাৰিলে যিমানেই ৰাংঢালী নহওক যুৱতী, দয়ালু বৃদ্ধ তেওঁলোকৰ মাজত এক মানসিক প্ৰাচীৰ সৃষ্টি হব। সেই প্ৰাচীৰ অতিক্ৰম কৰিব নোৱাৰিলে আমাৰ মাজৰ ব্যৱধান মণিব নোৱৰাকৈ বৃদ্ধি পাব। আৰু এদিন এনেকৈয়ে অসমীয়া ভাষা হৈ পৰিব মাথোন এমুঠিমান মানুহৰ ভাষা। কাৰণ চহৰ-নগৰত অসমীয়া ভাষা-সাহিত্যৰ সংকটৰ বাবে টোপনি নহা সেইসকল অসমীয়াৰ ল'ৰা-ছোৱালীয়ে মাকক মা নোবোলে, গ্ৰন্থমেলাৰ বিপনিত তেওঁলোকে অসমীয়া পুথিৰ তালিকাত ল'ৰাক দিবলৈ উপহাৰৰ কিতাপ বিচাৰি নাপায়! তাতোকৈ ডাঙৰ কথা তেওঁলোকৰ সতি-সন্ততিয়ে অসমীয়া পঢ়িবলৈ নোৱাৰে! অসমীয়া পঢ়িব নোৱৰা গৰ্বত বাপেক-মাকৰ বুকু কেইখন যিমান ফুলি উঠে, অসমীয়া পঢ়িব নোৱৰা ৰেলকৰ্মী বড়ো মহিলা গৰাকীৰ উঠেনে? উত্তৰত হয়তো লিখিব লাগিব সীমাহীন 'নুঠে.......। সেইটোৱে চৰম যন্ত্ৰণাদায়ক। সূ


সূত্ৰধাৰ
ডাকযোগেও আপুনি পাব
বছৰেকীয়া বৰঙণিঃ ১৪৪ টকা
ছমহীয়া বৰঙণিঃ ৭২ টকা
ডাক মাচুলৰ পৰা ৰেহাই দিয়া হ'ল।
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফট অথবা চেক যোগে পূৰবী প্ৰকাশন প্ৰাঃ লিঃ, গুৱাহাটীৰ নামত তলৰ ঠিকনালৈ পঠিয়াওকঃ
চাৰ্কুলেচন মেনেজাৰ
সূত্ৰধাৰ
মনজেৰা হাউচ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী-৭৮১০০১

# আমাৰ ভাগৰ লাগে কিয় ?

আপোনাৰ বাৰু সহজে ভাগৰ লাগে নেকি ? কেতিয়াবা কোনো বিশেষ কাৰণ নোহোৱাকৈয়ো আপুনি ভাগৰ লগা যেন অনুভৱ কৰে নেকি ? কেতিয়াবা এনেকুৱাও হয় নেকি যে ৰাতি বিচনাত পৰোতে আপোনাৰ যিমান ভাগৰ লাগিছিল, ৰাতিপুৱা শুই উঠিবৰ সময়ত তাতোকৈ বেছিহে ভাগৰ লগা যেন লাগিল ? যদি এই আটাইকেইটা প্ৰশ্নৰ উত্তৰত আপুনি 'হয়' বুলি মূৰ দুপিয়াব লগা হয়, তেতিয়াও আপোনাৰ ভয় খাব লগা একো কথা নাই । একে সমস্যাৰ ভুক্তভোগী লাখ লাখ মানুহৰ ভিতৰতে আপুনিও এজন মাত্ৰ ।

বেছিভাগ বিশেষজ্ঞৰ মতেই ভাগৰে আমাৰ দেহ আৰু মনক নানা বিপদৰ পৰা ৰক্ষা কৰে । দৈহিক কষ্ট আৰু মানসিক আবেগে যেতিয়া সীমা চেৰাই যাবলৈ উপক্ৰম কৰে তেতিয়াই আমি ভাগৰ অনুভৱ কৰো, অৰ্থাৎ এই সাৱধানবাণী পাওঁ যে এতিয়া আমাৰ দেহ আৰু মনক জিৰণি দিয়া উচিত । প্ৰকৃতিয়ে ৰঙা চাকি জ্বলাই আমাক ঠিক সময়ত সাৱধান কৰি দিয়ে । কঠোৰ শাৰীৰিক পৰিশ্ৰমৰ ফলত আমাৰ গাৰ পৰা প্ৰচুৰ পৰিমাণে ঘাম ওলায়, বুকুৰ ধৰফৰণি উঠে, উশাহ চুটি হয় । কঠোৰ মগজৰ পৰিশ্ৰমৰ ফলতো এইবোৰ লক্ষণ দেখা দিব পাৰে । মানসিকভাৱে হতাশ হ'লেও আমি অবসাদ অনুভৱ কৰিব পাৰো । শৰীৰ যেতিয়া খুব ক্লান্ত হৈ পৰে তেতিয়া মানসিক কৰ্ম-ক্ষমতাও সেই অনুপাতে হ্ৰাস পায় !



শৰীৰৰ শক্তিৰ উৎস হ'ল অম্লজান আৰু তেজত থকা চেনি । কিন্তু গৱেষণাৰ পৰা দেখা গৈছে যে আমাৰ শৰীৰত এই দুয়োবিধ বস্তুৰ 'সংৰক্ষণ পুঁজি'ৰ পৰিমান নিচেই কম । পৰিশ্ৰমৰ ফলত বা আন যি কেনো কাৰণত যেতিয়া এই দুয়োবিধ বস্তু দ্ৰুত গতিৰে খৰচ হবলৈ ধৰে, তেতিয়া আমাৰ মাংসপেশীবোৰ খাদ্যৰ অভাৱত দুৰ্বল আৰু অকামিলা হৈ পৰে । বতাহ নাপালে বা পেট্ৰ'ল ভেজাল হ'লে মটৰ গাড়ীৰ ইঞ্জিনে ভালকৈ কাম কৰিব নোৱাৰি বাৰে বাৰে বন্ধ হৈ যাব খোজে, অম্লজান আৰু চেনিৰ অভাৱতো আমাৰ মাংসপেশীবোৰৰ একে অৱস্থা হয় ।

জিৰণি লৈ থকা অৱস্থাত আমাক প্ৰতি মিনিটত একাপতকৈ বেছি অম্লজান নালাগে । কিন্তু যি কোনো কাম কৰিবলৈ আৰম্ভ কৰাৰ লগে লগে অম্ল জানৰ প্ৰয়োজন দ্ৰুত গতিৰে বাঢ়িবলৈ আৰম্ভ কৰে । কোনো কোনো অৱস্থাত শৰীৰে মিনিটত ছয়-সাত গেলন পৰ্যন্ত অম্লজান খৰচ কৰে । কিন্তু আমাৰ হাওঁফাওঁৱে প্ৰতি মিনিটত মাত্ৰ এক গেলন অম্লজান কোনোমতে যোগান দিব পাৰে । ফলত আমি আমাৰ তেজৰ ৰঙা কণিকাত জমা হৈ থকা অম্লজান ধাৰ কৰিবলৈ বাধ্য হওঁ । কিন্তু তেজৰ ৰঙা কণিকাত চাৰি বা পাঁচ গেলনতকৈ বেছি অম্লজান জমা হৈ নাথাকে ।

আমাৰ শৰীৰত সঞ্চিত হৈ থকা অতিৰিক্ত পৰিমাণৰ অম্লজানে আমাক বিপুল পৰিমাণৰ শক্তি খৰচ কৰিবলৈ সামাৰ্থ্য যোগায়– কিন্তু খুব কম সময়ৰ কাৰণেহে আমি যেতিয়া ট্ৰেইন ধৰিবলৈ চেকুৰ ধৰো বা লৰালৰিকৈ এক গেম টেনিছ খেলো, তেতিয়া আমি এই সাঁচতীয়া অম্লজানৰ প্ৰায় এক তৃতীয়াংশ খৰচ কৰো । কিন্তু আমি যিমানেই চেষ্টা নকৰো কিয়, শাৰীৰিক ক্লান্তিৰ চৰম সীমা পাৰ হৈ যোৱাৰ সাধ্য আমাৰ নাই । তেনে কৰিবলৈ চেষ্টা কৰিলে আমি নানা প্ৰকাৰৰ কষ্ট বা যন্ত্ৰনা অনুভৱ কৰো– যিবোৰে আমাৰ গতিবেগ মন্থৰ কৰিবলৈ আমাক বাধ্য কৰে । এইবোৰ কষ্ট আৰু যন্ত্ৰনা আমাৰ কাৰণে অতিশয় দৰকাৰী, কাৰণ এইবোৰে আমাক আমাৰ শক্তিৰ চৰম সীমা অতিক্ৰম কৰিবলৈ কৰা চেষ্টাত বাধা দি আমাৰ জীৱন ৰক্ষা কৰে । বিপদ-সীমা অতিক্ৰম কৰিবলৈ চেষ্টা কৰিলেই আমাৰ মাংসপেশীত বিষ অনুভৱ হয় ; শৰীৰৰ ভিতৰত কিবা এটা ছিগি যাব খোজা যেন অনুভৱ কৰো ; হাওঁফাওঁটোৱে অলপ সকাহ পাবৰ কাৰণে কাকুতি-মিনতি কৰিবলৈ আৰম্ভ কৰে ।

মজলীয়া বিধৰ শাৰীৰিক পৰিশ্ৰমত অম্লজানৰ যোগান আৰু চাহিদাৰ মাজত এটা ভাৰসাম্য ৰক্ষিত হয় । কিন্তু এই ক্ষেত্ৰতো আৰু এটা ঘটনাই আমাক এটা নিৰ্দ্দিষ্ট সীমা পাৰ হবলৈ নিদিয়াকৈ ৰাখে । আমাৰ তেজত জমা হৈ থকা শক্তি-দায়ক চেনিৰ পৰিমাণ অতি কম । সচৰাচৰ আমি যিমান চেনি খৰচ কৰো, স্বাভাৱিক গতিত খোজ কঢ়াৰ সময়ত আমি তাতোকৈ দুগুণ চেনি খৰচ কৰো । কঠোৰ শাৰীৰিক পৰিশ্ৰম কৰিবৰ সময়ত আমি স্বাভাৱিক অৱস্থাতকৈ পাঁচৰ পৰা পোন্ধৰ গুণ চেনি বেছিকৈ খৰচ কৰো ।

শৰীৰৰ অন্যান্য অঙ্গ-প্ৰত্যঙ্গতকৈ মস্তিষ্ক আৰু স্নায়ুতন্ত্ৰই চেনি আৰু অম্লজানৰ অভাৱ বেছি সোনকালে অনুভৱ কৰে । আমাৰ তেজত থকা চেনিৰ আছুতীয়া ভঁৰাল খৰচ হৈ উদং হোৱাৰ বহুত আগতেই স্নায়ুতন্ত্ৰীয়ে আমাৰ মাংসপেশীলৈ বাতৰি পঠোৱাৰ কাম লেহেম কৰি দিয়ে বা একেবাৰে বন্ধ কৰি দিয়ে– যাৰ ফলত মাংসপেশীবোৰৰ লৰচৰ কৰা শক্তি নোহোৱা হৈ যায় । 'ভাগৰে'– অৰ্থাৎ স্বাভাৱিক শাৰীৰিক পৰিশ্ৰমৰ ফলত সৃষ্টি হোৱা 'ভাগৰে' এনেকৈয়ে আমাক নিজকে ধ্বংস কৰাৰ পৰা নিৰস্ত কৰে ।

মস্তিষ্কৰ ওজন শৰীৰৰ মুঠ ওজনৰ মাত্ৰ শতকৰা দুভাগ । কিন্তু ই শৰীৰৰ অন্যান্য অঙ্গ-প্ৰত্যঙ্গবোৰৰ দৰে কোনো যান্ত্ৰিক কাম-কাজ কৰিব নলগা সত্বেও শৰীৰৰ মুঠ ৰক্ত-প্ৰবাহৰ শতকৰা ১৪ ভাগ আৰু শৰীৰে গ্ৰহণ কৰা মুঠ অম্লজানৰ শতকৰা ২৩ ভাগ ইয়াক দৰকাৰ হয় । মস্তিষ্কই চেনিও খৰচ কৰে খুব বেছি পৰিমাণে ।

মস্তিষ্কৰ ইমান বেছি ইন্ধনৰ কিয় দৰকাৰ হয় সেই কথা আমি নাজানো । কিন্তু আমি এই কথা জানো যে ই অম্ল জান আৰু চেনিৰ ৰাসায়নিক শক্তিক বৈদ্যুতিক মস্তিষ্ক-তৰঙ্গ আৰু স্নায়বিক স্পন্দনলৈ ৰূপান্তৰিত কৰে । মস্তিষ্কৰ নিজৰ চেনি বা অম্লজানৰ ভঁৰাল নাই । সেই কাৰণে ই ৰক্ত প্ৰবাহৰ পৰা এই দুই বিধ বস্তু আহৰণ কৰিব লগা হয় । মাত্ৰ কেইমিনিটমানৰ কাৰণে মস্তিষ্কলৈ এই দুবিধ বস্তুৰ যোগান বন্ধ হৈ গ'লেও মস্তিষ্ক নিষ্ক্ৰিয় হৈ পৰে । আঠ মিনিটমানতকৈয়ো কম সময়ৰ ভিতৰতে মস্তিষ্কৰ যি ক্ষতি হয় তাক কোনো প্ৰকাৰেই মেৰামতি কৰিব নোৱাৰি । মস্তিষ্কৰ কোষবোৰ দ্ৰুতগতিৰে মৰিবলৈ ধৰে । যিহেতু জীৱন আৰু মৃত্যুৰ মাজত ব্যৱধান ইমানেই কম, সেই কাৰণে চেনি আৰু অম্লজানৰ পৰিমাণ সামান্য হ্ৰাস হোৱাৰ পৰাও মস্তিষ্কই নিজকে ৰক্ষা কৰি চলিব লগা হয় । আমি যাক 'ভাগৰ লগা' বুলি কওঁ সেই 'ভাগৰৰ' কাম হ'ল শৰীৰৰ অন্যান্য অঙ্গ-প্ৰত্যঙ্গ তথা মাংসপেশীবোৰক সিহঁতৰ কাম-কাজ হ্ৰাস কৰিবলৈ বা বন্ধ কৰিবলৈ নিৰ্দেশ দিয়া– যাতে তাৰ ফলত ৰাহি হোৱা ইন্ধন বিপদাপন্ন হোৱা মস্তিষ্কলৈ লৰালৰিকৈ পঠিয়াব পাৰি । সেই কাৰণে আমি মস্তিষ্কৰ ভাগৰ আৰু শৰীৰৰ ভাগৰ সদায় একে সময়তে অনুভৱ কৰো ।

আমাৰ যেতিয়া শাৰীৰিক অসুখ বা ৰোগ-ব্যাধি হয়, তেতিয়া ক্লান্তিৰ অনুভৱে আমাক অনাৱশ্যকভাৱে শক্তি খৰচ কৰাৰ পৰা বিৰত কৰি তেনেকৈ ৰাহি হোৱা শক্তিক ৰোগৰ বিৰুদ্ধে যুদ্ধত ব্যৱহাৰ কৰে । সেই কাৰণে বেছিভাগ ৰোগৰে সাধাৰণ লক্ষণ হ'ল ভাগৰ । ভাগৰ অনুভৱ নকৰিলে আমি বেছিকৈ শক্তি খৰচ কৰিম আৰু তেতিয়া ৰোগৰ বিৰুদ্ধে যুঁজিবলৈ আমাৰ শক্তিৰ নাটনি হব ।

পৰ্যবেক্ষণৰ পৰা দেখা গৈছে যে তাকৰীয় পৰিমাণৰ জা-জলপান সঘনাই খাই থাকিলে সহজে ভাগৰ নালাগে । ইয়েল্ বিশ্ববিদ্যালয়ৰ দুগৰাকী বিজ্ঞানীয়ে কিছুমান শ্ৰমিকৰ ওপৰত এটা পৰীক্ষা কৰিছিল । তেওঁলোকে দিনে তিনিবাৰকৈ আহাৰ খায় । প্ৰত্যেক আহাৰৰ এঘন্টাৰ পিছতে তেওঁলোকৰ তেজত চেনিৰ পৰিমাণ আৰু মাংসপেশীৰ কৰ্মদক্ষতা শীৰ্যবিন্দু পায়গৈ ; কিন্তু তাৰ ঠিক পিছতে সি দ্ৰুত গতিৰে হ্ৰাস পাবলৈ আৰম্ভ কৰে । কিছুদিনৰ পিছত শ্ৰমিকসকলক দিনে চাৰিবাৰ বা পাঁচবাৰকৈ কম পৰিমাণে আহাৰ খাবলৈ দিয়া হ'ল । এইবাৰ দেখা গ'ল যে তেজৰ চেনি আৰু পেশীৰ কৰ্মদক্ষতা দুয়োটাই উচ্চতৰ পৰ্যায়ত বেছিপৰ ধৰি স্থায়ী হয় । ভাগৰো আগতকৈ যথেষ্ট কম পৰিমাণে অনুভৱ কৰা হয় ।

যিহেতু আমি কঠোৰ পৰিশ্ৰম বা খেলাৰ পিছত ক্লান্ত আৰু অৱশ হৈ পৰো, সেই কাৰণে আমি ভাবো যে শৰীৰৰ অত্যধিক পৰিশ্ৰমেই আমাৰ ক্লান্তিৰ ঘাই কাৰণ । কিন্তু সাম্প্ৰতিক গৱেষণাৰ পৰা দেখা গৈছে যে নিয়মিত ভাবে ব্যায়াম নকৰাৰ কাৰণেহে আমি সহজে ক্লান্তি অনুভৱ কৰো । হাৰ্ভৰ্দ বিশ্ববিদ্যালয়ত দুই শ্ৰেণীৰ ছাত্ৰৰ ওপৰত এটা পৰীক্ষা কৰা হৈছিল । এক শ্ৰেণীৰ ছাত্ৰই নিয়মিত ভাবে মল্লক্ৰীড়া তথা শৰীৰ চৰ্চা কৰে । আনটো শ্ৰেণীৰ ছাত্ৰই কেতিয়াও কোনো ধৰণৰ ব্যায়াম বা খেলা-ধূলা নকৰে । দুয়ো শ্ৰেণীৰ ছাত্ৰকে একে ধৰণৰ ব্যায়াম কৰিবলৈ দিয়া হ'ল আৰু ব্যায়ামৰ পাছত তেওঁলোকৰ নাড়ীৰ স্পন্দন তুলনা কৰি চোৱা হ'ল । দেখা গ'ল যে যিবোৰ ছাত্ৰই নিয়মিত ভাবে ব্যায়াম কৰিছিল তেওঁলোকে নাড়ীৰ কম স্পন্দন কৰিও হৃৎপিণ্ডলৈ বেছি তেজ পঠিয়াব পাৰে । একেখন বিশ্ববিদ্যালয়তে কৰা আন এটা পৰীক্ষাৰ পৰা দেখা গৈছে যে যিবোৰ মানুহে নিয়মিতভাবে ব্যায়াম কৰে তেওঁলোকে একে পৰিমাণৰ পৰিশ্ৰম কৰিবলৈ ব্যায়াম নকৰা সকলতকৈ কম অম্লজান ব্যৱহাৰ কৰে । নিয়মিত ব্যায়ামে তেওঁলোকৰ হাওঁ-ফাওঁৰ বায়ু-ধাৰণৰ ক্ষমতা আৰু কৰ্মদক্ষতা দুয়োটাকে বৃদ্ধি কৰে ।

কিন্তু এটা কথা মনত ৰখা দৰকাৰ । সদায় শুই-বহি থকা মানুহে হঠাৎ কষ্ট-সাধ্য ব্যায়াম কৰিবলৈ আৰম্ভ কৰিলে তেওঁৰ তেজৰ ৰঙা কণিকা শতকৰা বাৰৰ পৰা ত্ৰিশভাগ পৰ্যন্ত ধ্বংস হৈ যাব পাৰে । ইয়াৰ ফলত মস্তিষ্ক আৰু মাংসপেশীলৈ তেজৰ অম্লজান-যোগানৰ ক্ষমতা হঠাৎ হ্ৰাস পায় । এই কাৰণেই সপ্তাহৰ ছটা দিন অফিচৰ চকীত বহি বহি কাম কৰা মানুহজনে দেওবাৰে খুব জোৰেৰে খেলা-ধূলা কৰিলে বা ঘৰুৱা কাম কৰিলে একেলেঠাৰিয়ে কেবাদিনলৈকে ভাগৰ অনুভৱ কৰি থাকে ।

কেতিয়াবা আমি ৰাতিপুৱা শুই উঠিয়েই ভাগৰ অনুভৱ কৰো । আমি টোপনি গৈ থকা অৱস্থাত আমাৰ শক্তি খৰচ কৰা অঙ্গ-প্ৰত্যঙ্গবোৰে সিহঁতৰ কামৰ গতি ঢিলাই দিয়ে ; কিন্তু শক্তি উৎপাদন কৰা অঙ্গবোৰে বাকীবোৰৰ তুলনাত কিছু বেছি পৰিমাণে কাম কৰি থাকে । ইয়াৰ ফলত স্বাভাৱিক অৱস্থাত সাত-আঠ ঘন্টা সময়ৰ ভিতৰতে আমি দিনটোৰ ভিতৰত হেৰুওৱা সকলো শক্তি ঘূৰাই পাওঁ আৰু পুনৰ সঞ্জীৱিত হৈ সাৰ পাওঁ । কিন্তু যদি জাৰৰ দিনত গাৰ পৰা লেপ বা কম্বলখন খহি পৰি গাত ঠাণ্ডা সোমায়, তেন্তে শৰীৰটোৱে ঠাণ্ডাৰ বিৰুদ্ধে যুঁজ কৰিব লগা হোৱাৰ ফলত শৰীৰৰ শক্তি-উৎপাদক প্ৰক্ৰিয়া ব্যাহত হয় । ঠিক সেই দৰে গৰমৰ দিনত শৰীৰৰ উত্তাপ কমাবলৈ হৃৎপিণ্ড আৰু হাওঁ-ফাওঁৱে স্বাভাৱিক অৱস্থাতকৈ বেছি কাম কৰিব লগা হয় । এনেবোৰ অৱস্থাত আমি গোটেই ৰাতি শুই থাকিও ৰাতিপুৱা ভাগৰ অনুভৱ কৰো ।

গভীৰ মানসিক অশান্তিৰ ফলতো আমি ভাগৰ অনুভৱ কৰিব পাৰো আৰু তেনে অৱস্থাত টোপনিয়ে আমাৰ ভাগৰ দূৰ কৰিব নোৱাৰে ।

–এলবাৰ্ট মাইছেল

# ধৰ্মীয় সংখ্যালঘুৰ বাবে চাকৰি

নৱকান্ত বৰদলৈ

অসম চৰকাৰে সময়ে সময়ে উন্নয়নমূলক কামৰ আঁচনিৰ কথা কৈ থাকে। কাম প্ৰকৃততে যিমানেই নহওক কাম কৰাৰ ঘোষণা প্ৰচাৰ কৰি থকাটো চৰকাৰৰ নিয়ম। নহলে প্ৰজাসকল অসন্তুষ্ট হয়। এই চৰকাৰেও এতিয়া মাজে মাজে কবলৈ লৈছে যে ধৰ্মীয় সংখ্যালঘুৰ বাবে শতকৰা পঁচিশ শতাংশ চাকৰি আৰু অন্যান্য সা-সুবিধাৰ সংৰক্ষণ কৰিব। এই ঘোষণাত এক শ্ৰেণীৰ লোক উৎফুল্লিত হোৱাৰ যথেষ্ট কাৰণ থাকিলেও এনে ব্যৱস্থাই আন এক শ্ৰেণীক যে অসন্তুষ্ট কৰি তুলিব এই কথা ঠিক। কাৰণ আমাৰ গণতন্ত্ৰত সংৰক্ষণৰ ব্যৱস্থাটো বেছ আহুকলীয়া বিষয় – ধৰ্মৰ নামত সংৰক্ষণ সম্পূৰ্ণ সংবিধান বিৰোধী। ধৰ্মৰ নামত সংৰক্ষণৰ কথা সংবিধানৰ কোনো দফাতে নাই। যদিও ধৰ্ম নিৰপেক্ষ ৰাষ্ট্ৰ হিচাপে ধৰ্ম আচৰণৰ ক্ষেত্ৰত ৰক্ষণাবেক্ষণৰ ব্যৱস্থা আছে। কিন্তু "The state shall not discriminate against any citizen on grounds only of religion caste, sex, place of birth or any of them." Part XVI-ত সন্নিবিষ্ট Special Provisionৰ ক্ষেত্ৰতো ধৰ্মৰ নামত এনে সংৰক্ষণৰ কথা নাই।

সংবিধানত যিয়েই নেথাকক কিয় কোনো এক ধৰ্মাৱলম্বী লোকৰ বাবে চাকৰি সংৰক্ষণৰ ব্যৱস্থাটো আইনগত ভাবে সিদ্ধ হ'ব নোৱাৰে। অসম চৰকাৰৰ এই ঘোষণাৰ আঁৰত এই উদ্দেশ্যই আছে বুলি ভবা হৈছে যে অসমত বাস কৰা মুছলমান ধৰ্মাৱলম্বী লোক বিশেষকৈ ন-অসমীয়া (পমুৱা) মুছলমানসকল জনসংখ্যা অনুপাতে চাকৰি বাকৰি বা অন্যান্য সা-সুবিধাৰ পৰা বঞ্চিত হৈছে। ইতিমধ্যে অসম লোকসেৱা আয়োগে নিযুক্তিৰ বাবে যুগুত কৰা প্ৰাৰ্থী সকলৰ তালিকাখন চৰকাৰে এই যুক্তিৰে নাকচ কৰিছে যে প্ৰাৰ্থী তালিকাখনত জন গাঁথনিৰ শুদ্ধ প্ৰতিফলন হোৱা নাই। ধৰ্মীয় সংখ্যালঘুৰ এটা সজাতি দলে অলপতে অসমৰ মুখ্য মন্ত্ৰীক সাক্ষাৎ কৰি এই লোকসকলৰ বাবে চৰকাৰী চাকৰি আৰু অন্যান্য সা-সুবিধা সংৰক্ষণৰ দাবী জনাইছে। আৰু চৰকাৰেও এই লোকসকলৰ সন্তুষ্টিৰ কাৰণে ঘোষণা কৰি দিছে যে ধৰ্মীয় সংখ্যালঘুৰ বাবে চাকৰিৰ সংৰক্ষণৰ ব্যৱস্থা কৰা হ'ব। এই ঘোষণাত চৰকাৰৰ যিমানেই সদিচ্ছা নেথাকক কিয় ইয়াক কাৰ্যত ৰূপায়ণ কৰাৰ বেলিকা যে যথেষ্ট জটিলতাই দেখা দিব এই কথা ধ্ৰুৱপ। সংৰক্ষণৰ লগে লগে নিযুক্তিৰ ক্ষেত্ৰত অন্যান্য চৰ্তসমূহ তথা বিবেচনাসমূহো আহি পৰে যাৰ কাৰণে সংবিধানত স্পষ্টভাবে উল্লেখ থকা জনজাতি আৰু অনুসূচীত জাতিৰ সংৰক্ষণ সমূহ বাহাল ৰাখিব পৰা নাই। জনজাতি, অনুসূচীত জাতি আৰু পিছপৰা শ্ৰেণীৰ বাবে থকা বেকলগ সমূহ পূৰণ কৰিবলৈ গলে দেখোন আন শ্ৰেণীৰ লোকৰ বাবে চাকৰি বাকৰি বা অন্যান্য সা-সুবিধা নেথাকেগৈ। আজি ধৰ্মীয় সংখ্যালঘুৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰিলে জনজাতি, অনুসূচীত জাতি, অন্যান্য পিছপৰা শ্ৰেণী বা অন্য সংখ্যালঘু সম্প্ৰদায়ৰ সংৰক্ষণৰ প্ৰশ্নও উদয় হ'ব।

ধৰ্মীয় সংখ্যালঘু বুললে আমাৰ অসমৰাজ্যত আহোম শাসন কালতে অবিভক্ত ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা আহি অসমত নিগাজীকৈ বসবাস কৰিবলৈ লোৱা ইছলাম ধৰ্মৰ লোকসকলক বুজোৱা হয় – যাক অতি সহজ ভাষাত অসমীয়া মুছলমান আখ্যা দিয়া হয়। ধৰ্মত ইছলাম বিশ্বাসী হলেও আচাৰ-ব্যৱহাৰ মাত-কথা সাজ-পাৰৰ ক্ষেত্ৰত অসমীয়া ঘাই সুঁতিৰ লগত এই লোকসকল এনেদৰে মিলি গৈছে যে কেৱল মছজিদলৈ যোৱা বৈশিষ্ট্যৰ দ্বাৰাহে এওঁলোকক থলুৱা লোকসকলৰ পৰা পৃথক কৰিব পৰা যায়। এওঁলোকৰ লগতে এই ধৰ্মৰ ভালেমান লোক স্বাধীনতাৰ আগে পিছে পাকিস্তানৰ বিশেষকৈ মৈমনসিং, চিলেট, খুলনা, ৰাজচাহী আদি জিলাৰ পৰা আহি অসম ৰাজ্যত নিগাজীকৈ বহিবলৈ ললে। অসমলৈ আহি এই লোকসকলে অসমখনকেই নিজা ঠাই বুলি কৃষিক মূলবৃত্তি হিচাপে লৈ কঠোৰ পৰিশ্ৰমত ব্ৰতী হ'ল। অসমীয়া ভাষাক নিজা ভাষা ৰূপে লৈ অসমৰ জনজীৱনৰ লগত মিলি যাবলৈ চেষ্টা কৰিলে। তেওঁলোকে নিজৰ বঙালী ভাষাটো পৰস্পৰৰ মাজতহে ব্যৱহাৰৰ বাবে ৰাখিলে। আজি অসমৰ অৰ্থনৈতিক উন্নতিত এইসকল লোকে বিস্তৰ বৰঙণি আগবঢ়াইছে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ এই পমুৱা মুছলমানসকল ভাষাক লৈ মুঠেই সচেতন নহয় যিমান সচেতন নিজৰ স্থিতি আৰু জীৱন জীৱিকাক লৈ। কিন্তু অত্যন্ত দুখৰ কথা সময়ে সময়ে এইসকল লোকক অসমৰ ঘাই সুঁতিৰ থলুৱা লোকে একপ্ৰকাৰ বিদেশী বা তথাকথিত ন-অসমীয়া বুলিয়েই গণ্য কৰে। অসম আন্দোলনৰ কালছোৱাত অবৈধ বিদেশী বুলি কওঁতে এইসকল লোকৰ প্ৰতিয়েই আঙুলি টোঁৱাইছিল প্ৰমাদ বশতঃ এই সকল লোকেও নানা যন্ত্ৰণাৰ সন্মুখীন হৈছিল। এতিয়াও বহুতৰ মনত এই ভ্ৰান্তি দূৰ হোৱা নাই যে চৰ অঞ্চলত এতিয়াও শ শ অবৈধ বিদেশী লোক বাস কৰি আছে। আজি এওঁলোকক পমুৱা মুছলমান, চৰবাসী বা ন-অসমীয়া আদি বিভিন্ন নামেৰে নামকৰণ কৰা হৈ থাকে – প্ৰকৃত অসমীয়া সংজ্ঞাৰ ভিতৰলৈ এইসকল লোকক আনিব খোজা হোৱা নাই।

আজি ধৰ্মীয় সংখ্যালঘুৰ নামত চাকৰিৰ সংৰক্ষণ কৰাৰ কথা কওঁতে চৰকাৰৰ দৃষ্টিত হয়তো এইসকল লোকেই ধৰা দিছে। অসমত থকা ইছলাম ধৰ্মী লোকৰ ভিতৰত শতকৰা ৬৫/৭০ ভাগ মানেই পমুৱা মুছলমান। বাকী ৩০/৩৫ ভাগমান হ'ল ব্ৰহ্মপুত্ৰ উপত্যকাত বাস কৰা অসমীয়া মুছলমান আৰু কাছাৰ জিলাত বাস কৰা বঙালীভাষী মুছলমান। কাছাৰত বাস কৰা মুছলমান সকলে অসমীয়া ভাষাক মাতৃ ভাষা বা স্কুল কলেজ আদালতৰ ভাষাৰূপে গ্ৰহণ কৰা নাই। তাৰ বিপৰীতে ৬০/৬৫ শতাংশ পমুৱা লোক বসবাস কৰা ব্ৰহ্মপুত্ৰ উপত্যকাত বঙালী মাধ্যমৰ স্কুল কলেজ দুই এখনহে ওলাব। কিন্তু মুছলমান লোকে পোৱা সা-সুবিধা সমূহৰ সৰহখিনিকে লাভ কৰিছে ব্ৰহ্মপুত্ৰ উপত্যকাৰ অসমীয়া মুছলমান আৰু কাছাৰৰ বঙালী ভাষী মুছলমান সকলে। এতিয়াও যদি ধৰ্মীয় সংখ্যালঘুৰ বাবে চাকৰিৰ সংৰক্ষণ কৰা হয় তেনেহলে ইয়াৰ সৰহখিনিকে পূৰ্বৰ দৰে অসমীয়া মুছলমান আৰু কাছাৰৰ বঙালী ভাষী মুছলমানেই লাভ কৰিব। কাৰণ কেৱল অসমৰ পৰা পৃথক হৈ যোৱাৰ ভীতি প্ৰদৰ্শন কৰিয়েই বৰাক উপত্যকাই ইতিমধ্যে তুলনামূলক ভাবে অধিক সা-সুবিধা আদায় কৰি লবলৈ সমৰ্থ হৈছে। মন্ত্ৰী পদ বিতৰণকে আদি কৰি সা-সুবিধা বিতৰণৰ ক্ষেত্ৰত বৰাক বাসীয়ে আঞ্চলিকতাৰ নামত জোখতকৈ অধিক সা-সুবিধা আদায় কৰি লৈছে। অসম গণ পৰিষদ দলৰ শাসন কালত এজন মাত্ৰ বিধায়ক থকা এই অঞ্চলটোৱে এজন মন্ত্ৰী পাবলৈ সমৰ্থ হৈছিল।

ভাৰত স্বাধীন হোৱা ৪৪ বছৰ হ'ল, ইয়াৰে সৰহখিনি সময় কংগ্ৰেছ চৰকাৰে দেশ শাসন কৰিলে যদিও এই পমুৱা লোকসকলৰ কাৰণে বিশেষ একো কৰা নহ'ল। পমুৱা লোকসকল বসবাস কৰা এলেকাত ৰাস্তা নাই, দলং নাই, শিক্ষানুষ্ঠান নাই – কাৰণ চৰকাৰে জানিছিল তেওঁলোকে দাবী বা আন্দোলন কৰিব নোৱাৰে। আজি এইসকল লোকৰ জনসংখ্যা অনুপাতে চাকৰিত সুবিধা পোৱা নাই বুলি উঠা অভিযোগৰ এটাই উত্তৰ হ'ব যে যোৱা ৪৪ বছৰত অসম চৰকাৰে যিবোৰ চাকৰিত লোক নিয়োগ কৰিছে সিবোৰত নিযুক্তি পাবৰ কাৰণে পমুৱা মুছলমানৰ আবেদনকাৰী হয়তো নাছিল। মুছলমানৰ নামত যিখিনি চাকৰি আৰু অন্যান্য সা-সুবিধা বিতৰণ হৈছে সেইখিনি কুক্ষিগত হৈছে অসমীয়া মুছলমান লোকৰ। যোৱা ৪৪ বছৰত এই লোকসকলৰ পৰা শিক্ষিত আবেদনকাৰী ওলোৱা হলে অন্ততঃ সংৰক্ষণ নহলেও যোগ্যতাৰ ভিত্তিত কিছুলোকে চাকৰি পালেহেঁতেন। আজি তেওঁলোকৰ জনসংখ্যা অনুপাতে নিয়োগৰ ক্ষেত্ৰত বেকলগৰ সৃষ্টি হৈছে এই কথা ঠিক কিন্তু এই বেকলগৰ বাবে চৰকাৰেই প্ৰকৃতাৰ্থত দায়ী। গণ পৰিষদ চৰকাৰৰ দিনত ন-অসমীয়া মুছলমানৰ বাবে বিশেষ একো কৰা নহ'ল বুলি উঠা অভিযোগ মানি ললেও এই কথা ক'ব পাৰি যে গণ পৰিষদ চৰকাৰ গঠনৰ আগতেও জনসংখ্যাৰ জোৰত এই সম্প্ৰদায়ৰ লোক ভালেমান মন্ত্ৰী বিধায়ক হৈছিল, ক'তা তেওঁলোক নিজে কৰ্তা, চৰকাৰ, হৰ্তাকৰ্তাবিধাতা হোৱাৰ বাহিৰেতো বাকী লোকসকলৰ বাবে একো নকৰিলে। মাতব্বৰী ব্যৱস্থাৰ প্ৰতি প্ৰবল দুৰ্বলতা থকা এই শ্ৰেণীৰ লোকসকলৰ মাজত যি দুই এজনৰ অৰ্থনৈতিক ৰাজনৈতিক ক্ষমতা আছে তেওঁলোকে নিজৰ প্ৰতিপত্তি বজাই ৰাখিবৰ বাবে সদায় এনে প্ৰচেষ্টা অব্যাহত ৰাখে যে তেওঁৰ ওচৰে পাঁজৰে আৰু যৰগছ গজিব নোৱাৰে। এওঁলোকৰ মাজত ৰাজ্যিক পৰ্যায়ৰ যি একোজন নেতাই ৰাজনৈতিক ক্ষমতা লাভ কৰিছিল তেওঁলোক চিৰদিন নেতা হৈয়েই মৃত্যুৰ মুখত পৰিছে, আৰু যি সকলে এতিয়া নেতৃত্ব দি আছে তেওঁলোকেও এতিয়া এনে শ্ৰেণী চৰিত্ৰকে ৰক্ষা কৰি যোৱাৰ পক্ষপাতী। কাকতে পত্ৰই এনে অভিযোগ উঠা বহুতে দেখিছে যে নগাওঁ জিলাৰ প্ৰয়াত মহম্মদ ইদ্ৰিছৰ স্থান লবলৈ এই সম্প্ৰদায়ৰ কেইবাজনো মন্ত্ৰী বিধায়কৰ মাজত চলিছে এতিয়া নিকৃষ্ট পৰ্যায়ৰ প্ৰতিযোগিতা। গতিকে এই ক্ষেত্ৰত এই শ্ৰেণীৰ লোকৰ শ্ৰেণী চৰিত্ৰ পৰিবৰ্তন হোৱাৰো প্ৰয়োজন। নহলে অৱস্থাৰ বিশেষ উন্নতি হ'ব বুলি আশা কৰিব নোৱাৰি।

এতিয়া ধৰ্মীয় সংখ্যালঘুৰ বাবে চৰকাৰে চাকৰিৰ সংৰক্ষণ কৰিবলৈ লোৱা ব্যৱস্থাটো কিমান দূৰ ফলপ্ৰসূ হয় তাক ঠিক মতে ক'ব নোৱাৰি। যোগ্যতা, অৰ্থনৈতিক ভাবে দুৰ্বল, পৰিয়ালত চাকৰি নথকা লোক, উগ্ৰপন্থীৰ হাতত মৃত লোকৰ পৰিয়াল, আত্মসমৰ্পণ কৰা উগ্ৰপন্থী, মহিলাৰ ৩০ শতাংশ, জনজাতি, অনুসূচীত জাতি, অন্যান্য পিছপৰা, শাৰীৰিক ভাবে অক্ষম, চাহবনুৱা, মন্ত্ৰী-বিধায়কৰ নিজস্ব কোটা এইবোৰ যোগ্যতা আৰু নীতিৰ ওপৰত চাকৰিত নিযুক্তি দিয়াৰ পিছত ধৰ্মীয় সংখ্যালঘুৰ বাবে চৰকাৰে ক'ৰ পৰা চাকৰি উলিয়াব। অৱশিষ্ট যি দুই এটা থাকেগৈ তাকো যোগ্যতা বা অন্যান্য গুণাগুণৰ জোৰত অসমীয়া মুছলমান বা কাছাৰৰ বঙালী ভাষী মুছলমান লোকেই লাভ কৰিবলৈ সমৰ্থ হব। কাৰণ সংৰক্ষণৰ ভিতৰতো যোগ্যতাৰ প্ৰশ্ন থাকিব নিশ্চয়। গতিকে চৰকাৰে ধৰ্মীয় সংখ্যালঘুৰ কথা নকৈ জনসংখ্যাৰ কথা কলেহে বিষয়টো বাস্তৱ দিশৰ পৰা গ্ৰহণযোগ্য হ'ব বুলি কব পৰা যায়। কাৰণ প্ৰতিবিধ চৰকাৰী আঁচনিত বা চৰকাৰী কাম-কাজত জনসংখ্যাৰ উচিত প্ৰতিফলন হলে কাৰো অসন্তুষ্টিৰ কাৰণ নেথাকে। দেশত প্ৰজা বিদ্ৰোহ নহয়। আজি সমগ্ৰ ভাৰতৰ চুকেকোণে এই অসন্তুষ্টিয়ে গা কৰি উঠিছে যে শতকৰা সাত শতাংশ লোকে চাকৰি বাকৰি বা অন্যান্য সা-সুবিধাৰ সত্তৰ শতাংশ অধিকাৰ কৰি বহি গৈছে। এই অৱস্থাৰ অৱসান ঘটাবলৈ হলে চৰকাৰে অনগ্ৰসৰ জাতি সম্প্ৰদায়ৰ লোক সকলৰ বাবে কাগজে পত্ৰই কোৱা কামবোৰ আখৰে আখৰে পালন কৰিব লাগিব। যিখিনি নিষ্পেষিত মানুহৰ চিন্তা আগত ৰাখি চৰকাৰে এই ঘোষণা প্ৰচাৰ কৰিছে সেই মানুহখিনিৰ সামগ্ৰিক উন্নতিৰ বাবে কাম কৰিবলৈ আগবাঢ়ি আহিব লাগে। চৰ অঞ্চল উন্নয়ন নিগম গঠন কৰিলেই বা এই বিভাগত এজন মন্ত্ৰীৰ নিযুক্তি দিলেই উন্নয়ন সম্ভৱ নহয়। ধৰ্মীয় সংখ্যালঘু (ন-অসমীয়া) অধ্যুষিত অঞ্চল সমূহৰ শিক্ষা-দীক্ষা বা অৰ্থনৈতিক অৱস্থাৰ উন্নতি সাধন কৰি এই লোক সকলৰ দীৰ্ঘদিনীয়া বঞ্চনাৰ অনুভূতি দূৰ কৰাটো অত্যন্ত প্ৰয়োজনীয় কথা। ইয়াৰ লগতে যদি নিযুক্তিত জন গাঁথনিৰ উচিত প্ৰতিফলন হয় তেতিয়া কাৰো আপত্তিৰ থল নেথাকে। কিন্তু আমাৰ লোকপিয়লত ক্ষুদ্ৰ গোষ্ঠী সমূহৰ প্ৰকৃত জনসংখ্যা নিৰ্দ্ধাৰণ নহয় কাৰণ প্ৰত্যেকেই একোটা কাল্পনিক সংখ্যা দাবী কৰি বিষয়টো গোলমলীয়া কৰি তোলে। অসমৰ প্ৰতিটো জনগোষ্ঠীয়ে দাবী কৰা মতেই যদি জনসংখ্যাৰ হিচাপ কৰা হয় তেনেহলে এই সংখ্যা প্ৰকৃত জনসংখ্যাৰ দুগুণ হ'ব। এই হিচাপটো পানী নসৰকা কৰিব নোৱাৰিলেও নিযুক্তি আদিৰ ক্ষেত্ৰত এক স্থিৰ নীতি গ্ৰহণ কৰিলে বহুতো অসন্তুষ্টি, বাদ-বিসম্বাদ দূৰ কৰিব পৰা যায়। এক শ্ৰেণীৰ লোকক ধৰ্মৰ নামত – সংখ্যালঘু বুলি চাকৰি দিবলৈ হলে আৰু বহুতো বিধৰ সংখ্যালঘুৰ সৃষ্টি হ'ব আৰু শেষত গৈ গোটেই নিযুক্তিৰ বিষয়টোৱে এক আহুকলীয়া সমস্যাত পৰিণত হ'ব। ■

## দ্ৰষ্টব্য

সুজিৎ চৌধুৰীৰ ধাৰাবাহিক প্ৰবন্ধ "অসমঃ বৰ্তমান আৰু ভৱিষ্যত"ৰ পঞ্চম খণ্ড লেখকৰ পৰা সময়মতে আহি নোপোৱাত এই সংখ্যাত প্ৰকাশ কৰিব পৰা নহ'ল। অহা সংখ্যাত প্ৰবন্ধটো প্ৰকাশ কৰা হব।

সম্পাদক

# ডিকটেন

দীপক কুমাৰ বৰকাকতী

পুৱাৰে পৰা ৰেমাই উৎপাত কৰি আছিল। সোনকালে শোৱাৰ পৰা উঠি কোঠাৰ এচুকত বহুদিনৰ আগতে গাঁৱৰ কোনোবাই এৰি থৈ যোৱা গিটাৰ এখনৰ ধূলি মাকতি সি পৰিষ্কাৰ কৰিছিল।

যোৱা কেইবাটাও নিশা খুমীৰ ভাল দৰে শোৱা নহ'ল। ৰেমাৰ লগত গিৰ্জাৰ পৰা উলটি অহাৰে পৰা তাইৰ বহুদিনৰ পুৰণা কথা কিছুমান মনত পৰিছিল। না-থীয়াল গ্ৰুপ-চেন্টাৰত থকাৰ সময়ত সুবিধা পালেই তাই এনেদৰে থানমইয়াৰ সৈতে ঘূৰি ফুৰিছিল। সেই মুহূৰ্তবোৰ আছিল অপূৰ্ব ৰোমাঞ্চকৰ। বহুতো ৰঙীন সপোন দেখাৰ। কথাবোৰ ভাবি খুমীৰ বেয়া লাগিল। তাইৰ নিজৰ ওপৰতো খঙ উঠিল। কথাবোৰ পাহৰিবলৈ যিমানে যত্ন কৰিলে সিমানে তাইক বেছিহে আমনি কৰিবলৈ ধৰিলে। বিশেষকৈ শেষলৈ ৰেমাই সুহুৰিয়াই অহাৰ বাবে। থানমইয়ায়ো তাইৰ লগত বহু সময় থকাৰ পাছৰ সময়খিনিত সুহুৰিয়াইছিল। নিশাৰ নিস্তব্ধতাত তাৰ সুহুৰি পাহাৰৰ



নামনিলৈ বিয়পি পৰিছিল।

এই চিন্তাবোৰ খুমীৰ দৰে পঁয়ত্ৰিশ বছৰীয়া তিৰোতা এজনীৰ বাবে বৰ অস্বস্তিকৰ। কিন্তু তাই চিন্তাবোৰক বাধা দিব নোৱাৰিলে। থানমইয়াৰ সেই সুহুৰি এদিন সঁচাকৈয়ে হেৰাই গ'ল। কিন্তু কিয় তাই নাজানে। থানমইয়াই এম্ এন্ এফত যোগ দিয়াৰ সম্ভাৱনাৰ কথা তাই ঘূণাক্ষৰেও গম পোৱা নাছিল। মাউৰী খুমীক ঘটনাটোৱে জোঁকাৰি থৈ গ'ল। তাই অশান্তিত ডুব গ'ল। কিন্তু তাইক উদ্ধাৰ কৰিলে ফাদাৰ আব্ৰাহামে। তাইক ছিলঙলৈ লৈ গ'ল। তাত নাৰ্চিং ট্ৰেইনিঙৰ যোগেৰে তাই নিজকে ব্যস্ত ৰাখি শান্তি লভিলে। তাই জীয়াই থকাৰ এটা উদ্দেশ্য বিচাৰি পালে। এই সুদীৰ্ঘ নাৰ্ছৰ চাকৰিকালত দুবাৰমান অতীতৰ কথা চেগা চেৰোকাকৈ তাইৰ মনলৈ আহিছে। কিন্তু যোৱা নিশাৰ জোঁকাৰণিটো আছিল বৰ ভয়ানক। তাই ওৰে নিশাটো অশান্তিত কটালে।

আজিলৈকে খুমীয়ে কোনো দুৰ্বলতাক প্ৰশ্ৰয় দিয়া নাই। কিন্তু তথাপি কিমিহঁতৰ প্ৰচেষ্টাত ৰেমাই কিবা এটা কৰিবলৈ ইচ্ছা প্ৰকাশ কৰাটো ৰেমা আঁতৰি যোৱাৰে পূৰ্বাভাস বুলি তাই ভাবিছে। কিন্তু ইয়াক লৈতো তাই চিন্তা কৰা উচিত নহয়। এই জীৱন তাই বহুদিনৰ আগতেই মানি লৈছে। তাইৰ ওচৰলৈ মানুহবোৰ বেমাৰী হিচাপে আহিছে আৰু সুস্থ হৈ উলটি গৈছে। তাই মনটো শান্ত কৰিবলৈ চেষ্টা কৰিলে। চকু মুদিয়েই তাই প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। থানমইয়াৰ সতেজ ৰঙিয়াল ছবিখনে তাইক বাৰে বাৰে আমনি কৰিলেহি। এনেদৰে থাকোতেই তাই মনটো সামৰি আনিবলৈ সক্ষম হ'ল। শেষ নিশালৈহে তাইৰ টোপনি আহিল।

ৰেমাই গিটাৰখন পৰিষ্কাৰ কৰাৰ শব্দত তাইৰ টোপনি ভাঙিল। তথাপি তাই বিছনাতে অলপ সময় এনেয়ে পৰি থাকিল। তাইৰ কোঠাত এটা পখিলা সোমাইছে। বিছনাৰ পৰা তাই তাকে চাই থাকিল। ৰেমাই সিটো কোঠাৰ পৰাই চিঞৰিলে – খুমী, সাৰ পাইছনে?

খুমীয়ে সঁহাৰি নিদিলে।

অলপ সময়ৰ পাছত ৰেমাই পুনৰ চিঞৰিলে – খুমী, অ' – খুমী উঠচোন।

– কি হ'লনো? কিয় এনেকৈ চিঞৰিছ? –খুমীয়ে কলে।

– উঠ। মোৰ চুলিখিনি কাটি দেহি–

– এইখন আংপুই গাওঁ নহয় যে মই চুলি কাটিলেহে হয়। বৰবজাৰতে কেইবাখনো চেলুন আছে – কাটি আহগৈ। –খুমীয়ে কলে।

তই কাটি নিদিয় যদি চেলুনতে কাটোগৈ। পিছে তই উঠ। বেলি দুপৰ হ'লাই।

ৰেমাই চুলি কটাৰ লগতে দাড়িও খুৰালে। মুখৰ কটা দাগটো বহুদিন দাড়িৰ তলত লুকাই থকা মসৃণ মুখখনৰ চিক্‌মিকনিত লুকাই পৰিল।

দুপৰ বেলা না-থীয়ালৰ পৰা গাভৰু এজনী ওলালহি। তাই ৰেমালৈ চিঠি এখন লৈ আহিছে। তাই কলে – পু-ল'মাই দিছে চিঠিখন।

চিঠিখন মেলি পঢ়িবলৈ লৈ ৰেমাই গাভৰুজনীক সুধিলে – ল'মা না-থীয়ালত আছে নেকি?

– নাই। লুংলেতহে আছে। কা-পুৰ এটা এক্‌চিডেন্ট হৈছে।– তাই ক'লে।

ৰেমাই চিঠিখনৰ পৰা মূৰ তুলি উদ্গ্ৰীব হৈ গাভৰুজনীলৈ চালে।

– ভয় কৰিবলৈ একো নাই। এক্‌চিডেন্টটো তেনেই সাধাৰণ। পু-লমা তাত নতুনকৈ পতা কলেজখনৰ গৱৰ্ণিং বডিৰ মিটিঙৰ বাবে ইয়াৰ পৰা গৈছিল। উভতি আহোতে কেঁকুৰি এটাত ট্ৰাক এখনৰ লগত কাৰখনৰ কাষটো খুন্দা লাগিল। পু-ল'মা কাৰখনৰ কাষত বহি আহিছিল। কলাফুলত দুখ পালে। কলাফুলটো ফুলিছে। ফ্ৰেকচাৰো হ'ব পাৰে। ডাক্তৰ ৰিণঅ'মা না-থীয়ালতে আছিল। তেওঁ কা-পুক তৎক্ষণাতে লুংলে চিভিললৈ লৈ গৈছে।

– ৰিণঅ'মাও তাত আছে নেকি? –ৰেমাই সুধিলে।

– অঁ। বম্বেৰ পৰা আহিয়েই তালৈ গৈছিল। বাপেকৰ অৱস্থা বৰ ভাল নহয়।

আঢ়ৈ বছৰমানৰ আগতে ৰেমাই ৰ'ছাঙাৰ অৱস্থা বেয়া দেখি আহিছিল। সি সেই বিষয়ে গাভৰুজনীক একো নুসুধিলে। সি চিঠিখনহে পঢ়িবলৈ ধৰিলে। ল'মাই তাক না-থীয়াললৈ যাবলৈ লিখিছে। –উ-ছাঙহঁতেও তই ইয়াত থকাতো বিচাৰে। তই যদি ইচ্ছা কৰ' আংপুইলৈকো যাব পাৰ। মই ইয়াত ডেকা এটা তোৰ বাবে যোগাৰ কৰি থৈছো। সি পাকৈত বাঢ়ৈ। তাৰ নাম লালৰ'ণা। পু-থানয'মাৰ ল'ৰা।

ল'মাৰ চিঠিখন পাই ৰেমাৰ ভাল লাগিল। তাৰ মনটো না-থীয়াল আৰু লগতে আংপুইলৈ উৰা মাৰিলে। –টুইখুৰ, জুৰি, জীয়ালুংখাম–

গাভৰুজনী যাবলৈ ওলাল।

– অ' তইনো ক'ৰ সোধাই নহ'ল।

– লুংলেৰ।

গাভৰুজনীৰ নাম লাল্‌থান্‌পাৰি। তাই এম এ পঢ়িবলৈ আইজ'ললৈ আহিছে।

ৰেমাই দুই এটা কথা পতাৰ পাছতহে তাইৰ আচল পৰিচয়টো পালে। তাই ৰেমীৰ ছোৱালী। মোৱানাৰ জীয়ৰী। তাৰ নিজৰ ভতিজাক। ৰেমীয়ে পুনৰ বিয়া কৰোৱাৰ পাছত তাই কিছুদিন ওপা ৰ'ছিয়ামাৰ লগত আছিল। বুঢ়া ঢুকোৱাৰ পাছত তাই মাক ৰেমীৰ লগত থাকিবলৈ গ'ল। ৰেমীৰ পিয়নৰ কাম কৰা গিৰিয়েকটোৱেও তাইক নিজৰ জীয়ৰীৰ দৰেই ডাঙৰ কৰিলে।

ৰেমাই থান্‌পাৰিক বহুৱাই অলপ সময় কথা পাতিলে। তাই যোৱাৰ পাছত কিমি আৰু খুমীক লগ পাবলৈ ৰেমা উদ্গ্ৰীব হৈ পৰিল।

খুমীক লগ পাই কথাবোৰ কোৱাৰ আগতেই তাই তাৰ মুখলৈ চাই ক'লে – তোৰ গাল মুখ এনেদৰে চিক্‌মিকাইছে যে মোৰ নিজকে বুঢ়ী বুঢ়ী লাগিছে।

তাই হাঁহিবলৈ ধৰিলে।

ৰেমাই গালৰ কটা দাগটোত পিৰ্‌পিৰণি এটা অনুভৱ কৰিলে। তাৰ হাতটো গাললৈ উঠিব খুজিছিল, কিন্তু নুঠালে। সিয়ো হাঁহিবলৈ ধৰিলে।

অলপ পাছত ৰেমাই খুমীক ল'মাৰ চিঠি আৰু থান্‌পাৰিৰ কথা বিবৰি কৈ ক'লে –মই কালিলৈকে না-থীয়াললৈ যাওঁ নেকি!

খুমীয়ে নিজৰ কথা এটা চিন্তা কৰি আছিল। তাইক ছাইহালৈ বদলি কৰিছে। একজুনত তাইৰ নিজৰ মতামতটো দিব লাগে। কালিলৈ ত্ৰিশ মে' হলেই। অহাকালিৰ ভিতৰতে মনটো ঠিক কৰিব লাগিব।

ৰেমাৰ কথা শুনি তাই কলে – যাব খুজিছ যা। তাৰ আগতে কিমিক এবাৰ লগ পাই যা।

– তই যাবলৈ ওলোৱাত বৰ ভাল পাইছো। – কিমিয়ে কলে। – তই ক'ত ৱৰ্কশ্বপ পাত ঠিক কৰি আহিবি। না-থীয়ালতে হ'লে পাৱাৰ অপাৰেটেড্ ৰান্দা, কৰট আদি ব্যৱহাৰ কৰিব পাৰিবি। গ্ৰুপ-

চেন্টাৰ পতাৰ সময়তে পোৱা তহঁতৰ হাউছ-পাছতো আছেই। গতিকে ঠাইৰ অভাৱ নহ'ব। তাৰ উপৰি তোৰ টকাৰ অভাৱ নাই। ল'নৰ ব্যৱস্থাও পু-ভটে কৰি গৈছে, আৰু বস্তুবোৰৰ ব্যৱস্থা আমাৰ এৱোঁ ব্যৱসায়ী বন্ধুৰ জৰিয়তে সোনকালে আৰু সস্তাতে কৰিব পাৰিব।

কিমিৰ কথা শুনি ৰেমাৰ ভাল লাগিল। সি কিছু সময় ইটো সিটো কথা পাতি লোৱাংমোৱালৰ কেম্পটোত থকা তাৰ দুই এপদ বস্তু আনিবলৈ গ'ল। তাত বৰ্তমান দুটা পৰিয়ালহে আছে। সিহঁতৰো এটা এদিনতে চৰকাৰী কোৱাৰ্টাৰলৈ যাব। আনটো পৰিয়ালো গাঁৱলৈ যোৱাটো ঠিক হৈ আছেই, মাত্ৰ সিহঁতৰ আঠ বছৰীয়া ছোৱালী এজনীৰ চিকিৎসাৰ বাবেহে এতিয়াও তাতে আছে।

ৰেমা খুমীৰ কোৱাৰ্টাৰটো পাওঁতে আবেলি হ'ল। সি মুকলি মনেৰে তাইক ইটো সিটো বনোৱাত সহায় কৰি দিলে।

ভাত-পানী খাই উঠি সিহঁত দুয়োটাই কথা পাতিবলৈ ধৰিলে। সিহঁত বহা কোঠাৰ খিৰিকি কেইখন মেলি দিলে। বাহিৰৰ মলয়াত, ক'ৰবাৰ পৰা অহা বনৰীয়া ফুলৰ সুবাস আৰু লগতে বগা পখিলা তিনি-চাৰিটামান সোমাই আহিল। সেই কেইটা চাই চাই ৰেমাৰ গাঁৱৰ জুৰিটোৰ পাৰৰ গছ-গছনিৰ মাজত উৰি ফুৰা পখিলাৰ জাকবোৰৰ কথা মনত পৰিল। পী-লিয়ানীয়ে কোৱা য'লপ'লা আৰু ত্ৰুৱালভুঙীৰ সাধুটোলৈও মনত পৰিল। সি খুমীক সেইবোৰ কথাকে কবলৈ ধৰিলে। সেই তাহানি টুইখুৰৰ পাৰত পানী আনিবলৈ গৈ একেলগে জুম বান্ধি গিটাৰ বজাই গান গোৱাৰ কথাও সিহঁতৰ মনত পৰিল। কথাবোৰ কৈ কৈ সিহঁত দুয়োটা বেছ উচ্ছ্বসিত হৈ পৰিল। এটা সময়ত সিহঁত দুয়োটা নিমাত হৈ কথাবোৰ যেন উপলব্ধি কৰিবলৈ ধৰিলে।

ৰেমাই খিৰিকি এখনেৰে বাহিৰলৈ চালে। বাহিৰত অন্ধকাৰ। সিহঁতৰ ঘৰৰ দৰেই আন ঘৰবোৰতো বিজুলি সৰবৰাহ নাই। আকাশখনত তৰাৰ চিক্‌মিকনি। সি কিবা এটা গুণ-গুণাবলৈ ধৰিলে। তাৰপাছত পুৱাতে ঠিক কৰা গিটাৰখন লৈ টুংটুংকৈ বজাবলৈ ধৰিলে।

আইজ'লত আজিকালি গিটাৰৰ শব্দ কমেই শুনিবলৈ পোৱা যায়। ডেকাবোৰ টিভি ভিডিঅ' আৰু বাইক লৈয়ে বেছিভাগ ব্যস্ত। ৰেমাই বজোৱা গিটাৰৰ শব্দত খুমী আপ্লুত হ'ল। তাইৰ মনটো আংপুই আৰু না-থীয়াললৈ উৰা মাৰিলে। তাইৰ লাহে লাহে ধাৰণা হ'ল ৰেমাৰ গিটাৰৰ শব্দত কিবা এটা কৰুণতা আছে, কিবা এক বিননি আছে। তাইৰ বুকুখনৰ চুক এটা বিষাই উঠিল। তাইৰ থানমইয়ালৈ মনত পৰিল, দুচকুৰ পৰা তপত চকুলো বৈ আহিল আৰু এসময়ত উচুপিবলৈ ধৰিলে।

ৰেমাই গিটাৰখন সামৰি লৈ সুধিলে –এই – তই কিয় কান্দিছ?

ৰেমাৰ প্ৰশ্নৰ উত্তৰ দিওঁতে খুমীয়ে সময় ললে। তাই থানমইয়াৰ কথা এই প্ৰথম ৰেমাৰ আগত বিবৰি কবলৈ ধৰিলে।

পাছদিনা পুৱা কিমি গাড়ী লৈ খুমীৰ কোৱাৰ্টাৰ ওলালহি। ৰেমাৰ লগত খুমীও বাছষ্টেন্ডলৈ ওলাল। তাইৰ গোল বগা মুখখনত যোৱা নিশাৰ কান্দোনৰ লেশ তিলমানো নাই।

– অ'ই – চা-চা পখিলাবোৰ –

খুমী চিঞৰি উঠিল।

সঁচায়ে, বৰ আচৰিত। জাক-জাক বগা পখিলা উত্তৰ ফালৰ পৰা দক্ষিণলৈ লানি নিচিগাকৈ উৰিব লাগিছে। একে ধৰণৰ তিনি চাৰিটামান পখিলা ৰেমাই নিশা ঘৰৰ ভিতৰত দেখা পাইছিল।

কিমিৰ জীপখন বাছষ্টেন্ড পোৱালৈকে তিনিবাৰমান পখিলাৰ লানিৰ মাজেৰে সোমাই আহিল।

জীৱনত এনেদৰে পখিলা উৰা মই কেতিয়াও দেখা নাই।

– এৰা, এইটো বৰ বিৰল ঘটনা।

– মানুহে কয় আমাৰ ইয়াত এনেদৰে আগতেও পখিলা উৰিছিল। তাৰ পাছতেই হৈছিল দুৰ্ভিক্ষ–

– দুৰ্ভিক্ষ? – কিমিৰ কথা শুনি ৰেমাই ক'লে – দুৰ্ভিক্ষ মানেইতো আন এটা আন্দোলন–

ৰেমাৰ কথা শুনি খুমী আৰু কিমি দুয়োজনীয়ে হাঁহিবলৈ ধৰিলে।

সিহঁত দুয়োজনীয়ে হাঁহি হাঁহিয়েই ৰেমাক বাছখনত উঠাই বিদায় দিলে।

ৰেমাৰ বাছখন আইজ'লৰ পৰা জেমাব'কলৈকে কেইবাবাৰো উত্তৰৰ পৰা দক্ষিণলৈ উৰা পখিলা জাকৰ মাজেৰে পাৰ হ'ল। বাছখনৰ ভিতৰতো পোন্ধৰ-বিশটামান পখিলা সোমাই ৰ'ল। ৰেমাই গোটেই পথছোৱা খুমীয়ে জোৰ কৰি দি পঠোৱা পুৰণা গিটাৰখনত হাত ৰাখি গাঁৱৰ কথাই ভাবিবলৈ ধৰিলে। জুৰিৰ পাৰত বহি বহি সি যেন নিৰিবিলি মনেৰে গান গাই আছে। তাৰ এই নিৰিবিলিতা জীয়ালুংখাম টিঙটোৱে যেন একান্ত মনেৰে চাই আছে।

না-থীয়ালত সি পোনেই উ-ছা-ঙৰ দোকানতে সোমাল।

– উ-ই – ছাঙীয়ে তাক দেখি দৌৰি অহাদি আহিল। তাইৰ চকুৱে মুখে আগ্ৰহ ফুটি ওলাল। – তই অৱশেষত আহিলি!

ছা-ঙীয়ে তাক ওপৰমহলালৈ লৈ গ'ল। সিহঁতে তাত কথা পাতি থাকোতেই কোঠাটোৰ দুৱাৰত টোকৰ পৰিল।

কুৰি বছৰীয়া ডেকা এটা সোমাই আহিল। ছা-ঙীয়ে ৰেমাক পৰিচয় কৰাই দিলে –ইয়েই লালৰ'ণা। ল'মাই চাগে' ইয়াৰ কথা তোলৈ লিখিছিল।

ডেকাটোক ভালদৰে চাবলৈ পোৱাৰ আগতেই ৰেমাই ৰাস্তাটোত মানুহৰ খদমদম শুনিবলৈ পালে। সিহঁত আটাইমখা বাৰান্দালৈ ওলাই আহি তলৰ ৰাস্তাটোলৈ চালে। মানুহবোৰে এটা দিশলৈ বেগাই খোজ দিছে। দুই এটা দৌৰিছেও। কোনোবা দুটামানে চিঞৰি চিঞৰি কিবা কৈছে।

– পু- থানমইয়া আহিছে। –লালৰ'ণাই ক'লে। – সেই গছজোপাৰ গুৰিতে বহি আছে।

গছজোপাৰ গুৰিৰ বেঞ্চ এখনত মানুহ এটা বহি আছিল। তাৰ উজ্জ্বল বগা বৰণৰ মুখখনত ৰঙচুৱা দাড়ি। গাত এটা জেকেট। মূৰত এটা কাউবয় টুপি। তাৰ কাষেৰে কান্ধলৈকে দীঘল চুলিখিনি বৈ পৰা। মানুহটোৰ কাষতে গছজোপাৰ গুৰিত দুডাল পেং আউজাই থোৱা আছে।

মানুহটোৰ চকুৰ পতা গধুৰ। সি কাষৰ মানুহবোৰৰ লগত খুব লাহে লাহে দুই এটা কথা পাতিছে।

ৰাস্তাৰে বেগাই যোৱা মানুহবোৰৰ কোনোবা এটাই ক'লে – সি বোলে ইমান দিনে চাইনাতে আছিল–

আন কোনোবা এটাই দৌৰি যাওঁতে কৈ গ'ল – নহয় – বাৰ্মাতহে –

মানুহবোৰৰ কথা শুনি ৰেমাৰ মুখত হাঁহি বিৰিঙিল। সি লালৰ'ণালৈ চালে। লালৰ'ণায়েও হাঁহিছে। ৰেমাৰ তাক থানয'মা যেনেই লাগিল। মাত্ৰ হাঁহিত ওলাই পৰা লালৰ'ণাৰ দাঁতত সোণৰ চিক্‌মিকনিটো নাই। □


(সমাপ্ত)







# আজহাৰ আৰু ভাৰতীয় ক্ৰিকেট



ভাৰতীয় ক্ৰিকেট দলৰ খেলৰ অস্থিৰতাত প্ৰায় হতাশ হৈ সৰ্বসাধাৰণৰ লগতে কেইবাজনো শীৰ্ষস্থানীয় প্ৰাক্তন খেলুৱৈয়ে এইদৰে মন্তব্য কৰিছে যে আগন্তুক বিশ্বকাপত ভাৰতীয় দলৰ অধিনায়ক সলনি নকৰিলে ভাৰতে অতি নিম্ন মানৰ খেলহে প্ৰদৰ্শন কৰিব পাৰিব। লৰ্ডচৰ বিফলতাৰ পাছতেই তিনি কোণীয়া প্ৰতিদ্বন্দ্বিতাৰ বিশ্বকাপ চিৰিজ প্ৰতিযোগিতাত ভাৰতৰ পৰাজয়ৰ গ্লানি নিৰ্বিবাদে দলৰ অধিনায়ক আজ:হাৰ উদ্দিনে মূৰ পাতি লব লাগিব। খেলুৱৈ সকলৰ ধাৰাবাহিক ব্যৰ্থতাৰ কথা বাদ দি অধিনায়ক হিচাপে কোনোখন খেলতেই তেওঁ কোনো ধৰণৰ পাৰদৰ্শিতা দেখুৱাব পৰা নাই। ইয়াৰ উপৰিও অষ্ট্ৰেলিয়াৰ সৈতে তিনি কোণীয়া বিশ্বকাপ চিৰিজত অধিনায়ক হিচাপে কিছু সময় টিকি থাকিব নোৱাৰি ষ্ট্ৰোক খেলা নবীন বেটচ্‌মেন শচীন তেণ্ডুলকাৰৰ ওপৰত খেলৰ ফলাফল এৰি দিয়াটো অপ্ৰয়োজনীয়। এনেকুৱা পৰিস্থিতিত দলৰ অধিনায়কে নিজা-ববীয়াকৈ খেলত যোগ্যতা দেখুৱাব পাৰিব লাগিব। পাকিস্তানী অধিনায়ক ইমৰান খান বা প্ৰাক্তন কেৰিবিয়ান অধিনায়ক ভিভিয়ান ৰিচাৰ্ডে কিন্তু এনে পৰিস্থিতিত নিজ দলক সু-নেতৃত্ব দিব পাৰিলেহেঁতেন। অধিনায়ক হিচাপে অপটু আজ:হাৰে আৰু কিছু সময় ধৈৰ্যৰে খেল খেলিব নোৱাৰি খেলখনৰ গধুৰ বোজা জাঁপি দিলে শচীন তেণ্ডুলকাৰ আৰু প্ৰবীণ আমৰেক। তেণ্ডুলকাৰ, প্ৰবীণ আমৰে যুটীয়াভাৱে সুন্দৰ খেল প্ৰদৰ্শন কৰিলেও প্ৰতিপক্ষৰ বলাৰৰ হাতত আউট হৈ যায়। এই দুটা গুৰুত্বপূৰ্ণ উইকেটৰ পতনৰ পিছত অষ্ট্ৰেলিয়া দলৰ অধিনায়ক এনেদৰে ভয়াবহ হৈ উঠিছিল যে নতুনকৈ বেট ধৰিবলৈ অহা মিডিয়াম পেছ বলাৰ মনোজ প্ৰভাকৰ আৰু উইকেট কীপাৰ চন্দ্ৰকান্ত পণ্ডিতৰ মুখত আতংকৰ চিন ফুটি উঠিছিল। তাৰেই সুযোগ গ্ৰহণ কৰিছিল এলেন বৰ্ডাৰে। ফিল্ডাৰ সকলকৰ পজিচন সলনি কৰি অনিশ্চিত খেলখনত কেৱল মনোবল আৰু দৃঢ়তাৰ বাবে তেওঁৰ দল জয়ী হৈছিল। আনহাতে ভাৰতীয় দলে ইমান ভাল খেলিও আসন্ন বিজয়ৰ পৰা বিচ্যুত হ'ল।

অধিনায়ক হিচাপে এচীয় কাপতেই আজ:হাৰে কিছু কৃতিত্ব পাব পাৰে। ইয়াৰ বাহিৰে কোনো খেলতেই অধিনায়ক হিচাপে তেওঁ পাৰদৰ্শিতা দেখুৱাব পৰা নাই। এসময়ৰ পূৰ্ণ মনোবল থকা আজ:হাৰৰ বৰ্তমান এই অৱস্থা। অধিনায়কৰ পদৰ পৰা আজ:হাৰক অপসাৰিত নকৰিলে ভাৰতে আৰু এজন বেটচ্‌মেন হেৰুৱাব লাগিব। ভাৰতৰ প্ৰাক্তন অপেনাৰ সুনীল গাভাস্কাৰেও আজ:হাৰৰ অনভিজ্ঞতাৰ কথা ব্যক্ত কৰিছে তেওঁ লেখাত।

এই আলোচনাৰ সময়লৈকে ভ্ৰমণৰত ভাৰতীয় দলটোৱে অষ্ট্ৰেলিয়াৰ সৈতে তিনিখন খেল সমাপ্ত কৰিছে। ইয়াৰে এখন খেল ড্ৰ হৈছে। বাকী দুখনত পৰাজিত হৈছে। ইতিমধ্যে চতুৰ্থখন টেষ্ট খেল আৰম্ভ হৈছে। আৰু এখন বাকী আছে। আঠুত আঘাত প্ৰাপ্ত বাওঁহতীয়া স্পিনাৰ আৰু অপেনিং বেটচ্‌মেন ৰবি শাস্ত্ৰীয়ে বৰ্তমান চলি থকা খেল খেলাৰ পৰা বিৰত আছে। আনহাতে ভাৰতৰ আনজন উইকেট কীপাৰ কিৰণ মোৰেৰ আঘাতো গুৰুতৰ। গতিকে বাকী খেল কেইখনত বিশেষ পাৰদৰ্শিতা দেখুৱাব নোৱৰা সঞ্জয় মাঞ্জেৰেকৰে কিছু উন্নত মানৰ খেল প্ৰদৰ্শন নকৰিলে ভাৰত বিপৰ্যয়ৰ সমুখীন হ'ব। অৱশ্যে কপিলদেৱ, মনোজ প্ৰভাকৰ, ৰাজু আৰু শ্ৰীনাথৰ বলিঙেও এই খেলত বিশেষ অৰিহণা আগবঢ়াব পাৰিব বুলি আশা কৰিব পাৰি। আজ:হাৰৰ নেতৃত্বৰ ওপৰত নিৰ্ভৰ কৰিছে এই খেল দুখনৰ ফলাফল। দুয়োখন খেলতেই জয়লাভ কৰিলে আগন্তুক বিশ্বকাপত নানা বাক্-বিতণ্ডা চলি থাকিলেও আজ:হাৰৰ অধিনায়কত্বৰ সলনি নিশ্চয় নহ'ব। ১৯৯১-৯২ৰ এই ৫খন টেষ্ট মেচেই নিৰ্ধাৰণ কৰিব আগন্তুক বিশ্বকাপত আজ:হাৰ উদ্দিনে ভাৰতৰ হৈ নেতৃত্ব কৰিব পাৰিব নে নোৱাৰিব।

মালবিকা পাঠক

চেন্টাৰ পতাৰ সময়তে
হাউছ-পাছতো আছেই।
অভাৱ নহ'ব। তাৰ
অভাৱ নাই। ল'নৰ
গৈছে, আৰু বস্তু
এৱোঁ ব্যৱসায়ী
আৰু সস্তাতে

কিমিৰ ক
সি কিছু
লোৱাং
এপদ
দুটা

# …ময়-বিৰোধী চলচ্চিত্ৰ …হোৎসৱ

উৎপল দত্ত

ট্ৰেড-ফেয়াৰ' এই শব্দ দুটা আজিৰ ব্যৱসায়িক পৃথিৱীত অতি চিনাকি আৰু পৰিচিত। 'ট্ৰেড-ফেয়াৰ'ত হয় কি ? একে ব্যৱসায়ৰ লগত জড়িত ব্যক্তিৰ আলাপ-আলোচনা, ভাব বিনিময়, উৎপাদিত সামগ্ৰীৰ প্ৰচাৰ-প্ৰদৰ্শন-বিক্ৰী ইত্যাদি। ব্যৱসায়ৰ বৰ্দ্ধন আৰু উন্নতিৰ বাবে এই ধৰণৰ মেলাৰ প্ৰয়োজন অতি বেছি ই প্ৰমাণিত সত্য আৰু সেইবাবে সমগ্ৰ পৃথিৱীতে 'ট্ৰেড-ফেয়াৰ'ৰ চাহিদা দ্ৰুতগতিত বৃদ্ধি পাইছে।

স্বাভাৱিকতে এই মেলা ব্যৱসায়ৰ লগত জড়িত উৎপাদক আৰু বৃহৎ ক্ৰেতাৰহে প্ৰয়োজনীয়। সাধাৰণ ক্ৰেতা এজনক এই ধৰণৰ মেলাই সাধাৰণ জ্ঞান বৃদ্ধিৰ বাহিৰে আন ধৰণৰ সহায় কৰিব নোৱাৰে। সাধাৰণ ক্ৰেতাক স্পৰ্শ কৰাৰ বাবে অলেখ উপায় আৰু পথ আছে– সেই পথ 'ট্ৰেড-ফেয়াৰ' নহয়।

'ট্ৰেড-ফেয়াৰ'ৰ বিষয়ে ইমানখিনি পাতনি মেলাৰ কাৰণ হ'ল– চলচ্চিত্ৰ মহোৎসৱ নামৰ বাৎসৰিক অনুষ্ঠানটিও আজি 'ট্ৰেড-ফেয়াৰ'ৰ পৰ্যায়লৈ ৰূপান্তৰিত হৈছে। (আমাৰ আলোচনা ভাৰত চলচ্চিত্ৰ মহোৎসৱৰ মাজতে সীমিত থাকিব।)

১৯৫২ চনত ভাৰতৰ বুকুত আয়োজিত প্ৰথমখন আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱৰ সাফল্যলৈ আজিও প্ৰতিজনেই আঙুলিয়াই দিয়ে। ভাৰতৰ চলচ্চিত্ৰ জগতত আছিল সেয়া প্ৰথম অভিজ্ঞতা, সেই মহোৎসৱত প্ৰদৰ্শিত নব্য ধাৰাৰ ইটালিয়ান ছবিয়ে ভৰতৰ সত্যজিৎ ৰায় প্ৰমুখ্যে বহু চিত্ৰনিৰ্মাতা-চিত্ৰৰসিকক অভিজ্ঞতা আৰু উপলব্ধিৰ নতুন দুৱাৰ খুলি দিয়া বুলি কোৱা কথা আজি 'মিথ'ৰ সমতুল্য।

সন্দেহ নাই, সেই আৰম্ভণি আজিৰ সময়ৰ ইতিহাসয়ৰ কেইটিমান উজ্জ্বল পৃষ্ঠা। কিন্তু দ্ৰুত পৰিবৰ্তিত সময়ৰ পৰিপ্ৰেক্ষিতত দুকুৰি বছৰ আগৰ ধাৰণা কিমানদূৰ গ্ৰহণযোগ্য!

চলচ্চিত্ৰ মহোৎসৱ আয়োজন কৰাৰ কাৰণ হ'ল দেশৰ মানুহক আন্তৰ্জাতিক চলচ্চিত্ৰৰ ধাৰণা দিয়া, দেশৰ উৎকৃষ্ট ছবিবোৰক বিদেশী প্ৰতিনিধিৰ আগত প্ৰদৰ্শন কৰি দেশৰ ছবিক পৃথিৱীৰ পথলৈ আগবঢ়াই দিয়াৰ সুবিধা দিয়া, চলচ্চিত্ৰৰ স্ৰষ্টা আৰু ৰসগ্ৰাহীৰ মাজত ভাব-বিনিময়ৰ সুবিধা দিয়া।

এটা সময় আছিল, যি সময়ত বিদেশৰ ছবি চাবলৈ পোৱাটো অথবা দেশৰ ছবি বাহিৰলৈ পঠোৱাটো এটা সমস্যা হিচাপে চিঁহ্নিত হৈছিল। কিন্তু আজি ইলেকট্ৰনিক মিডিয়াৰ দ্ৰুত প্ৰসাৰ, বিশেষকৈ ভিডিঅ'ৰ ব্যাপক প্ৰসাৰে এই বাধা সহজেই অতিক্ৰম কৰি গুচি গৈছে। আজি আমেৰিকাত মুক্তি লাভ কৰা ছবি এখন অসমৰ ভিতৰুৱা গাঁও এখনতো ভিডিঅ'ৰ সৌজন্যত এমাহৰ ভিতৰতে চাব পৰা কাৰ্য সম্ভৱ হৈ উঠিছে। তেনে স্থলত ভাৰতৰ চৰকাৰী বিষয়াই দেশে-বিদেশে ঘূৰি ছবি সংগ্ৰহ কৰি আনি অলেখ টকাৰ বিনিময়ত এখন মহানগৰীৰ দৰ্শকৰ বাবে চলচ্চিত্ৰ মহোৎসৱৰ আয়োজন কৰাৰ যুক্তি কি ?

প্ৰথমে আমি মহোৎসৱৰ প্ৰচলিত ধাৰণাৰ বিষয়ে অলপ আলোচনা কৰি লওঁ। মহোৎসৱত প্ৰদৰ্শিত বিদেশী ছবি সমূহ মুখ্যতঃ দেশীয় দৰ্শকৰ বাবে আৰু দেশীয় ছবিবোৰ বিদেশী প্ৰতিনিধিৰ বাবে। কল্পনা কৰি লোৱা হৈছিল যে একোখন মহানগৰীৰ দৰ্শকে ভাল ভাল বিদেশী ছবি দৰ্শন কৰি আধুনিক চলচ্চিত্ৰৰ সমজদাৰ হৈ উঠিব আৰু মহোৎসৱত দৰ্শকৰ উপস্থিতি হোৱা সাংবাদিকসকলে গ্ৰহণ কৰা অভিজ্ঞতা প্ৰান্তৰে-প্ৰান্তৰে বিতৰণ কৰিব। বাস্তৱত এইটো হ'ল নে ? মহোৎসৱত দৰ্শকৰ ভিৰ হয় চেন্সৰ নকৰা ছবিবোৰত থকা আদি ৰসাত্মক দৃশ্যৰ বাবেহে। মহোৎসৱে সাধাৰণ দৰ্শকৰ চিত্ত পৰিবৰ্তনত কিবা সহায় কৰিব পাৰিছে নেকি তাৰ প্ৰমাণ ওলাই পৰে মহোৎসৱৰ পিছত সেই চহৰত নিয়মিত ভাবে প্ৰদৰ্শন হৈ থকা ছবিবোৰৰ মাজত। আজিলৈকে মুঠ তেইছটি আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱে ভাৰতৰ কেইবাখনো মহানগৰীৰ দৰ্শকৰ মাজত কিবা পৰিবৰ্তন আনিব পাৰিলেনে ? নাই পৰা। সাধাৰণ দৰ্শকৰ মাজত মহোৎসৱ এটি সাময়িক আনন্দদায়ক উৎসৱৰ বাহিৰে আন একো নহয়।

বিদেশী প্ৰতিনিধি সকলক আমন্ত্ৰণ কৰি আনি ৰাজকীয় আপ্যায়ণ দি ৰখাৰ কাৰণ হ'ল সেইসকলৰ সৌজন্যত ভাৰতীয় ছবিয়ে বিদেশৰ এখন বজাৰ লাভ কৰাৰ আশা। এয়া সম্পূৰ্ণ ব্যৱসায়িক আচৰণৰ বাহিৰে আন একো নহয়। চলচ্চিত্ৰ উদ্যোগৰ স্বাৰ্থত এনে ব্যৱসায়িক আচৰণৰ প্ৰয়োজন আছে ; কিন্তু তাক মহোৎসৱৰ অংগ কৰাৰ প্ৰয়োজন কি ? তাকতো সম্পূৰ্ণ 'বিজনেচ টুৰ'ৰ আখ্যাৰে আখ্যায়িত কৰিব পাৰি।

এই চলচ্চিত্ৰ মহোৎসৱ সম্পূৰ্ণ ভাবে চৰকাৰী পৃষ্ঠপোষকতা আৰু ৰাজহুৱা ধনৰ ব্যৱহাৰেৰে আয়োজিত। কল্যাণকামী ৰাষ্ট্ৰৰ আদৰ্শ অনুযায়ী চলচ্চিত্ৰ কলাৰ বিকাশৰ স্বাৰ্থত চৰকাৰে ৰুচিসম্পন্ন, শিল্পগুণবিশিষ্ট চলচ্চিত্ৰৰ বিকাশৰ পোষকতা কৰাটো প্ৰশংসনীয় আৰু প্ৰয়োজনীয়। সেয়ে চলচ্চিত্ৰ মহোৎসৱত চৰকাৰে শিল্পগুণসম্মত ছবিবোৰৰ প্ৰতিহে মনযোগ দিয়াটো বাঞ্ছনীয়। কিন্তু আজি কেইবছৰমানৰ পৰা চলচ্চিত্ৰ মহোৎসৱত বোম্বাইৰ তথাকথিত গ্লেমাৰাইজড্ হিন্দী ছবি আৰু ছবি জগতৰ তাৰকাৰ প্ৰাধান্য বৃদ্ধি পাই আহিছে। 'মেইনষ্ট্ৰিম' নামেৰে লেবেল লগাই তথাকথিত ব্যৱসায়িক ছবিৰ প্ৰতি চৰকাৰে অধিক আগ্ৰহী মনোভাব প্ৰদৰ্শন কৰি আহিছে। ব্যৱসায়ৰ উদ্দেশ্যে নিৰ্মাণ কৰা ছবিবোৰে নিজে নিজৰ প্ৰকাশ-প্ৰচাৰ-প্ৰসাৰৰ সুবিধা সৃষ্টি কৰি লৈছেই। এনে ছবিক চৰকাৰী পৃষ্ঠপোষকতা প্ৰদান কৰাৰ যুক্তি আৰু তাক মহোৎসৱৰ লগত সাঙুৰি দিয়াৰ মতলব বুজা নাযায়। বিদেশী প্ৰতিনিধিসকলে 'মেইনষ্ট্ৰিম' ছবি চাব বিচাৰে, কিনিব বিচাৰে– ইত্যাদি যুক্তি সময়ে সময়ে পৰিবেশন কৰা হয় যদিও এই যুক্তি গ্ৰহণযোগ্য হব নোৱাৰে। কাৰণ সম্ভাব্য ক্ৰেতাৰ মৰ্জিৰ বাবে আৰু ব্যৱসায়ৰ উদ্দেশ্য সাধনৰ বাবেই যদি মহোৎসৱৰ আয়োজন কৰা হয়, তেন্তে মহোৎসৱৰ ঘোষিত আদৰ্শৰ মৰ্যাদাই থাকিল বা ক'ত ? মহোৎসৱ আৰু অইন 'ট্ৰেড ফেয়াৰ'ৰ মাজত পাৰ্থক্যই বা ৰ'ল কি ? অথচ বাস্তৱত সেইটোৱেই হৈ আছে আৰু আৰম্ভণি অনুষ্ঠানত মন্ত্ৰী-বিষয়াসকলে প্ৰদান কৰা শিল্প-সংস্কৃতি বিষয়ক ভাষণৰ পিছতেই মহোৎসৱ ৰূপান্তৰিত হৈ পৰিছে সাধাৰণ 'ব্যৱসায়িক উন্নয়ন অনুষ্ঠান'লৈ।

পুনৰ সাধাৰণ দৰ্শকৰ প্ৰশ্নলৈ আহো। চলচ্চিত্ৰ মহোৎসৱত উচ্চমানৰ বিদেশী ছবি প্ৰদৰ্শনেৰে দৰ্শকৰ চলচ্চিত্ৰ ভাবনা উন্নত কৰাৰ এই যি চৰকাৰী প্ৰয়াস তাৰ সাফল্য বক্তৃতাৰ মাজতেই আবদ্ধ হৈ আছে। চলচ্চিত্ৰ সম্পৰ্কত চৰকাৰৰ যি নীতি, সেই নীতিয়ে দৰ্শকৰ ৰুচিবোধ উন্নত কৰাত সহায় কৰাৰ সলনি তাৰ বিপৰীতহে কৰি আছে।

বিদেশী ছবি আমদানি কৰাৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ নীতি কি তাক জনা নগলেও সাধাৰণ দৰ্শকে অনুভৱ কৰিছে যে উচ্চমানৰ বিদেশী ছবিয়ে সহজে আহি ভাৰতৰ প্ৰেক্ষাগৃহৰ ৰূপালী পৰ্দা জিলিকাই নোতোলেহি। অথচ তৃতীয় শ্ৰেণীৰ বিদেশী ছবি নিয়মিত ৰূপত ভাৰতলৈ আহিয়েই আছে। ভিডিঅ' কেছেটৰ ক্ষেত্ৰত এই বাধা কিছু শিথিল যেন অনুভৱ হয়। চৰকাৰী সংগঠন এন এফ ডি চি-য়ে বিদেশী ছবিৰ কেছেট ভাৰতৰ বজাৰত বিতৰণ কৰে। এই ব্যৱস্থাটো কিন্তু মানবিশিষ্ট ছবিৰ লগতে সাধাৰণ মানৰ চেক্স-ভায়োলেন্স সৰ্বস্ব ছবিয়েহে প্ৰাধান্য লাভ কৰিছে। হয়তো এনে ছবিয়ে এন এফ ডি চি-ক ব্যৱসায়িক সাফল্য যোগাব পাৰিছে– কিন্তু চৰকাৰৰ প্ৰচেষ্টাতো সদায়েই ব্যৱসায়িক সাফল্যমুখী হোৱাটো উচিত নহয়।

দূৰদৰ্শনেও প্ৰায়েই বিদেশী ছবি প্ৰদৰ্শন কৰে যদিও এখন দুখন ক্লাচিকৰ বাহিৰে অধিকাংশ ছবিয়েই হয় সাধাৰণমানৰ পুৰণি ছবি। মহোৎসৱ পাতি এখন চহৰৰ দৰ্শকক নতুন বিদেশী ছবিৰ সোৱাদ দিয়াৰ লগতে দূৰদৰ্শন যোগে নতুন বিদেশী ছবি প্ৰদৰ্শন কৰি বহু বেছি সংখ্যক দৰ্শকক উপকৃত কৰিব পৰা গ'লহেঁতেন।

দৰ্শকৰ চলচ্চিত্ৰ বোধ উন্নত কৰাৰ বাবে চৰকাৰৰ এই দুমুখীয়া প্ৰচেষ্টা এপিনে চলচ্চিত্ৰ মহোৎসৱৰ জৰিয়তে কৰা চেষ্টা আৰু আনহাতে দূৰদৰ্শন যোগে অহৰহ তৃতীয় শ্ৰেণীৰ হিন্দী ছবিৰ প্ৰদৰ্শন– এই দুই বৈপৰীত্যই সমগ্ৰ চৰকাৰী প্ৰচেষ্টাটোক এটি প্ৰহসনলৈ ৰূপান্তৰিত কৰি পেলাইছে। চলচ্চিত্ৰ মহোৎসৱ এটি বাৰ্ষিক উৎসৱ আৰু দূৰদৰ্শন যোগে ছবি প্ৰচাৰ– এই দুই কাৰ্য ছবিকেন্দ্ৰিক



*বাঙ্গালোৰত অনুষ্ঠিত ২৩ তম ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ ১৯৯২ উদ্বোধনী অনুষ্ঠানৰ এটি মুহূৰ্ত*

হ'লেও দুয়োটাৰ মাজত কোনো সাদৃশ্য বা উদ্দেশ্যগত সামঞ্জস্য বিচাৰি পোৱা নাযায়। যদি চৰকাৰে এই মহোৎসৱ আৰু অন্যান্য কাম-কাজৰ মাজেৰে দৰ্শকৰ চলচ্চিত্ৰবোধৰ প্ৰতি সম্মান প্ৰদৰ্শন কৰাৰ কথা ভবিলেহেঁতেন তেনেহলে এই ধৰণৰ আঁচনিবোৰৰ মাজত এটি আদৰ্শগত মিল বিচাৰি পোৱাটো সহজ হ'লহেঁতেন।

সামগ্ৰিক ভাবে, চলচ্চিত্ৰ মহোৎসৱে ছবিৰ লগত জড়িত কিছুলোক আৰু এখন চহৰৰ দৰ্শকৰ বাবে আনন্দৰ বাৰ্তা বহণ কৰি আনিলেও বৃহত্তৰ সাধাৰণ দৰ্শকৰ বাবে এই মহোৎসৱবোৰ ফলপ্ৰসূ হৈ উঠা নাই আৰু এই প্ৰচেষ্টাত নুঠিবও। মহোৎসৱ কেন্দ্ৰীয় ভাবে এঠাইত উদ্‌যাপিত হব পাৰে, কিন্তু বৃহত্তৰ দৰ্শকৰ চাহিদা পূৰণৰ বাবে ছবিৰ প্ৰদৰ্শন ব্যৱস্থাটো সিঁচৰতি কৰি দিয়াটো প্ৰয়োজনীয়। তাৰ উপৰি দূৰদৰ্শন আৰু ভিডিঅ'ৰ সহযোগ ব্যাপক কৰি মহোৎসৱ আৰু ব্যাপক কৰি তোলাটো অতি জৰুৰী। আজিৰ যুগত ভিডিঅ'ৰ ক্ষমতা অস্বীকাৰ কৰাৰ সাহস কাৰোৱেই নাই। ইয়াৰ সহায় আওকাণ কৰি চিনেমাৰ বিশুদ্ধতা ৰক্ষা কৰিব বিচৰাটো সময় বিৰুদ্ধ আচৰণ। ভিডিঅ' কেতিয়াও ৰূপালী পৰ্দাৰ বিকল্প হব নোৱাৰে। কিন্তু চিনেমাই ঢুকি নোপোৱা দৰ্শকৰ বাবে ভিডিঅ'ই একমাত্ৰ বিকল্প। যদি মহোৎসৱৰ বাণী বৃহত্তৰ দৰ্শকৰ ওচৰলৈ নিব বিচৰা দায়িত্ব অনুভৱ কৰা যায়- তেন্তে এক চহৰকেন্দ্ৰিক মহোৎসৱৰ ধাৰণা পৰিত্যাগ কৰিব লাগিব আৰু সময়ৰ আহিলা ভিডিঅ' দূৰদৰ্শনক ব্যৱহাৰ কৰাৰ বিকল্প নাথাকিব।

ভূপেন্দ্ৰনাৰায়ণ ভট্টাচাৰ্য

# বেণু মিশ্ৰ, হীৰেণ ভট্টাচাৰ্যৰ বন্ধুত্ব আৰু শৰৎ বৰুৱাৰ হাঁহি


দুই বন্ধু হীৰেণ ভট্টাচাৰ্য আৰু বেণু মিশ্ৰ

কোনোবা এজনে কলে, বেণু মিশ্ৰই হেনো স্বশিক্ষিত শিল্পীসকলক লগ পালে ছবি আঁকিবলৈ উৎসাহ দিয়ে।

শ্ৰীযুত মিশ্ৰ তেতিয়া তথ্য আৰু জনসংযোগ বিভাগৰ প্ৰচাৰ বিষয়া। এদিন ৰাতিপুৱা হঠাৎ মই বৰ কল্পনাপ্ৰৱণ হৈ উঠি ভাবিলো, তেনেকুৱা এজন ব্যক্তিৰ সংস্পৰ্শলৈ আহিলে কিজানি ময়ো এদিন পল চেঁজান বা গঁগা নতুবা হেন্‌ৰি ৰুচোৰ নিচিনা কৃতী চিত্ৰকৰ হৈ যাবও পাৰো।

কিন্তু তেনেকুৱা এজন ব্যক্তিক মই লগ ধৰো কেনেকৈ? অৱশ্যে এদিন তেওঁৰ লগত পৰিচয় হৈ গৈছে পুলিচ ৰিজাৰ্ভৰ ৰঙালী বিহু সন্মিলনত। তেওঁ সেই বিহু সন্মিলনীৰ সাংস্কৃতিক সম্পাদক আছিল: কিন্তু প্ৰশ্ন হৈছে, তেওঁ জানো মোক মনত ৰাখিছে? মোৰ সহপাঠী এজনে ক'লে – 'তই প্ৰথমে হীৰেণ ভট্টাচাৰ্যক লগ ধৰ; কাৰণ, ভট্টাচাৰ্যই হৈছে মিশ্ৰৰ আটাইতকৈ ওচৰৰ বন্ধু। তেওঁৰ মাজেৰে তই যদি পৰিচয় হ'ব পাৰ, তেতিয়াহলে তোক গুৰুত্ব দিবই।'

অৱশেষত সেই সহপাঠীজনৰ কথাকে সাৰোগত কৰি এদিন প্ৰত্যুষতে গা-পা ধুই উঠি কবি শ্ৰীযুত হীৰেণ ভট্টাচাৰ্য ডাঙৰীয়াৰ ঘৰলৈ যাবলৈ সাজু হলো। মোৰ কিন্তু তেতিয়াও তেখেতৰ লগত পৰিচয় হোৱাই নাই। মই চিনি পাওঁ কিন্তু। প্ৰায়েই জিলা পুথি ভঁড়ালৰ সমুখেৰে পাণ বজাৰৰ ফালে বেগাই যায়। বেণু মিশ্ৰ তেতিয়া আবেলি আবেলি পাণ বজাৰ ছোৱালী হাইস্কুলৰ সমুখৰ দুমহলীয়া বিল্ডিং এটাৰ ওপৰৰ বেলকনিত দুই চাৰিজন মানুহৰ লগত কথা পাতি থকা দেখা পাওঁ। বোধহয়, দুয়ো তাত লগা-লগি হয়। মাজে মাজে ভট্টাচাৰ্য আৰু মিশ্ৰই জালুকবাৰীৰ ফালে ফুৰিবলৈ যায় আৰু উভতি আহোতে দুয়ো কামাখ্যা গেটত নামি ড০ ভবেন্দ্ৰনাথ শইকীয়াৰ ঘৰলৈ যোৱাৰ খবৰো পাওঁ। তাতেই চাহ-তামোল খাওঁতে ৰাতি হয়। বেছি ৰাতি হলে ভট্টাচাৰ্যই মিশ্ৰক আগবঢ়াই থবলৈ যায়। মিশ্ৰৰ ঘৰ ছাত্ৰীবাৰীত আৰু আনজনৰ ঘৰ জু-ৰোডত। মিশ্ৰই আকৌ ভট্টাচাৰ্যক আগবঢ়াই থয়। এনেকৈ ইজনে সিজনক আগবঢ়াই থওঁতে ৰাতি পুৱাই। আহোতে ভট্টাচাৰ্যই মিশ্ৰৰ পৰা এড়ি চাদৰ এখন গাত উৰিবলৈ লৈ আহে। সেইখন আকৌ আবেলি ওভোটাই দিবলৈ ভট্টাচাৰ্যৰ ঘৰলৈ যোৱা ইত্যাদি খবৰো সংগ্ৰহ কৰি ললো।

যিয়েই নহওক, মই আহি কবি শ্ৰীযুত ভট্টাচাৰ্যৰ ঘৰ পালোহি। কলিং বেল টিপিলো। মাক ওলাই আহিল। মই কলো –হীৰুদাক লগ পাম বুলি আহিছো। মাকে কলে – তুমি তাক লগ পাবলৈ হলে বাৰীৰ পিছফালে যাব লাগিব; আহা, মোৰ লগত আহা; মই লৈ যাম। মই তেখেতৰ পিছে পিছে গৈ এটা খালৰ পাৰ পালো। পাৰত বহি বৰশী বাই আছে হীৰুদা; হাতত জ্বলন্ত চিগাৰেট।

বৰশীৰ পুঙাটো বাৰে বাৰে লৰিছে। আৰু লগে লগে পানীত কিছুমান ঢৌৰ সৃষ্টি হৈছে। আৰু সেই ঢৌত কঁপিছে কলমৌ শাক সমদল।

বৰশীৰ পুঙা লৰিছে; এনেকুৱা সময়তনো মই চিনাকি হবলৈ আহিছো বুলি কওঁ কেনেকৈ?

ছাটিকৈ পানীৰ মাজত দেখিলো এটা অস্পষ্ট চেনীপুঠি। বহলে পাঁচ আঙুলমান আৰু দীঘলে এবেগেতমান। চেনীপুঠি মাছটোৰ মূৰৰ আৰু পেটৰ ৰঙচুৱা বাকলিবোৰ সূৰ্যৰ পোহৰত চিকমিকাই উঠিছে। হীৰুদাৰ মুখত হাঁহি বিৰিঙিছে; তেওঁ একান্তমনে পুঙাটোলৈ চাইছে। চিপ্‌টো লাহে লাহে টানিছে–

মাছৰ বাকলিৰ চিক্‌মিকনিত তেওঁৰ মুখত হাঁহি আকৌ এবাৰ বিৰিঙিল; যেন কিবা এক আশাত মানুহজন ৰৈ আছে আৰু মই তাত? সেই মুহূৰ্তত নিজকে বৈৰী যেন অনুভৱ হ'ল; নিজকে অপৰাধী অপৰাধী লাগিল। কবিয়ে বৰশী বাই বাই সমগ্ৰ জগত পাহৰি গৈছে; তাৰ মাজত নিজৰ ভাবোজগত সৃষ্টি হৈছে আৰু শেষত ভাব মণ্ডলৰ পৰাই হয়তো ওলাই আহিব এটা ভাল কবিতা। এনে সন্ধিক্ষণত মোৰ উপস্থিতি জানো উচিত? মই নিঃশব্দে নীৰৱে তাৰ পৰা ওলাই আহি আলিবাটত থিয় হলো–

কিন্তু বেণুদাক মই লগ পাবই লাগিব। কি কৰা যায়, তাকেই থিয় হৈ ভাবিলো। বেণুদাৰ ভায়েক মাধৱ মোৰ লগত কটন কলেজিয়েটত একেলগে পঢ়া। ভাবিলো, মাধৱক বিচৰাৰ চলেৰেই যাওঁচোন; কিজানি তেওঁকেই দুৱাৰ খুলি দিয়াৰ সময়ত পাই যাওঁ। যদি পাই যাওঁ, কম ......'আৰে বেণুদা, আপুনি চিনি পোৱা নাই, মই অমুক, সেই যে পুলিচ ৰিজাৰ্ভৰ বিহু সন্মিলনীত পাইছিলো? মনত আছেনে, মই যে আপোনাক লগ ধৰি কলো – আমাৰ ক্লাৱৰ তৰফৰ পৰা এখন তাত নাটক কৰিম। আপুনি যে হাঁহি মুখে অনুমতি দিলে...... তাৰ পাছত সেই যে নাটকৰ দিনাখন মই ইমান ওখ দাড়ি থকা ছাগলী এজনী যে লৈ হাজিৰ হৈছিলো। আপুনি যে চিঞৰিলে– হেৰা! খেদাহে খেদা। ছাগলী সোমাইছে; মই যে কলো, নালাগে, ছাগলীজনী মইয়ে লৈ আহিছো; তাইও নাটকত অভিনয় কৰিব। ......তাৰ পাছত, নাটক শেষ হোৱাৰ পাছত যে আমাৰ ছয়জনক চাহৰ শ্লিপ দিলে; মই যে কলো – ছয়জন নহয়, সাত। আপুনি যে অলপ খঙেৰে কলে – কিয় সাত হ'ব? তোমালোক দেখোন ছয়জনহে। তেতিয়া যে ময়ো লাহেকৈ কলো – কিয় ছাগলীজনী কলৈ গ'ল? ছাগলীজনীয়ে যিহেতু নাটকত অভিনয় কৰিছে, সেই কাৰণেই আপুনি সাতজনৰ চাহৰ শ্লিপ দিব লাগিব। তেতিয়া কোনোবা এজনে যে কলে – হেঁৰা তোমালোকৰ ছাগলীয়েও চাহ খায় নেকি? আমাৰ লগৰো কোনোবা এজনে যে কলে –আমাৰ ছাগলীয়ে চাহ আৰু কফি দুয়োবিধেই খাবে। তাৰ পাছতহে সকলোৱে হাঁহিলো? মনত আছে?

বেণুদাৰ মাক ওলাই আহিল আৰু ক্ষীণ হাঁহি এটা মাৰি কলে– 'নাই অফিচলৈ গৈছে।' মই বৰ হতাশ হৈ ওলাই আহিলো।

এইবাৰ আহিলো অফিচলৈ। এঘাৰটা বাজি গৈছে।

অফিচত তেওঁৰ কোঠাটোত সোমায়ে বৰ হতাশ হলো। সমগ্ৰ কোঠাটোৱেই ভঙা-চিগা কাঠৰ চকী মেজেৰে ভৰ্তি। চৌদিশ অপৰিষ্কাৰ; অ'ত ত'ত সিঁচৰতি হৈ পৰি আছে ফটা-চিটা কাগজ। চুকত এজন মানুহে এটা টেবুল লেম্পৰ তলত এখন মানুহৰ মুখত ৰং দি আছে। মোক দেখি মানুহজনে বিনা দ্বিধাই এটা হাঁহি মাৰিলে আৰু সুধিলে –কাৰোবাক বিচাৰিছা? মই কলো। তেওঁ হাঁহি হাঁহি কলে –আহিছিল; এইমাত্ৰ আমাৰ অফিচৰে ৰমেশ ঘোষৰ লগত সিপাৰে গ'লগৈ–

সিপাৰলৈ মানে?

মানে, উত্তৰ গুৱাহাটীলৈ। ৰমেশ ঘোষে নিজৰ ঘৰতে এটা প্লাষ্টাৰ অব পেৰিচেৰে ধুনীয়া ভাস্কৰ্য কৰিছে; তাকে চাবলৈ গৈছে; আহোতে অলপ দেৰি হ'ব।

অফিচৰ কোঠালিটো মোৰ কিবা কন্দন কন্দন লাগি আহিল। মিশ্ৰৰ বহা চকীখনৰ হেণ্ডেল এডাল নাই; বেটবোৰ এৰাই গৈছে। আৰ্টিষ্ট হ'ল বুলিয়েই ইমান নোৱাৰি। স্বয়ং অফিচাৰৰে যদি বহা চকীখনৰ অৱস্থা এনেকুৱা, তেনেহলে বাকীবোৰৰ কি হ'ব?

হঠাৎ খহুৱা ভেকুলী এটা ক'ৰ পৰা জানো জঁপিয়াই আহি ছবিত ৰং সানি থকা মানুহজনৰ মেজত জঁপিয়াই পৰিল;

দেখিছানে কাৰবাৰ; ভেকুলীটোলৈ আঙুলিয়াই তেওঁ হাঁহি হাঁহি বহাৰ পৰা জঁপ মাৰি উঠিল।

আপোনাক মই......

অ, মই? মোৰ নাম শৰৎ বৰুৱা; ইয়াৰে ষ্টাফ; – হাঁহি হাঁহি তেওঁ কলে।





City Handlooms

33, Sarojini Nagar Market
New Delhi
Phone: 607177, 674882

When you visit the capital city,
Please step in at our stall

for

Bedcovers, Bedsheets, Towels, Mattresses,
Curtains, Pillow, Pillow covers, etc.
in exclusive design.